## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


| | | |
|---|---|---|
| ❒ ভাৰতীয় প্ৰেক্ষাপটত মহিলা সবলীকৰণ | ✍ কমলা ভাসিন | ৩ |
| ❒ মহিলা সবলীকৰণ ঃ চৰকাৰী পৰিপেক্ষা | ✍ লীনা নায়াৰ | ৮ |
| ❒ মহিলাৰ অৰ্থনৈতিক সবলীকৰণ | ✍ ইলা আৰ ভাট | ১২ |
| ❒ শিশু লিঙ্গৰ বিৰূপ সমানুপাত হাৰ, বিচাৰধাৰা আৰু চৰকাৰৰ নীতি | ✍ মেৰী ই জন | ১৫ |
| ❒ সামাজিক আন্তঃগাঁথনি সৃষ্টি কৰাৰ ক্ষেত্ৰত মহিলাসকলৰ বহুমুখী ভূমিকাৰ গুৰুত্ব | ✍ দেৱকী জৈন | ১৯ |
| ❒ স্কুলীয়া শিক্ষাৰ লিঙ্গ প্ৰসঙ্গৰ বিষয় আৰু তাৰ সমাধান ব্যৱস্থা | ✍ শালেন্দৰ শৰ্মা<br>✍ ড° শশীৰঞ্জন ঝা | ২২ |
| ❒ ভাৰতৰ স্বাধীনতা আন্দোলনত মহিলাৰ ভূমিকা | ✍ জ্যোতি অট্ৱাল | ৩১ |
| ❒ মহিলা সবলীকৰণ সন্দৰ্ভত আলোকপাত আৰু কিছু বিচাৰ্য বিষয় | ✍ সুভাষ শৰ্মা | ৩৫ |
| ❒ সতীৰপৰা মেৰী কমলৈ ঃ অধিকাৰৰ বাবে অবিৰত সংগ্ৰামৰ গাথা | ✍ গীতা লুথ্ৰা | ৪১ |
| ❒ অসমৰ ৰাজনীতিত নাৰী | ✍ নিত্যানন্দ শইকীয়া | ৪৭ |
| ❒ সৃষ্টি আৰু শক্তিৰ প্ৰতীক— নাৰী | ✍ নিবুল কুমাৰ গগৈ | ৪৯ |
| ❒ আপুনি জানেনে | | ৫২ |
| ❒ উন্নয়ন মানচিত্ৰ | | ৫৫ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচচল
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 47 No. 7**
সপ্তচত্বাৰিংশ বৰ্ষ ঃ সপ্তম সংখ্যা
ছেপ্টেম্বৰ ঃ ২০১৬

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে

পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

# এই সংখ্যাৰ প্ৰসংগত

## ‘মহিলাৰ নেতৃত্ব’ৰ উন্নয়ন

“বিকাশৰ বাবে মহিলাৰ সবলীকৰণতকৈ অধিক সফল আহিলা আৰু নাই...” মহিলাৰ সামৰ্থ্য অধিক উপযুক্তভাৱে বৰ্ণনা কৰিবলৈ ইয়াতকৈ আৰু উপযুক্ত বাক্য নিশ্চয় নাই। মহিলাসকলে পৰম্পৰাগত বা অতি আধুনিক ভূমিকাতো অধিক একো লাভ কৰা নাই। অতীজৰে পৰাই মাতৃ হিচাপে তেওঁলোকে সন্তান গৰ্ভত ধাৰণ কৰা, জন্ম দিয়া, ভৱিষ্যৎ বিশ্বৰ নাগৰিক হিচাপে প্ৰতিপালন কৰা আদি দায়িত্ব পালন কৰি আহিছে। এগৰাকী কন্যা, ভগ্নী আৰু পত্নী হিচাপে তেওঁলোকে পুৰুষক বিভিন্ন প্ৰকাৰে সমৰ্থন কৰি আহিছে। অতি আধুনিক নেত্ৰী, পৰিচালক আদি ভূমিকাত অৱতীৰ্ণ হৈছে। শেহতীয়াকৈ তেওঁলোকে লিংগ বৈষম্যৰ প্ৰাচীৰ ভাঙি পৰ্বতাৰোহণকাৰী, বিমান চালক, সশস্ত্ৰ বাহিনীতো যোগদান কৰাটো পৰিলক্ষিত হৈছে।

সি যি কি নহওক, মহিলাৰ বাবে এনেকুৱা সদায় নাছিল। অতীজত এগৰাকী মহিলাৰ পুৰুষৰ অবিহনে একো অস্তিত্ব নাছিল— তেওঁ মাত্ৰ কন্যা, পত্নী বা মাতৃহে হ’ব পাৰিছিল। তেওঁলোকে কোনো কামত নেতৃত্ব ল’ব পৰা নাছিল— ‘জীৱন’ত সদায় এজন পুৰুষ— পিতৃ, পুত্ৰ বা স্বামীৰ অধীনত থাকিব লাগিছিল। সিদ্ধান্ত গ্ৰহণ সম্পৰ্কীয় কামবোৰত তেওঁলোকক সন্মতি দিয়া নহৈছিল। এই ধাৰণা পশ্চিমীয়া সমাজতো বৰ্তি আছিল য’ত মহিলাৰ ভোটদানৰ অধিকাৰ বহু পলমকৈহে দিয়া হৈছিল। ভাৰততো, প্ৰায় এটা শতিকাজুৰি হোৱা সংগ্ৰামৰ পাছতহে মহিলাসকলে সম্পত্তিৰ অধিকাৰ, ভোটদানৰ অধিকাৰ, বিবাহ আৰু নিযুক্তিৰ ক্ষেত্ৰত সম অধিকাৰ লাভ কৰিছে। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত সংবিধান প্ৰণেতা আৰু ৰাষ্ট্ৰৰ নেতাসকলে মহিলা-পুৰুষৰ সমানে সম সামাজিক স্থিতিৰ স্বীকৃতি প্ৰদান কৰে। ধাৰাবাহিক চৰকাৰসমূহে মহিলাসকলক অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত সম অধিকাৰ প্ৰদান কৰাৰ বাবে আইনগত, ৰাজনৈতিক আৰু সামাজিকভাৱে যথেষ্টখিনি কাম কৰিছে।

শিক্ষাই ব্যাপকভাৱে মহিলাক সৱলীকৰণ কৰিছে আৰু য’ত মহিলা শিক্ষিত তাত সবলীকৰণ দ্ৰুততৰ হৈছে। সবলীকৰণে মহিলাক বিবাহ, মাতৃত্ব আৰু বৃত্তিৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাত সমৰ্থ কৰিছে। শিক্ষাই বিবাহ, আৰ্থিক স্বাধীনতা আৰু জীৱনত পিতৃয়েই হওক বা স্বামীয়েই হওক পুৰুষৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা আদি বিষয়ৰ সন্দৰ্ভত সজাগতাৰ সৃষ্টি কৰিছে। মহিলাই ঘৰত গাৰ্হস্থ্য হিংসা আৰু মানসিক নিৰ্যাতন বেছি দিন সহ্য কৰিব লগা নহ’ব। এতিয়া মহিলাসকলে গৰ্ভধাৰণ কৰাৰ ক্ষেত্ৰতো সিদ্ধান্ত ল’বলৈ সক্ষম হৈছে আৰু অবাঞ্চনীয় শিশুৰ গৰ্ভপাত কৰাৰো অধিকাৰ আছে।

মহিলাই সমস্যা ভোগ কৰা এটা ক্ষেত্ৰ হ’ল স্বাস্থ্য। বেছিভাগ মহিলাৰে স্বাস্থ্য যত্ন ল’বলৈ সময়ো নাই বা মানসিকতাও নাই। গাঁৱৰ মহিলাৰ মৌলিক স্বাস্থ্য সেৱা যত্ন হিচাপে ঘৰত এটা শৌচাগাৰো নাই। মহিলাৰ স্বাস্থ্য বিষয়টো সেয়েহে ‘বেটী বচাও— বেটী পঢ়াও’ আৰু ‘জননী শিশু সুৰক্ষা কাৰ্যক্ৰম’ আদি আঁচনিৰে চৰকাৰী নীতিত অগ্ৰাধিকাৰ দিয়া হৈছে।

ভাৰতত মহিলাৰ স্থিতি নিম্ন হোৱাৰ আন কাৰকসমূহৰ ভিতৰত পতিহীনা, বিবাহ বিচ্ছেদিতা বা অবিবাহিতা আদি অকলশৰীয়া মহিলাৰ অৱস্থাটোও জড়িত হৈ আছে। এগৰাকী অকলশৰীয়া মহিলা সমাজত সদায় উপলুঙাৰ পাত্ৰী বা সমাজচ্যুত হিচাপে পৰিগণিত। এতিয়া এই সকলোবোৰ পৰিস্থিতি ধীৰে ধীৰে সলনি হৈছে। বৰ্তমানৰ মহিলা প্ৰাচীন কালৰ সমাজৰ পৰা সঁচাকৈয়ে বহুদূৰ আগুৱাই আহিল। বহু ঠাইত তেওঁ কাঁচৰ আৱৰণ ভাহি ওলাই আহিল। আজিৰ বহু শক্তিশালী মানুহৰ ভিতৰত আছে ভালেমান মহিলা— সেইসকলৰ কেইগৰাকীমান হ’ল অৰুন্ধতী ভট্টাচাৰ্য, ইন্দিৰা নুয়ী, কিৰণ মজুমদাৰ শ্বাৱা আৰু চন্দা কোচ্চৰ। ভাৱনা কান্ত, অৱনী চতুৰ্বেদী আৰু মোহনা সিং অলপতে ভাৰতীয় সেনা বাহিনীত নিয়োজিত হৈছে আৰু স্বাধীন ভাৰতৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সেনা, বায়ু বাহিনী আৰু নৌবাহিনী— এই তিনি শক্তি বাহিনীৰ একোটা মহিলাৰ গোটে ২০১৫ চনৰ গণৰাজ্য দিৱসত ৰাজকীয় ৰাজপথত কদমত খোজকাঢ়িছিল। মহিলা শক্তিয়ে পাব পৰা কৃতিত্বৰ ই এটা কৃতিত্ব। এই মহিলাসকল হ’ল ‘মহিলাৰ বিকাশ’ আৰু ‘মহিলা নেতৃত্বৰ বিকাশ’ৰ দিশে প্ৰধান মন্ত্ৰীৰ দৃষ্টিভংগীৰ প্ৰতীক।

বিশ্বৰ জনসংখ্যাৰ প্ৰায় ৫০ শতাংশ হিচাপে জীৱনৰ সকলো স্তৰতে পুৰুষৰ সমানে ভোগ কৰিবলৈ মহিলাৰ সকলো অধিকাৰ আছে। অষ্ট সহস্ৰাব্দৰ বিকাশত অন্যতম সৰ্বপ্ৰধান লক্ষ্য “মহিলাৰ সবলীকৰণ”ৰ অন্তৰ্ভুক্তিৰে এই বাস্তৱৰ প্ৰাসংগিকতাক গুৰুত্ব আৰোপ কৰা হৈছে। স্বামী বিবেকানন্দই কৈছিল— “মহিলাৰ অৱস্থাৰ উন্নতি অবিহনে বিশ্বৰ কল্যাণ হোৱাৰ কোনো উপায় নাই। ‘এখন পাখিৰে এটা চৰাই উৰিব নোৱাৰে’” বাক্যশাৰীয়ে মাত্ৰ পৰিয়ালতেই নহয়— এখন দেশ আৰু বিশ্বত মহিলাৰ শক্তিৰ সাৰমৰ্ম সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। ❒

# ভাৰতীয় প্ৰেক্ষাপটত মহিলা সবলীকৰণ

**কমলা ভাসিন***

সাম্প্ৰতিক পৃথিৱীৰ প্ৰায়সমূহ দেশেই পৰিয়াল, সমাজ তথা সামগ্ৰিকভাৱে ৰাষ্ট্ৰৰ সৰ্বাংগীন বিকাশৰ বাবে লৈংগিক সাম্য আৰু মহিলা সবলীকৰণক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি গণ্য কৰি আহিছে। দেশ এখনৰ মুঠ জনসংখ্যাৰ ৫০ শতাংশ—অৰ্থাৎ মহিলা তথা বালিকা সকলক যদি সন্মান প্ৰদৰ্শন কৰা নহয়, মুকলি পৰিৱেশত জীৱন নিৰ্বাহৰ সুযোগ কিম্বা সুখী সংসাৰ গঢ়াৰ পৰিৱেশ প্ৰদান কৰা নহয়, তেন্তে কোনো দেশ, কোনো সমাজ আনকি কোনো পৰিয়ালেই সুখত থাকিব নোৱাৰে।

কোৱা বাহুল্য যে কেৱল ভাৰতেই নহয়, পৃথিৱীৰ বহু দেশৰে সমাজ-ব্যৱস্থাত মহিলাসকলক যুগে যুগে বঞ্চিত কৰি অহা হৈছে। সমাজৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ বেলিকা তেওঁলোকৰ মতামতক প্ৰায়েই গ্ৰাহ্য কৰা নহয়। দৰাচলতে পিতৃ প্ৰধান সমাজব্যৱস্থাত পুৰুষসকলক মহিলা-সকলতকৈ উচ্চ স্থান দি অহাৰ পৰিপ্ৰেক্ষিততে সমাজৰ সকলো কথাতে পুৰুষসকলৰ কৰ্তৃত্ব স্বীকাৰ কৰি লোৱা হয়। সমাজৰ এই পুৰুষকেন্দ্ৰিক মনোভাবৰ ফলতে নাৰী নিৰ্যাতনৰ দৰে ঘটনা দৈনন্দিন জীৱনৰ অংগ হৈ পৰিছে। বহু সময়ত শাৰীৰিক-মানসিক আতিশয্যৰ ভয় দেখুৱাই মহিলাসকলক নিয়ন্ত্ৰণৰ প্ৰৱণতাও প্ৰদৰ্শন কৰি অহা হৈছে। ৰাষ্ট্ৰসংঘৰ এটা সমীক্ষাৰ তথ্য মতে প্ৰতি তিনিগৰাকীৰ মাজৰ এগৰাকী মহিলাই এনে ধৰণৰ আতিশয্যৰ অভিজ্ঞতা লাভ কৰিবলগীয়া হৈছে। এই তথ্যৰ অৰ্থ হ'ল পৃথিৱীৰ ১ বিলিয়ন মহিলা তথা বালিকাই এনে ধৰণৰ গাৰ্হস্থ্য সংঘাতৰ সন্মুখীন হ'বলগীয়া হৈছে। পৃথিৱীত অব্যাহত থকা এয়া হৈছে সবাতোকৈ বৃহত্তম যুঁজ। পিছে আটাইতকৈ দুখ লগা কথাটো হৈছে এইখন যুদ্ধ চলি আছে আমাৰ পৰিয়ালে পৰিয়ালে।

### ভাৰতত মহিলাৰ স্থান সকলোৰে তলত

বিচিত্ৰতাই বিৰাজ কৰা ভাৰতত মহিলাসকলক লৈ সামগ্ৰিকভাৱে কোনো মন্তব্য কৰাটো আক্ষৰিক অৰ্থতে এটা কঠিন কাম। বিভিন্ন জাতি, বৰ্ণ, ধৰ্ম কিম্বা শ্ৰেণীৰ সামাজিক পৰম্পৰাত তেওঁলোকে বসবাস কৰে। তথাপি এটা কথা স্বীকাৰ কৰিবই লাগিব যে এই সকলো সমাজতে মহিলাসকল পিতৃ প্ৰধান সামাজিক পৰম্পৰাৰদ্বাৰা নিপীড়িত। কম-বেছি পৰিমাণে প্ৰায় প্ৰতিগৰাকী নাৰীয়েই লিংগ বৈষম্যৰ চিকাৰ হৈ আহিছে। সামাজিক আৰু মানৱীয় উন্নয়নৰ সূচকৰ বেলিকা মহিলাসকল পুৰুষসকলতকৈ সকলো ক্ষেত্ৰতে পাছ পৰি থকাটো পৰিলক্ষিত হৈ আহিছে। ইফালে পুৰুষৰ বিপৰীতে মহিলাৰ আনুপাতিক হাৰ ভাৰতত পৃথিৱীৰ ভিতৰতে কম। সেইদৰে পুৰুষৰ তুলনাত মহিলাৰ আয়ুস, স্বাস্থ্য, পুষ্টি তথা শৈক্ষিক স্থিতি লক্ষণীয়ভাৱেই কম। কম দক্ষতা তথা কম মজুৰিৰ কাম কাজসমূহত মহিলাসকলৰ নিয়োগ অধিক হাৰত হোৱাৰ বিপৰীতে একে কামৰ বিপৰীতে মহিলাসকলক পুৰুষ-সকলতকৈ কম মজুৰি কিম্বা বেতন দিয়াৰ এটা মানসিকতাও বৰ্তি আহিছে। সা-সম্পত্তিৰ নিয়ন্ত্ৰণ কিম্বা উৎপাদনৰ ব্যৱস্থাৱলীৰ নিয়ন্ত্ৰণৰ দায়িত্বও মহিলাসকলৰ প্ৰায় নাথাকেই বুলিব লাগে। মহিলা প্ৰধান পৰিয়ালৰ সংখ্যা যদি বাঢ়িছেও, সেয়া কিন্তু দৰিদ্ৰ শ্ৰেণীটোৰ মাজতে সীমাবদ্ধ থকাহে দেখা যায়। সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলা সকলৰ হাৰ শোচনীয়ভাৱে কম। সংসদতো মহিলাসকলৰ অংশ গ্ৰহণৰ হাৰ কোনো দিনে ১০ শতাংশৰ অধিক হোৱা নাই। তদুপৰি মহিলাসকলক বিচাৰ সম্পৰ্কীয় কাম-কাজ পৰিচালনা প্ৰক্ৰিয়াৰপৰা নিলগাই ৰখা হয়। সামাজিক, অৰ্থনৈতিক, আইনী তথা ৰাজনৈতিক নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰতো মহিলাসকলৰ পৰামৰ্শক বিশেষ গুৰুত্ব নিদি বাস্তৱিকতে তেওঁলোকক নিম্ন বৰ্গৰ নাগৰিক হিচাপেহে যেন গণ্য কৰি অহা হৈছে।

সমগ্ৰ ভাৰততে নহ'লেও দেশৰ বহু প্ৰান্তত কিন্তু আজিও কন্যাসন্তানসকলে

---

*কমলা ভাসিন সংগত নামৰ মহিলা নেটৱৰ্কৰ উপদেষ্টা। তেওঁ ১৯৭০চনৰ পৰাই উন্নয়ন, লিংগ, শিক্ষা আৰু গণমাধ্যম আদি বিষয়বোৰত সক্ৰিয়ভাৱে জড়িত হৈ আছে।

বঞ্চিত জীৱন কটাবলগীয়া হৈ আহিছে। তেওঁলোকে সদায়ে কাৰোবাৰ বোজা হৈ জীৱন নিৰ্বাহৰ অনাহূত পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে এক ধৰণৰ শংকাৰ জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। দৈনন্দিন জীৱনত অৱজ্ঞা, বৈষম্যৰ চিকাৰ হৈয়ো তেওঁলোকে ঘৰুৱা কাম-কাজৰ বোজা বহন কৰাৰ লগতে সন্তানৰ প্ৰতিপালন কৰা, পশু পালন আনকি পথাৰ সমাৰ কিম্বা দিন-মজুৰিৰ দৰে কামৰ বোজাও বহন কৰিবলগীয়া হয়। কন্যা সন্তানসকলে সততে শংকাময় জীৱন অতিবাহিত কৰে। এই শংকা গৰ্ভপাতৰ অনাহূত পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হোৱা, গাৰ্হস্থ্য আতিশয্যৰ সন্মুখীন হৈ মৃত্যু আঁকোৱালি লোৱা, বঞ্চনাৰ সন্মুখীন হোৱা, মৰম-চেনেহ, কিম্বা আদৰ শূন্য এটা জীৱন ধাৰণ কৰিবলগীয়া হোৱা অথবা সু-চিকিৎসা-সু শিক্ষাৰপৰা বঞ্চিত হ'বলগীয়া হোৱাৰ দৰে পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হোৱা। আমাৰ জীয়ৰী-বোৱাৰীসকলে আকৌ যৌন আতিশয্যৰ সন্মুখীন হোৱা কিম্বা বলাৎকাৰৰ দৰে অনাকাংক্ষিত পৰিস্থিতিৰ সন্মুখীন হোৱাৰো শংকা বুকুত লৈ জীৱন পাত কৰিবলগীয়া হয়। দেশত কঠোৰৰ পৰা কঠোৰতম আইন প্ৰৱৰ্তিত হোৱাৰ পিছতো কিন্তু গণধৰ্ষণৰ দৰে ঘটনাৰ হাৰ কমা নাই। আনকি বিয়াৰ পিছতো বহু মহিলাই একাকী জীৱন অতিবাহিত কৰিবলৈ বাধ্য হোৱাৰ উপৰি মানসিক আৰু শাৰীৰিক আতিশয্যৰ সন্মুখীন হ'বলগীয়া হয়।

অৱশ্যে শেহতীয়া প্ৰেক্ষাপটত দেশত গঢ়ি উঠা নাৰী আন্দোলনসমূহে সৃষ্টি কৰা চাপ, সামাজিক সংগঠনসমূহৰ হেঁচা আৰু চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ-সমূহৰ পৰিপ্ৰেক্ষিতত নাৰীৰ প্ৰতি সমাজৰ দৃষ্টিভংগীৰ ইতিবাচক পৰিৱৰ্তন পৰিলক্ষিত হোৱাটো শুভলক্ষণ হিচাপেই পৰিগণিত হৈছে। উদাহৰণ স্বৰূপে আজিৰ সমাজত নাৰীৰ প্ৰতি অব্যাহত থকা বৈষম্য স্বীকাৰ কৰি ইয়াৰ বিৰুদ্ধে মাত মতাৰ প্ৰাসংগিকতা মানি লোৱাৰ এটা মানসিকতা গঢ়ি উঠিছে। নাৰী নিৰ্যাতনৰ সত্য স্বীকাৰ কৰি এনে নিৰ্যাতনক গৰিহণা দিয়া, সমাজৰ সকলো সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাৰীসকলৰ অংশ গ্ৰহণৰ প্ৰয়োজনীয়তা গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰাৰ এটা পৰিৱেশ ৰচনা হৈছে। আইনী ব্যৱস্থাৰ ক্ষেত্ৰত পৰিস্থিতি কিছু উন্নত হোৱাৰ লগতে মহিলাৰ শিক্ষা আৰু নিয়োগৰ সুযোগ প্ৰদানৰ লগতে অন্যান্য নীতি-গত ক্ষেত্ৰসমূহতো লিংগ সচেতনতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। শেহতীয়াভাৱে চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডৰ সংস্থা আৰু কাৰ্যক্ৰমসমূহত মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধি পোৱাৰ লগতে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহতো মহিলা অংশগ্ৰহণকাৰীৰ সংখ্যা বৃদ্ধি পাবলৈ লৈছে। ইফালে লিংগভিত্তিক প্ৰসংগসমূহ ইতিবাচক তদাৰকীৰ বাবে আমাৰ চৰকাৰসমূহে মহিলা ব্যুৰো, আয়োগ, বিভাগ আদি স্থাপন কৰাত পৰিস্থিতিৰ বিশেষ পৰিৱৰ্তন সাধন হোৱা পৰিলক্ষিত হৈছে। অৱশ্যে আমাৰ সমাজৰপৰা লিংগ বৈষম্যসমূহ আঁতৰোৱাৰ বাবে এতিয়াও বহুখিনি কৰণীয় আছে বুলি আমি স্বীকাৰ কৰিবই লাগিব।

**সবলীকৰণ এটা গতিশীল আৰু ৰাজনৈতিক প্ৰক্ৰিয়া**

সমাজৰপৰা লিংগ বৈষম্য আঁতৰাবলৈ হ'লে ইমান দিনে বৈষম্যৰ বলি হৈ অহাসকল অৰ্থাৎ মহিলা আৰু কন্যা সন্তানসকলৰ সবলীকৰণত বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগিব। পিছে কাৰোবাক সবল কৰিবলৈ যোৱাৰ আগতে 'শক্তিৰ' অৰ্থ হৃদয়ংগম, অথবা উপলব্ধি কৰাটো অতিকে প্ৰয়োজন। শক্তি হৈছে—স্বাধীনভাৱে আত্মনিৰ্ভৰ-শীল হৈ পদক্ষেপ গ্ৰহণৰ সামৰ্থ্য বা দক্ষতা। আনক নিয়ন্ত্ৰণ অথবা প্ৰভাৱিত কৰাৰ সামৰ্থ্য বুলিও ইয়াক অভিহিত কৰিব পাৰি। শক্তি হৈছে— স্বায়ত্ততা, মুক্তিৰ অনুভৱ, নিজৰ পছন্দ নিজে নিৰ্ণয় কৰা অথবা নিজৰ মত-সাব্যস্ত কৰাৰ সামৰ্থ্য।

মানৱ সমাজত সম্পদ তথা আদৰ্শৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্তকৰণৰ পৰাই শক্তি আহৰিত হয়। সেয়ে যিসকল ব্যক্তিয়ে সম্পদ কিম্বা আদৰ্শ (ব্যক্তিৰ চিন্তা, বিশ্বাস পদ্ধতি আদি) নিয়ন্ত্ৰিত কৰে, তেওঁলোকেই সিদ্ধান্ত গ্ৰহণকাৰী হিচাপে স্বীকৃতি লাভ কৰাৰ লগতে পৰিয়াল, সমাজ তথা দেশৰ নিয়ন্ত্ৰকৰ ভূমিকাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰে। যদি এয়ে হয়, তেন্তে মহিলা সবলীকৰণ সম্ভৱ কৰিবলৈ হ'লে আমাৰ সমাজত বৰ্তি থকা পিতৃকেন্দ্ৰিক মানসিকতাৰ পৰিৱৰ্তন সাধন কৰি সম্পদ (প্ৰাকৃতিক, মানৱীয়, বৌদ্ধিক, বিত্তীয়, আভ্যন্তৰীণ সম্পদ)ৰ ওপৰত মহিলাৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ লগতে তেওঁলোকক সিদ্ধান্ত গ্ৰহণকাৰীৰ ভূমিকাত অৱতীৰ্ণ হোৱাৰ সুযোগ প্ৰদান কৰিব লাগিব।

শক্তি সন্দৰ্ভত বৰ্তমানে থকা আমাৰ ধাৰণাৰ পৰিৱৰ্তন হ'লেহে আমাৰ দেশত মহিলা সবলীকৰণৰ স্তৰ উন্নীত হ'ব বুলি মই ভাবো।

সবলীকৰণৰ অৰ্থ কেতিয়াও আনৰ ওপৰত নিয়ন্ত্ৰণ সাবস্ত্যকৰণ নহয়; লগাতকৈ অধিক আহৰণ কৰাটোও

নহয়। বৰং নিজৰ লোভৰ ওপৰত নিয়ন্ত্ৰণ, সম্পত্তি আহৰণৰ আকাংক্ষাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্তকৰণ, প্ৰতি-পালন, নিৰাময় কিম্বা আনৰ প্ৰতি দায়ৰদ্ধতা প্ৰদৰ্শন নৈতিকতা, সততা আৰু ন্যায়ৰ বাবে যুঁজ কৰা, জ্ঞান আৰু সহনশীলতা আহৰণ কৰিব পৰাকৈ আভ্যন্তৰীণ বিকাশ সাধনহে দৰাচলতে সবলীকৰণৰ অৰ্থ হোৱা উচিত।

মহিলা সবলীকৰণ এটা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া চলিত আৰু গতিশীল প্ৰক্ৰিয়া। যি সমূহ তথাকথিত আদৰ্শৰ বাবে নাৰীয়ে যুগে যুগে দুৰ্ভোগ ভুগি আহিবলগীয়া হৈছিল, তেনেবোৰ আদৰ্শ কিম্বা পৰিকাঠামোৰ পৰিৱৰ্তন সাধন কৰিব পৰাকৈ মহিলাসকলৰ সামৰ্থ্যৰ সংবৰ্দ্ধন কৰিব পাৰে এই প্ৰক্ৰিয়াই। এই প্ৰক্ৰিয়াই সম্পদৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্তকৰণ আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অধিক অংশ গ্ৰহণৰ সুযোগ প্ৰদান কৰে। প্ৰক্ৰিয়াটোৱে মহিলাসকলক আত্মসন্মান আৰু মৰ্যাদা অনুভৱৰ সামৰ্থ্য প্ৰদান কৰাৰ উপৰি নিজৰ লগতে সামাজিক ভাবমূৰ্তি উন্নত কৰাৰ সামৰ্থ্যও প্ৰদান কৰে।

যিহেতু সমাজত বৰ্তমানে বৰ্তি থকা পুৰুষ আৰু মহিলাৰ সম্পৰ্কৰ পৰিৱৰ্তন সাধন কৰাটোৱেই এই প্ৰক্ৰিয়াৰ লক্ষ্য, সেয়ে প্ৰক্ৰিয়াটোক এটা ৰাজনৈতিক প্ৰক্ৰিয়া বুলি অভিহিত কৰিব পাৰি। তদুপৰি মহিলা সবলীকৰণৰ লক্ষ্য কেৱল লৈংগিক বৈষম্য আঁতৰোৱাতে ক্ষান্ত নাথাকি সমাজত বৰ্তি থকা শ্ৰেণী, জাতি, বৰ্ণ জনগোষ্ঠীয় তথা উত্তৰ-দক্ষিণৰ দৰে আঞ্চলিক বৈষম্য আঁতৰোৱাৰ মহা লক্ষ্যলৈ সম্প্ৰসাৰিত হোৱা উচিত। কিয়নে লৈংগিক বৈষম্য শূন্যতে সৃষ্টি হোৱা বিষয় নহয়, বৰং ইয়াৰ সৈতে অৰ্থনৈতিক, সামাজিক তথা ৰাজনৈতিক ব্যৱস্থা ওতঃপ্ৰোত-ভাৱে জড়িত হৈ আছে আৰু সেয়ে এনেবোৰ ব্যৱস্থাৰ পৰিৱৰ্তন অবিহনে সমাজৰপৰা লিংগ বৈষম্য আঁতৰোৱাটো কেতিয়াও সম্ভৱ নহয়।

সেইদৰে মহিলা সবলীকৰণক প্ৰকৃতিৰ সবলীকৰণৰ লগতে সকলো বঞ্চিত ব্যক্তি তথা দেশৰ সবলীকৰণৰ পৰা পৃথককৈ আলোচনা কৰিব নোৱাৰি। সেই অৰ্থতে মহিলাৰ সংগ্ৰাম তথা আন্দোলনসমূহক শান্তি আন্দোলন, পৰিৱেশ তান্ত্ৰিক আন্দোলন, শ্ৰমিক আৰু কৃষক আন্দোলন, মানৱাধিকাৰ আন্দোলন তথা গণতন্ত্ৰকৰণ কিম্বা সমাজৰ বিকেন্দ্ৰীকৰণ সম্পৰ্কীয় আন্দোলন-সমূহৰ সৈতে ঘনিষ্ঠভাৱে সংযুক্ত কৰিহে বিশ্লেষণ কৰাৰ প্ৰয়োজনীয়তা আছে। একেটা সংগ্ৰামৰ বিভিন্ন আন্দোলন-সমূহে বিভিন্ন দিশক প্ৰতিনিধিত্ব কৰে। একেটা স্বপ্নৰ বিভিন্ন অংশ বুলিও ইয়াক অভিহিত কৰিব পাৰি। সেয়ে এইবোৰৰ মাজত এটা শক্তিশালী সম্পৰ্ক কিম্বা ঐক্য স্থাপনৰ প্ৰয়োজনীয়তা আছে।

মহিলা সবলীকৰণৰ কথা আলোচনা কৰিবলৈ যাওঁতে আমি নাৰীকেন্দ্ৰিক চিন্তা-চৰ্চা তথা আদৰ্শৰ সবলীকৰণ; সাম্য, ন্যায়, গণতন্ত্ৰ তথা ধাৰাবাহিকতাৰ সূত্ৰাৱলী বিশ্লেষণ কৰাৰো প্ৰয়েজনীয়তা আছে বুলি মই অনুভৱ কৰোঁ। ইয়াৰ অৰ্থ হ'ল মহিলাসকলে যিয়েই নিবিচাৰক কিয় তাকে মানি লোৱা পক্ষত আমি নাই। আমি মহিলা, স্বেচ্ছাচাৰিতাক শক্তিৱন্ত কৰিব নোৱাৰোঁ। যিসকলে বৰ্ণবাদ কিম্বা পিতৃতন্ত্ৰৰ পোষকতা কৰে, তেনে মহিলাক কেৱল মহিলা হোৱাৰ বাবেই আমি সমৰ্থনো জনাব নোৱাৰোঁ। একাংশ পুৰুষৰ দৰেই যে একাংশ মহিলাও পিতৃতান্ত্ৰিক দাম্ভিকতাৰে দীক্ষিত হ'ব পাৰে, আকৌ পিতৃতন্ত্ৰ কিম্বা অন্যান্য বৈষম্যৱলীৰ বিৰুদ্ধে থিয় দিয়া আমাৰ পিতৃপুৰুষ-সকলৰ অৰিহণাৰ কথাকো আমি স্বীকৃতি প্ৰদান কৰিব লাগিব। এটা কথা ঠিক যে কিছুমান নিৰ্দিষ্ট ধ্যান-ধাৰণাৰ বিৰুদ্ধেহে আমাৰ এই সংগ্ৰাম। পুৰুষ-মহিলা নিৰ্বিশেষে সম মৰ্যাদা, সম-সুযোগেৰে জীয়াই থাকিব পৰা, জীয়াই থাকি আগবাঢ়িব পৰা আৰু সমঅংশী-দাৰিত্ব লাভ কৰিব পৰা এখন সমাজ গঠনৰ বাবেহে আমাৰ এই সংগ্ৰাম। কেৱল মহিলা নহয়, বৰং মহিলাসকলৰ ধ্যান-ধাৰণাকে সবলীকৰণৰ প্ৰয়োজনীয়তা আছে। কিয়নো মহিলাসকল কেৱল এটা পৃথক সততা হ'ব নোৱাৰে। সকলো প্ৰসংগতে মহিলাৰ চিন্তা, ধ্যান-ধাৰণা, মতামত তথা দৃষ্টিভংগী বিবেচিত হোৱা উচিত। সেয়া লাগিলে সামৰিকেই হওক, মানৱাধিকাৰ কিম্বা নিৰৱচ্ছিন্ন উন্নয়নৰ প্ৰসংগই নহওক কিয়। দৰাচলতে প্ৰতিটো প্ৰসংগৰে মহিলাসকল জড়িত হৈ আছেই। সমাজৰ সকলো পৰ্যায় তথা সকলো খণ্ডতে মহিলা সবলীকৰণ সম্ভৱ কৰি তুলিব পাৰিলেহে পৰিস্থিতিৰ পৰিৱৰ্তন সম্ভৱ হ'ব। ইয়াৰ বাবে নাৰী আন্দোলনৰ তৃণমূল কৰ্মকৰ্তা, মধ্যম পৰ্যায়ৰ বিষয়ববীয়া, চৰকাৰত থকা মহিলা সদস্য, সংবাদ মাধ্যমেৰে জড়িত মহিলা, মহিলা ৰাজনীতিক, মহিলা শিক্ষাবিদ, শিল্পী তথা মহিলা উদ্যোগী আদিৰ মাজত প্ৰভাৱশালীৰূপত সংযোগ স্থাপন কৰিব পৰা এটা সংযোগ ব্যৱস্থা গঢ়ি তোলাৰ বিশেষ প্ৰয়োজনীয়তা আছে। সূক্ষ্ম আৰু বৃহৎ দুয়োটা স্তৰতে কৰ্মৰতসকলৰ মাজত সমন্বয় স্থাপনত আমি গুৰুত্ব প্ৰদান কৰিব লাগিব। তাকে কৰিবলৈ যাওঁতে আমি সকলো পৰ্যায়তে থকা সহানুভূতিশীল পুৰুষসকলৰ সহযোগিতাও ল'ব লাগিব।

মহিলা সবলীকৰণ কেতিয়াও একমুখী প্ৰক্ৰিয়া নহয় যে কিছুমান

কৰ্মকৰ্তাই গৈ আন একাংশ মহিলাক শক্তিৱন্ত কৰি তুলিব পাৰিব। দৰাচলতে ই এটা দুমুখীয়া প্ৰক্ৰিয়াহে। ইয়াৰ জৰিয়তে আমি আনক সবল কৰি তোলাৰ লগতে নিজেও সবল হোৱাৰ সুযোগ লাভ কৰোঁ। এয়া আমাৰ সকলোৰে বাবে এটা অবিৰত যাত্ৰাহে। ইয়াৰ জৰিয়তে কোনেও চিৰকালৰ বাবে সবল হৈ উঠাৰ লগতে আনকো সবল কৰাৰ ক্ষেত্ৰত বিশেষজ্ঞ হৈ উঠিব নোৱাৰে।

মহিলা সবলীকৰণৰ অৰ্থ বহুমুখী তথা সৰ্বজন গ্ৰাহ্য হ'বই লাগিব। সেয়ে এই প্ৰক্ৰিয়াই নিম্নোল্লিখিত প্ৰসংগসমূহ কিম্বা ইয়াৰ অংশ বিশেষক সামৰি ল'ব লাগিব।

**সমাজলৈ নাৰীয়ে আগবঢ়োৱা অৱদান দৃষ্টিগোচৰ কৰা ঃ** অৰ্থাৎ ল'ৰা-ছোৱালী জন্ম দিয়া, ঘৰুৱা কাম-কাজ কৰাৰ উপৰি কৃষি, দিন-মজদুৰী, বোৱা-কটাকে ধৰি অন্যান্য কাৰু-শিল্প কৰ্ম, নাৰীয়ে সকলো ধৰণৰ পেছাতে দক্ষতাৰে কাম-কাজ কৰি আহিছে আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈও তেওঁলোকে সদায়ে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আহিছে। তেওঁলোক এফালে জীৱনৰ উৎপাদক হোৱাৰ লগতে প্ৰাকৃতিক সম্পদৰ প্ৰবন্ধকো।

নাৰীয়ে বহন কৰা জ্ঞান, সামৰ্থ্য আৰু দক্ষতা বিশেষকৈ কৃষি স্বাস্থ্য তথা হস্তকলাৰ ক্ষেত্ৰত থকা পাৰদৰ্শিতা সন্দৰ্ভত মহিলা তথা সমাজক সজাগ কৰি তোলা।

নাৰীক আত্মসন্মান আৰু আত্মপ্ৰত্যয় প্ৰদান কৰিব পৰা এটা সামাজিক পৰিৱেশ সৃষ্টি কৰা।

নাৰী আৰু কন্যা সন্তানসকলক তেওঁলোকে বহন কৰা পূৰ্ণ সম্ভাৱনীয়তা সন্দৰ্ভত সজাগ কৰি তুলি তেওঁলোকক গতানুগতিকতাৰ পৰা আঁতৰি নতুন নতুন ভূমিকা তথা বৃত্তিত নিজকে নিয়োজিত হোৱাৰ বাবে সাহস প্ৰদান কৰা। গৃহস্থী চম্ভালাতে সীমাবদ্ধ নাথাকি সকলো দিশতে সমৰ্থবান হোৱাকৈ শিক্ষা আহৰণ কৰিব পৰা শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা।

নিজৰ জীৱনৰ সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত যেনে তেওঁলোকে বিয়া পাতিব নে নাই, পাতে যদি কেতিয়া আৰু কাৰ সৈতে পাতিব, কেতিয়াকৈ সন্তান জন্ম দিব, তেওঁলোকে পঢ়িব নে নাই, কিম্বা কি পঢ়িব আদিৰ দৰে সিদ্ধান্তবোৰ নিজাকৈ ল'ব পৰাকৈ নাৰীক সবল কৰি তোলে। পৰিয়াল, সমাজ তথা ৰাষ্ট্ৰীয় প্ৰসংগসমূহৰ ক্ষেত্ৰতো সিদ্ধান্ত গ্ৰহণ কৰা, ৰাজনীতিৰ সকলো পৰ্যায়তে মহিলাৰ অংশগ্ৰহণৰ হাৰ বৃদ্ধি কৰা।

নাৰী আৰু কন্যাসন্তানসকলৰ প্ৰকৃত প্ৰয়োজনীয়তা সমূহৰ সন্দৰ্ভত নাৰী আৰু পুৰুষসকলৰ মাজত সজাগতা সৃষ্টি কৰা। পৰিয়ালৰ ভিতৰে-বাহিৰে তেওঁ লোকৰ মৰ্যাদা, তেওঁলোকৰ অধিকাৰ তথা দায়ৱদ্ধতা সন্দৰ্ভত সজাগ কৰা।

খাদ্য, বস্ত্ৰ, বাসস্থানৰ দৰে বুনিয়াদী প্ৰয়োজনীয়তাসমূহৰ লগতে স্বাস্থ্য আৰু নিৰাপত্তাৰ দৰে বিশেষ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পৰাকৈ মহিলাসকলৰ বাবে পৰ্যাপ্ত সুযোগ আৰু সম্পদৰ ব্যৱস্থা কৰা।

উৎপাদনৰ পন্থা, সম্পত্তি আৰু অন্যান্য সম্পদ তথা আয়ৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পৰাকৈ মহিলাসকলক সুযোগ দান কৰা।

**বিশেষ সতৰ্কতা আৰু প্ৰয়াসৰ প্ৰয়োজন থকা প্ৰসংগসমূহ**

মহিলা সবলীকৰণৰ বাবে গুৰুত্ব প্ৰদান কৰিব লগা অথচ বিগত সময়ছোৱাত যথোচিত গুৰুত্ব নোপোৱা কেতবোৰ প্ৰসংগ আছে। এনেবোৰ সমস্যা নিৰাময় প্ৰসংগক অধিক সতৰ্কতা আৰু গুৰুত্বৰে সমাধানৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব আৰু তাকে কৰিবলৈ প্ৰভাৱশালী কৌশল গ্ৰহণত গুৰুত্ব প্ৰদান কৰাটো নিশ্চয় যুগুত হ'ব।

সম্পত্তি আৰু অন্যান্য উৎপাদন-শীল সম্পদৰ ওপৰত নাৰীৰ নিয়ন্ত্ৰণ নথকাটো সমাজত নাৰীৰ স্থিতি অৱনমিত হোৱাৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰণ। ইয়াৰ পৰিণতিতে নাৰীয়ে সকলো সময়তে এক ধৰণৰ নিৰাপত্তাহীনতাক সাৰথি কৰি জীৱন অতিবাহিত কৰিবলগীয়া হয়। 'এ ফিল্ড অৱ ৱান্‌ছ অ'উনঃ জেণ্ডাৰ এণ্ড লেণ্ড ৰাইট্‌ছ ইন ছাউথ এছীয়া' শীৰ্ষক গ্ৰন্থত গ্ৰন্থাকাৰ বীণা আগৰৱালে কৈছে, 'সম্পত্তিৰ মালিকানা তথা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত থকা লিংগ বৈষম্যই হৈছে মহিলাৰ অৰ্থনৈতিক সচ্ছলতা, সামাজিক স্থিতি তথা সবলীকৰণক নেতিবাচক-ভাৱে প্ৰভাৱান্বিত কৰা একক আৰু অতিকে গুৰুত্বপূৰ্ণ কাৰক। সেয়ে সমাজৰ সকলো স্তৰৰ পৰাই এই কাৰকক আঁতৰোৱাৰ বাবে জৰুৰী আৰু প্ৰভাৱশালী পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তা আছে।

লাভদায়ক নিয়োগ সম্ভাৱনাৰ অভাৱ আন এটা গুৰুত্বপূৰ্ণ সমস্যা। আমাৰ পৰিয়াল সমূহত নগদ ধন কোনে ঘটিছে সেই কথাত সততে বিশেষ গুৰুত্ব প্ৰদান কৰি অহা হয় যদিও পৰিয়ালৰ মহিলা কিম্বা জীয়ৰীসকলক ধন ঘটিব পৰা চাকৰিৰ যোগ্য হ'ব পৰাকৈ সাধাৰণ কিম্বা দক্ষতা আহৰণ কৰিব পৰা বিশেষ প্ৰশিক্ষণ গ্ৰহণৰ সুযোগ বা সুবিধা প্ৰদান কৰা নহয়। মহিলাসকলে যিহেতু নগদ ধন আয় কৰি নানে, সেয়ে তেওঁলোকে

ঘৰ-পৰিয়াল চম্ভালিবলৈ অহৰ্নিশে কৰি অহা কাম-কাজক কোনেও মূল্য দিব নিবিচাৰে। ইয়াৰ বিপৰীতে তেওঁলোকক বোজা অথবা আপদ বুলিহে গণ্য কৰা হয়। অধ্যাপক অমৰ্ত্য সেন আৰু অধ্যাপক জঁ ড্ৰেজে সম্পন্ন কৰা এটা গৱেষণাৰ অন্তত উপনীত হোৱা সিদ্ধান্ত, অনুসৰি অধিক হাৰত বাহিৰা কাম-কাজত জড়িত হ'লে আৰু ধন ঘটিবৰ পৰা নিযুক্তি লাভ কৰিলে পৰিয়ালৰ আভ্যন্তৰীণ বিতৰণৰ বেলিকা মহিলাৰ বিদ্বেষী মনোভাব বহুলাংশে কমি যায়। সেয়ে পৃথিৱীৰ বহু প্ৰান্তত আজিও অব্যাহত থকা মহিলা বিদ্বেষী মানসিকতা মষিমূৰ কৰিবলৈকে তেওঁলোকে মহিলাসকলক লাভ আহৰণকাৰী কাম-কাজত অধিক হাৰত অংশ গ্ৰহণৰ সুযোগ দিয়াৰ পৰামৰ্শ প্ৰদান কৰে। ভাৰতবৰ্ষতো আমি মহিলাই আয় কৰিব পৰা বিভিন্ন আঁচনি ৰূপায়ণৰ কথা সততে কৈ আহিছোঁ যদিও ইয়াৰ সৰহ সংখ্যকেই বাস্তৱ ক্ষেত্ৰত মহিলাসকলক উপকৃত কৰাত চূড়ান্তভাৱে ব্যৰ্থ হোৱাহে দেখিবলৈ পোৱা যায়। এনে বহু আঁচনিয়ে মহিলাসকলৰ আয় বৃদ্ধিত অৰিহণা যোগোৱাৰ পৰিৱৰ্তে কামৰ বোজাহে বৃদ্ধি কৰিছে। সেয়ে এই সমস্যা নিৰাময়ৰ কথাও সতৰ্কতাৰে বিবেচনা কৰিব লাগিব।

ঘৰুৱা কাম-কাজ আৰু ল'ৰা-ছোৱালীৰ প্ৰতিপালনত অংশীদাৰিত্ব গ্ৰহণৰ প্ৰসংগত মনোনিৱেশ কৰাৰ প্ৰয়োজন আছে। কিয়নো মহিলাসকলক হেয়জ্ঞান কৰাৰ অন্যতম কাৰক হৈছে এই দুইখণ্ড। এনেবোৰ কামত অহৰ্নিশে লাগি থাকিবলগীয়া হোৱা বাবে বহুসময়ত মহিলাসকলে পঢ়া-শুনা কৰি নিজকে বিকশিত কৰাৰ সুযোগতো নেপায়েই আনকি খন্তেক জিৰণি লোৱাৰো আহৰি উলিয়াব নোৱাৰে। মহিলা সবলীকৰণ আৰু লিংগ বৈষম্য দূৰীকৰণৰ ক্ষেত্ৰত ইয়াক অন্যতম বৃহৎ বাধা বুলিয়েই বিবেচনা কৰিব লাগিব। মহিলাসকলক এই দুভাগৰপৰা মুক্তি দিবলৈ হ'লে পৰিয়ালৰ আন সদস্যসকলে মহিলা সকলে কৰা কাম-কাজত সহায়ৰ হাত আগবঢ়োৱাৰ মানসিকতা গঢ়ি তুলিব লাগিব। পৰিয়ালৰ পুৰুষ আৰু ল'ৰা সন্তানসকলে ঘৰুৱা কাম-কাজত হাত উজান দিলেহে মহিলা সদস্যসকলে জিৰণিৰ অৱসৰ লাভ কৰাৰ লগতে নিজকে বিকশিত কৰাৰ বাবে সুৰুঙা উলিয়াব পাৰিব আৰু তেওঁলোকৰ অভ্যন্তৰত বহন কৰি অহা প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিব।

যৌনতাৰ ওপৰত নিয়ন্ত্ৰণৰ প্ৰসংগত বিস্তৃত অধ্যয়ন কৰা, বিষয়টো হৃদয়ংগম কৰা আৰু ইয়াৰে জড়িত হৈ অহা সমস্যাৱলী সমাধানৰ বিশেষ প্ৰয়োজনীয়তা আছে। বালিকা বিবাহ, পৰ্দা প্ৰথা কিম্বা মহিলা কিম্বা বালিকাসকলৰ চাল-চলনত অনাহূত বাধা আৰোপৰ দৰে কাণ্ডই নাৰীৰ যৌনতা নিয়ন্ত্ৰিত কৰাৰ উপৰি তেওঁলোকৰ স্বায়ত্ততা আৰু স্বাধীনতাক বাৰুকৈ বাধাগ্ৰস্ত কৰে।

সেইদৰে পিতৃতান্ত্ৰিক বিধি-ব্যৱস্থা তথা মানসিকতাক ন্যায্যতা প্ৰদান কৰা আদৰ্শগত প্ৰৱণতাক ৰোধ কৰাটো আন এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হোৱা উচিত। কোনো এটা আদৰ্শ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যমসমূহে কেনে এটা গুৰুত্বপূৰ্ণ গ্ৰহণ কৰিব পাৰে, সেয়া আমাৰ সকলোৰে অৱগত যদিও বিগত সময়ত এই ক্ষেত্ৰত ঘটা কৰ্ম-কাণ্ডই আমাক উৎসাহিত কৰিব পৰা নাই বুলিয়েই ক'ব লাগিব। প্ৰচাৰ মাধ্যমসমূহৰ মহিলাৰ ভাবমূৰ্তি উজলোৱাৰ লক্ষ্যৰে বহুবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে যদিও দুৰ্ভাগ্যজনকভাৱে এনেবোৰ পদক্ষেপে পৰিস্থিতি উন্নত কৰক ছাৰি অধিক শোচনীয় কৰিছে বুলিহে অনুভূত হৈছে।

পিতৃতান্ত্ৰিক আদৰ্শৰ অন্যতম প্ৰতিষ্ঠাপক হৈছে ধৰ্ম। ধৰ্ম গ্ৰন্থ, বিভিন্ন শাস্ত্ৰ, ধৰ্মীয় সাংস্কৃতিক ৰীতি-নীতি, প্ৰথা আদিয়ে সততে পুৰুষকেন্দ্ৰিক মানসিকতাকে ন্যায্যতা প্ৰদান কৰি আহিছে। সেয়ে এনে মানসিকতা প্ৰতিৰোধৰ বাবে পূৰ্বতকৈয়ো অধিক প্ৰৱণতাৰে প্ৰত্যাহ্বান গঢ়ি তুলিলেহে পৰিস্থিতিৰ পৰিৱৰ্তন সাধন কৰিব পৰা যাব বুলি আশা কৰিব পাৰি। ইয়াৰ বাবে আমি সতৰ্কতাৰে, কিন্তু অধিক দৃঢ়তাৰে আগবাঢ়িব লাগিব। এই ক্ষেত্ৰত অচিৰেই কোনো পৰিৱৰ্তন সাধন কৰিব পৰা যাব বুলি আশা কৰিব পৰা নেযায় যদিও বৰ্তমান পৰিস্থিতিত ইয়াৰ প্ৰয়াস নকৰাকৈ হাত সাবটি থাকিলেওতো নহ'ব। আমাৰ সংবিধানৰ বিপৰীতে যোৱা ধৰ্মীয় ৰীতি-নীতি, কিম্বা মহিলাসকলৰ মৌলিক অধিকাৰ খৰ্ব কৰা বিধি-নিয়মৰ বিৰুদ্ধে প্ৰত্যাহ্বান সৃষ্টিৰ প্ৰয়োজন থাকিব। এনে এটা স্পৰ্শকাতৰ কৰ্মৰ বাবে অধিক সতৰ্কতাৰে পদক্ষেপ গ্ৰহণৰ বাবে অধিক চৰ্চা, অধিক পৰিকল্পনাৰে আগবাঢ়িব লাগিব। কাৰণ, সামান্য ইফাল-সিফাল হ'লেই কাৰোবাৰ আৱেগক আঘাত হানিব পাৰে আৰু সেয়েই ভালৰ বিপৰীতে কাল হোৱাৰ আশংকা থাকিব।

**মহিলা সবলীকৰণৰ বাবে শিক্ষা**

মহিলা সবলীকৰণৰ বাবে বাস্তৱিকতেই শিক্ষা হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। অৱশ্যে এই শিক্ষাৰ পাঠ আৰু পদ্ধতি নাৰীশক্তি উজ্জীৱিতকৰণৰ বাবে উপযোগী হ'ব লাগিব।

**(৫৬ পৃষ্ঠাত চাওক)**

# মহিলা সবলীকৰণ ঃ চৰকাৰী পৰিপেক্ষা

**লীনা নায়াৰ***

লিংগ সমতাৰ নীতি ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা, মৌলিক অধিকাৰ, মৌলিক কৰ্তব্য আৰু ৰাষ্ট্ৰ নিৰ্দেশনা নীতিত অন্তৰ্ভুক্ত কৰা হৈছে। সংবিধানে মহিলাৰ সম অধিকাৰকে মাত্ৰ গ্ৰাহ্য কৰা নাই, মহিলাক সবল কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যসমূহকো এই ক্ষেত্ৰত সবলীকৰণ কৰিছে। সম অধিকাৰ আৰু সামগ্ৰিক বিকাশৰ এই নীতি আগত ৰাখি প্ৰতিটো প্ৰচেষ্টা মহিলাৰ সবলীকৰণ আৰু শিশুৰ প্ৰতিপালনৰ বাবে চলোৱা হৈছে কাৰণ আমাৰ দেশৰ মহিলা আৰু শিশুৰ জনসংখ্যা একেলগে ৭০ শতাংশ হ'ব। এই উদ্দেশ্য বিভিন্ন আইন প্ৰণয়ন আৰু সংশোধন কৰা হৈছে আৰু আঁচনি, নীতি আৰু কাৰ্যসূচী গ্ৰহণ কৰা হৈছে যিবোৰে মহিলাৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাব পাৰে।

মহিলাৰ সবলীকৰণ বিষয়টো যিহেতু এটা জটিল বিষয়, এই অধ্যয়নত চৰকাৰে মহিলাৰ অৰ্থনৈতিক আৰু সামাজিক ৰূপান্তৰৰ লক্ষ্যৰে গ্ৰহণ কৰা মূল হস্তক্ষেপৰ বিষয়ে আলোচনা কৰা হৈছে। সামৰ্থ্যৰ প্ৰক্ৰিয়া হিচাপে সবলীকৰণ, মহিলাৰ স্বাস্থ্য, শিক্ষা, সুৰক্ষা, নিৰাপত্তা আৰু অৰ্থনৈতিক সুৰক্ষা আদি দিশৰ উন্নয়ন হ'লেহে লাভ কৰিব পৰা যাব।

## স্বাস্থ্য

ভাৰতৰ বৃহৎ জনসংখ্যা— বিশেষকৈ দৰিদ্ৰ আৰু সুবিধাৰ পৰা বঞ্চিত শ্ৰেণীটোলৈ গুণগত আৰু বহনযোগ্য স্বাস্থ্য সেৱা যোগোৱাটো ভাৰতৰ বাবে অতি কঠিন বিষয়। ২০০৫ চনৰ পৰা প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (এন আৰ এইছ এম) আৰু বৰ্তমান পুনৰ নামাকৰণ কৰা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান গ্ৰাম্য অঞ্চলত বিভিন্ন স্তৰত উত্তম আন্তঃগাঁথনি, ঔষধ আৰু সা-সঁজুলি আৰু স্বাস্থ্য সুবিধাত মানৱ সম্পদৰ জৰিয়তে স্বাস্থ্য যতন সেৱা উন্নয়নৰ বাবে নিয়োজিত হৈছে।

জীয়াই থকাৰ বাবে প্ৰথম চৰ্তই স্বাস্থ্য হোৱাৰ বাবে স্বাস্থ্য সেৱা যতনত প্ৰৱেশৰ বৃদ্ধিত অগ্ৰাধিকাৰ দিয়া হৈছে। ভাৰতত এক-তৃতীয়াংশৰো অধিক প্ৰসূতিৰ ল' বডি মাছ ইনডেক্স (৩৫.৬ শতাংশ) প্ৰসূতি পৰিপুষ্টিৰ অভাৱ এটা ডাঙৰ প্ৰত্যাহ্বান। একেদৰে, অব্যাহত থকা অপৰিপুষ্টিৰ বাবে ভাৰতৰ বৃহৎ সংখ্যক মহিলা বেয়াকৈ প্ৰভাৱিত— যাৰ ফলত প্ৰতি তিনিগৰাকী মহিলাৰ ভিতৰত এগৰাকী অপৰিপুষ্টি আৰু প্ৰতি দ্বিতীয় গৰাকী মহিলা ৰক্তাল্পতাত ভুগি আছে। প্ৰসূতি আৰু শিশুৰ অপৰিপুষ্টি বিষয়টো জোৰা মাৰিবৰ বাবে সুসংহত শিশু বিকাশ সেৱা (আই চি ডি এছ) আঁচনি সাৰ্বজনীন আৰু শক্তিশালীকৰণ কৰা হৈছে। সুসংহত শিশু বিকাশ সেৱা আঁচনি প্ৰাক্-শৈশৰ যতন আৰু বিকাশৰ বাবে প্ৰতিখন জিলা আৰু উন্নয়ন খণ্ডক সামৰি ১৪ লাখ অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে গ্ৰহণ কৰা বিশ্বৰ এখন বৃহৎ আৰু বিৰল গ্ৰাম্য অঞ্চলক স্পৰ্শ কৰা এখন আঁচনি আৰু এই আঁচনি হ'ল ১.৯ কোটি সন্তানসম্ভৱা আৰু প্ৰতিপালিত মাতৃ আৰু ৮.৪ কোটি ৬ বছৰতকৈ কম বয়সৰ শিশুৰ বাবে প্ৰয়োজনীয় পৰিপুষ্টি নিৰ্দ্ধাৰিত লক্ষ্যৰ বাবে ভাৰতৰ অংগীকাৰবদ্ধতাৰ প্ৰতীক।

**প্ৰসূতি আৰু শিশু স্বাস্থ্য সেৱাৰ কাৰণে গাঁও স্বাস্থ্য পৰিপুষ্টি দিন** দূৰণিকো স্পৰ্শ কাৰ্যসূচী হিচাপে গ্ৰাম্য অঞ্চলত অনুষ্ঠিত কৰা হৈছে।

প্ৰসূতিকালীন মৃত্যুৰ হাৰ (এম এম আৰ) হ্ৰাস কৰাৰ অৰ্থে চৰকাৰে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত প্ৰধান ব্যৱস্থা হিচাপে জননী শিশু সুৰক্ষা কাৰ্যক্ৰমৰ (জে এছ এছ কে) অধীনত ছিজাৰিয়ান অস্ত্ৰোপচাৰকে ধৰি সম্পূৰ্ণ বিনামূলীয়া জননী সুৰক্ষা যোজনাৰ জৰিয়তে স্বাস্থ্য প্ৰতিষ্ঠানত সন্তান প্ৰসৱ, সকলো গৰ্ভৱতী মহিলাক ৰাজহুৱা স্বাস্থ্য প্ৰতিষ্ঠানৰ জৰিয়তে সন্তান প্ৰসৱ, শিশু আৰু মাতৃৰ স্বাস্থ্য চোৱা-চিতাৰ বাবে মাতৃ আৰু শিশু সুৰক্ষা কাৰ্ড, প্ৰাক্-জন্মকালীন, সন্তান জন্মৰ সময়ত আৰু সন্তান জন্মৰ পিছৰ সময়ৰ

***লীনা নায়াৰ ১৯৮২ খেপৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ তামিলনাডু কেডাৰৰ বিষয়া। বৰ্তমান তেওঁ ভাৰত চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।**

যতনৰ লগতে প্ৰতিষেধক সেৱা নিশ্চিতকৰণৰ কাৰণে জননী আৰু শিশু লানি ব্যৱস্থা (এম ছি টি এছ) আৰু উপযুক্ত স্তৰত সংশোধিত কাৰ্য গ্ৰহণ আৰু শিশুৰ যত্নৰ মান উন্নত কৰাৰ বাবে প্ৰসূতিকালীন মৃত্যু পৰ্যালোচনাৰ (এম ডি আৰ) বিষয়ে উল্লেখ কৰিব পাৰি। এই আঁচনিসমূহ ৰূপায়ণৰ ফলস্বৰূপে ২০০৭-০৯ চনৰ কালছোৱাত প্ৰসূতিৰ মৃত্যুৰ হাৰ প্ৰতি এক লাখত ২১২ গৰাকীৰ বিপৰীতে ২০১০-১২ চনৰ কালছোৱাত ১৭৮ গৰাকীলৈ হ্ৰাস পায়। ভাৰতৰ পঞ্জীয়ক প্ৰধানৰ জৰীপ পঞ্জীয়ন ব্যৱস্থাৰ (আৰ জি আই— এছ আৰ এছ) এখন শেহতীয়া প্ৰতিবেদনত এই তথ্য প্ৰকাশ কৰা হৈছে।

এন এফ এইছ এছ-৪ (২০১৫-১৬)ৰ শেহতীয়া তথ্য অনুসৰি ভাৰতৰ ১৩ খন ৰাজ্যত মহিলাৰ গৰ্ভাৱস্থা আৰু সন্তান জন্মৰ সময়ত প্ৰদান কৰা উত্তম সুবিধাসমূহৰ ফলস্বৰূপে প্ৰসূতিকালীন মৃত্যুৰ হাৰ হ্ৰাস পাইছে আৰু জীৱিত শিশুৰ অৱস্থাৰো উন্নতি ঘটিছে। বৰ্তমান অধিক সংখ্যক মহিলাই স্বাস্থ্য প্ৰতিষ্ঠানত সন্তান জন্ম দিছে আৰু এই সংখ্যা কিছুমান ৰাজ্যত যোৱা দশকৰ তুলনাত দুগুণলৈ বৃদ্ধি পাইছে।

**ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ২০১৫**

পুনৰ প্ৰজনন আৰু সন্তানৰ স্বাস্থ্যৰ নিৰ্দিষ্ট প্ৰয়োজনীয়তা পূৰণ বিষয়ক মহিলাৰ স্বাস্থ্য প্ৰয়োজনীয়তাত স্থান দিয়া হৈছে। ইয়াত পুৰুষৰ বন্ধ্যাকৰণ আৰু গৰ্ভ নিৰোধক ব্যৱস্থা গ্ৰহণৰ মাত্ৰা বৃদ্ধি কৰাৰ বিষয়টো উল্লেখ কৰা হৈছে।

**শিক্ষা**

মহিলাৰ সন্মানজনক স্থিতিৰ বাবে শিক্ষা হ'ল অতি গুৰুত্বপূৰ্ণ ব্যৱস্থা। গুণগত শিক্ষা প্ৰদান আৰু যথোপযুক্ত দক্ষতা বিকাশ কৰাৰ নিমিত্তে চৰকাৰে প্ৰাথমিক, মাধ্যমিক, উচ্চ-শিক্ষা আৰু কাৰিকৰী শিক্ষাত ভালেমান আঁচনি প্ৰৱৰ্তন কৰিছে। বাধ্যতামূলক প্ৰাথমিক শিক্ষা সকলো শিশুৰ কাৰণে বিনামূলীয়া কৰাৰ বাবে ২০১০ চনৰ এপ্ৰিল মাহত শিক্ষাৰ অধিকাৰ আইন, ২০০৯ প্ৰণয়ন কৰা হয়। প্ৰাথমিক আৰু উচ্চ-প্ৰাথমিক পৰ্যায়ত শিক্ষাত সাৰ্বজনীন প্ৰৱেশৰ বাবে সৰ্বশিক্ষা অভিযান (এছ এছ এ) গ্ৰহণ কৰা হয়। ইয়াৰ ফলস্বৰূপে সমগ্ৰ দেশত গ্ৰাম্য আৰু নগৰ অঞ্চলৰ বিদ্যালয়ত ছোৱালীৰ ভৰ্তিৰ সংখ্যা উল্লেখযোগ্য-ভাৱে বৃদ্ধি পাইছে আৰু ছোৱালীয়ে বিদ্যালয় এৰা কাৰ্য কমি আহিছে। ডি আই এছ ই-২০১২-১৩ৰ মতে ৰাষ্ট্ৰীয় পৰ্যায়ত লিংগ সমতা সূচাংক হ'ল প্ৰাথমিক পৰ্যায়ত ১.০ আৰু উচ্চ-প্ৰাথমিকত ০.৯৫।

সৰ্বশিক্ষা অভিযানে প্ৰাথমিক শিক্ষাত সাৰ্বজনীনকৰণ কৰাৰ সময়ত গুণগত শিক্ষা প্ৰদানৰ কাৰণে যথেষ্টখিনি কৰিবলগীয়া আছে। বিশ্বৰ সৈতে ফেৰ মাৰিব পৰাকৈ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া, ভাষা লিখন আৰু অংক শিকাটো নিশ্চিত কৰাৰ বাবে সৰ্বশিক্ষা অভিযানৰ লগত **পঢ়ে ভাৰত, বঢ়ে ভাৰত** নামৰ এখন ৰাষ্ট্ৰজোৰা উপ-আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই অভিযানৰ উদ্দেশ্য হ'ল প্ৰতি বিদ্যালয়ে ২০০ বিদ্যালয় কৰ্মদিনত ৮০০ নিৰ্দেশিত ঘণ্টাৰ শিক্ষণ-শিকন আগবঢ়োৱাটো নিশ্চিত কৰা। **বিদ্যাঞ্জলি** (বিদ্যালয় স্বেচ্ছাসেৱী কাৰ্যসূচী) হ'ল সমগ্ৰ দেশত চৰকাৰৰদ্বাৰা পৰিচালিত প্ৰাথমিক বিদ্যালয়ত সমূহীয়া আৰু ব্যক্তিগত খণ্ডক জড়িতকৰণ ব্যৱস্থা বৃদ্ধি কৰাৰ বাবে সৰ্বশিক্ষা অভিযানৰ অধীনত গ্ৰহণ কৰা আন এখন আঁচনি। এই কাৰ্যসূচীয়ে বিদ্যালয়ত প্ৰয়োজন হোৱা জনসাধাৰণৰ স্বেচ্ছামূলক সেৱাৰ বাবে পূৰ্বালোকন কৰিছে।

সৰ্বশিক্ষা অভিযানৰ বিকাশৰ লগে লগে দেশত মাধ্যমিক শিক্ষাৰ চাহিদাও বৃদ্ধি পাইছে। ১৪-১৮ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰ মাধ্যমিক শিক্ষাত প্ৰৱেশ বৃদ্ধি আৰু ইয়াৰ মান উন্নত কৰিবৰ বাবে ২০০৯ চনৰ পৰা ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (আৰ এম এছ এ) ৰূপায়িত কৰি থকা হৈছে। এই প্ৰচেষ্টাত ২০০১ আৰু ২০১১ চনত মহিলাৰ সাক্ষৰতাৰ হাৰ ৬৫.৩৮ৰ পৰা ৭৪.০৪লৈ বৃদ্ধি হোৱাটো দৃষ্টিগোচৰ হৈছে। চি বি এছ ই-য়েও ছাত্ৰীসকলৰ বাবে **উড়ান** নামৰ এখন বিশেষ আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিখন হ'ল অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহৰ ছাত্ৰীৰ ভৰ্তিৰ নিম্ন সংখ্যা বৃদ্ধি কৰাৰ বাবে দিহা-পৰামৰ্শ আৰু বৃত্তি আঁচনি আৰু উচ্চ মাধ্যমিক বিদ্যালয় পৰ্যায়ত সকলোৰে বাবে বিনামূলীয়া অন্‌লাইন ৰিছৰ্চ প্ৰদানৰ জৰিয়তে অংক আৰু বিজ্ঞান শিক্ষণ আৰু শিকন বৃদ্ধিকৰণৰ উদ্দেশ্য আছে।

উচ্চতৰ শিক্ষাৰ একনিষ্ঠ বিকাশৰ বাবে **ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (আৰ য়ু এছ এ)** ৰূপায়ণ কৰি থকা হৈছে আৰু উচ্চ শিক্ষাৰ বাবে শিক্ষা ঋণ বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰে **প্ৰধান মন্ত্ৰী বিদ্যালক্ষ্মী কাৰ্যক্ৰমৰ** অধীনত বিদ্যালক্ষ্মী (www.vidyalakshmi.co.in) নামৰ এটা নতুন ৱেব ভিত্তিক পৰ্টেল প্ৰৱৰ্তন কৰিছে। তথ্যত প্ৰৱেশ আৰু বেংক আৰু চৰকাৰী বৃত্তিৰ বাবে শিক্ষা ঋণৰ আবেদন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ছিংগল উইনড' আগবঢ়োৱা বিদ্যালক্ষ্মী হ'ল এইধৰণৰ প্ৰথম পৰ্টেল।

ভাৰতত মহিলাসকলে বিভিন্ন খণ্ডত প্ৰভাৱশালী বিষয়বাব অধিকাৰ আৰু উচ্চ শিক্ষাত নতুন মাত্ৰাত উপনীত হৈছে যদিও লিংগ বৈষম্য এতিয়াও বিদ্যমান। যুৱক-যুৱতীসকলক লিংগ সচেতন কৰি তুলিবলৈ আৰু ছোৱালীৰ অধিকাৰৰ প্ৰতি ইতিবাচক সামাজিক মান সৃষ্টি কৰাৰ বাবে সমগ্ৰ দেশতে মহাবিদ্যালয়সমূহত **লিংগ সমৰ্থন** (জে'ন্ডাৰ চেম্পিয়ন) নিযুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগে এই বিষয়ত সকলো বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু মহাবিদ্যালয়লৈ এই নিৰ্দেশনাসমূহ কাৰ্যকৰী কৰিবলৈ অধিসূচনা জাৰি কৰিছে।

**সুৰক্ষা আৰু নিৰাপত্তা**

লিংগ, সমতা, বৈষম্য প্ৰতিৰোধ আৰু মহিলাৰ বিৰুদ্ধে হিংসা প্ৰতিৰোধ আমাৰ ৰাষ্ট্ৰীয় সামগ্ৰিক সমাজৰ উন্নতি আৰু বিকাশৰ বাবে ৰাষ্ট্ৰীয় অভিপ্ৰায়ৰ এৰাব নোৱাৰা অংগ। মহিলা আৰু ছোৱালীৰ বিৰুদ্ধে হ'ব পৰা সকলো ধৰণৰ হিংসাৰ অৱসান ঘটাবৰ বাবে চৰকাৰ দৃঢ় প্ৰতিজ্ঞ আৰু সেই উদ্দেশ্যে আইন প্ৰণয়ন কৰিছে। হিংসাৰ চিকাৰ হোৱা মহিলাক সমৰ্থন আৰু মহিলা ভুক্তভোগীক হিংসাৰ পৰা বচোৱাৰ বাবে আৰক্ষী আৰু আন সংস্থাসমূহে উপযুক্ত উপায়ৰ দিহা নিশ্চিত কৰাটো চৰকাৰৰ প্ৰচেষ্টাত সন্নিৱিষ্ট হৈছে। ধৰ্ষণ আৰু যৌন নিৰ্যাতনৰ ক্ষেত্ৰত ভুক্তভোগী মহিলাৰ ক'বলগীয়াখিনি শুনাটো নিশ্চিত কৰিবৰ বাবে চৰকাৰে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে যাতে তেওঁলোকে ন্যায় লাভ কৰিব পাৰে।

লিংগভিত্তিক হিংসা প্ৰতিৰোধৰ কাৰণে মহিলাৰ কৰ্মক্ষেত্ৰত নিৰাপদ আৰু সুৰক্ষিত পৰিৱেশ সৃষ্টি কৰা আৰু তেওঁলোকৰ সম্ভাৱনা পূৰামাত্ৰাই পূৰণ কৰাৰ অৰ্থে অলপতে ভালেকেইখন আইন প্ৰণয়ন কৰাটো ইয়াৰ উদাহৰণ। অপৰাধ বিধি (সংশোধন) আইন, ২০১৩ ধৰ্ষণৰ দৰে অপৰাধসমূহৰ ক্ষেত্ৰত বেছি কঠোৰ শাস্তি প্ৰদানৰ বাবে প্ৰণয়ন কৰা হৈছে আৰু যৌন অপৰাধ আৰু নিৰ্যাতনৰ সংজ্ঞা ব্যাপক কৰা হৈছে। ভাৰতীয় দণ্ড বিধিত এছিড আক্ৰমণ, যৌন আতিশয্য, আনৰ ৰতিক্ৰিয়া গোপনে চাই সুখ লভা আৰু অনুসৰণ কৰা, মহিলাক বিবস্ত্ৰ কৰা আদি নতুন অপৰাধসমূহ সন্নিৱিষ্ট কৰা হৈছে। হিংসাত আক্ৰান্ত মহিলাক তাৎক্ষণিক সকাহ দিবৰ বাবে স্বাস্থ্য যত্ন আগবঢ়াওঁতাকে ধৰি ৰাজহুৱা কৰ্মচাৰী জবাবদিহি হোৱাৰ ব্যৱস্থা আইনখনত কৰা হৈছে। **কৰ্মস্থানত মহিলাক যৌন আতিশয্য** (প্ৰতিৰোধ, নিবাৰণ আৰু প্ৰতিকাৰ) আইন, ২০১৩-ৰদ্বাৰা মহিলাক কৰ্মক্ষেত্ৰত সুৰক্ষিত আৰু নিৰাপত্তামূলক পৰিৱেশ প্ৰদান কৰিবলৈ বিচৰা হৈছে এই আইনসমূহ মহিলাক ঘৰুৱা হিংসাৰ পৰা ৰক্ষা, আইন ২০০৫; বাল্যবিবাহ নিষিদ্ধকৰণ আইন, ২০০৬, যৌন আতিশয্যৰ পৰা শিশুক ৰক্ষা কৰা আইন ২০১২, যিখনে শিশুক যৌন নিৰ্যাতন আৰু অপৰাধৰ পৰা ৰক্ষা কৰিব; প্ৰাক্-গৰ্ভধাৰণ আৰু প্ৰাক-প্ৰসৱ সম্পৰ্কীয় সমস্যা নিৰ্ণয় পদ্ধতি আইন (পি চি এণ্ড পি এন ডি টি), ১৯৯৪— যিখন আইনৰদ্বাৰা গৰ্ভধাৰণৰ পূৰ্বে বা পাছত লিংগ পছন্দ নিষিদ্ধ কৰিবলৈ বিচৰা হৈছে আদি প্ৰচলিত আইনসমূহ এই আইনসমূহৰ পৰিপূৰক কৰা হৈছে। কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন ২০১৫-এ শিশুসকলক তেওঁলোকৰ প্ৰয়োজন অনুসৰি বিকাশ আৰু শিশুসকলৰ লগত বন্ধুত্বৰ প্ৰচেষ্টাৰে উপযুক্ত যত্ন, সুৰক্ষা আৰু চিকিৎসা প্ৰদানৰ ব্যৱস্থা প্ৰদান কৰিছে। ৰাজ্যসভাত গৃহীত হোৱা প্ৰসূতি কল্যাণ (সংশোধিত) বিধেয়ক, ২০১৬-এ কৰ্মৰত মহিলাৰ প্ৰসূতিকালীন ছুটী ১২ৰ পৰা ২৬ সপ্তাহলৈ বৃদ্ধি কৰিবলৈ বিচৰাটোৱে ভাৰতত মহিলা শ্ৰম শক্তিৰ অংশগ্ৰহণৰ নিশ্চয় উৎকৰ্ষ সাধন কৰিব।

প্ৰতিৰোধ, সুৰক্ষা আৰু পুনৰ সংস্থাপনৰ দৰে কৌশলগত ক্ষেত্ৰসমূহত মহিলাসকলৰ সুৰক্ষিত প্ৰাসংগিকতা নিশ্চিত কৰিবলৈ চৰকাৰে নিৰ্ভয়া পুঁজি গঠন কৰিছিল আৰু নিৰ্ভয়া পুঁজিৰ অধীনত এতিয়ালৈকে ২০০০ কোটি টকাৰ ১৫টা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এইবোৰৰ ভিতৰত চিকিৎসা সাহায্য, আৰক্ষীৰ সহায়, আইন পৰামৰ্শ/ আদালত গোচৰ ব্যৱস্থাপনা, মনো-সামাজিক পৰামৰ্শ আৰু হিংসা আক্ৰান্ত মহিলাৰ বাবে অস্থায়ী আশ্ৰয় আগবঢ়োৱা ওৱান **ষ্ট'প ছে'ন্টাৰ (One Stop Centre)**, ২৪ ঘণ্টাই জৰুৰী সেৱা আগবঢ়াবৰ বাবে মহিলা **হেল্প লাইন** আৰু অ-জৰুৰী অৱস্থা প্ৰতিক্ৰিয়া, দেশৰ সকলো আৰক্ষী জিলাত মহিলাৰ বিৰুদ্ধে অপৰাধৰ কাৰণে অনুসন্ধানমূলক কেন্দ্ৰ (আই য়ু চি এ ডব্লিউ), ৰে'লত সুৰক্ষা শক্তিশালীকৰণ হিচাপে ডবাসমূহত চি চি টিভি কেমেৰা স্থাপন, ৰাষ্ট্ৰীয় জৰুৰী প্ৰতিক্ৰিয়া ব্যৱস্থা, কেন্দ্ৰীয় ভুক্তভোগী ক্ষতিপূৰণ পুঁজি গঠন (চি ভি চি এফ), মহিলা আৰু শিশুৰ বিৰুদ্ধে ছাইবাৰ অপৰাধ প্ৰতিৰোধ (চি চি পি ডব্লিউ চি) আদি অন্তৰ্ভুক্ত কৰা হৈছে।

ভাৰতত কন্যা শিশুৰ উজ্জ্বল ভৱিষ্যৎ আৰু কল্যাণ আৰু কন্যা শিশুৰ হাৰ হ্ৰাস হোৱা অৱস্থা প্ৰতিৰোধ সম্বন্ধীয় বিষয়বোৰ সমাধানকল্পে বহুমাত্ৰিক **বেটী বচাও, বেটী পঢ়াও** আঁচনি গ্ৰহণ কৰা হৈছে। বেটী বচাও

বেটী পঢ়াও আঁচনি গ্ৰহণৰ ফলস্বৰূপে কন্যা শিশুৰ উৎকৰ্ষ সাধনৰ বাবে স্থানীয় পৰ্যায়ত ভালেমান অভিযোজন প্ৰৱৰ্তন কৰা হৈছে। আঁচনিৰ উৎসাহজনিত ফল আৰু ৰূপান্তৰকৰণৰ সম্ভাৱনাৰ বাবে প্ৰথম ১০০ খন জিলাৰ উপৰি আন ৬১ খন জিলালৈ সম্প্ৰসাৰণ কৰা হৈছে। হিংসা আক্ৰান্ত মহিলাক সকাহ আৰু সমৰ্থন প্ৰদানৰ বাবে ভুক্তভোগী ক্ষতিপূৰণ আঁচনি, স্বধাৰ আৰু ধৰ্ষণৰ ভুক্তভোগীকে ধৰি আন জটিল পৰিস্থিতিত থকা মহিলাৰ সহায় আৰু পুনৰ সংস্থাপনৰ বাবে কম সময়ৰ গৃহ আঁচনি আদি হ'ল আন আঁচনি।

আৰক্ষী বাহিনীত মহিলাৰ দৃশ্যমানতা বৃদ্ধি, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু কিছুমান ৰাজ্যত আৰক্ষী বাহিনীত মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষী বাহিনীত প্ৰশিক্ষণ কাৰ্যসূচী, কৃতিত্ব আনুষ্ঠানিকভাৱে সদৰি কৰা, মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধ সমাধানৰ বাবে মহিলা আৰক্ষী থানা স্থাপনৰ জৰিয়তে লিংগ স্পৰ্শকাতৰতাৰ সন্দৰ্ভত গুৰুত্ব বৃদ্ধি কৰা হৈছে। কেৱল এয়াই নহয়, লিংগ সংবেদনশীলতা আৰক্ষী সেৱা লিংগ বিষয়বোৰ নীতিলৈ পৰিৱৰ্তন কৰিবলৈ সমূহীয়া দূৰণি স্পৰ্শ কাৰ্যসূচী বিস্তৃত কৰা, কৰ্মপদ্ধতি আৰু ব্যৱহাৰোপযোগী প্ৰক্ৰিয়া লাভৰ বাবে পৰীক্ষামূলক ভিত্তিত এখন নতুন আঁচনি প্ৰৱৰ্তন কৰা হৈছে। মহিলা আৰু আৰক্ষীৰ মাজত বিশেষকৈ তৃণমূল পৰ্যায়ত সংযোগ স্থাপনৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পৰ্যায়ত মহিলা আৰক্ষী স্বেচ্ছাসেৱী নিযুক্তি প্ৰক্ৰিয়া আইনগত ব্যৱস্থা গ্ৰহণৰ পৰ্যায়ত আছে। মহিলা আৰক্ষী স্বেচ্ছাসেৱী (এম পি ভি)ৰ বিস্তৃত বাধ্যতামূলক কাম হ'ব প্ৰতিৱেশীৰ ঘৰত সংঘটিত ঘৰুৱা হিংসা, বাল্যবিবাহ, যৌতুকৰ বাবে নিৰ্যাতনৰৰ হাৰ মহিলাৰ ওপৰত সংঘটিত হিংসাত্মক ঘটনাবোৰ আৰক্ষীক অৱগত কৰা।

## আৰ্থিক সুৰক্ষা

ইমানবোৰ প্ৰত্যাহ্বান থকা সত্ত্বেও ভাৰতৰ লাখ লাখ মহিলা বাধাৰ প্ৰাচীৰ ভাঙি ওলাই আহি নিজৰ ভাগ্য গঢ় দিছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আঁচনি, ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান (এন আৰ এল এম) আদি ধ্বজাবাহী কাৰ্যসূচীয়ে হাজাৰ হাজাৰ গ্ৰাম্য মহিলাক জীৱিকাৰ সুৰক্ষা প্ৰদান কৰিছে আৰু তেওঁলোকক আৰ্থিক সুৰক্ষা প্ৰদান কৰিছে আৰু সবলীকৰণ কৰিছে, লগতে একে সময়তে গ্ৰাম্য সম্পদৰ সৃষ্টি কৰিছে। মহিলাসকলক অৰ্থনীতিৰ ঘাইসুঁতিকৰণৰ বাবে গ্ৰহণ কৰা আন এটা উদাহৰণ হ'ল **ৰাষ্ট্ৰীয় মহিলা কোষ** (আৰ এম কে)— যিখনে নিয়মিত পুঁজি যোগান আৰু বজাৰ সংযোগ ব্যৱস্থা আগবঢ়াই দৰিদ্ৰ মহিলাসকলৰ বাবে বিস্তৃতভাৱে কাম কৰি আছে। এনেকুৱা শিল্প উদ্যোগী মহিলাৰ উৎকৰ্ষ সাধনৰ বাবে ৰাষ্ট্ৰীয় মহিলা কোষে ষ্টাৰ্ট-আপ উদগনি হিচাপে আত্ম সহায়ক গোট, মহিলা ই-হাট প্ৰৱৰ্তন কৰিছে। ডিজিটেল ইণ্ডিয়াৰ অধীনত ৱেব ভিত্তিক বজাৰকৰণে মহিলাক গোলকীয় বজাৰত প্ৰৱেশৰ সুবিধা প্ৰদান কৰিব আৰু ব্যৱসায়িক সম্প্ৰদায় আৰু মহিলা উদ্যোগীসকলৰ মাজত সম্পৰ্কৰ বিকাশত উৎকৰ্ষ সাধন কৰিব। আৰ্থিক অন্তৰ্ভুক্তি হ'ল চৰকাৰৰ এটা উচ্চ অগ্ৰাধিকাৰ পোৱা বিষয়। **প্ৰধান মন্ত্ৰীৰ জন ধন যোজনাই** লাখ লাখ মহিলাক প্ৰথম বেংক একাউণ্ট খুলিবলৈ প্ৰত্যয় জন্মাইছে আৰু ই হ'ল দাৰিদ্ৰ্য আৰু ধাৰৰ ভয়ংকৰ চক্ৰ অতিক্ৰম কৰিবলৈ আকস্মিক আৰু গুৰুত্বপূৰ্ণ আৱিষ্কাৰ। গেইটছ্ ফাউণ্ডেশ্বনৰ তৃতীয় বছৰেকীয়া জৰীপৰ মতে ৪৭ শতাংশ মহিলাৰ বৰ্তমান প্ৰধান মন্ত্ৰী জন ধন যোজনা বেংক একাউণ্ট আছে। তদুপৰি মহিলাৰ দক্ষতাৰ উৎকৰ্ষ সাধন আৰু নিয়োগযোগ্যতা বৃদ্ধি কৰিবৰ বাবে ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নীতিৰ অধীনত মহিলাক অধিক নিয়োগ প্ৰদান কৰিব পৰা ক্ষেত্ৰসমূহ চিনাক্ত কৰা হৈছে আৰু দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰাত তেওঁলোকক সহায় কৰিবলৈ প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনা প্ৰৱৰ্তন কৰা হৈছে। কন্যা শিশুৰ আৰ্থিক ভৱিষ্যৎ সুনিশ্চিত কৰাৰ অভিপ্ৰায়েৰে 'বেটী বচাও বেটী পঢ়াও'ৰ অধীনত সুকন্যা সমৃদ্ধি যোজনা প্ৰৱৰ্তন কৰা হৈছে। এই যোজনাৰ অধীনত সমগ্ৰ দেশত চলিত বছৰৰ জুন মাহলৈকে ৮৭ লাখ একাউণ্ট খোলা হৈছে।

## সামৰণি

এনেকুৱা বৃহৎ, বহুধা আৰু গণতান্ত্ৰিক দেশত এইবোৰ যে তাৎপৰ্যপূৰ্ণ পদক্ষেপ, সেই বিষয়ে অকণো সন্দেহ নাই। সি যি কি নহওক, সমাজৰ পিতৃতান্ত্ৰিক ভাৱধাৰাই মহিলাৰ বাবে পৰিপুষ্টি, শিক্ষা, নিয়োগ আদি বিভিন্ন দিশত সমান সুবিধাৰ বিষয়টো উপেক্ষা কৰাৰ ফলস্বৰূপে মহিলাৰ বিৰুদ্ধে সংঘটিত হোৱা হিংসাত্মক ঘটনা প্ৰত্যাহ্বানৰ বিষয় হৈ আছে। এই প্ৰক্ৰিয়াৰ বিৰুদ্ধে কামৰ প্ৰচেষ্টা ইতিমধ্যে আৰম্ভ হৈছে, মহিলা সবলীকৰণৰ কৌশল এটা চলি থকা প্ৰচেষ্টা আৰু এইটো **ৰাষ্ট্ৰীয় মহিলা নীতিত** সন্নিৱিষ্ট কৰাৰ বাবে প্ৰস্তাৱ

**(১৮ পৃষ্ঠাত চাওক)**

# মহিলাৰ অৰ্থনৈতিক সবলীকৰণ

**ইলা আৰ ভাট***

ভাৰতে স্বাধীন জাতি হোৱাৰ বাবে স্বাধীনতা সংগ্ৰাম কৰি থকাৰ সময়তে মই ডাঙৰ হৈছিলো। যুৱতী হিচাপে আমি দেশখন নতুনকৈ নিৰ্মাণ কৰা আৰু জীৱনটো নতুনকৈ গঢ় দিয়াৰ বাবে শপত লৈছিলো যাতে প্ৰত্যেক ভাৰতীয়ই স্বাধীনতা উপভোগ কৰিবলৈ সমৰ্থ হ'ব পাৰে। মহাত্মা গান্ধীয়ে আমাক পথটো প্ৰদৰ্শন কৰিছিল। তেওঁ ৰাজনৈতিক স্বাধীনতাৰ একেটা স্তৰতে ব্যক্তিগত চাফ-চিকুণতাৰ বিষয়েও চিন্তা কৰিছিল। তেওঁৰ কাৰণে শৌচাগাৰ আৰু গাঁৱৰ পুখুৰীবোৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আধ্যাত্মিক মোক্ষৰ বাবে অতি গুৰুত্বপূৰ্ণ আছিল। আমি জনসাধাৰণৰ পৰিপ্ৰেক্ষাৰ পৰা অৰ্থনৈতিক স্বৰূপ চাবলৈ শিকিছিলো। তেওঁৰ চিন্তা মোৰ আৰু সেৱা (এছ ই ডব্লিউ এ)ৰ কাৰণে পথ নিৰ্দেশনাৰ উৎস আছিল।

এটা হ'ল সৰলতা, যাক আমি চিহ্নিত কৰিছিলো কাৰণ জটিলতা যোগ কৰাটো প্ৰগতি নহয়। দ্বিতীয়টো হ'ল অহিংসা। হিংসা মৌলিকভাৱেই স্বাধীনতাৰ লগত বিৰোধপূৰ্ণ। তৃতীয়টো আছিল কামৰ মৰ্যাদা, শ্ৰমৰ পৱিত্ৰতা, শ্ৰম হ'ল প্ৰকৃতিৰ নিয়ম, ইয়াৰ উলংঘন হ'ল— বৰ্তমানৰ অৰ্থনৈতিক খেলিমেলিৰ কেন্দ্ৰীয় কাৰণ আৰু চতুৰ্থটো হ'ল— মানৱিক প্ৰমূল্য। ব্যক্তিৰ মানৱতাৰ ক্ষেত্ৰত আপোচ-বিহীনতা। গ্ৰহণযোগ্য সৰলতা, অহিংসা, শ্ৰমৰ পৱিত্ৰতা আৰু মানৱীয় প্ৰমূল্য এই চাৰিটা স্তম্ভই ভাৰতৰ অৰ্থনীতি গঢ় দিয়াৰ ক্ষেত্ৰত আমাক দিক্ দৰ্শন কৰিছিল। কাৰণ মানৱেই হ'ল চিন্তাৰ ক্ষেত্ৰত কেন্দ্ৰবিন্দু। আমি **সেৱা**ত (এছ ই ডব্লিউ এ) বিকাশৰ দৃষ্টিক নিষ্ঠা আৰু সংহত ৰূপত ক্ৰমান্বয়ে বুজি উঠিছিলো। বিকাশক উপলব্ধি কৰোতে আমি ইয়াক গঠনমূলক কাম বুলি কৈছিলো, সকলো দিশতে আমাৰ সকলো কামক আমাৰ নিজৰ প্ৰভাৱক সমাজ আৰু বিশ্বৰ লগত সহ-সমন্বিত কৰিছিলো আৰু এনেদৰে দায়িত্বশীল বিশ্ব নাগৰিক হৈছিলো। আমাৰ বাবে সেৱা-আন্দোলনৰ ভিত্তি আছিল এনেধৰণৰ সংযোগবোৰ।

সি যি কি নহওক, কাম মোৰ হৃদয়ৰ একেবাৰে ওচৰত থাকে। মই 'কৰ্ম'ক মানুহৰ জীৱনৰ কেন্দ্ৰ হিচাপে স্থান দিওঁ। ই হ'ল কাম, উৎপাদনমূলক কাম— যিটোৱে বিকাশ আৰু বৰ্দ্ধনৰ দিশে লৈ যায়। দৰিদ্ৰ মহিলাৰ লগত কাম কৰোতে দেখিছিলো— কামেই তেওঁলোকৰ জীৱনৰ কেন্দ্ৰবিন্দু। কামে তেওঁলোকৰ জীৱনক এটা অৰ্থ প্ৰদান কৰিছিল— কামে ব্যক্তিৰ পৰিচয় গঢ় দিয়ে। কামে জীৱিকা প্ৰদান কৰে— যিটোৱে সামগ্ৰী আৰু সেৱা উৎপাদন কৰে আৰু এনেদৰে সমাজ আৰু দেশ গঢ়ে। কিন্তু দাৰিদ্ৰ্যই ভাৰসাম্য নষ্ট কৰে। আমি ব্যক্তি, সমূহীয়া, পৰিৱেশ আৰু প্ৰকৃতি— সকলো পৰ্যায়তে শোষণ দেখিবলৈ পাওঁ।

দাৰিদ্ৰ্য শ্ৰেণী, সম্প্ৰদায়, বৰ্ণ, ধৰ্ম, ভূ-মালিকানা, লিংগ, ভাষা— যিকোনো প্ৰত্যেক ক্ষেত্ৰতে বৈষম্য গ্ৰহণ কৰিবলগীয়া হয়। ফলস্বৰূপে, আমাৰ অৰ্থনৈতিক, সামাজিক, মানসিক, আধ্যাত্মিক আদি সকলো প্ৰকাৰৰ স্পৰ্শকাতৰতা আছে। মানুহে তেওঁলোকৰ বিশ্বাস হেৰুৱাইছে আৰু তেওঁলোকে বিশ্বাসক ভুলপথে পৰিচালিত কৰে। দাৰিদ্ৰ্য হ'ল সমাজৰ অনুমোদনৰ এটা হিংসাত্মক স্থায়ীত্ব। দাৰিদ্ৰ্য আৰু স্বাধীনতা হেৰুৱাই পেলোৱা পৃথক কথা নহয়। এখন দেশে এটা পৰ্যায়লৈ স্বাধীনতা উপভোগ কৰে— যেতিয়া অতি দৰিদ্ৰ নাগৰিকজনেও নিজৰ অধিকাৰ প্ৰয়োগ কৰিবলৈ সুবিধা পায়। এইটোৱেই হৈছে দৰিদ্ৰ মহিলা আৰু কামৰ ক্ষেত্ৰত হোৱা মোৰ অভিজ্ঞতাৰ সামৰণিৰ ভিত্তি।

সেই কাৰণে, মহিলাৰ নেতৃত্বত আমি আকস্মিক গুৰুত্বপূৰ্ণ আৱিষ্কাৰ দেখিবলৈ পাইছো। সেৱা-ত আমাৰ স'তে কাম কৰা মহিলাসকল অতি স্পৰ্শকাতৰ হ'ব পাৰে কিন্তু এইটো সমূহীয়াৰ শক্তিৰ বাবে।

---

*ইলা আৰ ভাট এগৰাকী গান্ধীবাদী। তেওঁ তৃণমূল পৰ্যায়ৰ উন্নয়নৰ ক্ষেত্ৰত বিশ্বৰ অন্যতম উল্লেখযোগ্য বাটকটীয়া আৰু উদ্যোগী শক্তি হিচাপে জনাজাত। তেওঁ পদ্মশ্ৰী, পদ্মভূষণ, ৰমণ মেগাছেছে আদি বিভিন্ন বঁটা আৰু সন্মানেৰে ভূষিতা। তেওঁ ৰাজ্যসভাৰ সাংসদো আছিল আৰু বহুত গুৰুত্বপূৰ্ণ পদত থাকি সেৱা আগবঢ়াইছে।

আমি কামৰ ভিত্তিত লগ হওঁ আৰু জালিকা (নেটৱৰ্ক) সৃষ্টি কৰোঁ। আমি আমাৰ কামৰ প্ৰয়োজনীয়তা আৰু ব্যৱসায়ী, ঠিকাদাৰ, আমাৰ চৰকাৰ, গোলকীয় সম্প্ৰদায় আৰু 'ব্যৱস্থা' আৰু 'গাঁথনি'ৰদ্বাৰা অৰ্থনৈতিক শোষণ ৰোধ কৰিবলৈ সংঘ গঠন কৰোঁ। আমাৰ অৰ্থনৈতিক প্ৰয়োজনীয়তা পূৰণ, ৰক্ষা কৰা, ধাৰ লোৱা, সহায় আগবঢ়োৱা, সম্পদ সৃষ্টি কৰা, সম্পদ আহৰণ কৰা, জীৱনৰ বস্তুগত দিশটো উন্নত কৰাৰ বাবে এটা বেংক গঠন কৰিবলৈ আমি সেৱা-লৈ একগোট হৈ আহো। আমাৰ প্ৰসূতিকালীন প্ৰয়োজনীয়তা, স্বাস্থ্য আৰু জীৱন বীমাৰ বাবে আমি এটা সামাজিক সুৰক্ষামূলক জালিকা গঠন কৰিছো। মহিলা কৃষক আৰু মহিলা হস্তশিল্পীৰ বাণিজ্য সহজসাধ্যকৰণ জালিকাৰ জৰিয়তে বিশ্বব্যাপি আমি স্থানীয় আৰু গোলকীয় বজাৰৰ মাজত সাঁকো নিৰ্মাণ কৰিবলৈ প্ৰচেষ্টা চলাই আছো। আমাৰ সামৰ্থ্য গঠন কৰিবলৈ আৰু আমাৰ পৰিক্ৰমাসমূহ পৰিচালনা কৰিবলৈ আৰু বাহিৰা জগতত আমাৰ প্ৰভাৱ বিস্তাৰ কৰাৰ কাৰণে আমি স্কুল সৃষ্টি কৰিছো। সেৱা এটা প্ৰকল্প নহয়, ই এটা প্ৰতিষ্ঠানো নহয়। ই আনকি অৰ্থনীতি বা মুদ্ৰাও নহয় ই 'সুবিধা ভোগ কৰা' আৰু 'সুবিধা ভোগ কৰিবলৈ নোপোৱা সকলৰ মাজত ভাৰসাম্য ৰক্ষাৰ পুনঃপ্ৰতিষ্ঠাকৰণ'। ই হ'ল স্ব-প্ৰত্যয়, ব্যক্তিগতভাৱে আৰু সমূহীয়াভাৱে— আৰ্থিকভাৱে আৰু ব্যক্তিগতভাৱে আৰু সমূহীয়াভাৱে সিদ্ধান্ত গ্ৰহণ। এইটো হ'ল সবলীকৰণৰ দিশে এটা পথ।

গোলকীয় পৰ্যায়ত, মোৰ বাবে সহস্ৰাব্দ বিকাশ লক্ষ্য হ'ল— ইয়াক অধিক সম্প্ৰদায়ৰ স'তে সম্পৰ্কিত কৰা— কিন্তু এটা দৃষ্টি হিচাপে নহয়— যোগাযোগৰ মাধ্যম হিচাপেহে। মই বিকাশৰ ভাষা বুলিলে জনসাধাৰণৰ অংশ হ'ব পৰাকৈ এটা বেলেগ ধৰণৰ ভাষাৰ প্ৰয়োজনীয়তাৰ কথা ভাবো। ই হ'ল শক্তিৰ ভাষা— শক্তি নথকা সকলৰ উদ্দেশ্যে ই নহয়। দাৰিদ্ৰ্য হ'ল শক্তিহীনতাৰে এটা ৰূপ। ই হ'ল মানুহৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ নথকা বা সম্পদৰ ক্ষেত্ৰত প্ৰৱেশ নথকাৰ লক্ষণ। দাৰিদ্ৰ্যৰ শক্তিহীনতা সীমিত পৰিসৰত অংশগ্ৰহণ বা আলোচনাৰে মুক্ত কৰিব পৰা যায়। এইটো জীৱনৰ সিদ্ধান্তৰ ওপৰত প্ৰকৃত নিয়ন্ত্ৰণেৰে কৰা কাম। দাৰিদ্ৰ্যক শক্তিহীনতাৰ ৰূপত দেখা পালে ইয়াক সমাধান কৰিব পৰা উপায়েৰে আমি ইয়াক চাব লাগিব। কাম, জীৱিকা, স্বাস্থ্য, শিক্ষা, নগৰীকৰণ, ভগনীয়া, শান্তি আৰু ভৱিষ্যতৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সমূহীয়া বিশেষকৈ মহিলাসকললৈ শক্তি পুনৰ ঘূৰাই আনিব লাগিব। দেশৰ এনে ইস্তাহাৰত হেৰাই যোৱা শব্দটো হ'ল— **সমূহীয়া**। অৰ্থবিজ্ঞান আৰু অৰ্থনীতি উভয়েই জনসাধাৰণৰদ্বাৰা দাবী কৰা হ'ব লাগিব। অন্যথা বিকাশ আৰু জীৱিকা জীৱনৰ সমান্তৰাল আৰু বিৰোধী ৰূপ হৈ পৰিব।

মোৰ আহ্বান— এটা হ'ল দৰিদ্ৰ মহিলাসকলক খাদ্য, পানী, বস্ত্ৰ, গৃহ, প্ৰাথমিক স্বাস্থ্য যতন, শিক্ষা, প্ৰাথমিক বেংকিং আদি নিয়োগ ক্ষেত্ৰৰ দৰে যিকোনো অৰ্থনৈতিক সংস্কাৰৰ কেন্দ্ৰত ৰাখিব লাগিব। দ্বিতীয়তে, দাৰিদ্ৰ্য মোচনৰ বাবে যিকোনো সংস্কাৰৰ বাবে 'কৰ্ম'ক কেন্দ্ৰ হিচাপে চিহ্নিত কৰিব লাগিব। তৃতীয়তে, পৰ্যাপ্ত পৰিমাণৰ বিনিয়োগ যাতে দৰিদ্ৰসকলে বিকশিত হ'বলৈ পূৰ্ণ সুযোগ লাভ কৰে। চতুৰ্থটো হ'ল— কৰ্মৰত দৰিদ্ৰৰ বাবে নিষ্ঠাপূৰ্ণ সামাজিক সুৰক্ষা আৱেষ্টনী বিকাশ কৰা আৰু পঞ্চমতে স্থানীয় আৰু গোলকীয় ঘাইসূঁতিৰ বজাৰত প্ৰৱেশ কৰিব পৰাকৈ স্ব-নিয়োজিত মহিলাৰ সামৰ্থ্য গঠন কৰা।

দয়াপূৰ্ণ অৰ্থনীতিৰ বাবে মোৰ আহ্বান হ'ল, মই প্ৰতিপালিত অৰ্থনীতিক বুজো— নিজক প্ৰতিপালন, মহিলাৰ সম্প্ৰদায় আৰু বিশ্বজনীনতাক প্ৰতিপালন।

**এইটো কোনে কৰিব?**

মোৰ অভিজ্ঞতাৰ পৰা কওঁ এটা সমূহীয়া বা সম্প্ৰদায় পুনৰ্গঠনৰ চাবি-কাঠী হ'ল মহিলাসকল। মহিলাৰ ওপৰত কেন্দ্ৰীভূত কৰক, পৰিশেষত আপুনি মিত্ৰতা পাব, যিয়ে এটা সুস্থিৰ সম্প্ৰদায় বিচাৰে, মহিলাই তেওঁৰ পৰিয়ালৰ বাবে শিপা বিচাৰে। এগৰাকী মহিলাৰ মাজত এজন কৰ্মী, এজন সেৱা আগবঢ়াওঁতা, যত্ন লওঁতা, শিক্ষাবিদ, নেটৱৰ্ক কৰা লোক বিচাৰি পাব। তেওঁ হ'ল বন্ধনৰ ৰূপায়ণকাৰী, আপুনি হ'ল এজন স্ৰষ্টা আৰু সংৰক্ষক। মই মহিলাৰ অংশগ্ৰহণ আৰু প্ৰতিনিধিত্বক আমাৰ শান্তি প্ৰক্ৰিয়াৰ অবিচ্ছেদ্য অংগ হিচাপে বিবেচনা কৰোঁ। মহিলাই গঠনমূলক, সৃষ্টিমূলক আৰু বহনক্ষম সমাধান আনিব।

আনহাতে, মহিলা যদি কেন্দ্ৰত থাকে তেনেহ'লে মহিলাৰ উৎপাদন-মূলক কাম হ'ল— এখন সমাজক একেলগে গোঁঠা এডাল সূতাৰ কাম। আপোনাৰ যেতিয়া কাম থাকিব— এখন সুস্থিৰ সমাজ বৰ্তাই ৰাখিবলৈ আপোনাৰ উদগনি থাকিব। আপুনি মাত্ৰ ভৱিষ্যতৰ কথাই নাভাৱে, ভৱিষ্যতৰ বাবে পৰিকল্পনাও কৰে। স্পৰ্শকাতৰতা হ্ৰাস কৰাৰ অৰ্থে আপুনি সম্পদ সৃষ্টি কৰিব

পাৰে। আপুনি পৰৱৰ্তী প্ৰজন্মৰ বাবে নিয়োগ কৰিব পাৰে। জীৱনটো মাত্ৰ জীয়াই থকাটো নহয়— উত্তম ভৱিষ্যতৰ বাবে বিনিয়োগো। কৰ্মই শান্তি গঢ়ে কাৰণ কামে মানুহক শিপা প্ৰদান কৰে, ই সমূহ বা সম্প্ৰদায় গঠন কৰে আৰু ই এজন ব্যক্তিৰ জীৱনৰ অৰ্থ আৰু কামৰ মৰ্যাদা প্ৰদান কৰে।

ইতিপূৰ্বে উল্লেখ কৰা মতে মই কৰ্মৰ বিষয়ত সবাতোকৈ বেছি গুৰুত্ব প্ৰদান কৰো। মই কাম মানে কাৰখানাৰ চাকৰি নুবুজো, মিঠাইৰ দোকানৰ কথাও কোৱা হোৱা নাই, অশালীন সস্তীয়া শ্ৰমিকৰ কথাও কোৱা নাই যিটোৱে উদ্যোগৰ পৰিচালকৰ ওচৰত এজন লোকক ভৃত্যতুল্য কৰি ৰাখে— যিটো অন্য এক প্ৰকাৰৰ শোষণৰ ৰূপ। কাম মানে মই বুজো খাদ্যৰ উৎপাদন আৰু পানী খোৱাৰ অধিকাৰত প্ৰৱেশ। ইয়াৰ অৰ্থ হ'ল— কৃষি, পশুপালন, মাছ ধৰা, গৃহ নিৰ্মাণ, বস্ত্ৰ শিল্প আৰু বস্ত্ৰৰ ক্ষেত্ৰত প্ৰচলিত হাজাৰ হাজাৰ বছৰ পুৰণা পৰম্পৰাগত কৌশলৰ উৎকৰ্ষ সাধন। এই কামে মানুহক খাদ্য প্ৰদান কৰে আৰু মানুহৰ নিজৰ লগত, আন লোকৰ লগত, পৰিৱেশৰ লগত **আনন্দদায়ক উদ্যমেৰে** সম্পৰ্ক ৰাখিব পাৰে।

আজি আমাৰ সন্মুখত থকা প্ৰত্যাহ্বান হ'ল— অনুদ্‌ঘাটিত সম্পদত বাণিজ্যৰ সুবিধালৈ মন মেলাটো। অৰণ্য ধ্বংস কৰি বৃক্ষৰোপণক অধিক লাভজনক কৰি তুলিবলৈ আমি পথ বিচাৰি উলিওৱা, নতুন নিৰ্মাণ কৰাৰ পৰিৱৰ্তে পুনৰ চক্ৰীকৰণক অধিক লাভজনক কৰি তুলিব লাগিব। ব্যক্তিগত সম্পদ গঢ়ি তোলাৰ অতিৰিক্তভাৱে সম্পদৰ সমূহীয়া মালিকী স্বত্বকো উৎসাহিত কৰিব লাগিব। সহযোগিতাৰ উদ্যমক এটা উত্তম সুযোগ প্ৰদান কৰি স্বাস্থ্যকৰ প্ৰতিযোগিতাৰ এপালি খোৰাক হিচাপে আমি যেন লাভ অৰ্জন কৰিব পাৰো। আমাৰ চিন্তাৰ পৰিৱৰ্তন ঘটাই, আমাৰ ভাষাৰ পৰিসৰ পৰিৱৰ্তন কৰাৰ প্ৰয়োজন আছে। মোৰ মনত **সেৱা** বেংক ইয়াৰ নিজৰ অভিযানত অতি সফল যদিহে ই বৃহৎ সম্পত্তিৰে ৰাষ্ট্ৰীয় বেংক হোৱাতকৈ জিলা পৰ্যায়ৰ বেংকৰূপে হাজাৰ হাজাৰ ক্ষুদ্ৰ সঞ্চয় আৰু আত্মসহায়ক গোটক স্পৰ্শ কৰিব পাৰিছে।

মই মহিলাসকলক আকস্মিক আৱিষ্কাৰকৰ ৰূপত দেখিছো। মহিলাৰ নেতৃত্বক বিশ্বাসত ল'ব লাগিব, প্ৰতিপালন কৰিব লাগিব কাৰণ এইটোৱে একমাত্ৰ আশা যদিহে এখন সামগ্ৰিক সমাজ আৰু বহনক্ষম পৰিৱেশ সৃষ্টি কৰিবলৈ বিচৰা হয়।

মহিলাসকলক সম্পদ, সস্তাতে আৰু সদায় উপলব্ধ হিচাপে দীৰ্ঘকাল ধৰি ব্যৱহাৰ কৰি অহা হৈছে। কিন্তু **নহ'ব**। বিশ্বক উপলব্ধি কৰিবলৈ দিব লাগিব যে মহিলাসকল বিশ্বৰ সম্পদ। মহিলাসকল ভাল সময় আৰু বেয়া সময়ৰ স্থায়ী শোষক নহয়। মহিলাসকল শোষক অৱয়ব নহয়, সহযোগী হিচাপেহে পৰিগণিত হ'ব লাগিব। মহিলাৰ নিজস্ব মতে— উন্মোচিতকৰণ আৰু প্ৰক্ৰিয়াটোৰ পৰা শিক্ষা লোৱাটোত লক্ষ্যও আছে, প্ৰমূল্যও আছে। এই প্ৰক্ৰিয়াটো নিজেই সবলীকৃত। মহিলাসকলৰ সময়ৰ এটা পৃথক বোধ আছে, কামটোৱে যিমান সময়ৰ প্ৰয়োজন সিমানেই ল'ব। লাখ লাখ লোক স্পৰ্শ কৰিবলৈ **সেৱা**-ই ৩০ বছৰ সময় ল'লে। মহিলাসকলে সমগ্ৰ গোট বা সমূহৰ দিশলৈ চায় আৰু সমগ্ৰক অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰে। যিসকল থাকি যায় তেওঁলোকৰ বাবে অপেক্ষা কৰে আনকি এই প্ৰক্ৰিয়াটোও বিলম্ব হ'ব বুলি জনাৰ পাছতো। মহিলাসকলে প্ৰক্ৰিয়াটোত দমনৰ সলনি অন্তৰ্ভুক্তিকৰণ, ব্যক্তিৰ ওপৰত দল, সুবাসৰ ওপৰত, সংহতিৰ ওপৰত লক্ষ্য নিৰ্দ্ধাৰণ কৰে। সেৱা— বাই-ভনীসকলৰ সৈতে মই যি অভিজ্ঞতা আহৰণ কৰিলো সেই বিষয়েই ক'লো।

**আজিৰ দিনত এইটো প্ৰাসংগিক কিয়?**

আজি বিশ্বই অধিক মহিলা নেতৃত্ব বিচাৰে কাৰণে আমি এতিয়া সময় পৰিৱৰ্তনৰ বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছো আৰু নাৰীবাদ মাত্ৰ অধিক মহিলা নেতৃত্বৰদ্বাৰাই নহয় পুৰুষদদ্বাৰা মহিলাক সন্মান প্ৰদানৰ ৰূপেৰেহে প্ৰয়োজন। ❐

পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ
বিষয়—

**অক্টোবৰ ২০১৬ — বস্ত্ৰ**

# শিশু লিঙ্গৰ বিৰূপ সমানুপাত হাৰ, বিচাৰধাৰা আৰু চৰকাৰৰ নীতি

**মেৰী ই জন***

ভাৰতত বিৰূপাত্মক লিঙ্গ সমানুপাতৰ হাৰৰ বিষয়টো অন্ততঃ ঔপনিৱেশিক কালৰপৰা আমাৰ ইতিহাসৰ এটা অংশ স্বৰূপ হৈ পৰিছিল। ই এটা ডাঙৰ সমস্যা ৰূপে ১৯৭০ দশকৰ কালছোৱাত পুনৰ গা কৰি উঠিছিল। ঊনৈশ শতিকাত বৃটিছৰ বিষয়াসকলে এনে সমস্যাৰ কাৰণ উলিয়াবলৈ প্ৰয়াস কৰিছিল। ৰাজপুত আৰু জাঠসকলে কিয় তেওঁলোকৰ কন্যা সন্তানক বধ কৰিছিল তাৰ গুৰি উলিয়াবলৈ চেষ্টা কৰিছিল। উপনিৱেশ ৰাজৰ কালত ভাৰতত জনগাঁথনি নিৰ্দ্ধাৰণ কৰিবলৈ লোৱা সকলেও পুৰুষতকৈ মহিলাৰ হাৰ অৱনতি ঘটাত আচৰিত বোধ কৰিছিল। আনকি স্বাধীনতা লাভৰ পিছতো দেশখনত পুৰুষৰ তুলনাত মহিলাৰ মুঠ সংখ্যা হ্ৰাস পোৱাত আটাইকে স্তম্ভিত কৰি তুলিছিল। এই বিষয়টোৰ সন্দৰ্ভত গ্ৰহণ কৰা দৃষ্টিভঙ্গীৰ তাৰতম্যৰ অন্ত নপৰিছিল আৰু অনিশ্চিত অৱস্থাৰ ওৰ নপৰিছিল। পিছে আশীৰ দশকত এটা নতুন পোহৰৰ ৰেঙণি দেখা গৈছিল। সেয়া আছিল এটা নতুন প্ৰযুক্তি—যাৰ দ্বাৰাই ভ্ৰূণৰ বিকাশ সমন্ধে নিৰ্ণয় কৰিব পাৰি। তেনে নিৰ্ণয় সাধনত ভ্ৰূণৰ লিঙ্গ কি তাক ধৰা পেলোৱাৰ এক উপায় স্বৰূপ হৈ পৰে; আৰু সেই লিঙ্গ যদি বালিকা হয়, তেনেহ'লে তাক গৰ্ভপাত কৰি দিব পৰা যায়। দিল্লী, অমৃতসৰ আৰু বোম্বেৰ (এতিয়া মুম্বাই) দৰে বৃহৎ চহৰবোৰত এনে কাৰ্য সাধন কৰা হৈছিল।

দৰাচলতে ক'বলৈ গ'লে সেই আৱিষ্কৃত প্ৰযুক্তিক চিকিৎসকসকলে লিঙ্গ নিৰ্ণয়ৰ ক্ষেত্ৰত অপব্যৱহাৰ কৰিছিল আৰু সেয়ে ভাৰত চৰকাৰে তাক এক অপৰাধ কাৰ্য ৰূপে গণ্য কৰে আৰু প্ৰাক্-গৰ্ভধাৰণ আৰু প্ৰাক্-প্ৰসৱ আইন প্ৰণয়ন কৰে। ভুল পথেৰে পৰিচালিত হোৱা ডাক্তৰ আৰু ৰেডিঅ'লজিষ্টসকলৰদ্বাৰা লিঙ্গ নিৰ্ণয় কৰা অভ্যাস ৰোধ কৰিবৰ কাৰণে দীৰ্ঘ দিনৰ অভিযান চলোৱা হয়। এই অভিযান অতি কঠিন, কিয়নো লিঙ্গ নিৰ্ণয় কৰা কামত এটা ডাঙৰ চক্ৰ জড়িত। সেই চক্ৰটো হ'ল ক্ষমতাশালী লোকৰ উৎসাহত গঢ়ি উঠা এটা চক্ৰ। ডাঙৰ ডাঙৰ ক্লিনিক, চিকিৎসক আৰু ৰাজ্যিক পৰ্যায়ৰ পৰ্যবেক্ষক সংস্থাসমূহে সাধাৰণতে তাত ভূমিকা গ্ৰহণ কৰে। গতিকে তাৰ বিৰুদ্ধে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰকৃততেই এটা দুৰূহ কাৰ্য। কিন্তু জনদিয়েক উৎসৰ্গিত সেৱাৰে কাম কৰা চৰকাৰী চাকৰিয়াল তথা জিলা উপায়ুক্ত (উদাহৰণ স্বৰূপে ফৰিদাবাদ, হায়দৰাবাদৰ দৰে জিলাসমূহত সাধন কৰা কাৰ্য) অথবা স্বেচ্ছাসেৱী সংগঠন আৰু সংবাদ মাধ্যমৰ সৈতে জড়িত থকা ব্যক্তিসকলে চলোৱা অভিযানৰদ্বাৰা (যেনে-ৰাজস্থানত আৰু মহাৰাষ্ট্ৰৰ বীড জিলাত) কিছুমান চিকিৎসকৰ গোপন কাৰ্যক ফাদিল কৰি প্ৰতিহতৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাত সহায় কৰে। কিছুমান এনে কণ্ঠস্বৰদ্বাৰাও সাৱধান বাণী শুনোৱা যায় যে ভ্ৰূণ হত্যাৰ পোষকতা কৰা কাৰ্যই গৰ্ভপাতৰ বিৰুদ্ধে এটা অনা-ইচ্ছাকৃত অভিযানলৈও পৰ্যৱসিত হ'ব পাৰে। সেয়ে হ'লে যিসকল মহিলাই প্ৰকৃততেই গৰ্ভপাত কৰাৰ প্ৰয়োজন বোধ কৰে তেনে মহিলাৰ বাবে তাৰ সুচলতা লাভ কৰাত অধিক জটিল অৱস্থাত পৰিণত হোৱাৰ আশংকা বোধ কৰিব। দৰাচলতে ক'বলৈ গ'লে ভাৰতত গৰ্ভপাত কৰা কাৰ্য মহিলাৰ বাবে কেতিয়াও পূৰ্ণ অধিকাৰৰ বিষয় হোৱা নাই, বৰং ইয়াক আমাৰ পৰিয়াল পৰিকল্পনা কাৰ্যসূচীসমূহত সাঙুৰি দিয়া হয়।

### চিন্তা ধাৰাৰ পৰিৱৰ্তন

লিঙ্গ বাচ-বিচাৰ কৰিবৰ কাৰণে অৰ্থাৎ পুত্ৰ সন্তান নে কন্যা সন্তান লাগে সেই বিষয়ে লোকসকলে কিয় ভাবে তাৰ ভিতৰত অতি সাধাৰণতে থকা বিশ্বাসটো হ'ল 'চিন্তাধাৰা'। মানুহৰ এই চিন্তাধাৰাই সমস্যাৰ মূল কাৰণ বুলি সততেই শুনা যায়। সেয়ে এই 'চিন্তাধাৰা' পৰিৱৰ্তনৰ বাবে কি কৰা আৱশ্যক? এই শব্দটোৱে আচলতে কি বুজায়? অভিধানৰ মতে 'মানসিক স্থিতি' বহুলাৰ্থত চিন্তাধাৰাই এজন ব্যক্তিয়ে

*মেৰী ই জন নতুন দিল্লীৰ ছেণ্টাৰ ফ'ৰ ডেভেলপমেণ্ট ষ্টাডিজৰ ছিনিয়ৰ ফেল'।

গ্ৰহণ কৰা দৃষ্টিভঙ্গীৰ প্ৰতিষ্ঠিত ভাবক সূচায়। উদাহৰণস্বৰূপে অভিধানে এইটোও আগবঢ়াইছে যে 'অঞ্চলটো এটা মধ্যযুগীয়া ধাৰণাৰে পুষ্ট যেন লাগে।' মই ভাবোঁ এই সংজ্ঞা আৰু উদাহৰণ উভয়ে অতি ভালদৰে অৰ্থ বহন কৰিছে যে বুজি উঠাৰ প্ৰসঙ্গত এই ভাবধাৰাক ব্যৱহাৰ কৰা হৈছে আৰু লিঙ্গ নিৰ্বাচন কৰা অভ্যাসকো বিৰোধিতা কৰাত খটুৱা হৈছে। আমাৰ বিশ্বাস যে এই অভ্যাসৰ বলি হোৱা পৰিয়ালবোৰে পুত্ৰ আৰু কন্যাৰ সন্দৰ্ভত থকা নিৰ্দিষ্ট ভাৱধাৰাত ভুগি মানসিকভাৱে কষ্ট পায় আৰু সেই সন্দৰ্ভত কেনেদৰে তাক মূল্যাংকন কৰিব লাগে সেইটো ভাবিও পাৰ নেপায়। তেওঁলোকৰ ভাবধাৰা বা দৃষ্টিভঙ্গী এটা নিৰ্দিষ্ট সীমাত আবদ্ধ হৈ থাকে, কিয়নো সেইবোৰ যুগ যুগৰ পৰা চলি অহা পৰম্পৰাৰে পুষ্ট আৰু সেই পৰম্পৰা হ'ল কন্যা সন্তানক মূল্য নিদিয়া। এনেকৈ কোৱাৰ এইটোও অৰ্থ যে যেতিয়া আমি কওঁ মানুহে তেওঁলোকৰ দৃষ্টিভঙ্গী বা ভাবধাৰা সলনি কৰিব লাগে তেতিয়া তাৰদ্বাৰাই এইটোকে তেওঁলোকক ক'ব খোজো যে তেওঁলোক নিজৰ নিজৰ দৃষ্টিভংগী বা বিচাৰধাৰাত তেনে পৰম্পৰাক কম গুৰুত্ব দিয়ক আৰু অধিক আধুনিক হওক।

সন্তানৰ বিৰূপ লিঙ্গ সমানুপাত হাৰৰ ক্ষেত্ৰত কৰা আমাৰ গৱেষণাৰ ভিত্তিত মই বিশ্বাস কৰোঁ যে সমস্যাটো বুজি উঠাত এয়া অতি নিঃকিনজনক বিশ্লেষণ। এনেদৰে যেতিয়া আমি ভাবোঁ, আমাৰ ধাৰণা এইটো যে এনে ধৰণৰ লোকৰ ভাব-চিন্তাবোৰ তেওঁলোকে বাস কৰা সময়ৰ স'তে ৰজিতা খোৱা নহয়। পিছে আজি কালিৰ পৰিয়ালবোৰে কি ভাবে সেই বিষয়ে অতি সাৱধানভাৱে চোৱা যাওক কন্যা সন্তান নহে ল'ৰা সন্তান পোৱাৰ সমন্ধে যেতিয়া তেওঁলোকে সিদ্ধান্ত লয়। পৰিয়ালবোৰে পুৰণি ভাবধাৰাৰ ওপৰতেই ভিত্তি কৰি কেৱল তেওঁলোকৰ ভৱিষ্যতৰ বিষয়ে পৰিকল্পনা নকৰে; তদুপৰি কি ধৰণৰ সম্পদৰাজিৰে তেওঁলোকৰ আশা-আকাংক্ষা বাস্তৱায়িত কৰিবলৈ সমৰ্থৱান হ'ব তাৰ ওপৰতো নিৰ্ভৰ কৰি আগবাঢ়ে। সেই দেখি এইটো ক'ব পাৰি যে আমি মানুহৰ দৃষ্টিভঙ্গী আৰু বিচাৰধাৰাৰ প্ৰতিহে প্ৰক্ষেপ কৰিছোঁ। পিছে এই দৃষ্টিভঙ্গী বা ভাবধাৰা আমি বাস কৰা সীমাৰ ভিতৰত সমসাময়িক সামাজিক তথা অৰ্থনৈতিক প্ৰসঙ্গত আকাৰ ধাৰণ কৰিছে। আন কথাত ক'বলৈ গ'লে বৰ্তমান সময়ত পৰিয়ালবোৰে ল'ৰা-ছোৱালী জন্ম দি আৰু সিহঁতক সমৰ্থন দিবৰ কাৰণে উপায় উলিয়াবলৈ সমৰ্থৱান হোৱাৰ চিন্তাত দিন কটায়। এয়া হ'ল অতি গতিশীল আৰু জটিল সম্বন্ধ—যিটোত পৰিয়ালবোৰে আধুনিক জগতখনৰ পৰিৱেশৰদ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হয় আৰু কিছুমান বিষয় সম্পৰ্কে অমূলকভাৱেও চিন্তা কৰিবলৈ লয় (এই ক্ষেত্ৰত অধিক জানিবৰ বাবে John et al 2004, UN Women 2015 চাওক)।

তেনে গতিশীল আৰু জটিল সমন্ধৰ উপৰি আমি কিছুমান প্ৰশ্ন কৰাৰ প্ৰয়োজনকো সোঁৱাৰাই দিয়ে আৰু তেনে প্ৰশ্ন হ'ব পাৰে— ১৯৮০ দশকৰ পৰা যি নতুন প্ৰযুক্তি লাভ কৰা হয় তাৰ বাহিৰে যোৱা কেইটামান দশকত আন যিবোৰ বিকাশ সাধন কাৰ্যই সিদ্ধান্ত নিৰ্ণয়ক প্ৰভাৱান্বিত কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰে? কেনে ধৰণৰ পৰিয়ালবোৰ বিশেষকৈ সন্দেহৰ আৱৰ্তত থাকে?

ইয়াৰ উত্তৰত এইটো মন কৰিব লাগিব যে শিশুৰ লিঙ্গ সমানুপাতৰ ক্ষেত্ৰত চিন্তা কৰা সময়খিনি অৰ্থনৈতিক বিকাশত যি বিপুল অগ্ৰগতি লাভ কৰা হৈছে তাৰ স'তে সম্পৃক্ত হৈ আছে। নব্বৈ দশকৰ পৰা ভাৰতে এই ক্ষেত্ৰত বহু আগবাঢ়িছে। তাৰপৰা অৰ্থনৈতিক ক্ষেত্ৰক সম্প্ৰসাৰণ ঘটিছে আৰু ৰূপান্তৰ সাধনো হৈছে, কিন্তু যি বিষয়টোৱে তাৎপৰ্য বহন কৰিছে সেয়া হ'ল এনে বিকাশৰ সুফলখিনি সমানভাৱে সমাজত উপলব্ধ কৰা হোৱা নাই। লগতে ই পুৰণি স্থিতিক সলনি কৰি যথেষ্টভাৱে নতুন চাকৰিও সৃষ্টি কৰা নাই। এই সকলোবোৰ ক্ষেত্ৰতেই মহিলাসকল অধিকভাৱে আক্ৰান্ত। তাৰ উপশমৰ উপায় সুদূৰ পৰাহত। অতিপাত দৰিদ্ৰতাৰ কৱলত নপৰা পৰিয়ালবোৰে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিবলৈ চেষ্টা কৰে। তাৰ বাবে তেওঁলোকে বিনিয়োগ কৰিব পৰাকৈ দুটামান ল'ৰা-ছোৱালীহে বিচাৰে। এই ক্ষেত্ৰত লিঙ্গ নিৰ্বাচনৰ সন্দৰ্ভত তেনে পৰিয়াল অধিককৈ সন্দেহৰ আৱৰ্তত থাকে। তেওঁলোকৰ সৰহভাগেই কয় যে তেওঁলোকে এটা ল'ৰা আৰু এজনী ছোৱালী হ'লেহে ভাল পাব। তাৰদ্বাৰাই এইটোকে বুজায় যে 'কমেও এটা পুত্ৰ আৰু খুব বেছি এজনী জীয়েক হ'লেই হয়।' তদুপৰি এনেবোৰ পৰিয়াল ল'ৰা-ছোৱালী পোৱাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে 'আধুনিক'। ল'ৰা-ছোৱালী যথেষ্ট যতনৰ মাজত ডাঙৰ হওক, পুষ্টিকৰ খাদ্য পাওক, ভাল শিক্ষা পাওক আৰু প্ৰাপ্তবয়স্কত উপনীত হোৱাৰ পিছত সফলতাৰে জীৱনত থিতাপি লওক। এনে প্ৰাপ্তবয়স্ক অৱস্থাত ল'ৰাই এটা

নির্ভৰযোগ্য চাকৰি আৰু ছোৱালীয়ে এটা স্থিৰ বিবাহিত জীৱন লাভ কৰক— সেয়েই পৰিয়ালৰ আশা। কিন্তু এইটো ক'বলৈহে সহজ, কাৰ্যত পৰিণত কৰাটো সহজ নহয়। ই বহু বোজাৰ সৃষ্টি কৰে আৰু চিন্তাও উদ্ৰেক কৰে —বিশেষকৈ যেতিয়া বহু অনিশ্চয়তাৰে ভৰপূৰ অৰ্থনৈতিক তথা সামাজিক ক্ষেত্ৰখনত এজনী ছোৱালীক ডাঙৰ-দীঘল কৰি তাইৰ সুব্যৱস্থা কৰাৰ বিষয়টো আহি পৰে। সেয়ে এই দীঘলীয়া কাহিনী চমু কৰিবলৈ হ'লে এইটো কোৱা আৱশ্যক যে এটা 'চিন্তাধাৰা' পৰিস্ফুট কৰে যিটো তেওঁলোকে কটোৱা সময়ৰ স'তে বহু সঙ্গতি আছে আৰু সেয়া হ'ল তেওঁলোকে ছোৱালী অৰ্থাৎ দুহিতা নোপোৱাটোকে বিচাৰে।

**চৰকাৰী আঁচনিৰ গুৰুত্বপূৰ্ণ ভূমিকা**

এই পৰিস্থিতিত চৰকাৰে নিজৰ হাতত থকা উপায়সমূহ নিশ্চয়েই কামত খটাব লাগিব যাৰদ্বাৰাই পৰিয়ালবোৰলৈ সঠিক সংকেত প্ৰদান কৰিব পৰা যায়। তেনে উপায়সমূহৰ ভিতৰত এটা হ'ল বিভিন্ন আঁচনি যিবোৰ ৰাজ্য আৰু কেন্দ্ৰীয় স্তৰত ৰূপায়ত কৰি থকা হৈছে, কিন্তু তাৰ সঠিক দিশ উন্মোচন কৰিবলৈ এতিয়াও বাকী আছে। ওপৰত উল্লেখ কৰি অহাৰ দৰে যিবোৰ পৰিয়াল দৰিদ্ৰতাৰ কৱলৰপৰা যথেষ্ট দূৰৈত আছে, কিন্তু তথাপি তেওঁলোকৰ ল'ৰা-ছোৱালীৰ কাৰণে সম্পদৰাজি ভালদৰে ৰজিতা খুৱাই ব্যৱহাৰ কৰিবৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে আৰু যিবোৰে ল'ৰা-ছোৱালী হোৱাৰ আঁচনি কৰিছে সেই ক্ষেত্ৰত লিঙ্গ নিৰ্বাচনৰ ক্ষেত্ৰত সন্দেহৰ আৱৰ্তত আছে তেওঁলোকে সম্ভৱ অনুযায়ী এটা 'সম্পূৰ্ণ' পৰিয়ালৰ বাবে নিশ্চিত কৰাৰ মানসিকভাৱে বল পাব লাগিব। আৰু তেনে 'সম্পূৰ্ণ' পৰিয়াল হ'ল—এটা ল'ৰা আৰু এজনী ছোৱালী। ২০০১ চনত কৰা পিয়লৰ পিছত এইটো দেখা যায় যে বহু ৰাজ্যতেই ০-৬ বছৰ বয়সৰ শিশুৰ লিঙ্গ সমানুপাতৰ হাৰ যথেষ্টভাৱে পৰি আহে—যদিও বহু আঁচনি ৰূপায়িত কৰা হয়—বিশেষকৈ ৰাজ্য পৰ্যায়ত কিম্বা বৰ্তমানে থকা আঁচনিবোৰ সংশোধন কৰা হয় 'কন্যা সন্তান'ৰ প্ৰতি কম মূল্য আৰোপ কৰা সমস্যা সমাধান কৰিবলৈ। 'আপনি বেটী', 'অপনি ধন'ৰ দৰে বহু আঁচনি আগ বয়সত কৰা বিবাহ সমস্যা সমাধান কৰিবলৈ, দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা পৰিয়ালবোৰক তেওঁলোকৰ ল'ৰা-ছোৱালী স্কুলত পঢ়াবলৈ আৰু ১৮ বছৰ ছোৱালীক বিয়া নিদিবলৈ সৃষ্টি কৰা হয়।

এই উল্লিখিত আঁচনিবোৰৰ ভিতৰত কেইবাখনো আঁচনি পৰিয়ালবোৰক উৎসাহিত কৰিবৰ বাবে নগদ ধন হস্তান্তৰ কৰাৰ আকাৰত বহু ৰাজ্যত কাৰ্যকৰী কৰা হয়। সেই ৰাজ্যবোৰ হ'ল—হাৰিয়ানা, পঞ্জাৱ, হিমাচল প্ৰদেশ, দিল্লী আৰু মধ্য প্ৰদেশ। 'লাডলি', 'ধনলক্ষ্মী' আদিৰ দৰে আঁচনিবোৰ ৰূপায়িত কৰা হয় পৰিয়ালবোৰক জন্ম দিয়া ছোৱালীজনীৰ ভালদৰে ভৰণ-পোষণ আৰু শিক্ষা প্ৰদান আদি কামক উৎসাহিত কৰিবলৈ। ইয়াৰ বাবে যি ধনৰাশি আগবঢ়োৱা হয়, সেইখিনি তাইৰ নামত এটা বেংকৰ হিচাপ খুলি জমা ৰখা হয়—যাতে তাইৰ শৈশৱৰ কালৰ বিভিন্ন স্তৰত কামত লগাব পাৰে। জন্মৰ পৰা আৰম্ভ কৰি, ৰোগ বিমুক্তকৰণ (অৰ্থাৎ প্ৰতিৰোধক ব্যৱস্থা গ্ৰহণ কৰা) আৰু স্কুললৈ যোৱা পৰ্যায়লৈকে সেই ধনৰাশি সদ্ ব্যৱহাৰ কৰিব পাৰে আৰু পৰিশেষত ছোৱালীজনীয়ে ১৮ বছৰ বয়সত মুঠ-মাঠ হিচাপত ধনৰাশি আগবঢ়োৱা হয়। কিন্তু তাই সেই কালছোৱালৈকে বিবাহ পাশত আবদ্ধ হ'ব নেলাগিব।

এই আঁচনিবোৰৰ অন্তৰালত থকা বিচাৰধাৰা হ'ল কামনা নকৰা এজনী ছোৱালীৰ বোজা বহন কৰা পৰিয়ালটোক উপশম দিবৰ বাবে ক্ষতিপূৰণ হিচাপে ধনৰাশি আগবঢ়োৱা। পিছে এই আঁচনিবোৰ বহু চৰ্তৰে অথবা অৱস্থাবিশেষেৰে বোজা স্বৰূপ হয়— যিটোৰে কাৰ্যকৰণৰ ক্ষেত্ৰত বাধা জন্মায়। ইয়াৰ বাবে বহুত অধ্যয়ন কৰা হয় আৰু কিছুমান অধ্যয়নত এইটো পৰিলক্ষিত হয় যে এই আঁচনিত অন্তৰ্ভুক্ত নোহোৱা উপযুক্ত ল'ৰা-ছোৱালীৰ তুলনাত হিতাধিকাৰী পৰিয়ালবোৰৰ ছোৱালী স্কুলত বৰ্তি থকা অৰ্থাৎ স্কুললৈ গৈ থকাৰ ক্ষেত্ৰত কিছু উন্নতি সাধন হয়। আন অধ্যয়নত এইটো আঙুলিয়াই দিয়া হৈছে যে আৰোপ কৰা চৰ্তবোৰ হ'ল এটা ডাঙৰ বাধা— বিশেষকৈ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ প্ৰতি লক্ষ্য কৰাৰ অৰ্থ হ'ল দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰত বাস কৰা বহু পৰিয়ালৰ ওচৰ নেপায়গৈ—যি সকল লিঙ্গ বাছনিৰ আশ্ৰয় (অৰ্থাৎ কন্যা সন্তানৰ প্ৰতি অৱমাননা) ল'বলৈ অধিক সম্ভাৱনা থাকে। আন কিছুমানে এই আঁচনিবোৰক সমালোচনা কৰে এইবুলি যে জনগণৰ মাজত যিটো ভাবধাৰা আছে তাকহে পুনৰ বলবৎ কৰা হয় আৰু সেই ভাবধাৰা হ'ল এজনী কন্যা সন্তান অৰ্থাৎ দুহিতা পৰিয়ালৰ বাবে এটা বোজাৰ বাহিৰে একো নহয়।

দুবছৰৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে বহু জাক-জমকতাৰে এখন নতুন আঁচনি প্ৰচলন কৰিছিল। আঁচনিখনৰ নাম হ'ল 'বেটী বচাও বেটী পঢ়াও।' ইয়াৰ বাবে

নিৰ্দ্ধাৰণ কৰা বাজেটৰ মুঠ পৰিমাণ হ'ল ১০০ কোটি টকা। হাৰিয়ানাৰ দৰে ৰাজ্যত এই আঁচনিখনৰ বিষয়ে বহুলভাৱে প্ৰচাৰ কৰা হয়। ইয়াৰ বহু জিলাত দীৰ্ঘ কালৰপৰা শিশুৰ লিঙ্গ সমানুপাতৰ হাৰ বহু কম; আৰু সেই কাৰণে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ লক্ষ্যণীয়। চহৰ আৰু ঘাইপথবোৰত বিৰাট বিৰাট 'বেটী বচাও বেটী পঢ়াও'ৰ ছাইনবোৰ্ড জিলিকি থকা পৰিলক্ষিত হয়। বাছবোৰৰ পাছফালেও আঁচনিখনৰ বিষয়ে ডাঙৰ ডাঙৰ হৰফেৰে পথচাৰী আৰু অন্যসকলৰ দৃষ্টি আকৰ্ষণ কৰে। তদুপৰি ৰাজ্যচৰকাৰে সঘনে মেল-মিটিং পাতি আঁচনিখনৰ বিষয়ে ৰাইজক অৱগত কৰে। এনে প্ৰয়াস নিঃসন্দেহে প্ৰশংসনীয়, কিন্তু ধন হস্তান্তৰকৰণৰ ক্ষেত্ৰত থকা চৰ্তৰ বাবে আঁচনি ৰূপায়ণত বাধাৰ সৃষ্টি হয়। তদুপৰি প্ৰচাৰ আদিৰ বাবে থকা সকলোবোৰ ধন যোগাযোগ সাধনৰ ক্ষেত্ৰত খৰচ কৰিবলৈ লোৱা হয়—যদিও সমস্যাটো হ'ল ঘাইকৈ জনগণৰ মাজত থকা ভুল ধাৰণা দূৰ কৰাহে। তেনে ভুল ধাৰণাৰ বশৱৰ্তী হৈয়ে লোকসকলে লিঙ্গ নিৰ্ণয় সাধন পৰীক্ষা কৰাত ন্যস্ত থাকে কিম্বা তেওঁলোকৰ ছোৱালীবোৰক উপযুক্ত-ভাৱে শিক্ষা দান কৰাৰ কথা নেভাবে। কিন্তু ওপৰত যুক্তি দৰ্শোৱাৰ দৰে লোকসকলে প্ৰথম অৱস্থাত পৰম্পৰাগত ধাৰণাৰ পৰা বেয়া ফল ভোগ কৰা নাই। পৰিস্থিতিৰ অৱনতি ঘটাৰ কাৰণ হ'ল চৰকাৰৰ বৃহৎ আঁচনিবোৰহে; আৰু তেনে আঁচনি হ'ল প্ৰাক্ স্কুলীয়া ল'ৰা-ছোৱালীৰ বাবে থকা সংহত শিশু বিকাশ আঁচনি আৰু সৰ্বশিক্ষা অভিযান আঁচনি। এই পিছৰখন আঁচনি শিক্ষাৰ অধিকাৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে ৰাজহাড় স্বৰূপ হৈ আহিছে। যোৱা দুবছৰ কালত এইবোৰ আঁচনিত বাজেটৰ আবণ্টনৰাশি বৃহৎ পৰিমাণে কৰ্তন কৰা দেখা যায়। ইপিনে এইবোৰেই আঁচনি — যিবোৰ মূল পৌষ্টিক অৱস্থা আৰু আগ কালৰ শিশুৰ যতন ব্যৱস্থা নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেনেদৰে সাৰ্বজনীনভাৱে স্কুললৈ যোৱাৰ ক্ষেত্ৰতো ই উৎসাহ-উদগনি দিয়ে। সেই কাৰণে সকলো ল'ৰা আৰু ছোৱালীৰ জীৱনৰ উন্নতি সাধন কৰাৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ।

সাধাৰণতে আৰু এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল অভিযান আৰু বিশেষকৈ ৰাজ্যই গ্ৰহণ কৰা নীতিসমূহৰ জৰিয়তে যিবোৰ কাৰ্যসূচী হাতত লোৱা হয় তাৰ ফলাফলৰ প্ৰতিও মনোযোগ দিয়া কৰ্তব্য, যদিহে ৰাজ্যসমূহে লিঙ্গ বাছ-বিচাৰ কৰা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আৰু অধিক আগবাঢ়ি যাব খোজে। প্ৰথম অৱস্থাত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত কৰা কাম আৰু ভাবধাৰা পৰিৱৰ্তন কৰা তথা আৰু আগলৈ যোৱাৰ প্ৰয়াস কৰিব লাগে— যাতে আমাৰ সমাজৰ স্থিতিৰ পৰিৱৰ্তন সাধন কৰিব পাৰি—যি স্থিতিয়ে সংকীৰ্ণ ভাবধাৰাৰ সৃষ্টি কৰে। মূল স্তৰত ইয়াৰ অৰ্থ হ'ল যি ধৰণে বিকাশ প্ৰক্ৰিয়াই গঢ় লৈ উঠে সেয়া পিতৃ-মাতৃৰ কাৰণে কম চিন্তনীয় বিষয় হোৱা উচিত— যাতে তেওঁলোকৰ পুত্ৰ আৰু জীয়েকক ইমান পৃথককৈ ধৰি ল'ব নেলাগে। বৰং পুৰুষ আৰু মহিলাৰ বাবে নিয়োগ লাভৰ আশা একেদৰেই কৰিব লাগে। তাত প্ৰভেদ থকাৰ প্ৰয়োজন নকৰে। পিতৃ-মাতৃৰ মাজত তেওঁলোকৰ ছোৱালীবোৰৰ বিষয়ে যৌন নিৰাপত্তা সমন্ধে যি ভয় ভাব জাগে তাক সমাধান কৰাটোও প্ৰয়োজন। আজি যুৱ সম্প্ৰদায়ে এইটো বিশ্বাস কৰা প্ৰয়োজন যে তেওঁলোকে নিজেই তেওঁলোকৰ বাবে এটা উজ্জ্বল ভৱিষ্যৎ গঢ়ি তুলিব পাৰে। আনকি তাৰ বাবে পৰিয়ালৰ সমৰ্থনৰো আৱশ্যক নকৰে। ❐

---

**(১১ পৃষ্ঠাৰ পৰা)**

লোৱা হৈছে। স্বাস্থ্য, শিক্ষা, অৰ্থনীতি, প্ৰশাসন আৰু সিদ্ধান্ত গ্ৰহণকে ধৰি সাতোটা অগ্ৰাধিকাৰ ক্ষেত্ৰ, মহিলাৰ বিৰুদ্ধে হিংসাত্মক ঘটনা, গৃহ নিৰ্মাণ আৰু আন্তঃগাঁথনি আদি দিশত সমৰ্থ পৰিৱেশ, সুৰক্ষিত খোৱাপানী আৰু অনাময় জল সংযোগ আৰু ক্ৰীড়া, সামাজিক সুৰক্ষা আৰু সমৰ্থন সেৱা আদি, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন আদি বিষয়বোৰ খচৰা নীতিত অংকন কৰা হৈছে। চৰকাৰে মহিলাৰ কাৰণে ছাইবাৰ স্পেছত সুৰক্ষিত স্থান, অপৰিশোধ যত্ন কাম হ্ৰাসৰ বাবে লিংগৰ ভূমিকাৰ পুনৰ বিতৰণ, সাংবিধানিক ব্যৱস্থা অনুযায়ী ব্যক্তিগত আৰু পৰম্পৰাগত আইনৰ পৰ্যালোচনা, কৃত্ৰিম পুনৰ প্ৰজনন কৌশল ব্যৱস্থাত মহিলাৰ অধিকাৰ নিশ্চিত কৰা, অকলশৰীয়া মহিলাৰ প্ৰয়োজনক স্বীকৃতি, উদ্যোগ ক্ষেত্ৰত অংশগ্ৰহণৰ বাবে মহিলাৰ কাৰণে সমৰ্থ পৰিৱেশ সৃষ্টি আৰু এই সকলোবোৰ প্ৰত্যাহ্বানৰ সমাধান আদি উদয় হোৱা দিশবোৰ চিনাক্ত কৰিছে। এই সকলোবোৰ নাগৰিক সমাজ, ব্যক্তিগত খণ্ড আদি প্ৰাসংগিক দাবীদাৰৰ সৈতে যুটীয়া প্ৰচেষ্টা আৰু বৰঙণিৰ জৰিয়তে মাত্ৰ সম্ভৱপৰ হৈ উঠিব। ❐

# সামাজিক আন্তঃগাঁথনি সৃষ্টি কৰাৰ ক্ষেত্ৰত মহিলাসকলৰ বহুমুখী ভূমিকাৰ গুৰুত্ব

**দেৱকী জৈন***

এই প্ৰবন্ধটোত আমাৰ যুক্তি হ'ল যিবোৰ নীতি সামাজিক বিষয় ৰূপে গণ্য কৰা হয় অথবা যিবোৰে মহিলাৰ স্বাস্থ্য, শিক্ষা আৰু অনান্য আৱশ্যকতাৰ ক্ষেত্ৰত সামাজিক সমৰ্থন পাব লাগে সেইবোৰক দুখীয়া মহিলাসকলৰ প্ৰয়োজনীয়তা প্ৰসঙ্গত চোৱা আৱশ্যক—যাতে তাৰ সুফল পাবৰ কাৰণে সামাজিক নীতিৰ এটা আধাৰ হ'ব পাৰে। সেয়ে ইয়াত যুক্তিৰ বিষয়টো হ'ল অতি কমেইহে সা-সুবিধা পোৱাসকলৰ মাজত অৰ্থনৈতিকভাৱে বেয়াকৈ বঞ্চিত দূৰ-দূৰণিৰ অঞ্চল, উৎপাদক ৰূপে মহিলাক স্বীকৃতি দান, পৰিয়াল আৰু পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত তেওঁলোকে যে মূল উপাদানস্বৰূপ সেই কথাটো চিন্তা কৰি তেওঁলোকৰ সামাজিক প্ৰয়োজনীয়তাবোৰ সমাধান কৰিবৰ বাবে নীতি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এইবোৰ এটা প্ৰাক্‌চৰ্ত হোৱা উচিত।

যিসকল মহিলাই তেওঁলোকৰ নিজৰ জীৱন আৰু আনৰ জীৱনলৈও পৰিৱৰ্তন আনে সেইসকল মহিলাক এটা কাৰক শক্তি ৰূপে সামাজিক নীতি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ বিষয় হোৱা উচিত। সামাজিক নীতিবোৰৰ প্ৰায়েই এটা ধাৰণা আছে যে মহিলাসকল কিছু অৰ্থত দুৰ্বল আৰু তেওঁলোকক সমৰ্থনৰ আৱশ্যক হয়। তেওঁলোক নিজে সমস্যা সমাধান কৰিবলৈ কম সমৰ্থৱান আৰু সাধাৰণতে তেওঁলোক পুৰুষ তথা বহিঃজগতৰ তলতীয়া হৈ থাকে। কিন্তু বাস্তৱত বিশেষকৈ যেতিয়া আমি পৰিয়ালবোৰক অৰ্থনৈতিক মাপকাঠীৰে চাওঁ অথবা সমূহীয়াভাৱে থকা সেই লোকসকল য'ত দৰিদ্ৰতাই প্ৰাধান্য বিস্তাৰ কৰে তেনেবোৰ ঘৰলৈ যদি চকু দিওঁ তেতিয়া সেই পৰিস্থিতিয়ে অন্য ধৰণৰ বিষয়কহে উদঙাই দেখুৱায়।

এনে ঘৰবোৰৰ সৰহভাগ তদাৰকী কাম-তেহেলৈ সেয়া জল, ইন্ধন, খাদ্যৰ দৰে মূল আৱশ্যকতাৰ বিষয়বোৰেই হওক কিম্বা যতন লোৱাৰ আন কাৰ্যবোৰেই হওক—মহিলাসকলে কৰিব লাগে। এনে অৱস্থাৰো সৃষ্টি হয় য'ত মহিলাই যি কোনো প্ৰকাৰে সমস্যা সমাধান কৰিব লগা হয়। সেই ক্ষেত্ৰত টকা-পইচাৰ কথাই কওক বা বস্তু-বাহানি বিনিময়ৰে পৰিস্থিতি চম্ভালিব লগা হয়। কৃষি ভূমি অঞ্চলত যেতিয়া খৰাং বতৰে দেখা দিয়ে, তাৰ ফলত সৃষ্টি হোৱা দুৰ্ভিক্ষৰ দৰে চৰম অৱস্থাৰ সময়ত মানুহৰ ঘৰত খাদ্য বস্তুৰ স্বাভাৱিকতেই নাটনি হয় আৰু বাহিৰৰপৰা খাদ্য যোগান ধৰাৰো সুচলতা নেথাকে তেতিয়া মহিলাসকলেই বহু কঠিনতাৰ মাজতো ঘৰখনৰ ল'ৰা-ছোৱালী আৰু নিছলাসকলক খুৱাবৰ বাবে উপায় উলিয়াব লগা হয়।

মহিলাৰ এই গুৰুত্বপূৰ্ণ ভূমিকা—য'ত পৰিয়ালৰ লোক, সম্প্ৰদায় আৰু সমাজ বৰ্তি থকাৰ বিষয় জড়িত আছে তাক গভীৰভাৱে চিন্তা কৰা প্ৰয়োজন আৰু ইয়াৰ ওপৰত আধাৰ কৰি এক ব্যৱস্থাৰ পৰিৱেশ গঢ়ি তোলা প্ৰয়োজন—যাক সামাজিক সমৰ্থন নীতি বুলি ক'ব পৰা যায়। এইক্ষেত্ৰত নোবেল বঁটা প্ৰাপক অমৰ্ত্য সেনৰ কেইষাৰমান উক্তি প্ৰণিধানযোগ্য—“আমাক এনে স্বপ্নদ্ৰষ্টাৰ প্ৰয়োজন যাৰ দৃষ্টিত “অলসতা' নাই আৰু যাৰ স্বাৰ্থৰ প্ৰতি ধ্যান দিব লগা নহয়; বৰং তেনে লোকক এটা কাৰক শক্তি ৰূপে পাব বিচাৰোঁ যিসকলে ব্যক্তিগত তথা যুটীয়াভাৱে উপযুক্ত কাম কৰিব পাৰে। আমি বিশেষকৈ 'উপভোক্তা' কিম্বা প্ৰয়োজন বোধ কৰা লোকে গ্ৰহণ কৰা ভূমিকাৰো দূৰলৈ যাব লাগিব আৰু তেনে লোকৰ সেই ভূমিকাক পৰিৱৰ্তনৰ কাৰক ৰূপে অধিক বহলভাৱে বিবেচনা কৰিব লাগিব। কাৰণ তেনে লোকে চিন্তা-ভাবনা কৰিব পাৰে। মূল্যাংকনো কৰিব পাৰে। আনকো অনুপ্ৰাণিত কৰিব পাৰে আৰু পৰিৱৰ্তনৰ বাবে বিদ্ৰোহৰ ভাব জগাই তুলিব পাৰে। এই উপায়বোৰৰ জৰিয়তেহে পৃথিৱীখনক পুনৰ আকাৰ দিব পৰা যাব।”

সামাজিক বিকাশ নীতিৰদ্বাৰা মহিলাসকলক যি ধৰণৰ আৱশ্যকীয় সমৰ্থন জনাব লাগে তাত বহু বাধা আছে। প্ৰথম বাধা হ'ল তেওঁলোকক যেনে ধৰণে চোৱা হয় তাতেই আছে নেতিবাচক বিচাৰ ধাৰা—যিটোৱে মূৰকত তেওঁলোকক অৱলাৰ শাৰীত পেলায়। ১৯৭০ দশকৰ আগভাগত ঘৰ-ভিত্তিক যি জৰীপ কৰা হৈছিল তাৰ

*দেৱকী জৈন এগৰাকী গান্ধীবাদী, নাৰীবাদী, অৰ্থনীতিবিদ আৰু ৰাজহুৱা পৰিক্ৰমা বিষয়ৰ লিখিকা। তেওঁ বৰ্তমান চেন্নাই কাউন্সিল অৱ মেনেজমেণ্ট জি আৰ আই বৰ্ডৰ সদস্য। তেওঁ ডেভেলপমেণ্ট অল্টাৰনেটিভছ্ ফ'ৰ অ'মেন ফৰ্ এ নিউ ইয়েৰএ-ৰ এগৰাকী প্ৰতিষ্ঠাতা।

পৰা সংগৃহীত পৰিসংখ্যাৰ আধাৰত নীতি প্ৰস্তুত কৰা হৈছিল আৰু সেই নীতিবোৰৰ এনে আকাৰ দিয়া হৈছিল যে তেওঁলোক কম সমৰ্থৱান শ্ৰেণীৰ লোক; অৰ্থাৎ বিধৱা, নিৰাশ্ৰয়া ইত্যাদি। সেয়ে মূলতঃ তেওঁলোক সামাজিক কল্যাণ সাধন সেৱাৰ প্ৰয়োজন আছে বুলি বিবেচনা কৰা হৈছিল। তাৰ অন্যথা সুকীয়া ধৰণে তেওঁলোকৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ কেবাটাও দশক লাগিছিল। মহিলা আন্দোলনত জড়িত সদস্য সকলক সেই বিষয়ে চিন্তা কৰিবলৈ বাস্তৱ ক্ষেত্ৰত ঘটা কাৰ্যবোৰে বাধ্য কৰাইছিল আৰু সেয়ে সময় অতিবাহিত হোৱাৰ লগে লগে তেওঁলোকে জনমানসৰ আগত এইটো প্ৰতীয়মান কৰিছিল যে মহিলাসকল প্ৰতিটো সম্প্ৰদায় আৰু সমাজৰ এটা গুৰুত্বপূৰ্ণ অৰ্থনৈতিক কাৰক শক্তি; আৰু সেইবাবে তেওঁলোকক কেৱল কল্যাণ সাধনৰ লক্ষ্য ৰূপে ব্যৱহাৰ কৰিব নোৱাৰি, বৰং তেওঁলোকক অৰ্থনৈতিক ক্ষেত্ৰখনত বৰঙণি যোগোৱা সকলৰ দৰে চোৱা আৱশ্যক। এই কাৰণতে তেওঁলোকৰ ভূমিকাক স্বীকৃতি দিয়াৰ বাহিৰেও আৰ্থিক পুৰস্কাৰ তথা অৰ্থনৈতিক আৰু সামাজিক সমৰ্থন প্ৰদান কৰা দৰকাৰ— যাতে তেওঁলোকৰ কাম-কাজবোৰে অধিক সুফল আনি দিব পাৰে।

সম্প্ৰতি মহিলাৰ ভূমিকা সম্পৰ্কে বিশ্বজুৰি এটা আলোড়নৰ সৃষ্টি হৈছে। ল'ৰা-ছোৱালী আৰু বয়সস্থ লোকৰ প্ৰতি তেওঁলোকে লোৱা যতন তথা ঘৰুৱা কাম-কাজৰ প্ৰতি থকা একনিষ্ঠতাৰ তুলনা নাই। মহিলাসকলৰ এই ভূমিকাক কেৱল স্বীকৃতি দিয়াই উচিত নহ'ব, তদুপৰি পুৰস্কৃতও কৰিব লাগে। সৰহখিনি সময় এই ধৰণৰ কাম কৰা হেতু তেওঁলোকক বাহিৰলৈ যোৱাৰ সুবিধাৰপৰা বঞ্চিত কৰে আৰু তেনেদৰে বঞ্চিত কৰে পুৰুষে কাম কৰাৰ দৰে মজুৰি উপাৰ্জন কৰাৰ ক্ষেত্ৰতো। সেয়ে এই স্বীকৃতি প্ৰদান বিষয়টো হ'ল গুৰুত্বপূৰ্ণ।

মহিলাৰ কামৰ স্বীকৃতি অথবা কামৰ সংজ্ঞা সীমাবদ্ধ কৰি নৰখাৰ বিষয়টোৰ প্ৰতি গভীৰভাৱে মনোযোগ দিয়া দৰকাৰ যাতে মহিলাই যি ধৰণৰ কাম কৰে তাক আনে বুজি পাওক। তাৰ ওপৰত গুৰুত্ব দিয়ক আৰু মূল্যও আৰোপ কৰক। এয়া হ'ল প্ৰথম পদক্ষেপ—যাৰদ্বাৰাই মহিলাসকলক এক ভাল স্বাস্থ্যৰে জীৱন-যাপন কৰিবলৈ সমৰ্থৱান কৰি তোলে আৰু লগতে কল্যাণ সাধনৰ চিন্তা কৰিব পাৰে।

ব্যক্তি আৰু ঘৰ উভয়ৰ ক্ষেত্ৰতে পৰিসংখ্যা সংগ্ৰহৰ কাম উন্নত হোৱা আৱশ্যক। পৰিসংখ্যা সংগ্ৰহ পদ্ধতিত সঠিক ছবি প্ৰতিফলিত হোৱা যেন নেলাগে; বৰং পুৰুষক প্ৰতিখন ঘৰৰেই ভাতমুঠিৰ কাৰণে প্ৰধান উপাৰ্জনকাৰী ৰূপে চিহ্নিত কৰা হয়। মহিলাক পৰিপূৰক উপাৰ্জনকাৰী অথবা পুৰুষজনৰ ওপৰত নিৰ্ভৰ কৰা ৰূপে চিত্ৰিত কৰা হয়। পিছে ভাৰত আৰু বিদেশ উভয়তে কৰা অধ্যয়ন মতে এই ক্ষেত্ৰত অন্য এখন ছবিহে পৰিস্ফুট হোৱা দেখা যায়। মহিলাৰ অৰ্থনৈতিক বৰঙণি আৰু সময়ৰ সদ্ব্যৱহাৰ কৰাৰ দিশত এইটো পৰিস্ফুট যে বিশেষকৈ ভূমিহীন আৰু দুখীয়া ঘৰৰ মহিলাই যিমান বৰঙণি যোগায় সেয়া পুৰুষতকৈ কম নহয়। অৰ্থনৈতিক আৰু সামাজিক উভয় দিশতে এইটো সুস্পষ্ট। গতিকে উন্নীতভাৱে পৰিসংখ্যা সংগ্ৰহ কৰাটো সঠিক অৱস্থা বুজা আৰু মহিলাৰ প্ৰতি নীতি বিশেষৰ সঁহাৰিৰ কাৰণে গুৰুত্বপূৰ্ণ বিষয়।

অধ্যয়নৰ কামত ন্যস্ত কৰা প্ৰায়ভাগ প্ৰশ্নকৰোঁতা আৰু বিশেষকৈ ভাৰতীয় প্ৰশ্নকৰোঁতাসকলে ঘৰখনৰ প্ৰত্যেক সদস্যৰ কাম-কাজ এটা আকৃতিত এনেদৰে উল্লেখ কৰে যে ঘৰুৱা কামে মহিলাগৰাকীক বান্ধি ৰাখে আৰু কোনো এটা নিৰ্দিষ্ট সময়ৰ বাবে 'উৎপাদন মূলক' কামত ব্যস্ত থাকিলেও তাক লেখত ধৰা নহয়।

ৰেনানা ঝাৰুৱালাই কৰা অধ্যয়নতো একে কথাকেই প্ৰতিধ্বনিত হোৱা দেখা যায়। তেওঁৰ বক্তব্য হ'ল এনেধৰণৰ—"মহিলাসকল প্ৰায়েই অদৃশ্য হৈ থাকে আৰু কাম কৰোঁতা হিচাপে চিহ্নিত কৰা নহয়। তাৰ কাৰণ হ'ল তেওঁলোক নাৰী আৰু তেওঁলোকৰ অনানুষ্ঠানিক অৰ্থনীতিৰ কাম-কাজ সততেই আৱৰণৰ মাজত থাকে। অৰ্থনীতিৰ প্ৰতি তথা পৰিয়াল আৰু সমাজৰ প্ৰতি মহিলাসকলে কৰা কাম-কাজ আৰু বৰঙণিক চিৰাচৰিতভাৱে কম মূল্য প্ৰদান কৰা হয়—বিশেষকৈ মহিলা যেতিয়া ঘৰুৱা কাম-কাজত ন্যস্ত থকা কৰ্মী হয়, ঘৰত বন কৰা মজুৰি পোৱা কৰ্মী হয়, কিম্বা আন পৰিয়ালৰ কাৰবাৰত অথবা পামত বিনা মজুৰিৰে বৰঙণি যোগোৱা কৰ্মী হয়। ঘৰত কাম কৰি নিজে সকলোবোৰ ঠিক-ঠাক কৰি ৰখা অথবা সন্তানক তুলি-তালি ডাঙৰ-দীঘল কৰাত যি দায়িত্ব পালন কৰে তাতকৈ তেওঁলোকৰ ভূমিকাক কৰ্মী হিচাপে আলোকপাত কৰিবলৈ গ'লে মহিলাসকল যে অৰ্থনৈতিক ক্ষেত্ৰখনৰ কাৰক শক্তি সেইটো দমন কৰি ৰাখিবলৈ চোৱা হয়। কাৰণ, তেওঁলোকে তেওঁলোকৰ নিজ নিজ ঘৰলৈ বৰঙণি যোগায় আৰু ঘৰৰ অৰ্থনীতিতো বৰঙণি যোগায়। সেয়ে তেওঁলোকক অৰ্থনৈতিক তথা সামাজিক নীতি যুগুতোৱাৰ ক্ষেত্ৰত এটা লক্ষ্য স্বৰূপে বিবেচনা কৰা উচিত।"

একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা (২০০৭-২০১২) যুগুতোৱাৰ সময়ত

পৰিকল্পনা আয়োগে মহিলা অৰ্থনীতি-বিদসকলৰ এটা গোট 'Working group of feminists Economists' গঠন কৰিছিল। সেই গোটটোৰ কাম আছিল 'মহিলা আৰু বিকাশ' অধ্যায়ৰ খচৰাখন অৱলোকন কৰা। এইটো আৰম্ভণিতে চলিত পদ্ধতি। কিন্তু তাৰ উপৰি তেওঁলোকক ঘাই অধ্যায়বোৰো চোৱাৰ কামত ন্যস্ত কৰা হৈছিল। এই অধ্যায়কেইটাত আন্তঃগাঁথনি, উদ্যোগ, কৃষি আদি বিষয়বোৰ সামৰি লোৱা হৈছিল। এই অধ্যায়কেইটা চালি-জাৰি চোৱাৰ পিছত মহিলা গোটটোৱে যিবোৰ পৰামৰ্শ আগবঢ়াইছিল তাৰ এটা পৰামৰ্শ আছিল 'আন্তঃগাঁথনি বিকাশ' অধ্যায়টোৰ সন্দৰ্ভত। বাজেট আবণ্টনৰ ক্ষেত্ৰত এই বিষয়টো এক অন্যতম গুৰুত্বপূৰ্ণ বিষয়; আৰু সেয়ে সামাজিক আন্তঃগাঁথনিৰ সন্দৰ্ভত কিছু বিষয় থকা উচিত বুলি তেওঁলোকে মন্তব্য কৰিছিল। আৰু তাৰ বিষয়বস্তু 'সামাজিক গাঁথনি' কিম্বা 'Soft Infrastructure' ৰ ওপৰত কেন্দ্ৰীভূত কৰি গঢ় দিয়া সমীচীন বুলি উল্লেখ কৰিছিল।

'Soft Infrastructure' অৰ্থাৎ নৰম আন্তঃগাঁথনিৰদ্বাৰা সমৰ্থন সেৱা সমূহক বুজাবলৈ লোৱা হৈছে যিবোৰক একেবাৰে দুখীয়াতকৈ দুখীয়া মহিলা-সকলৰ বাবে সমৰ্থৱান কাম ৰূপে বিবেচনা কৰা হয়। তেওঁলোকে যাতে সমজুৱা কাম-কাজত অংশ গ্ৰহণ কৰিব পাৰে আৰু অৰ্থনীতিলৈ অৰিহণা যোগাব পাৰে সেয়াই হ'ল ইয়াৰ উদ্দেশ্য। উদাহৰণ স্বৰূপে ক'বলৈ গ'লে এনে আন্তঃগাঁথনিৰ এক ভাবধাৰা হ'ল এটা ভৱন চৌহদৰ নিৰ্মাণ কাৰ্য। এনে ভৱন অৰ্থাৎ পকী দালানত কিছুমান পদ্ধতিৰ ব্যৱস্থা থাকিব লাগিব। সেইবোৰ হ'ল, যেনে—জলৰ উৎস, ক্ৰেচ (দোলনা, বালৰাদি, শৌচাগাৰ তথা গা ধোৱা ঘৰ আৰু আনকি ৰান্ধনি শাল তথা কাপোৰ ধোৱা ঠাই। এই ভৱন চৌহদটো এনেবোৰ সেৱা যোগান ধৰিবৰ কাৰণে থকা গোটেইখিনি পুঁজিৰে নিৰ্মাণ কৰা হয়। ইয়াক এক আন্তঃগাঁথনিৰ অধীনত ৰাখিব পাৰি, কিয়নো ভৱন, বিদ্যুৎ আৰু অন্যান্য সেৱা কাৰ্যত বিনিয়োগৰ বাবে প্ৰয়োজন হয়। বৃহৎ কাৰ্যালয় ভৱন আৰু চৌহদৰ বাবে তেনে সেৱা ধৰা হয় আৰু চহৰবোৰত মধ্যবিত্ত তথা উচ্চ শ্ৰেণীৰ লোকৰ বাবে তেনে ব্যৱস্থা সততেই কৰিব লগা হয়।

সেইবোৰৰ বাবে সমাজৰ দুৰ্বল শ্ৰেণী আৰু দৰিদ্ৰ অৱস্থাত জীৱন কটোৱা এগৰাকী মহিলাৰ বাবে উপাৰ্জনৰ এটা ক্ষেত্ৰ হ'ব পাৰে। নিজৰ জ্যেষ্ঠ কন্যাক ঘৰুৱা কামবোৰ কৰিবলৈ এৰি দি তেনে সমূহীয়া লোকৰ ভৱন নিৰ্মাণ সেৱাত লাগিব পাৰে। ঘৰত থাকিলে কামৰ ভিতৰত খৰি-কাঠ আৰু পানী আনিবৰ কাৰণে বহুদূৰ খোজ কাঢ়ি যাব লগা হয়। ভৱন সেৱাত মনোনিৱেশ কৰিলে কিছু অৰ্জনো কৰিব পাৰে আৰু ঘৰুৱা লেঠাবোৰৰ পৰা কিছু উপশম পাব পাৰে। এনেকৈ সমূহীয়া ভৱন সেৱাত এগৰাকী মহিলাই ক্ৰেচত নিজ সন্তানক থৈ, সমূহীয়াভাৱে ইন্ধনৰ সুবিধা থকা ঠাইত ৰুটি তৈয়াৰ কৰিব পাৰে, কাপোৰকানিও ধুব পাৰে আৰু তাৰ পিছত কাম কৰিব পাৰে।

সত্তৰ দশকত নীতি প্ৰস্তুত কৰোঁতা-সকলৰ দৃষ্টি আকৰ্ষণ কৰা হয় এটা অতি আচৰিতজনক পৰিসংখ্যাৰে আৰু সেয়া আছিল মহিলাৰ মৃত্যুৰ হাৰ আৰু মহিলাসকলে কামত অংশ গ্ৰহণ কৰাৰ হাৰৰ মিল। ২০-৩৫ বয়সগোটৰ মহিলাৰ অংশ গ্ৰহণৰ হাৰ সৰ্বাধিক আছিল। পিছে এই বয়স গোটৰ মহিলাৰ মাজতেই আমি দেখা পালোঁ (এখন নিৰ্দিষ্ট তালিকাত) সৰ্বাধিক মৃত্যুহাৰ। ভাৰতৰ দুখীয়া লোক বাস কৰা অঞ্চলত বিশেষকৈ এনে হয়। সেই অঞ্চলতবোৰত দুখীয়া লোকৰ জনসংখ্যাৰে অধিক ঘনতা থকা দেখা যায় আৰু তেনে অঞ্চলৰ ৰাজ্যবোৰক আখ্যা দিয়া হয় "বিমাৰু" ৰাজ্যৰূপে। সেই ৰাজ্যকেইখন হ'ল—বিহাৰ, মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ। এনেবোৰ পৰিসংখ্যাই এইটোকে দেখুৱায় যে ঘৰখনৰ কাৰণে কিছু অৰ্জন কৰাৰ বাধ্যবাধকতাই স্বাস্থ্যৰ ওপৰত বেয়াকৈ প্ৰভাৱ পেলায়; কাৰণ তেওঁলোকে নিৰ্দিষ্ট কামৰ উপৰিও অন্য কাম-কাজো কৰিব লগা হয়। এই দৃষ্টিকোণৰ পৰা যুক্তিৰ বিষয়টো হ'ল মহিলাৰ অৰ্থনৈতিক ভূমিকাত সামাজিক কল্যাণ আৰু সামাজিক নীতি সেৱাক সংযোগ সাধন কৰিব লাগে—বিশেষকৈ যেতিয়া আমি দুখীয়া শ্ৰেণীৰ লোকসকলৰ সমস্যাবোৰ সমাধান কৰিবলৈ লওঁ।

সি কি নহওক, এই ব্যৱস্থাবোৰ কাৰ্যকৰী কৰিব পৰা যাব একমাত্ৰ মহিলা আৰু অসুবিধাগ্ৰস্ত গোটৰ ওপৰত বিশেষভাৱে মনোযোগ দিলেহে—যাতে তেওঁলোকে পৰিকল্পনা প্ৰক্ৰিয়াত আগ-ভাগ ল'বলৈ সমৰ্থৱান হয়। এই ক্ষেত্ৰত বহলাই ক'বলৈ হ'লে পৰিকল্পনা প্ৰক্ৰিয়াত যিবোৰ জৰীপ কাৰ্য জড়িত থাকে তেতিয়া এইটো নিশ্চিত কৰা আৱশ্যক হ'ব যে মহিলাসকলে কি ভাবে, তেওঁলোকৰ দৃষ্টিভংগী কি তাক বিশেষকৈ চোৱা দৰকাৰ। আলোকপাত কৰা গোটসমূহৰ লগত আলোচনাও কৰিব লাগিব, মত বিনিময় কৰিব লাগিব। মহিলা সমাজৰ নেতৃত্ব দিয়া সকলক চিহ্নিত কৰি বিভিন্ন খণ্ডৰ অধীনত গঠন কৰিব লগা কমিটীবোৰত অন্তৰ্ভুক্ত কৰিব লাগিব। সামাজিক বিকাশৰ উপৰি আন খণ্ডবোৰৰ কাৰণে যিবোৰ পৰিকল্পনা কৰা হ'ব তাত মহিলাৰ অন্তৰ্ভুক্তিকৰণক নিশ্চিত কৰিব লাগিব আৰু তেনে খণ্ডবোৰ হ'ল—আন্তঃগাঁথনি, উমৈহতীয়া ভূমিৰ ব্যৱহাৰ, প্ৰাকৃতিক সম্পদৰাজি তথা নিয়োগ। ❐

# স্কুলীয়া শিক্ষাৰ লিঙ্গ প্ৰসঙ্গৰ বিষয় আৰু তাৰ সমাধান ব্যৱস্থা

**শালেন্দৰ শৰ্মা আৰু ড° শশীৰঞ্জন ঝা***

**পাতনি ঃ**

বিকাশ প্ৰক্ৰিয়াত মহিলাৰ সবলীকৰণ বিষয়টোৱে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। এই ক্ষেত্ৰত নিহিত হৈ থকা কেন্দ্ৰীভূত শক্তিৰ বিচাৰধাৰা সমাজত সমভাৱে সুযোগ-সুবিধা পোৱাৰ বিষয়টোৰ সৈতে ওচৰ সমন্ধ আছে। পিছে কৰ্ম ৰূপায়ণত অৰ্থাৎ মহিলাসকলক সবলীকৰণৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে লক্ষ্য সাধনৰ ছবিখন এতিয়াও অস্পষ্ট হৈ আছে। সীমিত অৱস্থাত তেওঁলোকক স্থিত কৰাৰ কাৰ্যাৱলী বহু আছে। তথাপি তেনেবোৰ কাম আৰু ভাবধাৰাক নিশ্চিহ্ন কৰাৰ প্ৰক্ৰিয়া যেন-তেন অৱস্থাৰ। তাত দৃঢ়তাৰ অভাৱ। বিকাশ প্ৰক্ৰিয়াৰ মৌলিকতাৰ দিশত দ্বৈত ভূমিকাৰ প্ৰতিফলন ঘটা দেখা যায় আৰু সেয়া সামাজিক সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত মহিলাসকলৰ অংশ গ্ৰহণৰ প্ৰতি কথা আৰু কামৰ মাজত অমিল তথা অৱহেলাৰ ভাব পৰিলক্ষিত হয়। ফলস্বৰূপে তেওঁলোকক এটা মূৰ্তিতহে পৰিণত কৰি তোলা হয়—য'ত একঘেয়ামী সুৰৰ পুনৰাবৃত্তি ঘটে। এনে স্থিতিয়ে তেওঁলোকৰ অধিকাৰ আৰু সা-সুবিধাৰপৰা বঞ্চিত কৰাটোকেই প্ৰতিফলিত কৰে।

সামাজিক ন্যায়ৰ বহল পৰিসৰত লিঙ্গ আৰু সীমামূৰীয়া অৱস্থাক বুজি পাব লাগিব। এখন সমাজৰ অৰ্থনৈতিক পদ্ধতিয়ে একাষৰীয়া বা নিৰ্দিষ্ট সীমাৰ অৱস্থাৰ প্ৰকৃতি আৰু ধৰণ-কৰণক উদঙাই দেখুৱায়; কিন্তু এনে অৱস্থাৰ চলিত প্ৰক্ৰিয়া আৰু স্থিতি সেই অৰ্থনৈতিক পদ্ধতিৰ গাঁথনিগত পৰিকাঠামকো নিশ্চয় অতিক্ৰম কৰে। প্ৰকৃতাৰ্থত নিৰ্দিষ্ট সীমাৰ স্থিতিক বিষয় বিশেষৰ পৰিচয়, মান আৰু বহিৰ্ভূতকৰণৰ প্ৰসঙ্গৰ সৈতে চালি-জাৰি চোৱা আৱশ্যক হয়; কাৰণ এই বিষয়বোৰে শিক্ষাৰ উচ্চ স্তৰলৈ মহিলাসকলৰ সুচল প্ৰৱেশৰ আকাৰ প্ৰদানত সুযোগ-সুবিধা আগবঢ়ায় আৰু ই মূৰকত মহিলাসকলৰ কাৰণে সাধাৰণতে সমাজত সুকীয়াভাৱে থকা তথা বিশেষকৈ সামাজিক অসুবিধা-গ্ৰস্ততাত থকা গোটসমূহৰ মহিলাৰ পথ প্ৰশস্ত কৰে।

সমাজত মহিলাসকলক তলত ৰখা আৰু শিক্ষাৰ ক্ষেত্ৰত সজাগতাহীন ব্যৱস্থাই লিঙ্গ অসমতাৰ ভাব বৃদ্ধি কৰে; আৰু সেয়া নীতি প্ৰস্তুত কৰা স্তৰতো ঠাই পায়। কিন্তু তেনে ভাবধাৰাই দীৰ্ঘ ক্ৰিয়া কৰি থাকিব নোৱাৰে। ক্ষণিকভাৱে হ'লেও সজাগতাৰ ভাব গঢ় লৈ উঠে আৰু শিক্ষাৰ ক্ষেত্ৰত মহিলাসকলৰ স্থিতি উন্নত কৰিবলৈ সাধাৰণভাৱে মাত মতা হয়। এই কণ্ঠস্বৰ সংৰক্ষণৰ সপক্ষে কিম্বা মহিলাসকলৰ কাৰণে বিশেষ প্ৰতিষ্ঠান খুলি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ মত প্ৰকাশ কৰা হয়। পিছে বাস্তৱ ক্ষেত্ৰত তেনে ধৰণৰ উপযুক্ত প্ৰচেষ্টা হাতত লোৱা কাচিৎহে দেখা যায়—যিটোৱে ঠিক কেৱল অংশ গ্ৰহণেই নহয়, তদুপৰি পৰিচয়, মৰ্যাদা আৰু বহিৰ্ভুতকৰণ সম্পৰ্কিত ভাব-বিচাৰ প্ৰতি প্ৰকৃততে বিবেচনা কৰে আৰু আৱশ্যকীয় উপায়ো অৱলম্বন কৰে।

শিক্ষাৰ ক্ষেত্ৰত মহিলাৰ সীমাবদ্ধতাক উপযুক্তভাৱে অক্ষুণ্ণ ৰখা হয়—যদিও তাৰ আকাৰ সৰ্বাধিক ধৰণৰ নহয়।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে ছোৱালীৰ শিক্ষাৰ সন্দৰ্ভত বৰ্দ্ধিতভাৱে মনোযোগ দিয়া হয় আৰু দেশখনৰ নীতি ব্যৱস্থাত ইয়াক স্বীকৃতিও দিয়া হয়। দ্বাদশ পঞ্চবাৰ্যিক পৰিকল্পনাত ছোৱালী শিক্ষাৰ উত্তৰোত্তৰ বিকাশ সাধন কৰাটো এটা গুৰুত্বপূৰ্ণ বিষয় ৰূপে গ্ৰহণ কৰা হয়। ই ছোৱালীবোৰক কেৱল ল'ৰাৰ স'তে সমানে যাবলৈ সমৰ্থৱান কৰি তোলাই নহয়, তদুপৰি ১৯৮৬ চনৰ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিত দাঙি ধৰা প্ৰেক্ষাপটৰ পিনৰ পৰাও ছোৱালীৰ শিক্ষাক চাবৰ বাবে দোহাৰে। উক্ত নীতিত কোৱা হৈছে যে শিক্ষা এটা ৰূপান্তৰিত শক্তি হ'ব লাগিব, মহিলাৰ আত্মবিশ্বাস গঢ়ি তুলিব লাগিব আৰু সমাজত তেওঁলোকৰ স্থিতি উন্নত হ'ব

---

*শালেন্দৰ শৰ্মা আই পি ই গ্লোবেল লিমিটেডৰ শিক্ষা আৰু দক্ষতা বিকাশৰ উপাধ্যক্ষ। আই পি ই গ্লোবেল লিমিটেড হ'ল এটা আন্তৰ্জাতিক বিকাশ বিষয়ক কনছাটিং গ্ৰুপ। বিকাশশীল দেশৰ সম বিকাশ আৰু প্ৰগতি সাধনৰ বাবে কাৰিকৰী দিহা-পৰামৰ্শ আগবঢ়ায়।

*শশীৰঞ্জন ঝা উক্ত প্ৰতিষ্ঠানৰ শিক্ষা আৰু দক্ষতা বিকাশৰ প্ৰবন্ধক।

লাগিব। পিছে দ্বাদশ পৰিকল্পনা কালত বিশেষ তেনে কোনো পৰিৱৰ্তন হোৱা পৰিলক্ষিত নহ'ল। যি হস্তক্ষেপ সাধন কাৰ্য হাতত লোৱা হয় তাক এনেদৰে প্ৰস্তুত কৰা আৱশ্যক যে শিক্ষাত লিঙ্গ সমতাৰ সূত্ৰক এটা গুণগত বিষয় তথা এক সমতাৰ বিষয় ৰূপে উভয়কে বিবেচনা কৰিব লাগিব। কেৱল লিঙ্গ সচেতন পাঠ্যক্ৰম, তাৰ স'তে জড়িত থকা অভ্যাসৰাজিৰ বিকাশ আৰু শিক্ষকৰ প্ৰশিক্ষণ তথা মূল্যাংকনেই যথেষ্ট নহ'ব, তাৰ উপৰি সম্ভৱতঃ 'কিছু অতিৰিক্ত' ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যক হ'ব।

**ছোৱালীৰ শিক্ষা ঃ**

পৰম্পৰাগতভাৱে সকলো সমাজেই ছোৱালীতকৈ ল'ৰাক আগ ঠাই দিয়ে যেতিয়া শিক্ষা গ্ৰহণৰ সা-সুবিধাৰ বিষয়টো আহি পৰে। ফলস্বৰূপে শিক্ষা গ্ৰহণ তথা সাক্ষৰতা হাৰৰ ক্ষেত্ৰত অসমতা বিৰাজ কৰা ছবিখনে এতিয়া সেই নমুনাকেই প্ৰতিফলিত কৰে আৰু এনে প্ৰতিফলন অতীতৰ সামাজিক আৰু শিক্ষ নীতিৰদ্বাৰা আকাৰ দিয়া কাৰ্যৰ ফল। ইয়াৰ বাবদ প্ৰায় সকলোবোৰ দেশেই কিছু ধৰণৰ লিঙ্গ অসমতা স্থিতিৰ সন্মুখীন হয়। কিন্তু মুঠ ঘৰুৱা উৎপাদন আৰু শিক্ষা প্ৰাপ্তিৰ ক্ষেত্ৰত যি পাৰস্পাৰিক সম্পৰ্ক আছে, তালৈ চাই সকলো দেশেই উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে—যাতে মানৱ সম্পদৰাজিৰ আটাইখিনিকেই ভাল কামত খটাব পাৰি। শিক্ষা আৰু লিঙ্গৰ বিষয়ে আলোচনা কৰোঁতে "লিঙ্গ বিষয়ক সামাজিক ন্যায়" আৰু "লিঙ্গ সমতা"ৰ মাজৰ প্ৰভেদৰ বিষয়ে জনা দৰকাৰ। সেই লিঙ্গ বিষয়ক সামাজিক ন্যায় নিশ্চিত কৰিবৰ কাৰণে কি কৰা আৱশ্যক সেই সমন্ধে ভাবি চোৱা দৰকাৰ।




**শিক্ষা বিষয়ক ৰাষ্ট্ৰীয়**

ঐতিহাসিকভাৱে স্বাধীনতা লাভৰ পিছত শিক্ষাৰ ক্ষেত্ৰত সম অৱস্থা প্ৰতিপন্ন কৰিবৰ বাবে বহুত শিক্ষা নীতিত গুৰুত্ব আৰোপ কৰা হয়। এই ক্ষেত্ৰত বিশেষকৈ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিৰ কথা ক'ব পাৰি। ১৯৮৬ চনত গ্ৰহণ কৰা এই নীতিক ১৯৯২ চনত সংশোধন কৰা হয় আৰু তাত অসমতা দূৰ কৰিবৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰা হয়। মহিলাৰ স্থিতিৰ ক্ষেত্ৰত এটা মূল পৰিৱৰ্তনকাৰী সংস্থাৰূপে শিক্ষাক কামত লগোৱা উচিত। লগতে এইটোও কোৱা হয় যে অতীতত যি অকামিলা কাৰ্য পুঞ্জীভূত হৈছিল তাক মহিলাৰ পক্ষত এটা সু-চিন্তিত ভাবধাৰাৰে নিষ্ক্ৰিয় কৰি গতি প্ৰদান কৰা হ'ব। পুনৰ প্ৰস্তুত কৰা পাঠ্যক্ৰমৰ জৰিয়তে নতুন মূল্যবোধৰ বিকাশক ই উৎসাহিত কৰিব। তেনেদৰে পাঠ্যপুথি, শিক্ষকৰ প্ৰশিক্ষণ, সিদ্ধান্ত গ্ৰহণ কৰোঁতা আৰু প্ৰশাসকৰ জৰিয়তেও তাত বৰঙণি যোগাব। শিক্ষা প্ৰতিষ্ঠানসমূহৰ সক্ৰিয় জড়িতকৰণ হ'ব এই ক্ষেত্ৰত আন এটা উল্লেখযোগ্য ভূমিকা। মহিলাসকলৰ মাজৰপৰা নিৰক্ষৰতা দূৰ কৰা আৰু প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত থকা সুচল প্ৰৱেশৰ বাধা আঁতৰোৱা কাৰ্যই সৰ্বাধিক গুৰুত্ব পাব। তাৰ বাবে বিশেষ সমৰ্থন সেৱাৰ ব্যৱস্থা, নিৰ্দিষ্ট সময়ৰ লক্ষ্য নিৰ্দ্ধাৰণ আৰু উপযুক্ত পুনৰীক্ষণ কাৰ্যৰে সাধন কৰা হ'ব। বৈষম্যহীন নীতিক সবলভাৱে অনুধাৱন কৰা হ'ব—যাতে বুনিয়াদী আৰু পেছদাৰী পাঠ্যক্ৰমসমূহত থকা লিঙ্গ সম্পৰ্কীয় ভাৱধাৰাক নিৰ্মূল কৰিব পাৰি আৰু অপৰম্পৰাগত কাম-কাজ তথা চলি থকা আৰু বিকশিত প্ৰযুক্তিৰ ক্ষেত্ৰত মহিলাসকলৰ অংশগ্ৰহণক উৎসাহিত কৰিব পৰা যায়। শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিৰ নিৰ্দেশনাসমূহ বহুত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় শিক্ষা কাৰ্যসূচীসমূহে অনুসৰণ কৰিছে। তেনে কাৰ্যসূচীৰ ভিতৰত উল্লেখ্য হ'ল—বুনিয়াদী শিক্ষা কাৰ্যসূচী, অ' বি বি, ডি

> "এজন লোকক শিক্ষিত কৰাটো হ'ল এজন ব্যক্তিকহে শিক্ষিত কৰি তোলা, কিন্তু এগৰাকী মহিলাক শিক্ষিত কৰি তুলিলে সমগ্ৰ সভ্যতাকেই উজ্জলাই তোলা হয়।"
>
> **—মহাত্মা গান্ধী**

পি ই পি, আৰ এম এছ এআৰু সৰ্বশিক্ষা অভিযান। বিনামূলীয়া আৰু বাধ্যতা-মূলক শিক্ষাৰ প্ৰতি ল'ৰা-ছোৱালীৰ অধিকাৰ বিষয়ক আইন ২০০৯ (ৰাইট টু চিল্ডৰেন টু ফ্ৰী এণ্ড কম্পালচুৰী এক্ট) হ'ল দেশখনৰ প্ৰাথমিক শিক্ষাৰ কাৰণে এটা মাইলৰ খুঁটি।

**নতুন শিক্ষা নীতিৰ কিছু প্ৰত্যাহ্বান**

নতুন শিক্ষা নীতি, ২০১৬ৰ তথ্যমতে (খচৰা নীতিৰ তথ্যৰ ওপৰত ভিত্তি কৰা) তৰুণ আৰু প্ৰাপ্তবয়স্ক সাক্ষৰতা হাৰৰ ক্ষেত্ৰত তুলনামূলক-ভাৱে যি লিঙ্গ প্ৰভেদ আছে সেয়া এটা ঘাই প্ৰত্যাহ্বানৰ বিষয় বুলি উল্লেখ কৰিছে। ভাৰতৰ তৰুণচামৰ সাক্ষৰতাৰ হাৰৰ ক্ষেত্ৰত অধিক স্তৰৰ লিঙ্গ প্ৰভেদ (৮.২ শতাংশ পইণ্ট) বিৰাজমান হৈ আছে। পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত তৰুণচামৰ এনে সাক্ষৰতা হাৰ (১৫-২৪ বছৰ বয়সগোটৰ) যথাক্ৰমে হ'ল ৯০ আৰু ৮১.৮ শতাংশ। এয়া ২০১১ চনৰ লেখ। প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ ক্ষেত্ৰতো ভাৰতত লিঙ্গ প্ৰভেদ অধিক হৈ (১৯.৫ শতাংশ পইণ্ট) আছে। সেয়ে ইয়াৰ পৰা স্পষ্ট যে ছোৱালী আৰু মহিলাসকলৰ সাক্ষৰতা হাৰ বৃদ্ধি কৰিবৰ কাৰণে বৃহৎ প্ৰয়াসৰ প্ৰয়োজন আছে।

**শিক্ষাৰ ক্ষেত্ৰত ছোৱালীৰ অংশগ্ৰহণ বৃদ্ধি কাৰ্যসূচী**

বালিকাসকলৰ বাবে শিক্ষাৰ সা-সুবিধা বিস্তাৰিতকৰণ প্ৰক্ৰিয়া খৰতকীয়া কৰিবৰ কাৰণে ভাৰত চৰকাৰে বহু কাৰ্যসূচী লৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল—প্ৰাথমিক স্তৰত বালিকাৰ শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় কাৰ্যসূচী, মহিলা সামাক্ষা আৰু কস্তুৰবা গান্ধী বালিকা বিদ্যালয়। শেহতীয়াকৈ ভাৰত চৰকাৰে এই কাৰ্যসূচীলানিত দুটা বৃহৎ কাৰ্যসূচী অন্তৰ্ভুক্ত কৰে। সেয়া হ'ল 'সবালা' আৰু 'বেটী বচাও বেটী পঢ়াও'।

'সবালা' হ'ল কেন্দ্ৰীয়ভাৱে পৃষ্ঠপোষকতা কৰা এটা কাৰ্যসূচী। ভাৰত চৰকাৰে ইয়াক মহিলা আৰু শিশু বিকাশ 'মন্ত্ৰ্যায়ৰ অধীনত ২০১১ চনৰ ১ এপ্ৰিলত আৰম্ভ কৰে। এই কাৰ্যসূচীয়ে ১১-১৮ বছৰ বয়সৰ কিশোৰীসকলক সামৰি লয়। সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ আটাইবোৰ সংহত শিশু বিকাশ আঁচনিৰ অন্তৰ্গত নিৰ্বাচিত ২০০ খন জিলাত ইয়াৰ কাম চলে। সবালা আঁচনিৰ মূল উদ্দেশ্য হ'ল কিশোৰীসকলক আত্মনিৰ্ভৰশীল হ'বলৈ সমৰ্থৱান কৰি তোলা, তেওঁলোকৰ স্বাস্থ্য আৰু পৌষ্টিক দিশৰ উন্নতি সাধন কৰা। পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৌষ্টিক স্থিতি অটুট ৰখা, পুনৰপ্ৰজনন তথা যৌন সংক্ৰান্তীয় স্বাস্থ্যৰ প্ৰতি জ্ঞান, পৰিয়াল আৰু শিশু যতন সম্পৰ্কে সজাগতা সৃষ্টি কৰাও হ'ল ইয়াৰ উদ্দেশ্য। কিশোৰীসকলৰ গৃহ-ভিত্তিক দক্ষতা, জীৱন নিৰ্বাহৰ উপায় আৰু কৌশল তথা বুনিয়াদী ক্ষেত্ৰৰ দক্ষতাৰ মান উন্নত কৰাৰ বিষয়েও আঁচনিখনত চিন্তা কৰা হৈছে। 'সবালা' কাৰ্যসূচীত স্কুলৰ বাহিৰত থকা কিশোৰীসকলক আনুষ্ঠানিক তথা অনানুষ্ঠানিক শিক্ষাৰ পৰিসৰৰ ভিতৰলৈ ওভোতাই অনাৰ বিষয়ো অন্তৰ্ভুক্ত কৰিব। ৰাজহুৱা সেৱা সমন্ধেও তেওঁলোকক পৰিচয় কৰি দিয়া হ'ব—যাতে তেওঁলোকে তাৰ প্ৰতি আনকো পৰিচালিত কৰিব পাৰে। তেনে সেৱা হ'ল—প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ডাকঘৰ, বেংক, আৰক্ষী কেন্দ্ৰ আৰু বহু।


'বেটী বচাও বেটী পঢ়াও" কৰ্যসূচীৰ লক্ষ্য হ'ল মহিলাসকলৰ বাবে থকা কল্যাণমূলক সেৱা সমন্ধে সজাগতা সৃষ্টি কৰা আৰু তেনে সেৱাৰ উন্নতি সাধনৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা। আঁচনিখন আৰম্ভণিতে ১০০ কোটি টকাৰ (১৫ নিযুত মাৰ্কিন ডলাৰ) পুঁজিৰে প্ৰচলন কৰা হয়। ২০১৪ চনৰ অক্টোবৰত আৰম্ভ কৰা এই আঁচনিৰ উদ্দেশ্য হ'ল অৱনমিত হোৱা শিশুৰ লিঙ্গ সমানুপাত হাৰ সমস্যা সমাধান কৰা। এটা ৰাষ্ট্ৰীয় অভিযানৰ জৰিয়তে ইয়াক ৰূপায়িত কৰা হয় আৰু লিঙ্গ সমানুপাতৰ হাৰ কম থকা নিৰ্বাচিত ১০০ জিলাত বহুখণ্ডীয় কাম-কাজ হাতত লৈ আলোকপাত কৰা হয়। এই জিলাবোৰ সকলো ৰাজ্য আৰু কেন্দ্ৰশাসিত প্ৰদেশৰ অন্তৰ্গত। এইবোৰ কাম মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয় তথা মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ যুটীয়া প্ৰচেষ্টাও হাতত লোৱা হয়।

**শেহতীয়া সফলতা আৰু প্ৰত্যাহ্বান সন্দৰ্ভত বিশ্লেষণ**

**সাক্ষৰতা হাৰ**

ভাৰত হ'ল বিশ্বৰ ভিতৰত এক-তৃতীয়াংশতকৈ অধিক প্ৰাপ্তবয়স্ক নিৰক্ষৰ লোক থকা দেশ। লেখৰ হিচাপত তাৰ সংখ্যা হ'ল ২৮৭ নিযুত আৰু সমগ্ৰ বিশ্বত এনে প্ৰাপ্তবয়স্ক নিৰক্ষৰ লোকৰ সংখ্যা হ'ল ৭৭৪ নিযুত। বিশ্বৰ এই মুঠ নিৰক্ষৰ লোকৰ ভিতৰত দুই-তৃতীয়াংশ হ'ল মহিলা। এক আনুমানিক হিচাপ মতে ৫০ শতাংশ নিৰক্ষৰ লোক কেতিয়াও স্কুলত প্ৰৱেশ কৰা নাই আৰু অন্য ৫০ শতাংশ পলমকৈ ভৰ্ত্তি হয় তথা সোনকালে স্কুললৈ যাবলৈ এৰি দিয়ে।

পুৰুষ আৰু মহিলা উভয়ৰে মাজত সাক্ষৰতাৰ হাৰ যথেষ্টভাৱে উন্নত হয়। ১৯১১ চন আৰু ২০১১ চনৰ মাজত





(এক শতিকা)। তুলনা কৰি চালে দেখা যায় যে পুৰুষৰ সাক্ষৰতা হাৰ ১৯১১ চনৰ ১০.১ ৰ পৰা ২০১১ চনত ৮২.১ লৈ বৃদ্ধি পায় (৭১.৫ শতাংশ পইণ্ট বৃদ্ধি); ইপিনে মহিলাৰ সাক্ষৰতা হাৰ ১.১ ৰ পৰা (১৯১১ চনত) ৬৫.৫ লৈ ২০১১ চনত বৃদ্ধি পায় (৬৪.৪ শতাংশ পইণ্ট বৃদ্ধি)। পুৰুষ আৰু মহিলাৰ সাক্ষৰতা হাৰৰ প্ৰভেদৰ ক্ষেত্ৰত যোৱা শতিকাটোত বৃদ্ধিৰ হাৰ হ'ল ১৯১১ চনৰ ৯.৫ শতাংশৰপৰা ২০১১ চনত ১৬.৬ শতাংশ। সামাজিক শ্ৰেণীকৰণৰ হিচাপত পৰিসংখ্যাৰ পৰা এইটো দেখা যায় যে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মহিলাৰ সাক্ষৰতা হাৰ যথাক্ৰমে হ'ল ৫৬.৫ শতাংশ আৰু ৪৯.৪ শতাংশ। এয়া সামগ্ৰিক মহিলা সাক্ষৰতা হাৰতকৈ (৬৫.৫ শতাংশ) তলত আছে। ২০১১ বৰ্ষৰ লোকপিয়ল মতে দেশৰ ভিতৰত কেৰালাৰ সাক্ষৰতা হাৰ সৰ্বাধিক —৯৪ শতাংশ (পুৰুষৰ ৯৬.১ আৰু মহিলাৰ ৯২.১)। ইয়াৰ পিছতেই আছে লাক্ষাদ্বীপ, মিজোৰাম, গোৱা আৰু ত্ৰিপুৰা। শীৰ্ষ ১০ খন ৰাজ্যৰ ভিতৰত সাক্ষৰতা হাৰৰ পৰিধি ৬ খন কেন্দ্ৰশাসিত প্ৰদেশ আৰু ৪ খন ৰাজ্যত সীমাবদ্ধ। সেই চাৰিখন ৰাজ্য হ'ল—কেৰালা, মিজোৰাম, গোৱা আৰু ত্ৰিপুৰা। মহিলাৰ সাক্ষৰতা হাৰৰ ক্ষেত্ৰতো এইকেইখন ৰাজ্যই ৰাজ্যসমূহৰ ভিতৰত তালিকাৰ শীৰ্ষ স্থানত আছে। আনহাতে বিহাৰত মহিলাৰ সাক্ষৰতা হাৰ হ'ল নিম্নতম (৫১.৫ শতাংশ)। তাৰ পিছতেই ৰাজস্থান, ঝাৰখণ্ড, জম্মু আৰু কাশ্মীৰৰ স্থান। নিম্নতম মহিলা সাক্ষৰতা হাৰ থকা দহখন ৰাজ্যৰ ভিতৰত বিভিন্ন জাতি-জনজাতিৰ এটা মিশ্ৰিত ৰূপ পৰিলক্ষিত হয়। অনুসূচিত জাতি প্ৰাধান্য বিস্তাৰ কৰা (নিম্নতম মহিলা সাক্ষৰতা হাৰৰ লেখত) ৰাজ্যকেইখন হ'ল—বিহাৰ, ৰাজস্থান আৰু উত্তৰ প্ৰদেশ। তেনেদৰে অনুসূচিত জনজাতীয় প্ৰাধান্য বিস্তাৰ কৰা ৰাজ্যকেইখন হ'ল—মধ্য প্ৰদেশ, ওড়িশা, ছত্তিশগড়, অৰুণাচল প্ৰদেশ, আৰু মুছলমান লোকে প্ৰধান্য বিস্তাৰ কৰা ৰাজ্যখন হ'ল জম্মু আৰু কাশ্মীৰ। মুঠতে নিম্ন সাক্ষৰতা হাৰ থকা ৰাজ্যকেইখনত কোনো ধৰণৰ ব্যতিক্ৰম নাই। কিছুমান ইতিবাচক চিহ্নৰ ভিতৰত ক'বলৈ গ'লে যোৱা দশকটোত এই ৰাজ্য কেইখনে যথেষ্ট অগ্ৰগতি (প্ৰায়ভাগেই দুটা সংখ্যাৰ— ডাবল ডিজিট) সাধন কৰে।

দ্বিতীয়তে যোৱা দশকটোত ভাৰতে সমাজখনলৈ ২১৭ নিযুত সাক্ষৰ লোকৰে বৰঙণি যোগায় আৰু তাৰ ভিতৰত মহিলাই পুৰুষক সংখ্যাৰ হিচাপত কিছু পাছ পেলায়। মহিলাৰ সংখ্যা হ'ল ১১০ নিযুত আৰু পুৰুষৰ-১০৭ নিযুত।


**লিঙ্গ সমানুপাত**

স্কুলত অধিক শতাংশ ছোৱালীৰ নিশ্চিত কৰিবৰ কাৰণে এটা গুৰুত্বপূৰ্ণ নিৰ্ণায়ক দিশ হ'ল জনগণৰ মাজৰপৰা বালিকাসকলক উপলব্ধ কৰা বিষয়টো। সামগ্ৰিক লিঙ্গ সমানুপাত হাৰৰ ক্ষেত্ৰত ভাৰতৰ স্থান বিশখন দেশৰ ভিতৰত একেবাৰে তলত অৱস্থিত। ভাৰতৰ লিঙ্গ সমানুপাত ১৯০১ চনৰ ৯৭২ ৰ পৰা ১৯৫১ চনত ৯৪১ লৈ হ্ৰাস পায়। তেনেদৰে ২০১১ বৰ্ষত ৯৪০ হয়গৈ।

অৱশ্যে ২০০১ বৰ্ষৰ পৰা এই স্তৰৰ কিছু বৃদ্ধি হয় (৯৩৩)। ০.৬ বয়স-গোটৰ লিঙ্গ সমানুপাতৰ ক্ষেত্ৰত বিষয়টো হ'ল ২০১১ বৰ্ষত এই হাৰ সৰ্বকালৰ নিম্নত ( ৯১৪) অৱস্থিত হোৱাটো। ইয়াৰ অৰ্থ হ'ব এই যে আগন্তুক বছৰবোৰত ল'ৰাৰ তুলনাত স্কুলত ছোৱালীৰ সংখ্যা কম



নক্সা-৩ ঃ তুলনামূলক লিঙ্গ সমানুপাত




হ'বগৈ। ০.৬ বয়স গোটৰ ক্ষেত্ৰত লিঙ্গ সমানুপাত তালিকাত উত্তৰ-পূৰ্বাঞ্চলৰ দুখন ৰাজ্য আগত আছে। সেই ৰাজ্য দুখন হ'ল—মিজোৰাম ৯৭১ আৰু মেঘালয় ৯৭০। আনহাতে দেশখনৰ ভিতৰত দুখন 'প্ৰগতিশীল' ৰাজ্যৰ নিম্নতম লিঙ্গ সমানুপাত আছে। সেই ৰাজ্যকেইখন হ'ল—হাৰিয়ানা ৮৩০ আৰু পঞ্জাব ৮৪৬।

## স্কুললৈ নোযোৱা ছোৱালী

মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ে কৰা শেহতীয়া অধ্যয়ন মতে ৬.০১ নিযুততকৈ অধিক ল'ৰা-ছোৱালী আছে যি স্কুললৈ নেযায়। এয়া মুঠ জনসংখ্যাৰ প্ৰায় ৩ শতাংশ হ'ব। এনে ধৰণৰ জৰীপ পূৰ্বতেও কৰা হৈছিল। স্কুললৈ নোযোৱা ল'ৰা-ছোৱালীৰ শতাংশ হাৰ ২০০৬ চনত আছিল প্ৰায় ৭ শতাংশ আৰু ২০০৯ চনত ৪.২ শতাংশ। স্কুললৈ নোযোৱা ল'ৰা-ছোৱালীৰ ভিতৰত ল'ৰা আৰু ছোৱালীৰ সংখ্যা সুকীয়াকৈ ভাগ কৰিবলৈ হ'লে এইটো স্পষ্ট হৈ উঠে যে ল'ৰাতকৈ ছোৱালীৰ সংখ্যা অধিক। এনে ল'ৰাৰ সংখ্যা ২.৭৭ শতাংশ আৰু ছোৱালীৰ ৩.২৩ শতাংশ। স্কুললৈ নোযোৱা ছোৱালীৰ সৰ্বাধিক শতাংশ হাৰ ৰাজস্থানত আছে (৭.৫ শতাংশ), উত্তৰাখণ্ডত ৫.২ শতাংশ আৰু উত্তৰ প্ৰদেশত ৪.৬ শতাংশ। আনহাতে মিজোৰাম আৰু কেৰালাৰ দৰে ৰাজ্য আছে —য'ত স্কুললৈ নোযোৱা ছোৱালীৰ শতাংশ হাৰ ল'ৰাতকৈ কম। প্ৰতিবেদনত বিশ্লেষণ কৰা মতে অধিক হাৰত ছোৱালীয়ে স্কুললৈ নোযোৱাৰ কাৰণ হ'ল ঘৰুৱা কাম-কাজত সহায় কৰিবৰ বাবে আৱশ্যক হোৱা হেতু অথবা কণ কণ শিশুক চোৱাচিতা কৰিবৰ কাৰণে তেনে ছোৱালীৰ উপস্থিতিৰ প্ৰয়োজন হোৱা হেতু। স্কুললৈ নোযোৱা ছোৱালীৰ শতাংশ হাৰ গাঁও আৰু চহৰৰ মাজত বৰ বেছি পাৰ্থক্য নাই। গ্ৰামাঞ্চলত এনে শতাংশৰ হাৰ হ'ল ৩.৩৬ শতাংশ আৰু চহৰৰ ২.৮৬ শতাংশ।

## স্কুলত ছোৱালীৰ শতাংশ হাৰ

ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা ক্ৰমে ছোৱালীৰ শতাংশ হাৰ সকলো স্তৰতে যথেষ্ট বৃদ্ধি পাইছে। বিশেষকৈ সৰ্ব শিক্ষা অভিযানৰ কালছোৱাত উচ্চ প্ৰাথমিক স্তৰত ছোৱালীৰ শতাংশ হাৰ যথেষ্ট বৃদ্ধি পায়। ২০০৫-০৬ বৰ্ষৰ ৪৫.৮ ৰ পৰা এই বৃদ্ধিৰ হাৰ হয়গৈ ৪৮.৭ শতাংশ।

২০১৪-১৫ বৰ্ষৰ য়ু ডি আই এছ ই-ৰ পৰিসংখ্যা মতে চৰকাৰী আৰু বেচৰকাৰী স্কুলসমূহত ভৰ্তি হোৱা ছোৱালীৰ শতাংশ হাৰৰ ক্ষেত্ৰত বহুত প্ৰভেদ আছে। এই প্ৰভেদ আটাইকেইটা স্তৰতে (প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক) পৰিলক্ষিত হয়। অৱশ্যে এই প্ৰভেদৰ মাত্ৰা শিক্ষা গ্ৰহণৰ উচ্চ স্তৰলৈ আগবাঢ়ি যোৱাৰ লগে লগে কমি আহে। যোৱা দশকটোত ছোৱালীৰ শতাংশ হাৰ উচ্চ পৰ্যায়ত যথেষ্ট বৃদ্ধি পায়। উদাহৰণ স্বৰূপে অষ্টম শ্ৰেণী স্তৰত ছোৱালীৰ শতাংশ হাৰ ২০০৫-০৬ বৰ্ষৰ ৪৫ শতাংশৰ পৰা ২০১৩-১৪ বৰ্ষত ৪৯ শতাংশলৈ বৃদ্ধি পায়।


ছোৱালীৰ উপস্থিতিৰ ক্ষেত্ৰত এই অধিক শতাংশ হাৰৰ কাৰণ যোৱা দশক কিম্বা তেনে কালছোৱাত আৰম্ভ কৰা ছোৱালী শিক্ষাৰ বহু আঁচনি। তলত এনে আঁচনিবোৰ চমুকৈ উল্লেখ কৰা হ'ল।

## স্কুললৈ যাবলৈ এৰি দিয়া


স্কুলসমূহত ছোৱালীৰ অংশ গ্ৰহণ কাৰ্যক উন্নত কৰিবৰ কাৰণে বহু কাৰ্যসূচী আৰু ব্যৱস্থা গ্ৰহণ কৰা সত্ত্বেও তেওঁলোকে স্কুললৈ যাবলৈ এৰি দিয়া

| স্তৰ | শতাংশ হিচাপত ছোৱালী (২০১৪-১৫) | | | | |
|---|---|---|---|---|---|
| | সামগ্ৰিক | অ.জাতি | অ.জনজাতি | অ'বিচি | মুছলমান |
| প্ৰাথমিক | ৪৮.৫৪ | ৪৮.৫ | ৪৮.৩৭ | ৪৮.৬ | ৪৯.৭৯ |
| মাধ্যমিক | ৪৭.৪৬ | ৪৭.৬ | ৪৮.৪ | ৪৭.১৭ | ৫১.৭৪ |
| উচ্চতৰ মাধ্যমিক | ৪৭.০৬ | ৪৭.৫১ | ৪৭.০৯ | ৪৭.০৮ | ৫০.৮৫ |

নক্সা-৪ চৰকাৰী আৰু বেচৰকাৰী স্কুলত পঢ়া ছোৱালী (২০১৪-১৫)




নক্সা-৫ ছোৱালীৰ শতাংশ হাৰ শ্ৰেণী অনুযায়ী




মাজত বিশেষ প্ৰভেদ নাই। পিছে সামগ্ৰিকভাবে উচ্চ প্ৰাথমিক স্তৰত স্কুল এৰা হাৰ বহুত বেছি পোৱা হয়। ল'ৰা-৩.১ শতাংশ আৰু ছোৱালী -৪.৫ শতাংশ)। ইয়াৰ কাৰণো নথকা নহয়। সম্ভৱত ঃ ইয়েই হ'ল এক স্তৰ য'ত কিছুমান বিষয়ৰ ওপৰত আলোকপাত কৰাৰ আৰশ্যক হয়। এয়াই হ'ল এটা স্তৰ য'ত স্কুলৰ দূৰত্ব বৃদ্ধি পায়, ছোৱালীবোৰৰ দৈহিক পৰিৰ্তন ঘটে। স্কুললৈ যোৱাৰ সা-সুবিধাৰ প্ৰতি সামাজিক সূচলতাকো নিশ্চিত কৰা প্ৰয়োজন হয়।

স্কুলসমূহত ন্যূনতম মূল আন্তঃগাঁথনিৰ ব্যৱস্থা নিশ্চিত কৰাটো চৰকাৰৰ আৰশ্যক-যাতে তাৰ অভাৱৰ হেতু স্কুললৈ আহিবলৈ এৰি দিয়া ছোৱালীৰ সংখ্যা (ল'ৰাৰ ক্ষেত্ৰতো প্ৰযোজ্য) হ্ৰাস পায়। এই ক্ষেত্ৰত তথ্য জনাৰ অধিকাৰ আইনে ন্যূনতম আন্তঃগাঁথনিৰ তালিকা দাঙি ধৰে। সেই তালিকাৰ বিষয়বোৰ সকলো প্ৰাথমিক স্কুলতেই কামত লগোৱা প্ৰয়োজন। যিবোৰ মূল সা-সুবিধাৰ প্ৰয়োজন তাৰ ভিতৰত কেইটামান হ'ল, যেনে— খোৱাপানী, ল'ৰা আৰু ছোৱালীৰ বাবে সুকীয়া প্ৰস্ৰাৱগাৰ, ছাত্ৰ-ছাত্ৰীৰ ভৰ্তি অনুযায়ী শ্ৰেণীকোঠা আৰু শিক্ষক, খেল-পথাৰ, পুথি ভড়াল ইত্যাদি।


ছোৱালীৰ বাবে সুকীয়া প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা কৰাটোৱে স্কুললৈ আহিবলৈ এৰি

বিষয়টো এতিয়াও এটা ডাঙৰ উদ্বেগৰ কাৰণ হৈ আছে। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ ২০১৪ চনৰ প্ৰতিবেদন মতে স্কুলৰ বাহিৰত থকা মুঠ ল'ৰা-ছোৱালীৰ ভিতৰত প্ৰায় ৩৬.৫ শতাংশ ল'ৰা আৰু ৩৭.৫ শতাংশ ছোৱালী হ'ল স্কুললৈ যাবলৈ এৰি দিয়া ল'ৰা-ছোৱালী। প্ৰতিবেদন মতে ছোৱালীবোৰে স্কুলৰ বাহিৰত থাকিবলৈ বিচৰাৰ পাঁচটা ঘাই কাৰণ আছে। সেই কাৰণবোৰ এনে ধৰণৰ—


১। দৰিদ্ৰতা-অৰ্থনৈতিক কাৰণ (২৩.৯ শতাংশ)
২। অধ্যয়নৰ প্ৰতি শিশুৰ ৰাপ নাই (১৭.৫ শতাংশ)
৩। ঘৰুৱা উপাৰ্জনত শিশুৱে সহায় কৰিব লাগে (১১.৬ শতাংশ)
৪। কিছু শাৰীৰিক অসমৰ্থতা কিম্বা শোচনীয় স্বাস্থ্যত শিশু আক্ৰান্ত (১০.৮ শতাংশ)
৫। ঘৰুৱা কাম-কাজত সহায় কৰা আৰশ্যক হয় (৮.৭ শতাংশ)।

য়ু ডি আই এছ ই ২০১৪-১৫ৰ পৰিসংখ্যা ব্যৱহাৰ কৰি গড় হিচাবে যি বছেৰেকীয়া স্কুললৈ যাবলৈ এৰি দিয়া হাৰ হিচাপ কৰি উলিওৱা হয় তাৰ পৰা এইটো দেখা যায় যে সকলো পৰ্যায়তে স্কুল এৰাৰ হাৰ ল'ৰা আৰু ছোৱালীৰ


নক্সা- ৬ ঃ গড় হিচাপে বাৰ্ষিক স্কুল এৰা হাৰ



নক্সা-৭ ঃ শিক্ষয়িত্ৰী থকা স্কুল শতাংশ হিচাপত





নক্সা-৮ ঃ লিংগ, জাতি, সম্পত্তিশালী গোটৰ মুঠ উপস্থিতিৰ ক্ষেত্ৰত সমানুপাত




উৎস ঃ ৭১ বৰ্ষৰ পৰিসংখ্যাৰ ভিত্তিত হিচাপ

নক্সা-৯ ঃ লিংগ, অৱস্থান আৰু ঃ মাধ্যমিক স্তৰৰ সম্পত্তিশালী গোটৰ মুঠ উপস্থিতিৰ সমানুপাত




দিয়া মানসিকতাত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তাৰ ফলত স্কুল এৰা হাৰ হ্ৰাস কৰাত বৰঙণি যোগায়। ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত আন এক গুৰুত্বপূৰ্ণ বিষয় হ'ল স্কুলসমূহত শিক্ষয়িত্ৰীৰ উপস্থিতি। যু ডি আই এছ ই-ৰ শেহতীয়া (২০১৪-১৫) পৰিসংখ্যা মতে স্কুল প্ৰতিষ্ঠানবোৰত প্ৰায় ৪৬.৭৫ শতাংশ শিক্ষয়িত্ৰী আছে। কিন্তু এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথাটো হ'ল তেওঁলোকক স্কুলত নিয়োগ কৰাটো। অৱশ্যে কেইবছৰমানৰ পৰা প্ৰাথমিক স্তৰৰ স্কুলসমূহত শিক্ষয়িত্ৰীসকলৰ শতাংশ হাৰ বৃদ্ধি পাইছে।

নক্সা - ৮ আৰু ৯ ত সম্পত্তি তথা অসমতাৰ অন্য মূল বিষয়বোৰে গ্ৰহণ কৰা ভূমিকা সম্পৰ্কে কিছু আভাস দাঙি ধৰিছে। নক্সা ৮ ত দেখুওৱা হৈছে যে পৰম্পৰাগতভাৱে সীমামূৰীয়া অৱস্থাত নথকা আন জাতিৰ গোটসমূহ বাকী শ্ৰেণীৰ লোকতকৈ কিছু ভাল। নক্সা ৯ ত গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালীতকৈ চহৰৰ ল'ৰা-ছোৱালীৰ স্থিতি ভাল বুলি দেখুওৱা হৈছে। পিছে উভয় পৰিসংখ্যাবোৰে এইটো ইঙ্গিত বহন কৰিছে যে সৰহভাগ ক্ষেত্ৰতে ছোৱালীৰ স্থিতি ল'ৰাতকৈ কিছু বেয়া। সি যি কি নহওক, পৰিসংখ্যাত এইটো স্পষ্ট যে সামাজিক গোট বা বসবাসৰ এলেকা যিয়েই নহওক দাৰিদ্ৰ্যৰ স্থিতিৰ ওপৰত নিৰ্ভৰ কৰিহে দুখীয়া লোকৰ অৱস্থা সদায়েই ধনী লোকতকৈ যথেষ্ট বেয়া হয়।

এই বতৰা নক্সা- ১ তো স্পষ্ট হৈ উঠিছে। তাত দেখুৱা হৈছে যে অন্য সম্প্ৰদায় শ্ৰেণীৰ (অধিক সুবিধাজনক অৱস্থাত থকা) দুখীয়া ছোৱালী বোৰতকৈ অনুসূচিত জাতিৰ ধনী ছোৱালীৰ উপস্থিতি অধিক। শতাংশ হিচাপত এই হাৰ হ'ল ২০ পইণ্ট।

**স্কুল সম্পূৰ্ণকৰণৰ ক্ষেত্ৰত অসমতা**

ওপৰৰ তালিকাখনত প্ৰাথমিক পৰ্যায়ৰ স্কুল সম্পূৰ্ণ কৰা পুৰুষ আৰু মহিলাৰ (১২-২৫ বছৰ বয়স গোটৰ) হাৰ দেখুওৱা হৈছে। এয়া ২০০৭ আৰু ২০১৪ বৰ্ষৰ জনসংখ্যাৰ ভিতৰৰ লিঙ্গ আৰু সম্পত্তিশালী গোটৰ প্ৰতিছবি। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক উভয় স্তৰতে স্কুল সম্পূৰ্ণ কৰা হাৰত যথেষ্ট উন্নত হোৱা পৰিলক্ষিত হৈছে।

ছোৱালীৰ ক্ষেত্ৰত এয়া বেচ সন্তোষজনক অগ্ৰগতি। প্ৰাথমিক স্তৰ সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সামগ্ৰিক লিঙ্গ

| | প্ৰাথমিক ২০০৭ | | | প্ৰাথমিক ২০১৪ | | | উচ্চ প্ৰাথমিক ২০০৭ | | | উচ্চ প্ৰাথমিক ২০১৪ | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| সম্পত্তিশালী গোট | পুৰুষ | মহিলা | প্ৰভেদ (পুৰুষ-মহিলা) | পু | ম | প্ৰভেদ পু ম | পু | ম | প্ৰভেদ (পু ম) | পু | ম | প্ৰভেদ (পুৰুষ-মহিলা) |
| Q 1 | ৭২ | ৫৪ | ১৮ | ৭৭ | ৬৭ | ১০ | ৪৬ | ২৭ | ১৯ | ৭৭ | ৬৫ | ১২ |
| Q 2 | ৭৭ | ৬৪ | ১৩ | ৮৫ | ৭৯ | ৬ | ৫৪ | ৩৯ | ১৫ | ৮৬ | ৭৮ | ৮ |
| Q 3 | ৮১ | ৭১ | ১১ | ৮৮ | ৮৩ | ৫ | ৬০ | ৪৮ | ১২ | ৮৯ | ৮৩ | ৬ |
| Q 4 | ৮৫ | ৭৮ | ৭ | ৯০ | ৮৭ | ৩ | ৬৮ | ৫৮ | ১০ | ৯২ | ৮৮ | ৪ |
| Q 5 | ৯২ | ৮৭ | ৫ | ৯৫ | ৯৪ | ১ | ৮১ | ৭৬ | ৫ | ৯৬ | ৯৪ | ২ |
| সৰ্বমুঠ | ৮৩ | ৭৩ | ৫০ | ৮৭ | ৮২ | ৫ | ৬৪ | ৫৩ | ১১ | ৮৮ | ৮২ | ৬ |
| প্ৰভেদ (Q 5- Q 1) | ২০ | ৩৩ | | ১৮ | ২৭ | | ৩৫ | ৪৯ | | ১৯ | ২৯ | |

**উৎস ঃ** এন এছ এছ ২০০৭ আৰু ২০১৪ৰ পৰিসংখ্যাৰ ভিত্তিত নিৰ্ণায়ক সংখ্যা

অসমতাৰ মাত্ৰা ২০০৭ আৰু ২০১৪ বৰ্ষৰ মাজত ১০ শতাংশৰ পৰা ৫ শতাংশ পইণ্টলৈ হ্ৰাস পায়। টনকিয়াল অথবা সম্পত্তিশালী গোটৰ ক্ষেত্ৰত এই হ্ৰাস পৰিলক্ষিত হৈছে। পিছে প্ৰাথমিক স্তৰত প্ৰাথমিক স্কুল সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সম্পদৰ প্ৰভেদ (Q5-Q1) যথেষ্ট আছে। কিন্তু যেতিয়া অতি দুখীয়া আৰু অতি ধনী শ্ৰেণী লোকৰ মাজত তুলনা কৰি চোৱা হয়, তেতিয়া ল'ৰাৰ তুলনাত ছোৱালীৰ স্কুল সম্পূৰ্ণ কৰাৰ প্ৰভেদ বহুত বেছি দেখা যায়। ২০১৪ চনত প্ৰাথমিক পৰ্যায় সম্পূৰ্ণ কৰাৰ প্ৰভেদ সম্পত্তিশালী গোটৰ ল'ৰাৰ ক্ষেত্ৰত ১৮ পইণ্ট আৰু ছোৱালীৰ ক্ষেত্ৰত ২৭ পইণ্ট হোৱা পৰিলক্ষিত হয়।


এই অসমতা কেৱল প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰ সম্পূৰ্ণ কৰা হাৰৰ ক্ষেত্ৰতেই সীমাবদ্ধ হোৱা নাই। তদুপৰি ই মাধ্যমিক স্তৰলৈও পৰিব্যাপ্ত হয়। গ্ৰেড ১০ উত্তীৰ্ণ শতাংশ হাৰত আন্তঃৰাজ্যিক লিঙ্গ ভিত্তিক প্ৰভেদ বহুত আছে। অসমত ৰাজ্যিক বোৰ্ডৰ পৰা পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলৰ মাজত এই প্ৰভেদ সৰ্বাধিক। ইয়াৰ ফলাফল বৈশিষ্ট্যপূৰ্ণ, কিয়নো যিবোৰ ৰাজ্যত বিকাশ প্ৰক্ৰিয়া আশানুৰূপ হোৱা নাই তাৰ বালিকাসকলৰ উত্তীৰ্ণ হাৰ কম।

অৱশ্যে শিক্ষাৰ ক্ষেত্ৰত সফলতা লাভ নকৰাকৈ থকা নাই। ইয়াৰ ছবিখন বেচ উৎসাহজনক। 'এন চি ই আৰ টি'য়ে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সন্দৰ্ভত শেহতীয়াকৈ পৰিচালনা কৰা ৰাষ্ট্ৰীয় সফলতা জৰীপ মতে ছোৱালীয়ে শিকি-বুজি যি সফলতা লাভ কৰে সেয়া ল'ৰাতকৈ কোনো গুণে কম নহয়। ইংৰাজী ভাষাত ছোৱালীয়ে অৰ্জন কৰা মুঠ নম্বৰ হ'ল ২৫২ । ইয়াৰ তুলনাত ল'ৰাই অৰ্জন কৰা নম্বৰ হ'ল ২৪৬। অৱশ্যে কেইটামান বিষয়ত ল'ৰা আৰু ছোৱালীয়ে অৰ্জন কৰা নম্বৰসমূহ প্ৰায় একে সমান (প্ৰত্যেকেই ২৫০)। সেইকেইটা বিষয় হ'ল অংক, বিজ্ঞান আৰু সমাজ বিজ্ঞান।

**সামৰণি আৰু কেইটামান অনুমোদনাৱলী**

এই প্ৰবন্ধটোত ভাৰতত স্কুল পদ্ধতিৰ বিষয়ে কিছু উদ্‌ঘাটন কৰিবলৈ লোৱা হয় আৰু সেই অনুযায়ী প্ৰশ্নৰ উত্তৰ দিবলৈও চেষ্টা কৰা হয়। প্ৰশ্ন

**নক্সা-১০ ঃ উত্তীৰ্ণ হোৱা শতাংশ হাৰত অসমতা**




হ'ল—ভাৰতত সাক্ষৰতা হাৰৰ ধৰণ কি? কেনেদৰে স্কুলীয়া শিক্ষাত ইয়াক সামৰি লোৱা হয়? আৰু তাৰ পৰিৱৰ্তন কেনেদৰে হয়? তাৰ উত্তৰ স্বৰূপে যি বিশ্লেষণ কৰা হয় সেইবোৰত শিক্ষাৰ ক্ষেত্ৰত জড়িত থকা লিঙ্গ প্ৰসঙ্গৰ মূল বিষয়বোৰ চিনাক্ত কৰা। ওপৰত কৈ অহাৰ দৰে ভাৰতে যোৱা দুই দশক কালত মৌলিক শিক্ষাৰ নিৰ্ণায়াত্মক দিশ উন্নত কৰাত যথেষ্ট অগ্ৰগতি সাধন কৰিছে। গড় হিচাপে জনগণৰ শিক্ষা লাভ কৰাৰ আশা বৃদ্ধি পাইছে আৰু শিক্ষা প্ৰতিষ্ঠানত নাম ভৰ্তি কৰাৰ চাহিদা প্ৰাথমিক স্তৰৰপৰা মাধ্যমিক স্তৰলৈ ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। পিছে এই ক্ষেত্ৰত বহুত প্ৰত্যাহ্বান আছে—যদিহে সমান শিক্ষাৰ সা-সুবিধাৰ লক্ষ্য লাভ কৰিব লাগে। এইখিনিতে মন কৰিব লাগিব যে প্ৰাথমিক স্তৰত প্ৰায় সাৰ্বজনীন প্ৰৱেশ হাৰ তলত উল্লিখিত বিষয়সমূহত নিহিত আছে—

১। যদিও প্ৰৱেশ হাৰ বৃদ্ধি পাইছে বালিকাসকলৰ বয়স অনুপাতে যি গ্ৰেডত স্থিত কৰিব লাগে তাতকৈ অধিক নিম্ন গ্ৰেডত ভৰ্ত্তি কৰোৱা হয়।

২। যিসকলে মূৰকত প্ৰাথমিক চক্ৰ সম্পূৰ্ণ কৰে তেওঁলোকে এটা নিৰ্দিষ্ট সময়তকৈ অধিক কাল কটায়—যাৰ ফলত সদ্যহতে স্কুললৈ যোৱাৰ ভাল সুবিধাখিনি হেৰুৱাই সীমিত স্থিতিত নিজকে খাপ খুৱাই ল'ব লগা হয়।

৩। প্ৰাথমিক স্তৰত কম বয়সীয়া আৰু অধিক বয়সীয়া বৃহৎ সংখ্যক ছোৱালীৰ উপস্থিতিয়ে (বিলম্ব কিম্বা আগতীয়াকৈ স্কুলত ভৰ্ত্তিৰ হেতু) অনাৱশ্যকভাৱে শিক্ষা সমন্ধীয় প্ৰত্যাহ্বানৰ বিষয় উপস্থাপন কৰে।

৪। ভৰ্ত্তি হাৰ উন্নত হোৱা সত্বেও স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত এতিয়াও অসমতা বিৰাজমান আৰু সেয়া চিন্তাৰ বিষয়। ভাৰতত প্ৰাথমিক শিক্ষাৰ এই বৈশিষ্ট্যবোৰে মাধ্যমিক শিক্ষাত প্ৰৱেশ কৰিবলৈ লোৱা ছাত্ৰ-ছাত্ৰীৰ পৰিচয়নামা থিৰ কৰে।

আগতেই উল্লেখ কৰি অহা বিষয়বোৰৰ পৰা এইটো স্পষ্ট হৈ উঠিছে যে মুঠ উপস্থিতিৰ সমানুপাত হাৰৰ মাপত অংশ গ্ৰহণৰ অসমতা অধিক হৈ আছে। ল'ৰাৰ তুলনাত ছোৱালীৰ মুঠ উপস্থিতিৰ সমানুপাত বহু কম হৈ আছে। সামাজিকভাৱে অসুবিধাগ্ৰস্ততাৰ মাজত থকা শ্ৰেণীৰ লোকৰ বাবে এই ধাৰা বেচ স্পষ্ট। জাতি, বৰ্ণ আদি তথা অৰ্থনৈতিক স্থিতিৰ মাজত থকা অৱস্থাটোৱে অসমতাৰ ভাব সৃষ্টি কৰে। তাতে আকৌ অংশগ্ৰহণ অৰ্থাৎ ভাব-বিনিময়ৰে পাৰস্পৰিক সমন্ধ গঢ়ি তোলাৰ অভাৱ আছেই। সেয়ে অংশগ্ৰহণৰ ক্ষেত্ৰত থকা অসমতাক পুৰুষ আৰু মহিলাৰ অংশগ্ৰহণৰ প্ৰভেদখিনিকে কেৱল চাব নেলাগে, তদুপৰি অন্য জাতি, বৰ্ণৰ ছোৱালীৰ অংশ গ্ৰহণৰ লগত সামাজিক অসুবিধাগ্ৰস্ততাৰ ছোৱালীৰ অংশ গ্ৰহণকো তুলনা কৰি চোৱা আৱশ্যক।

তদুপৰি অৱস্থানৰ বিষয়টোক লৈও অসমতাৰ ভাব বিৰাজ কৰা দেখা যায়। চহৰাঞ্চলত বাস কৰা ছোৱালীৰ স্থিতি গ্ৰাম্য এলেকাত বাস কৰা ছোৱালীতকৈ কিছু ভাল। পিছে সামগ্ৰিকভাৱে দেখা যায় যে বহু ক্ষেত্ৰতেই ছোৱালীসকলৰ স্থিতি ল'ৰাতকৈ বেয়া। ইয়াৰ উপৰি এইটো স্পষ্ট যে অনুসূচিত জাতিৰ ধনী ছোৱালীৰ মুঠ উপস্থিতিৰ সমানুপাত অন্য সম্প্ৰদায়ৰ দুখীয়া ছোৱালীতকৈ ২০ শতাংশ পইণ্ট ওপৰত আছে।

**(৪০ পৃষ্ঠাত চাওক)**

# ভাৰতৰ স্বাধীনতা আন্দোলনত মহিলাৰ ভূমিকা

**জ্যোতি অট্ৱাল***

ভাৰতীয় জাতীয় আন্দোলনৰ কর্ম-পদ্ধতি বহুমুখী আৰু জটিল পর্যায়ৰ বাবে লক্ষণীয় আছিল। সমাজ সংশোধনৰ প্রশ্নটো ১৯ শতিকাৰ শেষৰছোৱাৰ পৰা ১৯৪৭ চন পর্যন্ত ৰাজহুৱা পৰিধিত জাতীয়তাবাদীৰ বিতৰ্কত সজীৱ হৈ আছিল। সামাজিক আৰু ৰাষ্ট্ৰীয় প্ৰশ্নৰ ক্ষেত্ৰত মহিলাৰ সচেতনতা সমান্তৰালভাৱে বৰ্দ্ধিত হৈছিল। বিধি সংস্কাৰ আৰু ৰাজকীয় বিধায়িনী পৰিষদত ভাৰতৰ অন্তৰ্ভুক্তিৰ দাবী ভাৰতীয় জাতীয় আন্দোলনৰ প্ৰথম পৰ্যায়তে গঠন হৈছিল। ভাৰতীয় পুৰুষ-মহিলা উভয়েই ১৮৮০ৰ দশকৰ পৰা সমাজ সংস্কাৰৰ দিশত নেতৃত্ব লৈছিল। সমগ্ৰ ভাৰতৰ বিশেষকৈ মহাৰাষ্ট্ৰ আৰু বংগত বিভিন্ন মহিলাৰ আত্মজীৱনী আৰু লিখনীসমূহত 'ব্যক্তিগত হ'ল ৰাজনীতি' শ্ল'গানটো প্ৰতিফলিত হৈছিল। সমাজ সংস্কাৰৰ দৰে পুৰুষৰ প্ৰাধান্য থকা ক্ষেত্ৰত মহিলাৰ প্ৰৱেশ অতীতৰ পৰম্পৰা ভংগ কৰাৰ সমতুল্য আছিল (ক'বামবি, ২০০৭)।

১৯২০ চনৰ কালছোৱাত ভাৰতৰ স্বাধীনতাৰ বাবে গান্ধীবাদী আন্দোলনত বৃহৎ সংখ্যক মহিলাৰ প্ৰৱেশ ঘটিছিল। গান্ধীয়ে ঘৰৰ শাসনৰ ভিতৰে-বাহিৰে মহিলাৰ স্থানৰ ক্ষেত্ৰত তেওঁৰ বক্তৃতাত কৌশলপূৰ্ণভাৱে সফল হৈছিল। ১৯২০ চনৰ শেষৰ ফালে স্বাধীনতা আন্দোলনে সমাজ ভিত্তি অৰ্জন কৰিছিল। বাল্য বিবাহ আৰু বিধৱাৰ পুনৰ বিবাহ আদি বিষয়বোৰ গান্ধী আৰু স্থানীয় সংস্কাৰকসকল সমান্তৰালভাৱে সম্বোধন কৰিছিল। ভাবী ভাৰতীয় জাতিৰ আধুনিক জানুছ'ৰ ৰাষ্ট্ৰীয়তাবাদী কল্পনাত ইতিমধ্যে অংকুৰিত হৈছিল, ১৯ শতিকাৰ শেষছোৱাৰ শৈক্ষিক সংস্কাৰ আৰু সামাজিক পৰিৱৰ্তনে পঢ়া আৰু ৰাজহুৱাকৈ লিখাত এটা নতুন বৈচিত্ৰ্যৰ সৃষ্টি কৰিছিল, য'ত মহিলাৰ অনুপাত অপৰ্যাপ্ত আছিল। বাতৰি কাকতৰ জৰিয়তে শিক্ষা আৰু ৰাজনৈতিক সচেতনতাই শিক্ষিতসকলক প্ৰভাৱিত কৰিছিল। ১৯ শতিকাৰ মহিলাৰ নিজৰ সংগঠন সমগ্ৰ ভাৰততে ক্ষিপ্ৰভাৱে বাঢ়িছিল, ১৯০৮ চনত ৰুকেয়া শ্বেখাৱাট হুছেইন নামৰ বংগৰ এগৰাকী শিক্ষাবিদ আৰু চুটিগল্প লেখিকাই চুলতানাৰ সপোন লিখিছিল। এই চুটিগল্পটোৱে মহিলাৰ নিজৰ প্ৰশাসন ব্যৱস্থাৰ বিষয়ে এটা ধাৰণা প্ৰৱৰ্তন কৰিছিল। বংগত মহিলাৰ অধিক সংস্কাৰকামী গোট দৃশ্যমান হ'ল। ১৯১০ চনত সৰলা দেৱী চৌধুৰাণীয়ে (ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাগিনী) **ভাৰত স্ত্ৰী মহামণ্ডল** গঠন কৰিছিল। তেওঁ হিন্দু সঞ্জীৱনীক ৰাজনৈতিক প্ৰতিবাদৰ লগত একগোট কৰিছিল,। তেওঁ হিন্দুৰ উৎসৱ **অষ্টমী**ক **বীৰঅষ্টমী** ৰূপে অতীতৰ বিজয়ী বীৰসকলৰ নামত উদ্‌যাপন কৰিবলৈ সামান্য সালসলনি কৰিছিল।

শতিকাটো ঘূৰাৰ সময়তে বোম্বে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সকলো ৰাজনৈতিক কাৰ্যাৱলীৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। বংগত বহুত গোপন সংঘ আছিল। **স্বদেশী** অভিযান চলাই যাবলৈ মহিলাসকলে তেওঁলোকৰ পৰিয়ালৰ পৰা সমৰ্থন লাভ কৰিছিল। ইয়াৰ বহুতেই বিদেশী বস্ত্ৰ বৰ্জন আৰু সুৰাৰ দোকানত বাধা দিছিল। বংগত **ভাৰত মাতা** (মাডাৰ ইণ্ডিয়া)ৰ এটা জাতীয় ভাৱধাৰাৰ উদয় হৈছিল। ১৮৮২ চনত বংকিম চন্দ্ৰ চট্টোপাধ্যায়ে (১৮৩৮-১৮৯৪) **আনন্দমঠ**ত মাতৃভূমিৰ কাৰণে প্ৰাণ আহুতি দিয়া ভাৰতীয় বিদ্ৰোহীসকলৰ বিষয়ে বৰ্ণনা কৰিছিল। তেওঁৰ জনপ্ৰিয় স্তুতি গীত 'বন্দে মাতৰম ঔপনিৱেশী ভাৰতীয়ৰ বিৰুদ্ধে আৰু আহিব লগা সকলো সময়ৰ বাবে গীত হৈ পৰিল। মহিলাসকলৰ অংশগ্ৰহণৰ দ্বিতীয় পৰ্যায়ত হ'ম ৰুল ধাৰণা আৰু সাংবিধানিকতাবাদ প্ৰবল হৈ উঠে। কেইগৰাকীমান পশ্চিমীয়া মহিলাই ইয়াত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ১৯১৭ চনত অৰ্দ্ধ-আইৰিছ আৰু অৰ্দ্ধ ইংৰাজ এনি বেছাণ্ট (১৮৪৭-১৯৩৩) ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভানেত্ৰীৰ আসনত অধিষ্ঠিত হয়। এজন ব্ৰহ্মবেত্তা আৰু সমাজবাদী বেছাণ্ট আছিল লণ্ডনত প্ৰশিক্ষণপ্ৰাপ্ত প্ৰচাৰ

***জ্যোতি আট্ৱাল জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ স্কুল অৱ ছ'ছিয়েল ছায়েন্সৰ ছেণ্টাৰ ফৰ্ হিষ্টৰীকেল ষ্টাডিজৰ আধুনিক ভাৰতীয় ইতিহাসৰ সহযোগী অধ্যাপক।**

অভিযানকাৰী। তেওঁ আইৰিছ আৰ্হিত হ'ম ৰুলৰ বাবে প্ৰচাৰ অভিযান আৰম্ভ কৰে। ১৯১৭ চনৰ ভিতৰত সৰোজিনী নাইডু (১৮৭৯-১৯৪৯) প্ৰভাৱশালী ৰাষ্ট্ৰীয়তাবাদী হিচাপে উদিত হয়। তেওঁ ১৯২৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী পদত অধিষ্ঠিত হয় আৰু এই পদত অধিষ্ঠিত হোৱা দ্বিতীয় গৰাকী মহিলা। তেওঁ ১৯০৫ চনত বংগ বিভাজনৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সময়তে ভাৰতীয় জাতীয় আন্দোলনত যোগদান কৰে। ১৯১৫-১৮ কালছোৱাত তেওঁ মহিলা সবলীকৰণ আৰু ৰাষ্ট্ৰীয়তাবাদৰ সন্দৰ্ভত ভাৰতৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি ভাষণ দিয়ে। তেওঁ মহিলাৰ ভাৰতীয় সংস্থা গঠনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল আৰু লণ্ডনলৈ যোৱা মহিলাৰ ভোটৰ অধিকাৰ প্ৰতিনিধি দলক সংগদান কৰিছিল।

তৃতীয় পৰ্যায়ত, প্ৰথম বিশ্ব যুদ্ধৰ সামৰণি আৰু ১৯১৯ চনত জালিয়ানাবাগ হত্যাকাণ্ডই জাতিৰ মানসিকতা পৰিৱৰ্তন কৰে আৰু স্বাধীনতাৰ প্ৰশ্নত সমগ্ৰ ভাৰতৰ লোকক একগোট কৰে। ১৯১৯ চনৰ আৰম্ভণিত বৃটিছে ৰাওলাট আইন গৃহীত কৰি ৰাজহুৱা স্থানত একগোট হোৱা/প্ৰতিবাদ আদি নাগৰিক অধিকাৰ কৰ্তন কৰে। ১৩ এপ্ৰিলত গান্ধীজীয়ে আহ্বান জনোৱা শান্তিপূৰ্ণ অৱস্থান বা সত্যাগ্ৰহ আৰু অসহযোগৰ প্ৰতি অমৃতসৰৰ (পঞ্জাৱ) বৃহৎ সংখ্যক লোকে অংশগ্ৰহণ কৰে। এই শান্তিপূৰ্ণ প্ৰতিবাদকাৰী হাজাৰোধিক লোকক গুলীয়াই হত্যা কৰা হয়। এই ঔপনিৱেশিক হিংসাৰ উদাহৰণে ১৯২০-২২ চনৰ কালছোৱাত অসহযোগ আন্দোলনৰ পৰৱৰ্তী পৰ্যায়ৰ সূচনা কৰে। এই লানি কাৰ্যসূচীত আইন আদালত আৰু বিদ্যালয় বৰ্জন কৰাৰ আহ্বানেৰে স্বদেশীয় কাৰ্যসূচী আগবঢ়াই নিয়া হয়। **ৰাষ্ট্ৰীয় স্ত্ৰী সংঘ**ৰ দৰে মহিলাৰ স্বতন্ত্ৰ সংগঠন জিলা কংগ্ৰেছ সমিতিৰ লগত যোগ হয়। অসহযোগ আন্দোলন সমগ্ৰ বংগত বিয়পি পৰে আৰু সমগ্ৰ দেশৰ মহিলা একত্ৰিত হয়। এই আন্দোলন হিন্দু আৰু মুছলমানৰ ঐক্যৰ প্ৰতীকো হৈ পৰে। আহমেদাবাদত আলী ভ্ৰাতৃসকলৰ মাতৃ বাই আম্মাই ৬০০০ মহিলাক পুৰুষৰ লগত ধৰ্মঘট কৰাত যোগ দিবলৈ আহ্বান জনায়। গান্ধীজীয়ে সমাজৰ অনুসূচীত/উপান্ত শ্ৰেণীৰ মহিলাসকলক যোগদানৰ বাবে আহ্বান জনায়। অন্ধ্ৰ প্ৰদেশত শিহৰণকাৰী দুৰ্গাবায়ে হাজাৰোধিক **দেৱদাসী** (মন্দিৰৰ যৌনকৰ্মী হিচাপে পৰম্পৰা-গতভাৱে বিবেচিত) গান্ধীৰ ভাষণ শুনাৰ বাবে গোট খুৱায়। এই দলটোৱে অলঙ্কাৰৰ ৰূপত কুৰি হাজাৰ টকাৰ দান সংগ্ৰহ কৰে। পৰৱৰ্তী পৰ্যায়ত হিন্দু বিধৱাই তেওঁক ইয়াৰ প্ৰতি আহ্বান জনায়। এইসকল মহিলাৰ সত্যাগ্ৰহৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন নাছিল আৰু গান্ধীৰ কাৰণে আদৰ্শ স্বাধীনতা যুঁজাৰু হিচাপে প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোক অত্যন্ত উপযুক্ত অংশগ্ৰহণকাৰী আছিল। এগৰাকী বিধৱাৰ ব্যক্তিগত ত্যাগ ৰাজনৈতিক আদৰ্শলৈ পৰিৱৰ্তন কৰিব পাৰি। গান্ধীয়ে যদিও বুজন সংখ্যক বিধৱাক অংশগ্ৰহণকাৰী ৰূপলৈ পৰিৱৰ্তন কৰা নাছিল, তেওঁ বৈধব্যৰ ধাৰণা ধৰি ৰাখিছিল। এইদৰে গান্ধীয়ে হিন্দু বৈধব্যক ৰাজহুৱা সচেতনতাৰ স্থিৰ কিন্তু নিয়মিত সংগ্ৰামৰ দিশে ৰাজনীতিকৰণ আৰু আদৰ্শকৰণ কৰি ব্যৱহাৰ কৰিছিল। সেয়েহে ই অনিবাৰ্য আছিল যে, ঔপনিৱেশিক কালৰ পাছৰ ভাৰতৰ বাবে এগৰাকী সংগ্ৰামী বিধৱা মাতৃ আছিল ইয়াৰ ঔপনিৱেশ বিৰোধী অতীত আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ জাতিৰ (অটৱাল, ২০১৩) মূৰ্ত্ত ৰূপ।

গান্ধীয়ে এই পতিহীনাসকলৰ ব্যক্তিগত ত্যাগৰ শক্তি উদ্‌যাপন কৰিছিল আৰু নিজৰ যৌনতাক আধ্যাত্মিক শক্তিলৈ ৰূপান্তৰ কৰিছিল।

জাতীয় আন্দোলনৰ পৰৱৰ্তী পৰ্যায়ত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি পাইছিল। ১৯২০ চনৰ পাছৰ কালছোৱাত, এই ৰাজনৈতিক জীৱন্ত বাতাবৰণত দুবছৰৰ বাবে ভাৰত ভ্ৰমণ কৰা কেথেৰিণ মায়' নামৰ এগৰাকী আমেৰিকাৰ মহিলাৰ **মাডাৰ ইণ্ডিয়া** নামৰ এখন গ্ৰন্থ প্ৰকাশ হয়। এই গ্ৰন্থখনত তেওঁ হিন্দু পুৰুষ আৰু পৰিয়ালৰ ভিতৰত ভৃত্যৰ দৰে স্থিতিত বাস কৰা মহিলাৰ অৱস্থানৰ উগ্ৰ সমালোচনা কৰা হৈছিল। গ্ৰন্থখন ভৱিষ্যতৰ 'গোলকীয় ৰাজহুৱা ঘটনা' (মৃণালিনী সিন্‌হা, ২০০৬) হোৱাৰ উপক্ৰম হৈছিল। এই ঘটনাসমূহৰ অত্যন্ত নিৰ্ণায়ক বিষয়টো হ'ল ১৯ শতিকাৰ পৰা 'হিন্দু পৰিয়াল'ৰ স্থান ৰাজহুৱা পৰিনিৰীক্ষণৰ বাবে মুকলি হ'ল। ৰাষ্ট্ৰীয়তাবাদী আৰু সংস্কাৰকৰদ্বাৰা নেতৃত্ব দিয়া জাতীয়তাবাদী প্ৰচাৰ অভিযানে পৰিয়ালৰ ওপৰত দৃষ্টি নিৱদ্ধ আৰু ঘৰুৱা অহিংসাৰ স্থান তৈয়াৰ কৰিবলৈ বাধ্য হ'ল। দেশৰ চৌদিশৰ পৰা গ্ৰন্থখনৰ সম্পৰ্কে শক্তিশালী প্ৰতিকূল প্ৰতিক্ৰিয়া আহিবলৈ ধৰিলে। ই ভাৰতীয় পুৰুষ আৰু মহিলাক জাতীয় সন্মানৰ বাবে একগোট হ'বলৈ বাধ্য কৰালে। ১৯৩০ৰ দশকটোৰ আন এটা প্ৰধান বিকাশ হ'ল— আইন অমান্য আন্দোলন। ই প্ৰথমতে স্থানীয়ভাৱে উৎপাদিত লোণৰ ওপৰত আৰোপ কৰা কৰৰ প্ৰতিক্ৰিয়া আছিল। ই সবৰমতী নদীৰ পৰা আৰম্ভ

কৰা ২৪ দিনজোৰা দীৰ্ঘ পদযাত্ৰাৰ লগত জড়িত আছিল। মহিলা স্বেচ্ছাসৱীসকল এতিয়া পদযাত্ৰাত নেতৃত্ব লোৱা, বৰ্জন কাৰ্য আৰু প্ৰভাত ফেৰীৰ (কাহিলী-পুৱাতে দেশপ্ৰেমমূলক গীত গোৱা) বাবে শাৰীৰিকভাৱে প্ৰশিক্ষণপ্ৰাপ্ত হ'ল। মহিলাসকলে তেওঁলোকৰ সংগঠনৰ ভিতৰতে দেশপ্ৰেমিক গোট গঠন কৰিলে। এইবোৰক **দেশ সেৱিকা সংঘ** বুলি কোৱা হৈছিল। মহিলাসকলে শান্তিপূৰ্ণ পদযাত্ৰা কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল কিছুমান মহিলাই সংস্কাৰকামী গোটত যোগদান কৰিলে আৰু ব্যক্তিগতভাৱে বৃটিছ বিষয়া, ৰাজনৈতিক হত্যাৰ দৰে বিদ্ৰোহ কাৰ্যত সহায় আগবঢ়াইছিল।

১৯৩০ৰ দশকত কাৰাগাৰলৈ নিক্ষেপিত মহিলাসকল আছিল সৰোজিনী নাইডু, মুথুলক্ষ্মী ৰেড্ডী, মাৰ্গাৰেট কাজিনছ আৰু কমলা দেৱী চট্টোপাধ্যায়। উদাৰবাদী গৃহ আৰু ৰক্ষণশীল পৰিয়াল, নগৰীয়া কেন্দ্ৰ আৰু গ্ৰাম্য জিলা, অকলশৰীয়া আৰু বিবাহিতা মহিলা, যুৱতী-বৃদ্ধা সকলো ওলাই আহি ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে হোৱা সংগ্ৰামত যোগদান কৰিছিল (ফৰ্বছ, ২০০৫)।

পুৰুষসকলৰ গ্ৰেপ্তাৰৰ ঘটনাত মহিলা সংগঠনসমূহে আইন অমান্য কাৰ্যসূচী গ্ৰহণ কৰিছিল আৰু সভা অনুষ্ঠিত কৰিছিল। তদুপৰি তেওঁলোক গান্ধীৰ গঠনমূলক কাৰ্যসূচী— কাপোৰ বোৱা আৰু অনশন কাৰ্যসূচী গ্ৰহণ কৰিছিল— ১৯৩০ৰ দশকত মহিলা সম্পৰ্কীয় এনে বহু যুগমীয়া ঘটনাৰ স্মৃতি আছে। লক্ষ্ণৌত কংগ্ৰেছক চৰকাৰৰদ্বাৰা অবৈধ ঘোষণা কৰা হ'ল। বিখ্যাত উপন্যাসিক প্ৰেমচাঁদৰ পত্নী শিৱ্ৰানী দেৱীয়ে নিজৰ স্মৃতিকথাত লিখিছে যে আৰক্ষীৰ লৰীৰ ভিতৰত বহি থকা মহিলাসকলে মহাত্মা গান্ধীক অভিবাদন জনাইছিল আৰু কৈছিল **ভাৰত মাতা কী জয়** (অভিবাদন মাতা ভাৰত)। তাত এজন পৰিদৰ্শক আৰু সাতজন কনিষ্টবল আছিল। সকলো মহিলাই জাতীয় দেশপ্ৰেমমূলক গীত গাইছিল— পৰিদৰ্শকজন নামি যোৱাৰ পাছতে তেওঁলোকৰ পিছত বহি থকা কনিষ্টবলসকলৰ চকুত পানী দেখা গৈছিল। পৰিদৰ্শকজনে শিৱ্ৰানীকে ধৰি ৫০ গৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছিল কিন্তু তেওঁলোকক কাৰাগাৰলৈ নিক্ষেপ কৰা নাছিল, মহানগৰৰ পৰা আঁতৰৰ ৰাজহুৱা স্থানত তেওঁলোককএৰি দিয়া হৈছিল। বাৰ হাজাৰৰো অধিক লোক সমবেত হোৱা **মহিলা আশ্ৰমৰ** এখন ৰাজহুৱা সভাত শিৱ্ৰানীয়ে গ্ৰেপ্তাৰ হ'ব পাৰে বুলি ভালদৰে জানিও এটা অতি জ্বালাময়ী ভাষণ দিছিল। ১৯৩১ চনৰ নৱেম্বৰ মাহত বিদেশী বস্ত্ৰ পিকেটিং কৰাৰ বাবে (অট্ৱাল, ২০০৭) আন ৭ গৰাকী মহিলাৰ স'তে শিৱ্ৰানী গ্ৰেপ্তাৰ হৈছিল। শিৱ্ৰানী দেৱীয়ে অসহযোগ আন্দোলনতো অংশগ্ৰহণ কৰিছিল।

মহিলাৰ জাতীয়তাবোধৰ সচেতনতা এবাৰ বিভিন্ন মাত্ৰাত উদ্ৰেক হোৱাৰ পাছত তেওঁলোকে ৰাজনৈতিক স্বাধীনতা লাভৰ বাবে বিভিন্ন কৌশল উদ্ভাৱন আৰম্ভ কৰিছিল।

আন এটা গুৰুত্বপূৰ্ণ দেশপ্ৰেমিক সংগঠন হিন্দুস্থান ছ'ছিয়েলিষ্ট ৰিপাব্লিকান এছ'ছিয়েশ্বনেও দুৰ্গাৱতী দেৱী বা দুৰ্গা বৌৰ (১৯০৭-১৯৯৯)ৰ বৰঙণি প্ৰত্যক্ষ কৰিছিল। তেওঁ আৰু তেওঁৰ স্বামীৰ ভগৱতী চৰণ ভোহ্ৰা উপৰোক্ত সংগঠনৰ সদস্য আছিল। চাওন্দাৰৰ হত্যাৰ পাছত ভেশছন ধৰি ভগত সিঙে পলায়ন কৰা ৰে'লখনত তেওঁ সিঙক সংগদান কৰিছিল।

আন এটা বিদ্ৰোহাত্মক অংশগ্ৰহণৰ উদাহৰণ আছিল ১৯৩০ দশকৰ ছট্টগ্ৰামৰ অস্ত্ৰাগাৰ তালাচী গোচৰ। কল্পনা দত্তই (১৯১৩-১৯৯৫) ছট্টগ্ৰাম শাখাৰ ভাৰতীয় প্ৰজাতান্ত্ৰিক সেনাবাহিনীত যোগদান কৰিছিল, যিটো ১৯৩১ চনত সূৰ্য সেনে নেতৃত্ব দিছিল। তেওঁ ১৯৩১ চনত ছট্টাগ্ৰামত য়ুৰোপীয়ান ক্লাৱত আক্ৰমণ কৰাৰ ঘটনাত প্ৰীতিলতা ৱাদেকাৰক সহযোগ কৰিছিল। এই আক্ৰমণৰ এসপ্তাহ পূৰ্বে অঞ্চলটোত সামৰিক ব্যৱস্থা গ্ৰহণৰ পূৰ্বে গতিবিধি পৰ্যবেক্ষণৰ সময়ত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। জামিনত মুক্তি লাভ কৰাৰ পাছতে তেওঁ আত্মগোপনকাৰী হিচাপে যোগদান কৰে। ১৯৩৩ চনৰ ১৭ ফেব্ৰুৱাৰীৰ দিনা আৰক্ষীয়ে তেওঁলোকে লুকাই থকা স্থান ঘেৰি ধৰে আৰু সূৰ্য সেন গ্ৰেপ্তাৰ হয় কিন্তু কল্পনা পলাই সাৰিবলৈ সমৰ্থ হয়। ছট্টগ্ৰাম অস্ত্ৰাগাৰ তালাচী গোচৰৰ দ্বিতীয় পৰিপূৰক পৰীক্ষাৰ সময়ত কল্পনা দণ্ড বিধানৰ সন্মুখীন হয়। ১৯৩৯ চনত তেওঁ মুক্তি লাভ কৰে।

১৯৩০ৰ দশকত কমলা দেৱী চট্টোপাধ্যায় (১৯০৩-১৯৮৮) গান্ধীবাদী আন্দোলনত বিশেষকৈ লোণ সত্যাগ্ৰহৰ এগৰাকী প্ৰধান নেত্ৰী হিচাপে আত্মপ্ৰকাশ কৰে। পাছত স্বাধীন ভাৰতত তেওঁ ভাৰতীয় হস্তশিল্প, হস্ত-তাঁত আৰু নাট অভিনয়ৰ উৎকৰ্ষৰ বাবে আগ্ৰহান্বিত হয়। গান্ধী, নেহৰু আৰু সমাজবাদীৰ মাজত 'ত্ৰিকোণিক সম্পৰ্ক'ৰ মাজত থকা বাবে কমলা দেৱী কংগ্ৰেছৰ সিদ্ধান্তত কেতিয়াও মূল ভূমিকা গ্ৰহণকাৰী হ'ব নোৱাৰিলে। ভাৰত চৰকাৰে ১৯৫৫ চনত তেওঁক পদ্মভূষণ আৰু পাছত ১৯৮৭ চনত ভাৰতৰ দ্বিতীয় অসামৰিক সন্মান পদ্মবিভূষণ বঁটাৰে সন্মানিত কৰে।

তেওঁ সমূহীয়া নেতৃত্বৰ বাবে ৰমণ মেগাছেছে বঁটা (১৯৬৬) লাভ কৰে। তেওঁৰ জীৱনজোৰা সাধনাৰ বাবে সংগীত নাটক একাডেমী ফেল'শ্বিপ, সংগীত নাট একাডেমীৰ শীৰ্ষ সন্মান ৰত্ন সদস্য লাভ কৰে।

আনহাতে সৰোজিনী নাইডুক অধিক ৰাজনৈতিক স্থান দিয়া হৈছিল। নাইডুৱে কাণপুৰত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ বছৰেকীয়া অধিৱেশনত সভানেত্ৰীত্ব কৰে। ১৯২৯ চনত তেওঁ দক্ষিণ আফ্ৰিকাত পূব আফ্ৰিকীয় ভাৰতীয় কংগ্ৰেছৰ সভানেত্ৰীত্ব কৰে। ভাৰতত প্লেগ মহামাৰীৰ সময়ছোৱাত আগবঢ়োৱা সেৱাৰ বাবে বৃটিছ চৰকাৰে তেওঁক কেইচৰ-ই-হিন্দ পদক প্ৰদান কৰে। ১৯৩০ চনৰ লোণ সত্যাগ্ৰহৰ সময়ছোৱাত গুজৰাটৰ দৰ্শনা লোণ ৱৰ্কছত তেওঁ অন্যতম মহিলা প্ৰতিবাদকাৰী আছিল। দৰ্শনাত বৃটিছ আমোলৰ সৈনিকে সত্যাগ্ৰহীসকলক কোবাইছিল। ১৯৩১ চনত তেওঁ গান্ধী আৰু মদন মোহন মালব্যৰ সৈতে ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰিছিল। তেওঁ আইন অমান্য আন্দোলনৰ সময়ছোৱাত নেতৃত্ব লৈছিল আৰু গান্ধী আৰু অন্যান্য নেতাৰ লগত কাৰাবাস খাটিছিল। ১৯৪২ চনত পুনৰ তেওঁ 'ভাৰত ত্যাগ' আন্দোলনৰ সময়ত গ্ৰেপ্তাৰ হয়। পৰৱৰ্তী কালত ১৯৪৭ চনৰ পৰা ১৯৪৯ চললৈকে নাইডু য়ুনাইটেড প্ৰভিন্স অৱ আগ্ৰা আৰু অধৰৰ প্ৰথম মহিলা ৰাজ্যপাল হিচাপে অধিষ্ঠিত হয়।

আন এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেত্ৰী অৰুণা আশ্ৰুফ আলী (১৯০৯-১৯৯৬) কংগ্ৰেছ আৰু বাহিতো যথেষ্ট সন্মানীয় আসন লাভ কৰিছিল। ভাৰত ত্যাগ আন্দোলনৰ সময়ত বোম্বেৰ গোৱালিয়া টেংক ময়দানত ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকা উৰুৱাৰ বাবেই তেওঁ স্মৰণীয় হৈ থাকিব। ১৯৫৮ চনত তেওঁ দিল্লীৰ প্ৰথম মেয়ৰ হিচাপে নিযুক্ত হয়। ১৯৯৭ চনত তেওঁক মৰণোত্তৰ-ভাৱে সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন সন্মান প্ৰদান কৰা হয়। আছফ আলীৰ লগত বিবাহ হোৱাৰ পাছত তেওঁ কংগ্ৰেছৰ সক্ৰিয় সদস্য হৈ পৰে আৰু লোণ সত্যাগ্ৰহৰ সময়ছোৱাত শোভাযাত্ৰাসমূহত ভাগ লয়। তেওঁক অনাই-বনাই ঘূৰি ফুৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হয় আৰু সেয়েহে ১৯৩১ চনত সকলো ধৰণৰ কাৰাবন্দীৰ মুক্তিৰ ক্ষেত্ৰত চৰ্ত আৰোপ কৰা গান্ধী-আৰউইন চুক্তিৰ অধীনত তেওঁক মুক্তি দিয়া নাছিল। অন্যান্য মহিলা কাৰাবন্দীয়ে তেওঁক মুক্তি নিদিয়া পৰ্যন্ত সেই স্থান ত্যাগ কৰিবলৈ অস্বীকাৰ কৰিছিল। এই ক্ষেত্ৰত মোহন দাস কৰমচাঁদ গান্ধীয়ে হস্তক্ষেপ কৰে। ৰাজহুৱা প্ৰতিবাদৰ ফলত তেওঁক মুক্তি দিয়া হয়। ১৯৩২ চনত তিহাৰ কাৰাগাৰত বন্দী হৈ থকাৰ সময়ত অনশন কাৰ্যসূচীৰে ৰাজনৈতিক কাৰাবন্দীসকলৰ প্ৰতি কৰা নিস্পৃহ প্ৰদৰ্শনৰ প্ৰতিবাদ কৰে। তেওঁৰ এই কাৰ্যসূচীৰ ফলত তিহাৰ কাৰাগাৰৰ পৰিস্থিতি কিছু উন্নত হয় কিন্তু তেওঁক আম্বালালৈ স্থানান্তৰ কৰা হয় আৰু অকলশৰীয়াকৈ বন্দী কৰি ৰাখে। মুক্তিৰ পাছত তেওঁ ৰাজনৈতিকভাৱে বেছি সক্ৰিয় হৈ থকা নাছিল। ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে বোম্বে অধিৱেশনত নিখিল ভাৰত কংগ্ৰেছ সমিতিয়ে ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত কৰে।

মুঠতে ক'বলৈ গ'লে জাতীয় আন্দোলনত অংশগ্ৰহণ কৰা মহিলাৰ ভাবমূৰ্তি আৰু অংশগ্ৰহণ **মাডাৰ ইণ্ডিয়াৰ** বহু তৰপীয়া জাতি আৰু ৰাণী ভিক্টোৰিয়াৰ শাসন কালৰ নৈতিকতাৰ পৰা গ্ৰহণ কৰা হৈছিল। জাতীয় প্ৰচাৰ অভিযানত নেতৃত্ব গ্ৰহণ কৰা মহিলা-সকল উচ্চ-মধ্যবিত্ত শ্ৰেণীৰ আছিল তথাপি শেহতীয়া বছৰবোৰত দলিত আৰু জনজাতীয় মহিলাসকলেও জাতিৰ ইতিহাসত অংশগ্ৰহণ প্ৰতিপন্ন কৰিছে। এনে বহু কাহিনী এতিয়া লিপিবদ্ধ হোৱাৰ অপেক্ষাত আছে। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# মহিলা সবলীকৰণ সন্দৰ্ভত আলোকপাত আৰু কিছু বিচাৰ্য বিষয়

**সুভাষ শৰ্মা***

১৭৮৯ খ্ৰীষ্টাব্দৰ ফৰাছী বিপ্লৱক মানৱ জাতিৰ মুক্তি প্ৰদানকাৰী বিপ্লৱৰূপে বিবেচনা কৰা হয়। কিন্তু এই বিবেচনাত মহিলা আৰু ভৃত্যসকলক ধৰা নহয়; কিয়নো এই বিপ্লৱৰ ঘোষণাত কেৱল 'পুৰুষ আৰু নাগৰিক'ৰ ওপৰতহে আলোকপাত কৰা হৈছিল। মহিলা আৰু ভৃত্যসকলক নাগৰিকৰ সংজ্ঞাত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল আৰু মহিলাসকল যে 'পুৰুষ' নহয়, সেইটো স্পষ্ট কৰা হৈছিল। যদি আমি পুৰুষ-মহিলাৰ আচাৰ-বিচাৰ, জীৱবিজ্ঞান, সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক তথা স্থানৰ আকাৰত চাওঁ, তেনেহ'লে আমি অনেক ধৰণৰ প্ৰভেদ দেখা পাওঁ— বিশেষকৈ গ্ৰাম্য ভাৰতীয় সমাজৰ প্ৰসংগত এই প্ৰভেদ দূৰত্ব, বৈষম্য আৰু বঞ্চনাৰ ক্ষেত্ৰত সুস্পষ্ট— যিবোৰে অ-সবলীকৰণক গতি প্ৰদান কৰে।

মহিলা আৰু পুৰুষৰ মাজৰ সম্পৰ্ক দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত ভাৰতত সমান নহয়। তাৰ কাৰণ হ'ল পুৰুষসকলক পৰিয়ালৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সৰ্বেসৰ্বাৰূপে বিবেচনা কৰা হয়। উদাহৰণস্বৰূপে ক'বলৈ গ'লে ৰাষ্ট্ৰীয় পৰ্যায়ত বালিকাসকল স্কুলত ভৰ্তি হোৱাৰ ক্ষেত্ৰত ল'ৰাতকৈ পিছ পৰি আছে। তাৰ পৰিসংখ্যা হ'ল এনে ধৰণৰ— ৬-৯ বছৰ বয়সৰ বালিকাৰ ক্ষেত্ৰত ৯৫.৪ শতাংশ, ১০-১৪ বছৰ বয়স গোটৰ ৯৩.৭ শতাংশ আৰু ১৫-১৭ বছৰ বয়স গোটৰ ৮৩.৮ শতাংশ। ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত শীৰ্ষ পাঁচখন ৰাজ্য হ'ল— কেৰালা, মহাৰাষ্ট্ৰ, তামিলনাডু, তেলেংগানা তথা জম্মু আৰু কাশ্মীৰ। আনপিনে নিম্ন স্থানত থকা ৰাজ্যকেইখন হ'ল— ৰাজস্থান, গুজৰাট, ওড়িশা, মধ্য প্ৰদেশ আৰু উত্তৰ প্ৰদেশ। তেনেদৰে কামৰ ক্ষেত্ৰতো প্ৰভেদ আছে। একেটা কামৰ বাবে সম বেতন আইন, ১৯৪৮ সত্ত্বেও মহিলা (জাতি, ধৰ্ম, অঞ্চল নিৰ্বিশেষে)সকলক পুৰুষতকৈ কম বেতন দিয়া হয়। তাৰ মাত্ৰা হ'ল ২০ শতাংশৰ পৰা ৫০ শতাংশৰ ভিতৰত। এই বৈষম্য গ্ৰাম্য আৰু চহৰ এলেকা উভয়তে আছে— যদিও গ্ৰামাঞ্চলতকৈ চহৰাঞ্চলৰ পুৰুষ আৰু মহিলা উভয়ে অধিক বেতন পায়। পিছে শিক্ষাৰ স্তৰ বৃদ্ধি পোৱাৰ লগে লগে পুৰুষ আৰু মহিলা কৰ্মীসকলৰ বেতন বৃদ্ধি পায় আৰু দুই লিংগৰ মাজত থকা বেতনৰ পাৰ্থক্যও কমি আহে। তাত তিনিটা ইটোৰ লগত সিটোৰ সম্পৰ্ক থকা প্ৰক্ৰিয়া আছে। সেয়া হ'ল— (ক) দৰিদ্ৰ অৱস্থাত থকা মহিলা, (খ) কামৰ নৈমিত্তিক, ধৰা-বন্ধা নহয় আৰু ঠিকাভিত্তিক— বিশেষকৈ মহিলাৰ বাবে আৰু (গ) মহিলাক যৌনভাৱে শোষণ কৰা, ছোৱালী আৰু মহিলাক অসৎ কাৰ্যৰ বাবে সৰবৰাহ কৰা গতি বৃদ্ধি, কল গাৰ্ল তথা বেশ্যাৰ সংখ্যাও বৃদ্ধি।

ভাৰতত মহিলাসকলৰ স্বাস্থ্যৰ অৱস্থা এতিয়াও সন্তোষজনক নহয়— যদিও মাতৃৰ মৃত্যু হাৰ কিছু হ্ৰাস পাইছে। ২০০০ বৰ্ষত এই হাৰ আছিল প্ৰতি এক লাখৰ ভিতৰত ৩০৯। ২০১৩ বৰ্ষত এই হাৰ কমি হয়গৈ ১৬৭। কিছু ভাল চিকিৎসা সা-সুবিধাৰ বাবে এনে হ'লেও সহস্ৰ নাৰী এতিয়াও প্ৰসৱজনিত জটিলতাৰ হেতু মৃত্যুৰ মুখত পৰে। তাৰ ডাঙৰ কাৰণবোৰ হ'ল— ৰক্তক্ষৰণ ৩০ শতাংশ, ৰক্তাল্পতা ১৯ শতাংশ, ৰক্তদূষণ ১৬ শতাংশ, প্ৰতিবন্ধক.... ১০ শতাংশ, ৰক্তদুষ্টি ৮ শতাংশ আৰু অন্যান্য ১৭ শতাংশ। এইবোৰ হোৱাৰ কাৰণ হ'ল দৰিদ্ৰতা, নিবনুৱা, সজাগতাৰ অভাৱ আৰু চিকিৎসা সুবিধাৰ অভাৱ (কম চিকিৎসালয়, বিচনা, চিকিৎসক, নাৰ্ছ, ঔষধ-পাতি ইত্যাদি)। অৱশ্যে সামগ্ৰিকভাৱে দেশখনত প্ৰতিষ্ঠানমূলক সন্তান জন্মৰ সংখ্যা বৃদ্ধি পাইছে। ২০০৬-২০১১ বৰ্ষৰ কালছোৱাত ৪২ শতাংশৰ পৰা ৮৪ শতাংশলৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান কাৰ্যসূচীৰ বাবেই এয়া সম্ভৱ হৈছে।

দ্বিতীয় বিষয়টো হ'ল— ভাৰতত মহিলাৰ বিৰুদ্ধে বৃদ্ধি পোৱা অপৰাধৰ হাৰ— বিশেষকৈ ধৰ্ষণ, অপহৰণ, শাৰীৰিকভাৱে অত্যাচাৰ, ছোৱালী জোকোৱা, যৌতুক কাৰণত হোৱা মৃত্যু ইত্যাদি। ২০১৩ চনত মহিলাৰ বিৰুদ্ধে ৩ লাখ ৯৫টা মুঠ অপৰাধৰ গোচৰ তৰা হৈছিল, কিন্তু শাস্তি প্ৰদানৰ হাৰ সন্তোষজনক নাছিল। ২০১৩ বৰ্ষত এই

***সুভষ শৰ্মা কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব আৰু বিত্তীয় উপদেষ্টা। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তেওঁৰ ভালেমান পৰিৱেশ সম্পৰ্কীয় প্ৰৱন্ধ প্ৰকাশ হৈছে।**

হাৰ আছিল ২২ শতাংশ, ২০১২ বৰ্ষত ২১ শতাংশ আৰু ২০১১ বৰ্ষত ২৭ শতাংশ। ২০১১ বৰ্ষত খৰতকীয়া বিচাৰৰ আদালত [Fast track court]ৰ সংখ্যা আছিল ৫০০, কিন্তু ২০১৩-১৪ বৰ্ষৰ কালছোৱাত মাত্ৰ ২১৩। ২০০১-১৩ বৰ্ষৰ কালছোৱাত ভাৰতত ২.৬৩ লাখ ধৰ্ষণৰ গোচৰ পঞ্জীকৃত হৈছিল আৰু প্ৰতি ২০ মিনিটত এটা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছিল। দুৰ্ভাগ্যবশতঃ ৬৫ শতাংশ ধৰ্ষণৰ ঘটনা মহিলাই ৰাতি বাহিৰত মল ত্যাগ কৰিবলৈ যাওঁতে সংঘটিত হৈছিল (এতিয়াও ৫০ শতাংশ লোক মুকলি ঠাইত মল ত্যাগ কৰিবলৈ যায়)। তদুপৰি এনে ধৰণৰ বহু ঘটনা আৰক্ষী কেন্দ্ৰত জনোৱা নহয়। তাৰ কাৰণ হ'ল সজাগতাৰ অভাৱ, দোষী-অপৰাধীৰ পৰা পাব পৰা আক্ৰমণৰ ভয়, থলুৱা আৰক্ষীৰ অসহযোগ, সমাজত বদনাম হোৱাৰ আশংকা ইত্যাদি। এনেবোৰ কাণ্ড-কাৰখানাৰ বাহিৰেও দলবদ্ধ ধৰ্ষণৰ ঘটনা বৃদ্ধি পাইছে। কেৱল সেয়াই নহয়, তেনে কাণ্ডৰ বলি হোৱা মহিলাক প্ৰায়েই হত্যা কৰা হয়। নতুন দিল্লীত ২০১২ চনৰ ১৬ ডিছেম্বৰত সংঘটিত নিৰ্ভয়াৰ দলবদ্ধ ধৰ্ষণ আৰু হত্যাকাণ্ডই আলোড়ন সৃষ্টি কৰে আৰু অসংখ্য লোকে তাৰ প্ৰতিবাদ জনায়। মূৰকত যেনিবা অপৰাধীহঁতক মৃত্যুদণ্ড বিহা হয়। মাত্ৰ এজন কম বয়সসীয়া কিশোৰ সাৰি যায়। সেই অপৰাধীহঁতক মৃত্যুদণ্ড নিদিবৰ বাবে কৰা আৱেদন এতিয়াও উচ্চতম ন্যায়ালয়ত বিচাৰাধীন অৱস্থাত আছে।

২০০১)

লিংগ সম্পৰ্কীয় বিকাশ সূচী প্ৰস্তুত কৰা হ'ল— এই নীতিৰ উদ্দেশ্য— যাতে পৰিকল্পনা, কাৰ্যসূচী যুগুতোৱা আৰু সম্পদৰ পৰ্যাপ্ত আবণ্টনৰ কাম সুচাৰুৰূপে কৰিব পাৰি। লগতে লিংগ বিষয়ক অমিল পৰিসংখ্যা সংগ্ৰহ কৰি তাৰ সমুচিত ব্যৱস্থাৰো দিহা কৰা। প্ৰধান মন্ত্ৰীৰ নেতৃত্বত ৰাষ্ট্ৰীয় পৰিষদ আৰু মুখ্য মন্ত্ৰীৰ নেতৃত্বাধীন ৰাজ্যিক পৰিষদ গঠন কৰাৰ কামো ইয়াত নিহিত আছে আৰু এই দুই পৰিষদত বিভিন্ন প্ৰতিষ্ঠানৰ প্ৰতিনিধিও থাকে। সেই প্ৰতিনিধিসকল হ'ল, যেনে— সংশ্লিষ্ট বিভাগ আৰু মন্ত্ৰণালয়, মহিলা বিষয়ক ৰাষ্ট্ৰীয়/ ৰাজ্যিক আয়োগ, সমাজ কল্যাণ বোৰ্ড, অ-চৰকাৰী সংগঠন, মহিলা সংগঠন, শ্ৰমিক সংঘ, কৰ্প'ৰেট খণ্ড, বিত্ত প্ৰতিষ্ঠান, শিক্ষা প্ৰতিষ্ঠান, বিশেষজ্ঞ ইত্যাদি। মহিলাৰ উপাদানসূচক আঁচনিয়ে মন্ত্ৰণালয় আৰু বিভাগসমূহৰ পৰা পোৱা ধনৰাশি, মহিলাৰ কল্যাণমূলক কামত খটুওৱাৰ প্ৰতি লক্ষ্য ৰাখিব আৰু তাৰ বাবে পুঁজিৰ ৩০ শতাংশ ধন নিশ্চিত কৰিব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়ক এইবোৰ কামৰ অগ্ৰগতি সম্বন্ধে পৰ্যবেক্ষণ কৰিবলৈ ন'ডাল মন্ত্ৰণালয়ৰ দায়িত্ব দিয়া হয়। ৰাষ্ট্ৰীয় নীতিৰ মূল বিষয়বোৰ এনেধৰণৰ—

(ক) জীৱনৰ সকলো ক্ষেত্ৰতে মহিলাসকলৰ প্ৰগতি, বিকাশ আৰু সবলীকৰণ, (খ) মহিলাসকলৰ আৱশ্যকীয় স্পৰ্শকাতৰ বিষয়বোৰৰ প্ৰতি অধিক উত্তৰদায়ী ন্যায়িক পদ্ধতি, (গ) ক্ষমতা দখলৰ ক্ষেত্ৰত মহিলাৰ সমান ভাগ তথা সিদ্ধান্ত নিদিয়াৰ ক্ষেত্ৰতো সক্ৰিয় অংশগ্ৰহণ, (ঘ) বিকাশ প্ৰক্ৰিয়াত লিংগ দৃশ্যপটক ঘাই সুঁতিলৈ অনা, (ঙ) প্ৰাসংগিক প্ৰতিষ্ঠানমূলক কাৰ্য ব্যৱস্থা শক্তিশালী কৰি আকাৰ প্ৰদান, (চ) সমূহীয়াভিত্তিক সংগঠনসমূহৰ স'তে অংশিদাৰিত্ব, (ছ) আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু উপ-আঞ্চলিক স্তৰত থকা কৰ্তব্যৰাজি আৰু প্ৰতিশ্ৰুতিসমূহক ৰূপায়ণ তথা সহযোগ প্ৰদান— বিশেষকৈ চি ই ডি এ ডব্লিউ, চি আৰ চি আৰু আৰ চি ডি ডি +৫ৰ ক্ষেত্ৰত।

ৰাষ্ট্ৰসংঘৰ বিকাশ কাৰ্যসূচীত আঠটা সহস্ৰাব্দৰ বিকাশ লক্ষ্য ঘোষণা কৰা হয় আৰু ইয়াৰ তৃতীয় লক্ষ্যটো পোনপটীয়াভাৱে মহিলাসকলৰ সবলী-কৰণৰ স'তে জড়িত। ২০১৫ চনৰ ভিতৰত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সকলো স্তৰতে লিংগ অসমতা উচ্ছেদ কৰাৰ প্ৰতিও ই দায়বদ্ধ। কিন্তু ২০১৫ বৰ্ষৰ ভিতৰত আমি স্কুলীয়া শিক্ষাত লিংগ সমতাপ্ৰাপ্ত কৰিব নোৱাৰিলোঁ যদিও দেশখনৰ সকলো অঞ্চল তথা সম্প্ৰদায়ৰ ছোৱালীৰ স্কুলত ভৰ্তিৰ সংখ্যা বৃদ্ধি পায়। তেনেদৰে কেঁচুৱা, শিশু আৰু মাতৃৰ মৃত্যুৰ হাৰ হ্ৰাসৰ লক্ষ্য আমি লাভ কৰিব নোৱাৰিলোঁ— যদিও এইক্ষেত্ৰত অৱস্থাৰ কিছু উন্নত হয়। সেই একেদৰে নিয়োগ আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ সন্তোষজনক নহয়। অৱশ্যে, উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ বাবে কাম কৰাসকলে বিপুলভাৱে নিয়োগ উদ্ৰেক কৰা সন্দৰ্ভত গৌৰৱ কৰে।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে ভাৰতীয় অৰ্থনীতিৰ সৰহভাগ খণ্ডত 'চাকৰি-বিহীন বিকাশ' ঘটিছে। অৱশ্যে এতিয়া প্ৰস্তুত খণ্ডত উন্নতি সাধন হৈছে। দৰিদ্ৰতা সীমাৰেখাবিষয়ক তেণ্ডুলকাৰ সমিতি মতে ২০০৯-১০ বৰ্ষৰ কালছোৱাত ৩৫ কোটি জনসংখ্যাৰ ভিতৰৰ ২৯.৮ শতাংশ লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰিছিল। এতিয়াও পৰিস্থিতি কম-বেছি পৰিমাণে একেই যেন লাগে যদিও তুলনামূলকভাৱে ২০০২ চনৰ পৰা ২০১৫ চনৰ কালছোৱাত ৭.৫ শতাংশতকৈ অধিক বিকাশ হাৰ লাভ কৰে। নিৰন্তৰ বিকাশ লক্ষ্যৰ (২০৩০ চনৰ ভিতৰত) কাম চলি আছে। এই লক্ষ্য

মতে ৭০লৈ মাতৃৰ মৃত্যুৰ হাৰ কমাই অনা, ১২লৈ কেঁচুৱাৰ মৃত্যুৰ হাৰ অৱনমিত কৰা আৰু শিশুৰ মৃত্যু হাৰ ২৫লৈ হ্ৰাস কৰা কাৰ্যসূচী আছে। সকলোলৈকে সাৰ্বজনীন স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান কৰা, সৰ্বাত্মক ৰূপত সাধাৰণ শিক্ষাৰ পৰিব্যাপ্তি ঘটোৱা, পুৰুষ আৰু মহিলাৰ মাজত সম অৱস্থাৰ সৃষ্টি কৰা আৰু ছোৱালী তথা মহিলাৰ বিৰুদ্ধে সকলোধৰণৰ অত্যাচাৰ, তথা অনাচাৰ ৰোধ কৰাও হ'ল এই নিৰন্তৰ বিকাশৰ লক্ষ্য।

নিঃসন্দেহে শিক্ষিত কিম্বা চাকৰি কৰা মহিলাই পলমকৈ বিবাহ কৰি সৰু পৰিয়াল পছন্দ কৰে আৰু তাৰ বাবে সন্তান জন্মৰ মাজত সময়ৰ ব্যৱধান, নিৰ্বীজকৰণ পদ্ধতি অৱলম্বন আদিৰো সহায় লয়। আৰু সেইবাবে শিক্ষাৰ কাৰণে অধিক সম্পদ আৰু সজাগতা বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। মহিলা-সকলৰ নিয়োগ ব্যৱস্থা কৰাটোও আৱশ্যক আৰু তাৰ বাবে স্নাতক পৰ্যায়লৈ বিনামূলীয়া শিক্ষাৰ দিহা কৰা বাঞ্ছনীয়। স্কুল, কলেজৰ ভাল আন্তঃগাঁথনি (ভৱন, শৌচাগাৰ, পাঠাগাৰ, নিৰাপদ খোৱাপানী আদি), পৰ্যাপ্ত প্ৰশিক্ষিত শিক্ষক নিযুক্তিৰদ্বাৰা শিক্ষাদান উপযুক্ত মানৰ কৰি তোলা উচিত। সকলো স্কুল-কলেজত দক্ষতাৰ বিকাশৰ প্ৰতি সংগঠিতভাৱে অভিযান চলোৱা দৰকাৰ। মহিলাৰ কাৰণে পলিটেকনিক তথা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ এনেদৰে পুনৰগঠন কৰা আৱশ্যক, যাতে বজাৰ, ৰাজ্য আৰু নাগৰিক সমাজৰ চাহিদা অনুযায়ী বাণিজ্যসমূহৰ পুনৰ উন্মেষ সাধন কৰিব পাৰি। ইয়াৰ বাবে এটা নতুন দক্ষতা বিকাশ আৰু শিল্পোদ্যোগ মন্ত্ৰালয় খোলা হয়।

ভাৰতৰ ২০৫খন নিৰ্বাচিত জিলাত সবালা আঁচনি (কিশোৰীসকলৰ সবলীকৰণৰ অৰ্থে ৰাজীৱ গান্ধী আঁচনি) সংহত শিশু বিকাশ কাৰ্যসূচীৰ জৰিয়তে ৰূপায়ণ কৰা হয়। পৌষ্টিকতাৰ বাহিৰৰ অন্য পৰিপুষ্টি সাধনৰ বাবে ১০০ শতাংশ কেন্দ্ৰীয় সাহায্য আগবঢ়োৱা হয়। স্বাস্থ্য পৰীক্ষা তথা ৰেফাৰেল সেৱা, পৰিয়াল কল্যাণ বিষয়ক দিহা-পৰামৰ্শ, শিশুৰ যতন তথা ১১-১৮ বছৰীয়া কিশোৰীক দক্ষতা বিকাশৰ শিক্ষা আৰু ১৬-১৮ বয়সৰ ছোৱালীক বুনিয়াদী প্ৰশিক্ষণৰ সুবিধা আগবঢ়োৱা হয়। পৌষ্টিকতাৰ বাবেও ৫০ শতাংশ কেন্দ্ৰীয় সাহায্য আগবঢ়োৱা হয়। ২০১৪-১৫ বৰ্ষৰ কালছোৱাত ৯৮.১৫ লাখ হিতাধিকাৰীক পৌষ্টিকতা কাৰ্যসূচীত সামৰি লোৱা হয় আৰু ০.৪২ লাখ ছোৱালীক বুনিয়াদী প্ৰশিক্ষণ প্ৰদান কৰা হয়। এটা সফলতাৰ কাহিনীও এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি। সেয়া হ'ল কাজল ভগতৰ এখন সফল ছবি। পশ্চিম বংগৰ মালদা জিলাৰ ইংলিছ্ বজাৰৰ এই কাজলে স্কুলীয়া শিক্ষা এৰি ১৮ বছৰৰ আগতে বিবাহপাশত আবদ্ধ হ'বলৈ প্ৰত্যাখান কৰিছিল। অংগনৱাড়ী কৰ্মীৰ পৰা পোৱা অনুপ্ৰেৰণা অনুযায়ীয়েই তেওঁ তেনে কৰিবলৈ মানসিকভাৱে সবল হৈ উঠিছিল। দ্বিতীয় দৃষ্টান্তটো হ'ল মাতৃত্ব সহযোজনা ভাৰতত প্ৰথমতে ৫৩খন নিৰ্বাচিত জিলাত প্ৰথমে ৰূপায়ণ কৰা হৈছিল। সংহত শিশু বিকাশ আঁচনিৰ জৰিয়তে ৰূপায়িত এই আঁচনিৰ অধীনত (২০১০-১১ বৰ্ষৰ পৰা কেন্দ্ৰীয় পোষকতাৰ আঁচনি) ১৯ আৰু ততোধিক বয়সৰ গৰ্ভৱতী মহিলাই প্ৰথম দুটা সন্তান জন্মৰ কাৰণে গৰ্ভৱতী আৰু দুগ্ধ প্ৰদান অৱস্থাত প্ৰতিগৰাকীয়ে দুটা সমান কিস্তিত ৬০০০ টকাকৈ পাইছিল। ইয়াক পিছত ২০০খন অতিৰিক্ত জিলালৈ সম্প্ৰসাৰিত কৰা হয় আৰু ২০১৬-১৭ বৰ্ষত আঁচনিখনক সকলো জিলালৈকে পৰিব্যাপ্ত কৰা হয়। ২০১৫-১৬ বৰ্ষৰ কালছোৱাত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ ব্যৱস্থা মতে (২০১৩) ইয়াৰ কেন্দ্ৰীয় অংশৰ পৰিমাণ হয়গৈ ১৪৯৭ কোটি টকা। তৃতীয়ত ঃ মহিলাৰ বাবে স্বধাৰ আঁচনি ২০০১-০২ বৰ্ষত কেন্দ্ৰীয় চৰকাৰে প্ৰচলন কৰিছিল। জটিল অৱস্থাত থকা মহিলাসকলৰ বাবে আগবঢ়োৱা এই আঁচনিৰ উদ্দেশ্য হ'ল আশ্ৰয়, খাদ্য, কাপোৰকানি, সীমামূৰীয়া অৱস্থাৰ ছোৱালী কিম্বা মহিলাৰ প্ৰতি যতন, তেওঁলোকৰ পুনৰ সংস্থাপনৰ বাবে আৱেগিক সমৰ্থন, চিকিৎসা আৰু ন্যায়িকভাৱে সমৰ্থন আৰু বিপদত পৰা মহিলালৈ হেল্পলাইনৰ যোগান ধৰা। জটিল অৱস্থাত পৰা মহিলাসকল হ'ল— পৰিত্যক্ত পতিহীনা, মুক্ত কৰি দিয়া মহিলা কয়দী, ৰাষ্ট্ৰীয় দুৰ্যোগৰ পৰা বাচি থকা গৃহহীনা মহিলা, নাৰী সৰবৰাহ চক্ৰৰ কবলৰ পৰা উদ্ধাৰ কিম্বা পলাই অহা মহিলা, সন্ত্ৰাসবাদীৰ হিংসাত্মক কাৰ্যৰ বলি হোৱা মহিলা— যাৰ কোনো সমৰ্থন বা উপায় নাই, মানসিকভাৱে অস্থিৰতাত ভোগা মহিলা যাৰ কোনো সহায়-সমৰ্থন নাই, এইড্ছ/এইছ আই ভিত আক্ৰান্ত মহিলা যাৰ প্ৰতি কোনো সহানুভূতিসূচক সঁহাৰি জনোৱা নহয় কিম্বা একাষৰীয়াকৈ থাকিবলৈ এৰি দিয়া হয়। বৰ্তমানে ৩১১টা স্বধাৰ গৃহ ৰাজ্য চৰকাৰৰ মহিলা বিকাশ নিগম অথবা ন্যাসৰ তত্ত্বাৱধানত চলি আছে। ২০১৩-১৪ বৰ্ষৰ কালছোৱাত স্বধাৰৰ বাবে বাজেটৰ ব্যৱস্থা আছিল ৭৫ কোটি টকা। ব্যয় হয় ৫৩.৭৪ কোটি টকা। ২০১৪-১৫ বৰ্ষত ইয়াৰ বাবে বাজেটৰ পৰিমাণ আছিল ১১৫ কোটি টকা। চতুৰ্থতে উল্লেখনীয় বিষয়টো হ'ল 'উজ্জ্বলা' আঁচনিখন। ই নাৰী সৰবৰাহ ৰোধ কৰাৰ (২০০৭ বৰ্ষৰ পৰা) বিষয়ত আলোকপাত কৰে। তেনে কাৰ্যৰ কবলত পৰা নাৰীক

উদ্ধাৰ কৰি পুনৰ সংস্থাপন কৰা হয়। ২০১৪-১৫ বৰ্ষৰ কালছোৱাত ২৮৯টা যোজনা মঞ্জুৰ কৰা হয় (ইয়াৰ ভিতৰত ১৬৫টা সুৰক্ষামূলক পুনৰ সংস্থাপিত গৃহও আছে)। তাৰ আবণ্টনৰাশিৰ পৰিমাণ হ'ল ১৬ কোটি টকা। পঞ্চমত ঃ মহিলাৰ বাবে এছ টি ই পি কাৰ্যসূচী (প্ৰশিক্ষণ আৰু নিয়োগ কাৰ্যসূচীৰ প্ৰতি সমৰ্থন) ১৯৮৬-৮৭ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰূপে প্ৰচলন কৰা হয়। ১৬ বছৰ বয়সৰ ওপৰৰ মহিলাৰ দক্ষতা অৰ্জনৰ বাবে এই আঁচনি ৰূপায়ণৰ মূল উদ্দেশ্য। ২০১৩-১৪ বৰ্ষৰ কালছোৱাত ভিন ভিন ৰাজ্যলৈ ৭ কোটি টকা মোকলাই দিয়া হয়। ষষ্ঠ বিষয়টো হ'ল কাম কৰা মহিলাৰ আৱাসগৃহ। ২০১৪ চনৰ ৩১ ডিছেম্বৰৰ হিচাপ মতে ৯১৫টা এনে আবাসৰ দিহা কৰা হয়, য'ত ৬৮৬৩১ কাম কৰা মহিলাই বাস কৰে। ২০১৪-১৫ বৰ্ষত কাম কৰা মহিলাৰ আবাস নিৰ্মাণৰ বাবে বাজেট আবণ্টনৰাশিৰ পৰিমাণ আছিল ২৫ কোটি টকা। মহিলাসকলক স্বীকৃতি প্ৰদানৰ অৰ্থেও ব্যৱস্থা গ্ৰহণ কৰা হয়। তাৰ ভিতৰত উল্লেখ্য হ'ল স্ত্ৰী শক্তি পুৰস্কাৰ। এই শিতানত ৰাষ্ট্ৰীয় স্তৰত ছটা পুৰস্কাৰ ব্যক্তি বা সংগঠনক প্ৰদান কৰা হয়। প্ৰতিটো পুৰস্কাৰৰ মূল্য হ'ল ৩ লাখ টকা। প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰশাসিত প্ৰদেশৰ বাবে ৪০,০০০ টকীয়া এটা ৰাজ্য মহিলা সন্মান আৰু প্ৰতিখন জিলাৰ বাবে মহিলা সন্মান (২০,০০০ টকাৰ) প্ৰদান কৰা হয়। বেটী বাচাও, বেটী পঢ়াও হ'ল কেন্দ্ৰীয় চৰকাৰৰ এখন আগশাৰীৰ আঁচনি।

পুনৰপ্ৰজনন বিষয়ক স্বতন্ত্ৰতা সন্দৰ্ভত মহিলাৰ বাবে ৬টা অধিকাৰ সম্পৰ্কে ৱান ষ্টাৰেৰেনে সঠিকভাৱে পৰামৰ্শ আগবঢ়াইছে সেয়া হ'ল—

(ক) গৰ্ভ নিৰোধকৰ সুবিধা

(খ) ল'ৰা-ছোৱালী সন্দৰ্ভত সিদ্ধান্ত নিৰ্ণয়ৰ সুচলতা (কাৰ লগত, কেতিয়া আৰু কিমান)

(গ) যৌন শিক্ষা তথা যৌনাত্মক বিষয়ৰ তথ্যৰ সুচলতা

(ঘ) পিতৃ-মাতৃ আৰু ল'ৰা-ছোৱালীৰ বাবে স্বাস্থ্য যতনৰ ক্ষেত্ৰত সুচলতা

(ঙ) মাতৃত্ব অথবা পিতৃত্বৰ বাহিৰেও বিকল্প ভূমিকাৰ প্ৰতি সুচলতা

(চ) অৰ্থনৈতিক সম্পদৰ সুচলতা

পিছে আজি-কালি পূৰ্বৰ দৰে পৰিয়াল কল্যাণ ব্যৱস্থাৰ সন্দৰ্ভত প্ৰচাৰ তেনেদৰে কৰা নহয়। সেয়ে এই বিষয়ে আলোকপাত কৰা প্ৰয়োজন।

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে তৃণমূল স্তৰত মহিলাৰ কাৰণে ৩০ শতাংশ পুঁজি নিশ্চিত কৰা উচিত। চৰকাৰী সংস্থাসমূহে সংগঠিত খণ্ডত চাকৰিৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন আৰু বেচৰকাৰী খণ্ডই মহিলা সবলৰ ক্ষেত্ৰত অধিক খোলা হোৱা উচিত— যাতে সামূহিক দায়িত্বৰ কৰ্প'ৰেটৰূপে লিংগৰ প্ৰতি প্ৰকৃত ন্যায় নিশ্চিত হয়। আত্মসহায়ক গোটসমূহে সফলতা লাভ কৰিব পৰা নাই। তাৰ কাৰণ হ'ল বিত্তৰ ক্ষেত্ৰত বেংকসমূহে সহযোগ কৰা নাই।

সিদ্ধান্ত গ্ৰহণৰ ন্যায়িক সংস্থাত মহিলাই প্ৰতিনিধিত্ব কৰা বিষয়টো এতিয়ালৈকে উপলব্ধ কৰা হোৱা নাই— যদিও মহিলাৰ বাবে সংৰক্ষণ বিধেয়ক ৰাজ্যসভাই ২০১০ চনত লোকসভা আৰু বিধানসভা উভয়ৰ বাবে গ্ৰহণ কৰে। কিন্তু লোকসভাই এতিয়ালেকে সেইটো কৰা নাই। মহাৰাষ্ট্ৰ, বিহাৰ, হিমাচল প্ৰদেশ, মধ্য প্ৰদেশ আৰু ৰাজস্থানে পঞ্চায়তীৰাজত মহিলাৰ কাৰণে ৫০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰে। আন ৰাজ্যবোৰে এক-তৃতীয়াংশ সংৰক্ষণৰ দিহা কৰে।

আন এটা চিন্তনীয় বিষয় হ'ল উত্তৰ প্ৰদেশৰ বৃন্দাৱনৰ সহস্ৰ পতিহীনাই এক অৱহেলিত আৰু অমানৱীয় জীৱন-যাপন কৰে (ভাত, কাপোৰকানি আৰু আশ্ৰয়ৰ বাবে ভিক্ষা কৰে, মাফিয়া নিৰ্মাণকাৰীৰ-দ্বাৰা আশ্ৰমৰ মাটি দখল কৰাৰ ফলত আশ্ৰয়হীন হৈ পৰে, বৃদ্ধ বয়স কিম্বা বিধৱাৰ পেঞ্চন কোনেও নাপায়, তেওঁলোকক যৌনভাৱে শোষণ কৰে, ভোটদানৰ পৰিচয় কাৰ্ডো নাই, ৰেচন কাৰ্ডো নাই আৰু মৰাৰ পিছত শেষকৃত্য সম্পন্ন কৰিবৰ বাবে উপযুক্ত সুবিধাও নাই)। সেই একেদৰে সমগ্ৰ দেশতে ৰেড লাইট এলেকাত থকা ৩০ লাখ যৌনকৰ্মীৰো অৱস্থা শোচনীয়। তেওঁলোকক জীৱিকা নিৰ্বাহৰ বিকল্প ব্যৱস্থাৰে পুনৰ সংস্থাপন কৰা আৱশ্যক।

মহিলা কৃষক আৰু কৃষি শ্ৰমিকৰ অৱস্থাও বেয়া ঘাইকৈ বানপানী আৰু খৰাং বতৰৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে। কৃষিজাত উৎপাদন সামগ্ৰী আৰু ঔদ্যোগিক উৎপাদনৰ মাজত ব্যৱসায়ত অমিল চুক্তি, অধিক মুদ্ৰাস্ফীতি হাৰ (ঘাইকৈ মজুতকাৰীৰদ্বাৰা সংঘটিত ক'লা বজাৰ, মধ্যভোগী বেপাৰীৰ (হেতু), কম আৰু অসমান মজুৰি, নিঃকিনজনৰ স্বাস্থ্য আদিৰ বাবেও অৱস্থা শোচনীয়। ২০১৩-১৪ বৰ্ষত বিহাৰত ৬০০০ মাতৃ মৃত্যু মুখত পৰে, কিন্তু ৰাজ্যখনৰ স্বাস্থ্য পৰিষদে স্বীকাৰ কৰা মতে জিলাৰ বিষয়াবৰ্গই মাত্ৰ ৩৫২গৰাকী মাতৃৰহে মৃত্যু হয় বুলি জানিবলৈ দিছিল। (টাইমছ অৱ ইণ্ডিয়াৰ ২০১৪ চনৰ ৩১ আগষ্টৰ বাতৰি)। মানুহৰ মুখে মুখে চলি থকা মতে প্ৰায় ৩০০ বছৰৰ পূৰ্বে মোগল সম্ৰাট ছাহজাহানৰ পত্নী মমতাজ মহল সন্তান জন্ম দিয়াৰ সময়ত জটিলতাৰ হেতু মৃত্যুৰ মুখত পৰিছিল। তেওঁৰেই স্মৃতিত ছাহজাহানে আগ্ৰাত তাজমহল নিৰ্মাণ কৰিছিল। ঠিক

সেই একে সময়তে ছুইডেনৰ এগৰাকী ৰাণী প্ৰসৱ দানৰ জটিলতাত ভুগিছিল। ৰাণীক বচাবৰ কাৰণে ৰজাই ফ্ৰান্সৰ পৰা ডাক্তৰ মাতি আনিছিল। তাৰ পিছত গ্ৰাম্য মহিলাসকলক প্ৰসৱ কালৰ প্ৰসৱ বেদনাত ভোগা সমস্যাবোৰ কেনেকৈ সমাধান কৰিব পাৰি সেই বিষয়ে প্ৰশিক্ষণ দিবৰ কাৰণে নাৰ্চিং স্কুল প্ৰতিষ্ঠা কৰিছিল।

বৰ্তমান ছুইডেনত মাতৃৰ মৃত্যুৰ হাৰ অতি কম (৮) আৰু কেঁচুৰাৰ মৃত্যু হাৰ হ'ল ৫। কিন্তু ভাৰতত কেঁচুৰাৰ মৃত্যু হাৰ বহুত বেছি (২০১৪ চনত) আছিল ৩৮, বাংলাদেশত ৩১ আৰু নেপালত ২৯। ভাৰতত মাতৃৰ মৃত্যু হাৰো বহু বেছি। ২০১৩ বৰ্ষত এই হাৰ আছিল ১৬৭। পিছে ১৯৯০-২০১২ বৰ্ষৰ কালছোৱাত ভাৰতত কেঁচুৰাৰ মৃত্যু হাৰ ৫০ শতাংশ কমি যায়। বাংলাদেশত ৬৭ শতাংশ আৰু নেপালত ৬৬ শতাংশ হ্ৰাস পায়। ভাৰতৰ এই হাৰ হোৱাৰ কাৰণ হ'ল স্বাস্থ্যৰ ক্ষেত্ৰত মাত্ৰ মুঠ ঘৰুৱা উৎপাদনৰ (জি ডি পি) মাত্ৰ ১.৩ শতাংশ খৰচ কৰে। ইপিনে, বৃটেইনে খৰচ কৰে ৭.৬ শতাংশ আৰু আমেৰিকাই মুঠ ঘৰুৱা উৎপাদনৰ ৮.১ শতাংশ স্বাস্থ্যৰ ক্ষেত্ৰত ব্যয় কৰে। স্বাস্থ্যৰ ক্ষেত্ৰত প্ৰতি ব্যক্তিৰ বাবদ কৰা ব্যয়ৰ পৰিমাণো সন্তোষজনক নহয়। ভাৰতত ৬১ ডলাৰ শ্ৰী লংকাত ১০২ ডলাৰ, বৃটেইনত ৩৫৯৮ ডলাৰ আৰু আমেৰিকাত ৯১৪৬ ডলাৰ। ভাৰতত স্বাস্থ্য বীমা হ'ল মাত্ৰ ১৮ শতাংশ। এই সন্দৰ্ভত প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু প্ৰধান মন্ত্ৰী জীৱনজ্যোতি যোজনা হ'ল এটা ভাল আৰম্ভণি। সেই একেদৰে ল'ৰা-ছোৱালীৰ বাবে সাতটা প্ৰতিষেধকেৰে 'মিছন ইন্দ্ৰধনুষ'ও হ'ল এটা সঠিক দিশৰ পদক্ষেপ। 'স্বচ্ছ ভাৰত' আঁচনিও সমানেই প্ৰশংসাৰ যোগ্য, কিয়নো অনাময় ব্যৱস্থাত এক ডলাৰ খৰচ কৰিলে স্বাস্থ্য, শিক্ষা আৰু অৰ্থনৈতিক বিকাশৰ বাবে ৯ ডলাৰ ৰাহি হয়।

ভাৰতত ৬৪০খন জিলাৰ ভিতৰত মাত্ৰ ১৯৩খনহে মেডিকেল কলেজ আৰু চিকিৎসালয় আছে। ৭০-৮০ শতাংশ চিকিৎসাৰ সা-সুবিধা আমাৰ দেশত ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে আগবঢ়ায়। মুঠতে ৰাজহুৱা খণ্ডৰ ব্যয়ৰ পৰিমাণ ২.৫-৩ শতাংশ মুঠ ঘৰুৱা উৎপাদনলৈ বৃদ্ধি কৰা উচিত।

বিভিন্ন পৰিকল্পনাত আলোকপাত কৰাৰ ক্ষেত্ৰত সুকীয়া দৃষ্টিভংগী গ্ৰহণ কৰা আমি দেখা পাওঁ। ২৯ নং তালিকাত দেখুওৱা হ'ল।

পৰিশেষত ফাষ্ট ট্ৰেক আদালতৰ বিষয়ে কোৱা যাওক। মহিলাৰ বিৰুদ্ধে অপৰাধমূলক গোচৰবোৰৰ খৰতকীয়া বিচাৰ কৰিবৰ কাৰণে সমগ্ৰ দেশতেই মাত্ৰ ১৬ খন ৰাজ্যইহে ২১২ এনে ফাষ্ট ট্ৰেক আদালত প্ৰতিষ্ঠা কৰে। আচৰিত কথা উত্তৰ প্ৰদেশ, বিহাৰ আৰু গুজৰাটে সময়মতে এনে আদালত স্থাপন কৰা নাছিল। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰণালয়ে বছৰি সৰ্বাধিক ৮০ কোটি টকাৰ পুঁজি ৰাজ্যসমূহৰ মাজত সামঞ্জস্য ৰাখি আবণ্টন কৰে। ২০১১ চনত যেতিয়া কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণভাৱে এনে ফাষ্ট ট্ৰেক আদালত চলাইছিল

**২ নং তালিকা ঃ ভাৰতৰ বিভিন্ন পৰিকল্পাত অৱলম্বন কৰা দৃষ্টিভঙ্গীৰ ধৰণ**

| দৃষ্টিভঙ্গী | অৱলম্বন কৰা হয় | পৰিকল্পনা |
|---|---|---|
| ১।কল্যাণমূলক দৃষ্টিভঙ্গী | শিক্ষাৰ বাবে ছোৱালীলৈ জলপানি-বিশেষকৈ গৃহবিজ্ঞান, চিলাই, এম্ব্ৰইদাৰীৰ কাৰণে | ১মৰ পৰা ৫ম পৰিকল্পনা লৈকে (১৯৫১-১৯৭৯) |
| ২।বিকাশৰ ক্ষেত্ৰত মহিলা | দৰিদ্ৰতা দূৰীকৰণ, শিক্ষা আৰু স্বাস্থ্য | ৬ষ্ঠ আৰু ৭ম পৰিকল্পনা (১৯৮০-১৯৯০) |
| ৩।মহিলাৰ সবলীকৰণ | মহিলাই অনুভৱ কৰা আৰশ্যকতাবোৰ সমাধান কৰিবলৈ বিকাশ প্ৰক্ৰিয়াত লিঙ্গৰ গুৰুত্ব | ৮ম পৰিকল্পনা (১৯৯২-৯৭) |
| ৪।পৰিৱৰ্তনৰ কাৰক ৰূপে মহিলা | আত্মসহায়ক গোটৰ জৰিয়তে দুখীয়া মহিলাক সহায় কৰা | ৯ম পৰিকল্পনা (১৯৯৭-২০০২) |
| ৫।মানৱ বিকাশ | সাক্ষৰতা, মজুৰি হাৰ আৰু মাতৃৰ মৃত্যু হাৰৰ লিঙ্গ প্ৰভেদ হ্ৰাসকৰাৰ বাবে পৰ্যবেক্ষণযোগ্য লক্ষ্য | ১০ম আৰু ২১ তম পৰিকল্পনা (২০০২-২০১২) |
| ৬।লিঙ্গ সমতা | সকলো শ্ৰেণীৰ স্পৰ্শকাতৰ মহিলাৰ অন্তৰ্ভুক্তিকৰণ | দ্বাদশ পৰিকল্পনা (২০১২-১৭) |

তেতিয়া ভাৰতত এনে আদালত ৫০০ আছিল। সেয়ে এনে আদালত সু-নিয়াৰিকৈ চলাবৰ কাৰণে ভাৰত চৰকাৰে ৮০ শতাংশ পুঁজি প্ৰদান কৰা প্ৰয়োজন—যাতে ধৰ্ষণৰ বাবে দোষী সাব্যস্ত কৰা হাৰ ২০১৩ চনৰ মাত্ৰ ২২ শতাংশৰপৰা যথেষ্টভাৱে বৃদ্ধি পায়। উত্তৰ প্ৰদেশ চৰকাৰে ২০১৪ চনৰ আগষ্টত প্ৰতিখন জিলাত এখন এনেধৰণৰ আদালত খুলিবৰ বাবে সিদ্ধান্ত লৈছিল। ২০১২ চনত ভাৰতত যৌতুকজনিত কাৰণত ৮২৩৩ টা মৃত্যুৰ ঘটনা সংঘটিত হয় আৰু ২০০১-২০১২ বৰ্ষৰ কালছোৱাত এনে মৃত্যুৰ সংখ্যা আছিল সৰ্বমুঠ ৯১২০২ কিন্তু তাৰ বাবদ শাস্তি প্ৰদানৰ হাৰ আছিল মাত্ৰ ১৫ শতাংশ। তাৰ কাৰণ হ'ল আইন বলবৎ কৰা ব্যৱস্থা তথা আদালত সমূহ নিষ্ঠাৱান নাছিল। তাৰ লগতে যৌতুকৰ বহু মিথ্যা গোচৰ তৰা হৈছিল।

এতিয়া সময়ৰ আহ্বান হ'ল মহিলা সকলক প্ৰকৃতাৰ্থতেই সবল কৰিব লাগিব—য'ত ইয়াৰ স'তে জড়িত থকা সকলো অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠনে বাস্তৱ ক্ষেত্ৰত সুনিৰ্দিষ্টভাৱে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে সমিল-মিলেৰে ওলাই আহিব লাগিব। বিশেষকৈ নিৰাপত্তা, অন্তৰ্ভুক্তিকৰণ আৰু বিকাশৰ বাবে এয়া প্ৰয়োজন। ইয়াৰ কাৰণে পুৰুষ আৰু মহিলা উভয়েই পৰিপূৰক আৰু সহযোগাত্মক অংশীদাৰিতাৰে একেলগে কাম কৰিব লাগিব। নিঃসন্দেহে মহিলা-সকলৰ মুক্তিৰ ক্ষেত্ৰত গোলকীয় তথা স্থানীয় চিন্তাধাৰাৰ এটা কৌশল অৱলম্বন কৰাৰ আৱশ্যক আছে। ❐

**(৩০ পৃষ্ঠাৰ পৰা)**

শিক্ষাৰ বিভিন্ন স্তৰ সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বহু বছৰৰ পৰা অসমতা বিৰাজ কৰা পৰিলক্ষিত হয়। ল'ৰাৰ লগত তুলনা কৰি চালে অসমতাৰ অভিজ্ঞতা ছোৱালীয়ে ভোগ কৰিয়েই আছে। ডাঙৰ উদ্বেগৰ বিষয়টো হ'ল স্কুলৰ শিক্ষা সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত দেখা দিয়া সম্পত্তিৰ অসমতা—যিটোৱে দৃষ্টিভঙ্গী আৰু বাছ-বিচাৰত প্ৰভাৱান্বিত কৰে। সা-সুবিধাৰ বাবে ছোৱালীয়ে কৰা পৰিশ্ৰম তথা আগ বয়সতেই বিয়াৰ ব্যৱস্থা কৰা বিষয়টো তেওঁলোকৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ আছে। তাতে আকৌ স্কুলসমূহ ছোৱালীৰ বাবে নিৰাপদজনক ঠাই নহয়। পঢ়ি থকা অৱস্থাত কম বয়সতে বিয়া দিয়াৰ মানসিকতাক গঢ় নিদিবৰ কাৰণে অভিভাৱকক সকীয়াই দিয়াৰ কোনো ব্যৱস্থা স্কুল পদ্ধতিত নাই। কস্তুৰবা গান্ধী বালিকা বিদ্যালয় আৰু এন পি ই জি ই এল-ৰ দৰে আঁচনিবোৰে কিছু সফলতা লাভ কৰিলেও তাৰ পৰিব্যাপ্তি সীমিত। সেয়ে এনে এটা শিক্ষা বিতৰণ পদ্ধতিৰ (অৰ্থাৎ বিস্তাৰিতকৰণ) ব্যৱস্থা কৰা প্ৰয়োজন—যিটোৱে এই বাধাবোৰৰ প্ৰতি অধিক উপযুক্তভাৱে সঁহাৰি প্ৰদান কৰিব—যাতে স্কুলত ভৰ্তি হোৱাৰ পিছত বালিকাসকলক তেনে স্কুল পদ্ধতিত ৰাখিব পৰা যায়।

> **ওড়িশাৰ বালিকা উদগনি বিষয়ক কাৰ্যসূচী হ'ল বৃটেইনৰ ডিপাৰ্টমেণ্ট অব ইণ্টাৰনেশ্বনেল ডেভেলপমেণ্ট ব্যৱস্থাৱলীৰ এখন আঁচনি আৰু অনুসূচিত জাতি তথা অনুসূচিত জনজাতি ছাত্ৰ-ছাত্ৰী বিষয়ক প্ৰাক্ প্ৰৱেশিকা বৃত্তি কাৰ্যসূচী (ওড়িশাত) হ'ল কেন্দ্ৰীয় চৰকাৰৰ ৰূপায়িত আঁচনি।**

মহিলাসকলৰ সবলীকৰণ বৃদ্ধি কৰাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা এটা গুৰুত্বপূৰ্ণ বিষয়। তাৰ বাবে সমান সা-সুবিধা প্ৰদান কৰা ব্যৱস্থাৱলীক প্ৰসাৰিত কৰিবৰ বাবে শক্তিশালী প্ৰচেষ্টাৰ প্ৰয়োজন। তেতিয়াহে তাৰ সুফল উপলব্ধি কৰিব পৰা যাব। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমূহে লিঙ্গ সমতা তথা সমাজত মহিলা সকলৰ স্থিতি উন্নত কৰিবৰ বাবে বালিকাকেন্দ্ৰিক কাৰ্যসূচী আৰম্ভ কৰিছে। এটা আমোদজনক কাৰ্যসূচী হ'ল ওড়িশাৰ বালিকা উদগনি বিষয়ক কাৰ্যসূচী (২০১৩-২০১৬)। এই কাৰ্যসূচী ৰূপায়ণ কৰাৰ দুবছৰৰ ভিতৰতে মাধ্যমিক স্তৰত উপস্থিতিৰ হাৰ ৭৫ শতাংশৰ পৰা ৮৪ শতাংশলৈ বৃদ্ধি হয়। ইয়াৰ আলোকপাতৰ বিষয় হ'ল বালিকা-সকলৰ উপস্থিতি আৰু শিক্ষাৰ ফলাফল উন্নত কৰা। মুঠৰ ওপৰত কৰি অহা বিশ্লেষণৰ মূল বাৰ্তা হ'ল এনে বিস্তাৰিতকৰণ কাৰ্যৰদ্বাৰা দুৰ্বল শ্ৰেণীৰ লোকসকল উপকৃত হওক আৰু তাৰ লগতে নিঃকিন লোকৰ প্ৰতি সমৰ্থন প্ৰদান ভিত্তিক নীতি প্ৰস্তুত কৰাটো অতি প্ৰয়োজন। লিঙ্গ অসমতা অধিক হ্ৰাস কৰিবৰ বাবে এই নীতিক অস্ত্ৰ ৰূপে ব্যৱহাৰ কৰাটোও বাঞ্ছনীয়। ❐

# সতীৰপৰা মেৰী কমলৈ ঃ অধিকাৰৰ বাবে অবিৰত সংগ্ৰামৰ গাথা

**গীতা লুথ্ৰা***

মাৰ্গাৰেট থেচাৰৰ ভাষাত, ‘যদি আপুনি কিবা ক'ব খুজিছে, তেন্তে পুৰুষ কওক, যদি আপুনি কিবা কৰাটো বিচাৰিছে, তেন্তে মহিলাসকলক কওক।’

আজিৰ পৃথিৱীৰ প্ৰতিগৰাকী নাৰীয়ে পুৰুষৰ সম মৰ্যাদা আৰু সমান সন্মানেৰে তেওঁলোককো একোগৰাকী ব্যক্তি, একো গৰাকী মানৱ সত্তা হিচাপে গণ্য কৰাটো কামনা কৰে। প্ৰকৃতাৰ্থত এয়া তেওঁলোকৰ ন্যায্য কামনা। মানৱ অধিকাৰ সম্পৰ্কীয় প্ৰতিখন ঘোষণা পত্ৰ, ভাৰতীয় সংবিধানৰ ১৪ আৰু ১৫ নং অনুচ্ছেদ আদিত পুৰুষ আৰু নাৰী উভয়েই সম মৰ্যাদা, সম অধিকাৰৰ অংশীদাৰ হৈয়ে জন্ম লাভ কৰে বুলি বাৰম্বাৰ দোহাৰি আহিছে যদিও বাস্তৱ জীৱনত কিন্তু সেয়া সত্য বুলি প্ৰতিপন্ন প্ৰায়েই নহয়। পুৰুষতকৈ নাৰীৰ অৱস্থিতি সদায়ে নিম্ন বুলি সমাজত বৰ্তি অহা গভীৰ বিশ্বাসৰ পৰিণতিতে যুগে যুগে নাৰীসকলে চৰম বৈষম্য, আতিশয্য আনকি হিংসাৰ বলি হ'বলগীয়া হৈ আহিছে। স্বাভাৱিকতেই এনে পৰিস্থিতিত শিক্ষা, স্বাস্থ্য, নিয়োগ, সা-সম্পত্তি তথা প্ৰভাৱ বিস্তাৰৰ সুযোগ লাভৰ পৰা বঞ্চিত হয় নাৰী।

পৰনিৰ্ভৰশীলতাই নাৰীক পৰিস্থিতিৰ সৈতে আপোচ কৰিবলৈ বাধ্য কৰায়। ভুক্তভোগীসকলে হিংসা-দ্বেষ, অসন্মান অপমানৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস গোটাব নোৱাৰাৰ মূল কাৰণ হ'ল এই পৰনিৰ্ভৰশীলতা। ইয়াৰ বিপৰীতে বিত্তীয় আত্মনিৰ্ভৰশীলতা মহিলা সবলীকৰণৰ উৎকৃষ্ট সমল হ'ব পাৰে। গাঁও বা চহৰৰ প্ৰতিগৰাকী নাৰীৰ বিত্তীয় আত্মনিৰ্ভৰশীলতাৰ নিশ্চিত মহিলা সবলীকৰণ আহৰণৰ আটাইতকৈ প্ৰভাৱশালী আৰু চূড়ান্ত আহিলা হ'ব পাৰে। বিত্তীয় আত্ম নিৰ্ভৰশীলতা আহৰণ কৰিবলৈ হ'লে প্ৰথমে বালিকা সকলে শিক্ষাৰ নিশ্চয়তা পাব লাগিব। দ্বিতীয়তে কৰ্মস্থলীত পুৰুষৰ সমানেই নাৰীসকলে নিযুক্তি লাভ কৰিব লাগিব। এনে প্ৰেক্ষাপটতে চৰকাৰে প্ৰগতিশীল আইন প্ৰৱৰ্তনেৰে নাৰী সবলীকৰণৰ দিশত প্ৰথমটো খোজ আগবঢ়োৱাৰ প্ৰয়াস কৰিছে। কৰ্মস্থলীত সঞ্চালনি ৰূপত নিয়োগ আৰু সম অধিকাৰৰ বাতাৱৰণ সৃষ্টিৰ বাবে ন্যায়িক হস্তক্ষেপৰ সৈতে বিধায়িনী প্ৰয়াসো ইতিমধ্যে আৰম্ভ কৰা হৈছে। নাৰী সবলীকৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে আমাৰ দেশত ইতিমধ্যে ‘সম মাননি আইন, ১৯৭৬, ‘যৌতুক নিষিদ্ধকৰণ আইন, ১৯৬১, ‘গৰ্ভৱতী মহিলাৰ প্ৰসৱকালীন চিকিৎসা আইন, ১৯৭১; সতী (নিষিদ্ধকৰণ) আয়োগ আইন, ১৯৮৭; ‘বাল্য বিবাহ নিষিদ্ধকৰণ আইন, ২০০৬; ‘পূৰ্বানুমান তথা ভ্ৰূণ পৰীক্ষণ (নিয়ামক তথা অপব্যৱহাৰ নিষিদ্ধকৰণ) আইন, ১৯৮৪;’ আৰু কৰ্মস্থলীত মহিলাৰ যৌন আতিশয্য (নিষিদ্ধকৰণ আৰু সুৰক্ষা) আইনকে ধৰি কিছুমান আইন প্ৰৱৰ্তনৰ ব্যৱস্থা কৰা হৈছে। এনেবোৰ আইনৰ প্ৰৱৰ্তনে মহিলাসকলক অন্ততঃ দেশৰ কৰ্ম সংস্থাপন প্ৰাপ্ত নাগৰিকমণ্ডলীৰ অংশীদাৰ হোৱাৰ বাবে ন্যায্য সুযোগ প্ৰদান কৰাৰ লগতে অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা আহৰণৰ সুৱৰ্ণ সুযোগ দান কৰিছে বুলি অভিহিত কৰিব পাৰি।

এই প্ৰয়াসে নাৰীসকলক সমাজত দকৈ শিপাই থকা পুৰুষ আধিপত্য উৎখাত কৰাৰ সামৰ্থ্য প্ৰদান কৰিলে বুলি কৈ দিব নোৱাৰি যদিও ইয়ে অন্ততঃ লিংগ বৈষম্যই সৃষ্টি কৰা অনাহূত পৰিস্থিতি তথা গাহৰ্স্থ্য হিংসাৰ অভিশাপৰপৰা মুক্ত হোৱাৰ দিশত বহুখিনি সকাহ প্ৰদান কৰিছে বুলি ন-দি ক'ব পাৰি।

‘ৰোগগ্ৰস্ত মানসিকতাৰ পৰিণতিয়ে অপৰাধ প্ৰৱণতাক জন্ম দিয়ে। সেয়ে এনে অপৰাধ প্ৰৱণতা ৰোগ নিৰাময় কৰিব পৰা একোখন চিকিৎসালয়ৰ দৰেহে কাৰাগাৰবোৰ গঢ়ি তুলিব লাগিব; তাকে নকৰি এটা চকুৰ বিপৰীতে এটা চকু কঢ়াৰ নীতিয়ে সমগ্ৰ পৃথিৱীখনকে অন্ধ কৰি তুলিব।’—মহাত্মা গান্ধী।

ধৰ্ষণ হৈছে এগৰাকী নাৰীৰ মৰ্যাদা আৰু শৰীৰৰ বিপৰীতে সংঘটিত কৰা এটা যৌন অপৰাধ। আন কথাত ই হৈছে পুৰুষে দেখুওৱা পৌৰষৰ অপব্যৱহাৰৰ

*গীতা লুথ্ৰা উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ত কেন্দ্ৰীয় চৰকাৰৰ জ্যেষ্ঠ বিশেষ আইনজ্ঞ। ৩৫ বছৰৰো অধিক অভিজ্ঞতাৰে পুষ্ট শ্ৰীমতী লুথ্ৰাই ভাৰত চৰকাৰক বিভিন্ন বিতৰ্কমূলক বিষয়ত সুৰক্ষা প্ৰদান কৰি আহিছে।

অন্যতম নিদৰ্শন। এনে প্ৰেক্ষাপটতে ভাৰতৰ সংসদে শেহতীয়াভাৱে এনে আইনৰ সংশোধন কৰি কঠোৰ শাস্তিৰ বিধান সন্নিৱিষ্ট কৰিছে। মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধ কঠোৰ হাতেৰে দমন কৰাৰ উদ্দেশ্যে ২০১৩ চনত দণ্ডবিধি (সংশোধন) আইনলৈ সংসদে অনুমোদন জনায়। ২০১৩ চনৰ ১৯ মাৰ্চত লোকসভা আৰু ২০১৩ চনৰ ২১ মাৰ্চত ৰাজ্য সভাই জনোৱা অনুমোদনৰ সুবাদতে ১৮৬০ চনৰ ভাৰতীয় দণ্ডবিধিৰ সংশোধন সম্ভৱ হৈছিল। সেইদৰে ১৯৮৩ চনত ভাৰতীয় দণ্ডাবিধি, ১৮৭২ চনৰ ভাৰতীয় সাক্ষ্য আইন, ফৌজদাৰী দণ্ডবিধিৰ সংশোধন কৰি জিম্মাত ৰাখি ধৰ্ষণৰ বেলিকা শাস্তিৰ বিধান দিব পৰা ৩৭৬ (২) ধাৰা, বিবাহোত্তৰ ধৰ্ষণৰ বেলিকা ৩৭৬ (ক) আৰু যৌন সম্ভোগৰ বেলিকা শাস্তিৰ বিধান দিব পৰাকৈ ৩৭৬ ('খ' ৰ পৰা 'ঘ' লৈ) ধাৰা অন্তৰ্ভুক্ত কৰা হয়।

**ন্যায়িক হস্তক্ষেপৰে সামাজিক পৰিৱৰ্তনৰ প্ৰয়াস**

এটা সময় এনেকুৱা আছিল যে ধৰ্ষণৰ দৰে অপৰাধৰ ক্ষেত্ৰত ন্যায় দান কৰিব নোৱাৰি ভাৰতীয় আদালতে চকুত চকু থৈ কথা ক'ব নোৱাৰা অৱস্থাৰ সন্মুখীন হ'ব লগা হৈছিল। ১৯৮৯ চনৰ মহম্মদ হবিব গোচৰত দিল্লী উচ্চ ন্যায়ালয়ে ধৰ্ষণৰ অভিযুক্তক বিনা শাস্তিৰে মুক্তি দিবলগীয়া হৈছিল। অপৰাধীৰ গুপ্তাংগত কোনো ধৰণৰ আঘাতৰ চিন নথকাৰ বাবেই ন্যায়ালয়ে সেইবেলি এই সিদ্ধান্ত দিবলীয়াত পৰিছিল। এই ক্ষেত্ৰত যুক্তি আছিল অপৰাধীৰ গুপ্তাংগত কোনোধৰণৰ আঘাতৰ চিন নথকাৰ অৰ্থ হ'ল ভুক্তভোগীয়ে অভিযুক্তক কোনো ধৰণৰ বাধা প্ৰদান কৰা নাছিল। কিন্তু লক্ষণীয় কথা আছিল ঘটনাটোৰ ভুক্তভোগী গৰাকী আছিল এটি ৭ বছৰীয়া শিশু। তেওঁৰ সতীচ্ছদ ফাটি গৈছিল আৰু তেওঁৰ শৰীৰত কামোৰ চিন স্পষ্ট আছিল যদিও ন্যায়ালয়ে সেইবোৰ দিশ উপেক্ষা কৰিছিল। আনকি ঘটনাটোৰ চাক্ষুস সাক্ষীগৰাকীৰ সাক্ষ্যইয়ো ন্যায়ালয়ৰ সিদ্ধান্ত সলনি কৰিব পৰা নাছিল। সেই সময়ত আইন ব্যৱস্থাৰ অৱস্থা ইমানেই শোচনীয় আছিল যে বহু সময়ত ভুক্তভোগীক সহ-অপৰাধীৰ ৰূপত গণ্য কৰিয়েই বিচাৰ প্ৰক্ৰিয়াই গতি লৈছিল।

সততে উল্লেখ হোৱা আন এটা গোচৰ সন্দৰ্ভত ন্যায়ালয়ে দিয়া ৰায়ে মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত পোষণ কৰা মানসিকতাৰ স্বৰূপ উদঙাই দেখুৱায়। শ্ৰীমতী ভানৱাৰী দেৱী বনাম ৰাজস্থান চৰকাৰ আৰু অন্যান্য শীৰ্ষক গোচৰটোত এগৰাকী ন্যায়াধীশে ৰায় দান কৰিবলৈ গৈ যুক্তি দিছিল যে এগৰাকী উচ্চ বৰ্ণৰ ব্যক্তিয়ে কেতিয়াও দলিত এগৰাকীক ধৰ্ষণ কৰিব নোৱাৰে। যিহেতু এই ক্ষেত্ৰত ভুক্তভোগী গৰাকী দলিত আৰু অভিযুক্ত গৰাকী উচ্চ বৰ্ণৰ ব্যক্তি। সেয়ে তেওঁৰদ্বাৰা এনে এটা যৌন সম্পৰ্ক সম্ভৱ নহয়।

অৱশ্যে পৰৱৰ্তী সময়ত দেশত হোৱা বিকাশ তথা পাশ্চাত্যৰ প্ৰভাৱত ভানৱাৰী দেৱী গোচৰৰ দিনৰ সেই ক'লা অধ্যায় ইতিহাসৰ বুকুত জাহ যাবলৈ দি ভাৰতীয় ন্যায়তন্ত্ৰই ক্ৰমাগতভাৱে দৃঢ় পদক্ষেপ গ্ৰহণৰ দিশে আগবাঢ়িবলৈ ধৰে। এই ক্ষেত্ৰত ১৯৮৩ চনত ভাৰৱাড়া ভগিনভাই হিৰ্জিভাই বনাম গুজৰাট শীৰ্ষক গোচৰ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰা স্থিতিৰ কথা উল্লেখ কৰিব পাৰি। গোচৰটো সন্দৰ্ভত দিয়া ৰায়ত দেশৰ উচ্চতম ন্যায়ালয়খনে মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ এটা শ্ৰেণী নিৰ্দ্ধাৰণ কৰাৰ লগতে এনে অপৰাধৰ এটা সংজ্ঞা নিৰূপণৰ প্ৰয়াস কৰে।

এই ক্ষেত্ৰত সৰ্বোচ্চ ন্যায়ালয়ে 'বিশাখা বনাম ৰাজস্থান আৰু অন্যান্য' গোচৰ সন্দৰ্ভত প্ৰদান কৰা ৰায়ৰ কথাও বিশেষভাৱে উল্লেখ কৰিব পাৰি। এটা বেচৰকাৰী সংস্থাই জনোৱা এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি সুজাতা মনোহৰ আৰু বি এন কৃপালৰ হৈ ৰায়টো প্ৰদান কৰিছিল ভাৰতৰ তদানীন্তন মুখ্য ন্যায়াধীশ জে এছ বাৰ্মাই। কৰ্মস্থলীত যৌন আতিশয্যৰ বলি হোৱা মহিলাৰ ন্যায় বিচাৰি কৰা এই আবেদনৰ জৰিয়তে কৰ্মৰত মহিলাৰ সুৰক্ষাৰ প্ৰসংগ ভাৰতৰ সংবিধানৰ ২১ নং অনুচ্ছেদত অন্তৰ্ভুক্ত মৌলিক অধিকাৰ হিচাপে সন্নিৱিষ্ট কৰাৰ বাবে আবেদন জনোৱা হৈছিল। ইয়াৰ জৰিয়তেই দেশত প্ৰথমবাৰৰ বাবে কৰ্মস্থলীত সন্মুখীন হোৱা যৌন আতিশয্য সম্পৰ্কীয় অপৰাধৰ সংজ্ঞা নিৰূপণৰ প্ৰয়াস আৰম্ভ হৈছিল। সেই অনুসৰি—

১। যৌনগন্ধী মন্তব্য
২। শাৰীৰিক সম্পৰ্ক বা ততোধিক
৩। যৌনগন্ধী দাবী অথবা অনুৰোধ
৪। অশ্লীল ছবি প্ৰদৰ্শন
৫। যৌনগন্ধী কথা-বতৰা, অংগী-ভংগী অথবা আচৰণ আদিক অপৰাধ হিচাপে গণ্য কৰা হয়।

এই ঐতিহাসিক গোচৰটোতে প্ৰথমবাৰৰ বাবে যৌন আতিশয্যক এটা পৃথক অনৈতিক আচৰণ হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছিল। যৌন আতিশয্যৰ ক্ষেত্ৰত তেনে আচৰণক প্ৰশ্ৰয় নিদিয়াটো হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক।

সেয়ে তেনে আচৰণ প্ৰদৰ্শন কৰোঁতাৰ অভিপ্ৰায়তকৈ সেই আচৰণ গ্ৰহণ কৰিবলগীয়া হওতাৰ ক্ষেত্ৰত-ই অধিক প্ৰভাৰশালী হৈ উঠে।

পিছে মহিলাসকল এতিয়াও সবল হৈ উঠা নাই। এই সত্য পুনৰ প্ৰতিষ্ঠা হ'ল 'নিৰ্ভয়া কাণ্ড'ৰ জৰিয়তে (২০১৩ চনৰ ভাৰত বনাম ৰাম সিং আৰু অন্যান্য গোচৰ)। সময়ৰ সৈতে আমাৰ সমাজে আগবাঢ়িছে। আজিৰ তাৰিখত মহিলাৰ প্ৰতি দৃষ্টি-ভংগীও বহুখিনি সলনি হৈছে বুলি প্ৰচলিত ধাৰণাৰ স্বৰূপ বাৰুকৈয়ে উন্মোচিত হ'ল এই নিৰ্ভয়া কাণ্ডৰ জৰিয়তে। এই কাণ্ডত জড়িত অপৰাধী কেইটাই ধৃষ্টতা প্ৰদৰ্শন কৰি দাবী কৰিছিল ঘটনাটোৰ ভুক্তভোগীগৰাকী নাৰী হৈয়ো যে নিশা ৯ বজা পৰ্যন্ত ঘৰৰ বাহিৰত থাকি দৰাচলতে ধৰ্ষণৰ দৰে ঘটনা সংঘটিত হোৱাৰ সুযোগহে দান কৰিছিল। তেন্তে ভাৰতীয় সমাজৰ মানসিকতাৰ পৰিৱৰ্তন হ'ল ক'ত? ক'বলৈ গ'লে নিৰ্ভয়া কেৱল কামুকৰ অপৰাধেই নাছিল, বৰঞ্চ, ই পৰিৱৰ্তনকামী পুৰুষ-মহিলা উভয়ৰে বিৰুদ্ধে সংঘটিত এক অপৰাধ আছিল। ই যেন মহিলাৰ সুৰক্ষা আৰু অধিকাৰ নিশ্চিত কৰাৰ নামত প্ৰৱৰ্তিত আইনত থকা কেণাসমূহ হৃদয়ংগম কৰাৰ বাবে চৰকাৰ-প্ৰশাসনক সতৰ্ক কৰিব পৰাকৈ কোব সোধাব পৰা এডাল লোৰ মাৰিহে।

গোচৰটোৱে আৰক্ষীৰ তথাকথিত অনুসন্ধানৰ গতি-প্ৰকৃতিৰ ওপৰত লক্ষণীয় প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। দেশত প্ৰথমবাৰৰ বাবে কোনো অপৰাধৰ অনুসন্ধানৰ বেলিকা আৰক্ষীয়ে ডি এন এৰ নমুনা পৰীক্ষণ, অ'ডণ্ট'লজি পৰীক্ষা, পাম প্ৰিণ্ট আদিৰ দৰে বৈজ্ঞানিক উপায়ৰ বিশেষ প্ৰয়োগ কৰা দেখা গৈছিল আৰু ইয়াৰ সুবাদত এই তদন্ত অধিক অগ্ৰগণ্য আৰু ফলপ্ৰসূ হৈছিল।

ভাৰতীয় দণ্ডবিধিত ১৬৬ (ক) অনুচ্ছেদৰ সংযোজন ঘটাই যৌন অপৰাধীক চিনাক্ত কৰাৰ বাবে ডি এন এ পৰীক্ষা সম্পন্ন কৰি দোষীক শাস্তিৰ আওতালৈ অনাৰ ব্যৱস্থা কৰা হয়।

দ্বিতীয়তে, ঘটনাটোৰ সাক্ষ্য নোহোৱা কৰাৰ বাবে অপৰাধীয়ে ঘটনাৰ পিছতে সংশ্লিষ্ট বাছখনৰ ভিতৰ বাহিৰ পানীৰে ধোৱাৰ ব্যৱস্থা কৰিছিল যদিও তদন্তৰ সময়ত আৰক্ষীয়ে বাছখনৰ মজিয়া ভাঙি তাৰ ভিতৰৰপৰা ভুক্তভোগীৰ তেজ, অপৰাধীৰ বীৰ্য, চুলি আদি সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল আৰু এনেবোৰ সাক্ষ্যই গোচৰটোৰ বিচাৰৰ সময়ত বাৰুকৈয়ে সহায় কৰিছিল।

ধৰ্ষণৰ গোচৰ তদন্ত কৰাৰ সময়ত আৰক্ষীয়ে সাধাৰণতে অপৰাধীৰ ডি এন এ পৰীক্ষা কৰে যদিও এতিয়াৰে পৰা অ'ডণ্টলজি পৰীক্ষণৰ ৰূপত আন এটা পন্থাও লাভ কৰিলে। এই পৰীক্ষণ অপৰাধীৰ দাঁতৰ আকাৰ, বিকাশ তথা গঠনত থকা অস্বাভাৱিকতাৰ পৰীক্ষণ কৰা হয়। ইয়াৰ জৰিয়তে ভুক্তভোগীৰ মুখ কিম্বা শৰীৰত পোৱা কামোৰত ব্যৱহৃত দাঁতৰ আকাৰ আদিৰ সৈতে অপৰাধীৰ দাঁতৰ আকাৰ-প্ৰকাৰৰ সাদৃশ্য নিৰূপণ কৰি অপৰাধী নিশ্চিত কৰাৰ প্ৰয়াস কৰা হয়।

অনুসন্ধানত ব্যৱহৃত অন্যান্য বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা কিম্বা সা-সৰঞ্জামৰ উপৰি অপৰাধীৰ 'পাম প্ৰিণ্ট' অৰ্থাৎ হাতৰ তলুৱাৰ ছাপ পৰীক্ষাৰো দিহা কৰা হয়। সৌভাগ্যৰ কথা যে ঘটনাটো সংঘটিত হোৱা পথটোত থকা এখন হোটেলৰ চি চি কেমেৰাত অপৰাধটো সংঘটিত হোৱা বাছখনৰ ছবি সংগৃহীত হৈছিল। কিয়নো নিশা হোৱা বাবে সেই সময়ত পথটোত যান-বাহন কিম্বা অন্যান্য পথচাৰীৰ চাল-চলন সীমিত হৈ পৰিছিল।

ল'ৰা সন্তানৰ প্ৰতি দেশত থকা বিশেষ আগ্ৰহৰ প্ৰৱণতা ৰোধ কৰাৰ লক্ষ্যৰে ভাৰত চৰকাৰে প্ৰাক্ জন্ম পৰীক্ষণ পদ্ধতি (নিয়ন্ত্ৰণ তথা অপপ্ৰয়োগ ৰোধ) আইন, ১৯৯৪ খন প্ৰৱৰ্তন কৰিছিল। পিছত আইনখনৰ সংশোধন কৰি ২০০৩ চনত ইয়াক প্ৰাক্ গৰ্ভ ধাৰণ প্ৰাক্ জন্ম পৰীক্ষণ পদ্ধতি (যৌন নিৰ্বাচন ৰোধ) শিৰোনামেৰে প্ৰৱৰ্তনৰ দিহা কৰে। এই আইনে এখন তালিকাত সন্নিৱিষ্ট কেতবোৰ বিশেষ জন্মগত অৱস্থাৰ বাহিৰে অন্য ক্ষেত্ৰত বিশেষকৈ ভ্ৰূণ পৰীক্ষণৰ জৰিয়তে লিংগ পৰীক্ষণক নিষিদ্ধ ঘোষণা কৰে। অৱশ্যে পৰৱৰ্তী সময়ত আইনখনে দিয়া নিৰ্দেশনাৱলী কঠোৰ-ভাৱে পালন কৰা হোৱা নাছিল। লৈংগিক অনুপাতৰ ব্যৱধান আৰু যাতে অধিক বৃদ্ধি পাব নোৱাৰে সেই কথা নিশ্চিতকৰণৰ বাবে প্ৰণিত এই আইনখনৰ মূলতঃ তিনিটা উদ্দেশ্য আছিল। সেয়া হ'ল—

আইনখনত অনুমোদিত তালিকাৰ বাহিৰে অন্যান্য প্ৰাক্ জন্ম পৰীক্ষণ নিয়ন্ত্ৰণ কৰা।

প্ৰাক্ গৰ্ভধাৰণ পৰীক্ষণ পদ্ধতিৰ জৰিয়তে লৈংগিক নিৰ্বাচন তথা নিৰূপণ সম্পৰ্কত অপপ্ৰয়োগ সমূলে নিষিদ্ধ কৰা।

যৌন ৰোগ নিৰূপণৰ বাহিৰে প্ৰাক্ গৰ্ভধাৰণ কিম্বা গৰ্ভ ধাৰণোত্তৰ পৰীক্ষণ পদ্ধতি সমূলে নিষিদ্ধ কৰা।

দেশত ক্ৰমবৰ্দ্ধমান ৰূপত ল'ৰা আৰু কন্যা শিশুৰ আনুপাতিক ব্যৱধান বৃদ্ধি পোৱা ঘটনাৰ সৈতে প্ৰাক্ গৰ্ভধাৰণ পৰীক্ষণৰ বিষয়টো বিশেষ সম্পৰ্ক

থকাৰ কথাটোত বিশেষ গুৰুত্ব, প্ৰদান কৰি উচ্চতম ন্যায়ালয়ে ২০০২ চনত ১৯৯৪ চনৰ প্ৰাক্ জন্ম পৰীক্ষণ আৰু পদ্ধতি (নিয়ন্ত্ৰণ তথা অপপ্ৰয়োগ ৰোধ কৰে) আইনখন প্ৰৱৰ্তনত ব্যৰ্থ হোৱা বুলি কেন্দ্ৰ-ৰাজ্য চৰকাৰসমূহক কঠোৰ ভাষাৰে ভৰ্ৎসনা কৰে।

**ন্যায়াধীশ বাৰ্মা সমিতিৰ প্ৰতিবেদন আৰু ইয়াৰ প্ৰভাৱ**

ন্যায়াধীশ বাৰ্মা সমিতিয়ে যুগুতোৱা ৩৬০ পৃষ্ঠাৰ প্ৰতিবেদনখনত ১০ টা গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা হৈছিল। সেইবোৰ হৈছে—

১। সম্ভোগৰ দৃশ্য চাই যৌনতৃপ্তি লোৱা, আতিশয্য চলোৱা কিম্বা ইচ্ছাকৃতভাৱে স্পৰ্শ কৰি তৃপ্তি লাভ কৰা আদি কাৰ্যক অপৰাধ হিচাপে গণ্য কৰা। প্ৰতিবেদনখনত এনেবোৰ অপৰাধৰ বিৰুদ্ধে ৩ বছৰ পৰ্যন্ত কাৰাবাসৰ পৰামৰ্শ আগবঢ়োৱাৰ লগতে ইচ্ছাকৃতভাৱে স্পৰ্শ কৰা, অশ্লীল ভাষা অথবা অংগী-ভংগী প্ৰদৰ্শন আদিকো যৌন অপৰাধৰ আওতালৈ অনাৰ পোষকতা কৰা হয়।

২। **ধৰ্ষণ সম্পৰ্কীয় আইনৰ সংশোধন** নাবালিকা ধৰ্ষণৰ বাবে ন্যূনতম ১০ বছৰৰ কাৰাদণ্ড, ভাৰতীয় দণ্ডবিধিত গণধৰ্ষণৰ সংজ্ঞা সন্নিৱিষ্ট কৰাৰ লগতে এনে অপৰাধৰ বাবে অন্ততঃ ২০ বছৰৰ কাৰাদণ্ড আৰু ধৰ্ষণৰ পৰিণতিত ভুক্তভোগীৰ মৃত্যু হ'লে অপৰাধীক ন্যূনতম ২০ বছৰৰ কাৰাদণ্ডৰ পোষকতা কৰা হয়। ইফালে বিবাহোত্তৰ ধৰ্ষণকো শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য কৰাৰ পোষকতা কৰা হয়।

৩। **সংঘৰ্ষ জৰ্জৰ এলেকাত বলবৎ হোৱা নিৰাপত্তা আইনৰ পুনৰীক্ষণ** দেশৰ সংঘৰ্ষজৰ্জৰ এলেকা যেনে কাশ্মীৰ, উত্তৰ-পূৰ্বাঞ্চল আদিত সৈন্য বাহিনীৰে বিৰুদ্ধে উত্থাপিত কেতবোৰ যৌন নিৰ্যাতনৰ অভিযোগৰ সন্দৰ্ভত মন্তব্য কৰি প্ৰতিবেদনখনত উল্লিখিত অঞ্চলসমূহত বলবৎ থকা 'সৈন্য বাহিনী বিশেষ ক্ষমতা আইন—চমুকৈ 'আফস্পা' (AFSPA) ৰ পুনৰীক্ষণৰ পৰামৰ্শ আগবঢ়োৱা হয়। বাৰ্মা সমিতিয়ে বিষয়টো গভীৰভাৱে বিবেচনা কৰি আইনখনৰ গইনা লৈ অভিযুক্ত সেনা জোৱান সকলে যিহেতু বহু সময়ত সাৰি যোৱাৰ সুযোগ গ্ৰহণ কৰিব পাৰে, সেয়ে এনেবোৰ অপৰাধত অভিযুক্তৰ গোচৰৰ বিচাৰ সেনা আইনৰ অধীনত নচলাই সাধাৰণ আইনৰ অধীনত চলোৱাৰ পৰামৰ্শ আগবঢ়োৱা হয়। তদুপৰি সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহত মহিলাৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে বিশেষ মহিলা নিৰাপত্তা আয়ুক্ত নিয়োগৰো ব্যৱস্থা কৰাৰ পোষকতা কৰা হয়। এইসকল আয়ুক্তৰ নিজ নিজ এলেকাত সংঘটিত সেনা জোৱানৰ যৌন আতিশয্যৰ ঘটনাৰ নিৰীক্ষণ কৰাৰ লগতে এনে কাণ্ডৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণৰ ক্ষমতা থাকিব। ইফালে কোনো জোৱানে কৰা অপৰাধৰ বাবে জোৱানজনৰ উচ্চ পদাধিকাৰীকো 'নিয়ন্ত্ৰণত গাফিলতি'ৰ অভিযোগত অভিযুক্ত কৰি তেওঁৰ বিৰুদ্ধেও বিচাৰ চলাই ৭ বছৰ পৰ্যন্ত কাৰাদণ্ড বিহাৰ পৰামৰ্শ দান কৰা হয়।

৪। এই সমিতিয়ে অবৈধ, পিতৃতান্ত্ৰিক গাঁও পৰিষদৰ নিৰীক্ষণ, 'জ্যাতাভিমান ৰক্ষা'ৰ নামত কৰা হত্যালৈ অনুমোদন জনোৱা 'খাপ পঞ্চায়ত'ৰ দৰে অবৈধ অনুষ্ঠানসমূহৰ ওপৰত কঠোৰ নিৰীক্ষণৰ দিহা কৰাৰ পোষকতা কৰে। উল্লেখযোগ্য যে এই খাপ পঞ্চায়তসমূহে ছোৱালী কিম্বা মহিলাসকলক ম'বাইল ফোন ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰাৰ লগতে পশ্চিমীয়া আৰ্হিৰ সাজ-পাৰ পৰিধান কৰা, পুৰুষ লগৰীয়া নোহোৱাকৈ অকলশৰীয়াকৈ ফুৰিবলৈ ওলোৱাত বাধা নিষেধাজ্ঞা আৰোপৰ দৰে পদক্ষেপ গ্ৰহণ কৰি আছে।

৫। ধৰ্ষিতাৰ চিকিৎসা সম্পৰ্কীয় পৰীক্ষণৰ পুনৰীক্ষণ যৌন আতিশয্যৰ সন্মুখীন হোৱা ব্যক্তিৰ পৰীক্ষণৰ ক্ষেত্ৰতো এই সন্মতিয়ে পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শ অনুযায়ী 'দুটা আঙুলি'ৰ পৰীক্ষণৰ পদ্ধতি বাৰণ কৰা হৈছে। এই পদ্ধতিৰে ভুক্তভোগীগৰাকী যৌন সম্ভোগত অভ্যস্ত নেকি তাক থাৱৰ কৰা হয়।

৬। **আৰক্ষী সংস্কাৰ** এই লৈংগিক অপৰাধ সম্পৰ্কীয় অভিযোগ বিপৰীতে গোচৰ ৰুজু নকৰা আৰক্ষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষমতা থকা আৰক্ষী অভিযোগ প্ৰাধিকৰণ জিলা পৰ্যায়ত স্থাপনৰ পৰামৰ্শ আগবঢ়ায় এই সমিতিয়ে। এনে গোচৰ ৰুজু কৰিব নোখোজা অথবা এনে গোচৰৰ তদন্তত গাফিলতি কৰা আৰক্ষীক শাস্তি প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰা হয়। এনে পদক্ষেপে আৰক্ষীক

অধিক দায়বদ্ধ কৰিব বুলি উল্লেখ কৰা সমিতিখনে সকলো আৰক্ষী থানাতে চি চি টি ভি সংস্থাপনৰ ব্যৱস্থা কৰি ইয়াৰ নিৰীক্ষণত গোচৰ তথ্য গ্ৰহণ, সংৰক্ষণ আৰু ৰুজুকৰণৰ ব্যৱস্থা কৰি এটা উচ্চমানৰ তদন্ত প্ৰক্ৰিয়া সম্পন্ন কৰিব পৰাকৈ আৰক্ষীক প্ৰশিক্ষণ, আৰক্ষী নিৱেশলৈ প্ৰয়োজনীয় সা-সামগ্ৰীৰ যোগান নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। সাধাৰণ আইন-শৃংখলাৰ পৰিস্থিতিতকৈ যৌন আতিশয্যৰ গোচৰৰ তদন্ত পৃথককৈ কৰাৰ লগতে এনেবোৰ গোচৰৰ তদন্ত অধিক খৰতকীয়াকৈ, অধিক পাৰদৰ্শী ৰূপত আৰু অধিক জনমুখী ৰূপত সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰা হয়।

৭। **নিৰ্বাচনী সংস্কাৰ**
বাৰ্মা সমিতিয়ে যৌন আতিশয্য, যৌতুক দাবীৰ দৰে অপৰাধত শাস্তিৰ সন্মুখীন হোৱা ব্যক্তিক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে অৰ্হতাৰহিত কৰা, এনে গোচৰত দোষী সাব্যস্ত হোৱা সাংসদ-বিধায়কক বৰ্খাস্ত কৰা অথবা স্বেচ্ছা পদত্যাগৰ পোষকতা কৰা হয়। সেইদৰে ৰাজনৈতিক দলবোৰৰ বাবে এক আচৰণ বিধি, দান-বৰঙণি গ্ৰহণৰ ক্ষেত্ৰত স্বচ্ছতাৰ ব্যৱস্থা কৰাৰ লগতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ সবিশেষ তথ্য ৰাজহুৱা কৰাৰো পৰামৰ্শ আগবঢ়ায়।

৮। **শিক্ষাৰ জৰিয়তে লিংগ-সচেতনতাৰ ব্যৱস্থা** ভাৰতীয় শিক্ষানুষ্ঠানৰ সাধাৰণ পাঠ্যক্ৰমৰ পুনৰীক্ষণ কৰাৰ লগতে যৌন শিক্ষাক পাঠ্যক্ৰমৰ অপৰিহাৰ্য অংগ হিচাপে গণ্য কৰাৰ পৰামৰ্শ আগবঢ়ায়।

৯। দক্ষিণ আফ্ৰিকা আৰু নিউজীলেণ্ডত থকাৰ দৰে ভাৰততো মহিলাৰ অধিকাৰ সুৰক্ষিত কৰিব পৰাকৈ 'অধিকাৰৰ বিধেয়ক' প্ৰতিষ্ঠাৰ পোষকতা কৰা হয়। এই ব্যৱস্থাই মহিলাসকলক 'জীৱনৰ অধিকাৰ', 'নিৰাপত্তা', 'শাৰীৰিক বিশ্বাসযোগ্যতা', গণতান্ত্ৰিক তথা অসামৰিক অধিকাৰ আৰু 'সমতা'ৰ নিশ্চয়তা প্ৰদান কৰিব।

১০। **মানৱ সৰবৰাহ**
ভাৰতীয় দণ্ড বিধিত মানৱ সৰবাৰাহৰ অপৰাধ সংজ্ঞায়িত কৰা, এনে অপৰাধক শাস্তিযোগ্য ঘোষণা কৰি এনে অপৰাধৰ বাবে ন্যূনতম ৭ বছৰৰ কাৰাবাসৰ শাস্তি বিধান কৰা, সৰবৰাহি ব্যক্তিক বনকৰা লগুৱা হিচাপে নিয়োজিত কৰিলে তেনে কৰোঁতাক অন্ততঃ ৩ বছৰৰ কাৰাদণ্ডৰে দণ্ডিত কৰাৰো পৰামৰ্শ আগবঢ়ায় বাৰ্মা সমিতিয়ে।

## বিবাহোত্তৰ ধৰ্ষণ

ধৰ্ষণ সমাজৰ বিৰুদ্ধে অপৰাধ আৰু ইয়াৰ সম্পৰ্ক জড়িত হৈ থাকে অপৰাধী আৰু ভুক্তভোগীৰ মাজত। পিছে এনে একে কাণ্ডই বন্ধ কোঠাৰ ভিতৰত কোনো স্বামী আৰু পত্নীৰ মাজত সংঘটিত হ'লে কিন্তু সমাজে ইয়াক অপৰাধ হিচাপে গণ্য কৰিব নোৱাৰে। তথাপি কোনো পত্নীয়ে যদি বাধ্যত পৰি অথবা পৰিয়ালৰ হেঁচাত বাধ্য হৈ এনে আতিশয্য সহ্য কৰিবলগীয়া হয়, তেন্তে তেনে কাণ্ডই অপৰাধৰ স্বৰূপ সলনি কৰিব নোৱাৰে।

মহিলা সবলীকৰণৰ কথা ক'বলৈ যিমান সহজ সেই কথা বাস্তৱায়িত কৰাটো তাতকৈ বহুগুণে দুৰূহ। শাৰীৰিক সম্ভোগৰ বাবে পত্নী বা পতি হেঁচাৰ সন্মুখীন হোৱা কথাটো কেৱল অনুভৱ কৰা কিম্বা মানি ল'লেই কিন্তু ভাৰতত ইয়াক অপৰাধ হিচাপে গণ্য কৰা নহয়। অৱশ্যে এই প্ৰসংগত বিভিন্ন বিতৰ্ক অব্যাহত আছে। অৱশ্যে মহিলাই সন্মুখীন হৈ অহা অমানৱীয় আতিশয্য ৰোধৰ লক্ষ্যৰে প্ৰৱৰ্তিত 'গাৰ্হস্থ্য হিংসাৰ পৰা মহিলা সুৰক্ষা আইন'ত এনে কাণ্ডক গাৰ্হস্থ্য হিংসা হিচাপেই গণ্য কৰা হৈছে। প্ৰগতিবাদী এই আইনখনে এনে ধৰণৰ কাণ্ডৰ সন্মুখীন হোৱাৰ পৰা মহিলাসকলক সুৰক্ষা দান কৰাৰ লগতে সমাজত সচেতনতা সৃষ্টিতো বিশেষ অৰিহণা আগবঢ়াব বুলি আশা কৰা হৈছে।

## গাৰ্হস্থ্য হিংসাৰ পৰা মহিলাক সুৰক্ষা

গাৰ্হস্থ হিংসাৰ পৰা মহিলাক সুৰক্ষা দানৰ লক্ষ্যৰে যুগুতোৱা 'গাৰ্হস্থ্য হিংসাৰ পৰা মহিলা সুৰক্ষা আইন'খন ২০০৬ চনত বলবৎ কৰা হয়। ইয়াৰ পূৰ্বে বিবাহোত্তৰ মহিলাই সন্মুখীন হোৱা আতিশয্যৰ পৰা পৰিত্ৰাণৰ কোনো বিধিগত ব্যৱস্থা নাছিল যদিও এইখন আইন প্ৰৱৰ্তনে মহিলাসকলক সুৰক্ষাৰ প্ৰত্যয় দান কৰিবলৈ সক্ষম হয়। ইয়াৰ সুবাদত বিবাহোত্তৰ পৰিস্থিতিত মহিলা-সকলে সন্মুখীন হোৱা শাৰীৰিক, মৌখিক, যৌন কিম্বা অৰ্থনৈতিক আতিশয্যৰ বিৰুদ্ধে ন্যায়িক সুৰক্ষা লাভৰ নিশ্চয়তা লাভ কৰিবলৈ সক্ষম হয়। আইনখনে আনকি সহবাসৰ বুজাবুজিৰে জীৱন অতিবাহিত কৰা মহিলাৰো সুৰক্ষা নিশ্চিত কৰাৰ ব্যৱস্থা প্ৰদান কৰিছে।

**মহিলা আৰু বালিকা সৰবৰাহ**

আজিৰ পৃথিৱীতো মানৱ সৰবৰাহৰ দৰে কাণ্ড অব্যাহত আছে। এইখন পৃথিৱীৰে বিভিন্ন প্ৰান্তত বিশেষকৈ মহিলা আৰু বালিকাৰ কিনা-বেচা অব্যাহত আছে। যৌন দাসী, বনকৰা লগুৱাৰ ৰূপত এনেবোৰ কাণ্ড অব্যাহত আছে। এখন দেশৰ পৰা আন এখন দেশলৈ অথবা দেশৰ ভিতৰতে এটা প্ৰান্তৰ পৰা আন এট প্ৰান্তলৈ এনে কাণ্ডৰ পয়োভৰ ঘটিয়েই আছে। ভাৰতো ইয়াৰ ব্যতিক্ৰম নহয়। প্ৰতি বছৰে পৃথিৱী ব্যাপি ১.২ নিযুত শিশুৰ সৰবৰাহ হয়। ইয়াৰে প্ৰায় ৮০ শতাংশ যৌন সম্ভোগৰ পণ্য হিচাপে ব্যৱহৃত হয় বুলি সমীক্ষাৰ তথ্যত প্ৰকাশ। ইফালে ভাৰতক এনে কাণ্ডৰ অন্যতম জঘন্য ঘাটি বুলি দাবী কৰা হয়। বহুতৰ মতে এছীয়া আৰু আন একাংশৰ মতে পৃথিৱীৰ ভিতৰতে বৃহত্তম ঘাটি আমাৰ ভাৰত। অৱশ্যে গণিকা বৃত্তি আৰু দাস-দাসীৰ ক্ৰয়-বিক্ৰয়ৰ ৰূপত পুৰাতন কালৰে পৰাই ভাৰতত এনে বেহা অব্যাহত আছিলেই। এনে প্ৰেক্ষাপটতে ভাৰতীয় সংবিধানৰ ২৩ নং অনুচ্ছেদে মানৱ সৰবৰাহ নিষিদ্ধ ঘোষণা কৰিছিল। পিছে বিগত সময়ছোৱাত ইয়াৰ জৰিয়তে মানৱ সৰবৰাহৰ গতি ৰোধ কৰাত বিশেষ সাফল্য লাভ কৰিব নোৱাৰাত-চৰকাৰে ভাৰতীয় দণ্ডবিধিৰ সংশোধন কৰি ৩৭০ ধাৰাৰ উপৰি ৩৭০ (ক) ধাৰা সন্নিৱিষ্ট কৰি এইক্ষেত্ৰত অধিক কঠোৰ পদক্ষেপ গ্ৰহণৰ ব্যৱস্থা কৰিছে।

সেইদৰে উত্তৰাধিকাৰী আইনৰ সংশোধনৰ জৰিয়তেও মহিলা সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। ২০০৫ চনত সম্পাদিত হিন্দু উত্তৰাধিকাৰী আইনৰ সংশোধনে অবিবাহিত কিম্বা বিবাহিত মহিলা সদস্য সকলকো যৌথ পৰিয়ালৰ সম্পত্তিৰ সম উত্তৰাধিকাৰিত্বৰ নিশ্চয়তা প্ৰদান কৰিছে।

**মহিলা সংৰক্ষণ বিধেয়ক/সংবিধান (১০৮ সংখ্যক সংশোধন) বিধেয়ক, ২০০৮**

সামাজিক সমতা নিশ্চিত কৰিব পৰাকৈ মহিলাসকলক সামৰ্থ্য দান কৰাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লক্ষ্যৰে মহিলা সংৰক্ষণ বিধেয়কক লৈ বিগত ১৮টা বছৰে দেশবাসীয়ে বিভিন্ন ঘটনাক্ৰম প্ৰত্যক্ষ কৰিছিল। অৱশ্যে ২০০৮ চনত ইউ পি এ চৰকাৰৰ প্ৰথমটো কাৰ্যকালত উত্থাপন কৰা মহিলা সংৰক্ষণ বিধেয়ক, ২০০৮ খনে সংসদীয় কাৰ্যপন্থাৰ প্ৰথমটো ঢাপ অতিক্ৰম কৰিবলৈ সক্ষম হয় ২০১০ চনত। এই বিধেয়কে সংসদ আৰু ৰাজ্যৰ বিধান সভা সমূহৰ মুঠ আসনৰ এক তৃতীয়াংশ আসন মহিলাসকলৰ বাবে সংৰক্ষণ কৰাৰ লগতে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসকলৰ বাবে সংৰক্ষিত আসনৰো এক তৃতীয়াংশ আসন মহিলা সকলৰ বাবে সংৰক্ষণৰ পোষকতা কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও বিগত শতিকাৰ ৯০ দশকৰ পৰাই এনে সংৰক্ষণৰ প্ৰস্তাৱেৰে সংসদত ৩ বাৰকৈ বিধেয়ক উত্থাপন কৰা হৈছিল যদিও বিভিন্ন অজুহাতত এই বিধেয়কসমূহে সদনৰ অনুমোদন লাভ কৰিব পৰা নাছিল।

যি কি নহওক, নাৰী সবলীকৰণৰ এই সংগ্ৰাম অবিৰত সংগ্ৰাম। নিশ্চিত আৰু অৱধাৰিত ৰূপতে ই অব্যাহত থাকিব। অৱশ্যে ইয়াৰ বাবে কেৱল মানসিকতা সলনি হ'লেই নহ'ব, সমাজৰ সকলো অংশৰে আন্তৰিক সহযোগিতাৰো প্ৰয়োজন হ'ব। বিশেষকৈ সংবাদ মাধ্যম সমূহে এই ক্ষেত্ৰত ইতিবাচক সংযোজকৰ ভূমিকা পালন কৰিব লাগিব। এটা কথা ঠিক যেতিয়ালৈকে নাৰীয়ে পুৰুষৰ সমানেই সুযোগ আৰু অধিকাৰৰ অংশীদাৰিত্ব লাভ নকৰে, তেতিয়ালৈকে সমাজ এখনেও সম্ভাৱনাৰ পূৰ্ণ বিকাশ ঘটাব নোৱাৰিব। ❐

**'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী**

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# অসমৰ ৰাজনীতিত নাৰী

**নিত্যানন্দ শইকীয়া***

নাৰীক অৰ্দ্ধেক আকাশ, পুৰুষৰ অৰ্দ্ধাংগিনী আদি সুশোভন বাক্যাংশৰে সূচনা কৰিলেও সম্প্ৰতি লিংগসমতাৰ বিষয়টো আন্তৰ্জাতিকভাৱে বিচাৰ্য বিষয়ত পৰিণত হৈছে। নিউয়ৰ্কৰ য়ু এন ৱমেন নামৰ ৰাষ্ট্ৰসংঘৰ শাখা সংগঠনটোৱে জেনেভাৰ ইণ্টাৰ পাৰ্লামেণ্টাৰী য়ুনিয়নৰ (IPU) সৈতে ইয়াক ত্বৰিত কৰিবলৈ চেষ্টা কৰিছে। নাৰীৰ অৰ্থনৈতিক সচ্ছলতা আৰু সামাজিক স্থানৰ লগতে ৰাজনৈতিক সক্ৰিয়তাৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে। আই পি য়ু আৰু য়ু এন ৱমেনৰ যৌথ প্ৰচেষ্টাৰে বিশ্বৰ সংসদসমূহত ন্যূনতম ৩০ শতাংশ মহিলাৰ স্থান আহ্বান জনোৱা হৈছে। প্ৰতিনিধি ৰাষ্ট্ৰসমূহে বাৰে বাৰে সময়সীমাৰে আশ্বাস দিও এইবিষয়ত সফল হ'ব পৰা নাই। অৱশ্যে বিগত দশকত এই হাৰ প্ৰায় দুগুণ হৈছে। বৰ্তমান বিশ্বৰ সমগ্ৰ ৰাষ্ট্ৰৰে উভয় সদনত গড় হাৰ ২২.৬ শতাংশ। উচ্চতম হাৰৰ দেশ কেইখন হ'ল ৰাৱণ্ডা ৬৩.৮ শতাংশ, বলিভিয়া ৫৩.১ শতাংশ, কিউবা ৪৮.৯ শতাংশ, চিচিলি ৪৩.৮ শতাংশ, ছুইডেন ৪৩.৬ শতাংশ। তালিকাত ১৪১ স্থান প্ৰাপ্ত ভাৰতবৰ্ষত (৬৫/৫৪৩) সংখ্যাৰে নিম্নসদনত এই হাৰটো ১২ শতাংশ। অথচ আমাৰ কাষৰীয়া আবুৰত থকা মহিলাৰ তিনিখন দেশ ভাৰততকৈ আগবঢ়া। আফগানিস্তানত ২৭.৭ শতাংশ, পাকিস্তানত ২০.৬ শতাংশ আৰু বাংলাদেশত ২০.০ শতাংশ। মহিলা সদস্য বিহীন সংসদকেইখন হ'ল ফিলিপাইনছ, ডমিনিক্ ৰিপাব্লিক, য়েমেন, ভানুৱাতু, টংগা, কাতাৰ, পালাউ, মাক্ৰনেছিয়া আৰু হাইতি।

মনুৰ নিৰ্দেশনা আৰু মহাকাব্যিক ব্যাখ্যাই ভাৰতীয় নাৰীৰ স্থান পিছলৈ থ'লেও মধ্যযুগত বহু নাৰীয়েই প্ৰশাসনৰ ৰাজদণ্ড হাতত লৈছে আৰু বীৰত্বৰে শত্ৰুৰ সৈতে যুঁজ দিছে। কৰ্ণাটকৰ বাদশ্বাহী ৰাষ্ট্ৰ কিত্তুৰৰ মহাৰাণী চেন্নামাই (১৭৭৮-১৮২৯) ১৮২৪ চনত নিজৰ সেনানীৰে বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। আমাৰ অসমতো গৌৰীনাথ সিংহৰ (১৭৮০-৯৫) বিধৱা ৰাণী কমলেশ্বৰী দেৱীয়ে ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড ৱেলেছ্লীক ১৮০৬ চনত লগ ধৰি অসমৰ সুশাসনৰ বাবে সামৰিক সাহায্যৰ দাবী কৰিছিল। দেশৰ স্বাধীনতাৰ বিষয়টোত ভাৰতীয় মহিলাৰ লগতে অসমীয়া নাৰীও আছিল সজাগ। কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী, খহুলি নাথ, ৰেৱতী লাহন, অৱলী কোচনী, গোলাপী চুতীয়ানী, কণ চুতীয়ানী, থুনুকি দাস আদি বহুতেই দেশৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিছিল। ই অসমীয়া নাৰীৰ জাতিৰ মৰ্যাদা উপলব্ধিৰ ইতিহাস। এটা জাতিক উন্নত বুলি ক'বলৈ নাগৰিকৰ মাজত জাত, শ্ৰেণী, লিংগভিত্তিক বৈষম্য থাকিব নালাগে। ভাৰতীয় সংবিধানৰ ৩২৫ আৰু ৩২৬ অনুচ্ছেদে নাৰীক পুৰুষৰ সমপৰ্যায়ৰ ৰাজনৈতিক সক্ৰিয়তা আৰু ভোটৰ অধিকাৰ প্ৰদান কৰিছে। গণতন্ত্ৰীয় নিকায়টোত নিৰ্বাচনেই প্ৰধান ভূমিকা লয়। ভাৰতীয় নাৰীয়ে নিৰ্বাচনত সম অধিকাৰ পাইছে। তাৰ পিছতো সংসদ আৰু বিধানসভাবোৰত আশানুৰূপ সংখ্যক মহিলা প্ৰতিনিধি নিৰ্বাচিত হৈ নহাত এখন সংৰক্ষণ সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হৈছিল যিখন ৰাজ্যসভাত গৃহীত হৈ লোকসভাত বাধাপ্ৰাপ্ত হ'ল। আশা কৰা যায় অবিলম্বে লোকসভাত গৃহীত হ'লেই আৰু ৰাজ্যবোৰৰ দুই তৃতীয়াংশই গ্ৰহণ কৰিলেই ৰাষ্ট্ৰপতিয়ে অনুমোদন জনাই মহিলা সবলীকৰণৰ বৃহৎ পদক্ষেপটোৰ সুৰাগুৰি তুলিব। ইতিমধ্যে সকলো শুভচিন্তকে একমুখে স্বীকাৰ কৰিছে—'ৰাজনীতিত মহিলাৰ প্ৰৱেশ কাছ গতিত হ'লে বিকাশো মন্থৰ হ'ব। কাৰণ বিশ্বৰ সকলোবিলাক মানৱীয় সংকট আৰু সংঘৰ্ষৰ পৰিৱৰ্তনৰ কাৰক নাৰী। সকলো দুৰ্যোগেই নাৰীক প্ৰভাৱিত কৰে। গতিকে সমাজৰ প্ৰতিটো দিশতে নাৰীক অন্তৰ্ভুক্ত কৰিব লাগে।

অসমীয়া নাৰীৰ ৰাজনৈতিক সক্ৰিয়তা এতিয়াও চকুত লগা হোৱা নাই। ৰাজনৈতিক অংশীদাৰিত্বৰে বিধান সভাত প্ৰৱেশ কৰা নাৰীৰ সংখ্যা নগণ্য। ৰাজনৈতিক দলবোৰৰপৰা মনোনয়ন সংক্ৰান্তীয় টিকট প্ৰাপ্তি, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা, জয়লাভৰ পিছত মন্ত্ৰিত্ব, ৰাজনৈতিক পৃষ্ঠপোষকতা, বিধান সভাত সিদ্ধান্ত দিয়াৰ ক্ষমতা —এই আটাইকেইটা স্তৰতে অসমীয়া মহিলাৰ প্ৰদৰ্শন নিম্ন পৰিসৰৰ। অৱশ্যে ক'ব পাৰি মহিলা সংৰক্ষণ বিধেয়কখন কাৰ্যকৰী নোহোৱাত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক প্ৰেক্ষাপটত ছবিখন ধূসৰ হৈ আছে। এই অৱস্থাত ছবিখন স্পষ্ট কৰিবলৈ মহিলাৰ

*ডাঃ নিত্যানন্দ শইকীয়া এজন চকু চিকিৎসক আৰু স্তম্ভ লিখক।

সক্ৰিয় ভূমিকাৰ অতীৱ প্ৰয়োজন। মনুৰ দিনৰপৰা আজিলৈকে সমাজত পুৰুষেই সিদ্ধান্ত লোৱাৰ অধিকাৰ পাই আহিছে। আনকি সেই সিদ্ধান্তৰ ওপৰত মহিলাৰ বিতৰ্কতো উলাইহে কৰা হৈছে। অজ্ঞাত কাৰণত বা অজ্ঞতাবশতঃ ভাৰতীয় সংবিধানৰ ৩২৫ আৰু ৩২৬ অনুচ্ছেদ মাথোন কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথিৰ বিষয় হৈ সমাজৰ হিতকাৰী মন্ত্ৰ হোৱাত ব্যৰ্থ হৈছে। উন্নত দেশৰ তুলনাত ভাৰতীয় মহিলাৰ গড় আয়ুস কম। দেশৰ মহিলা শ্ৰমশক্তিও নিম্ন মানৰ। স্কুলবোৰত ল'ৰাতকৈ ছোৱালীৰ সংখ্যা কম। লিংগ হাৰতো পুৰুষতকৈ নাৰীৰ সংখ্যা কম। শিক্ষিত নাৰীৰ হাৰ কমি থকাটো ৰাজনীতিত প্ৰৱেশ নকৰাৰ আন এটা কাৰণ। ভাৰতবৰ্ষৰ ৬০ শতাংশ গ্ৰাম্য নাৰীয়েই ৰক্তাল্পতা আৰু আন দীৰ্ঘদিনীয়া অসুখত ভোগে। সদ্যপ্ৰসৱা মাতৃৰ মৃত্যুৰ হাৰ অধিক। কেইখনমান ৰাজ্যত এতিয়াও গোপনে কন্যা ভ্ৰূণ হত্যা চলিয়েই আছে। স্বাস্থ্য হানিকাৰক অন্যান্য বহুতো কাৰণবশতঃ ভাৰতত সম্প্ৰতি এগৰাকী নাৰীৰ বিপৰীতে আছে ১.০৬ জন পুৰুষ। নাৰীৰ বিৰুদ্ধে অপৰাধো ঊৰ্দ্ধগামী। আটাইবোৰ কাৰণে নাৰীক ৰাজনীতিত অংশীদাৰিত্বৰপৰা নিলগাই ৰাখিছে। যাৰ ফলত সমস্যাবোৰ বান্দৰৰ খৰৰ দৰে বিস্তৃত হৈছে। মুঠতে এটা নষ্ট চক্ৰ।

২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ ২৭ খন জিলাত পুৰুষ আৰু মহিলাৰ শতকৰা হাৰ ক্ৰমে ৫১.১৮ শতাংশ আৰু ৪৮.৮২ শতাংশ। ৰাজ্যিক ৰাজনীতিত মহিলাৰ অংশগ্ৰহণ তেলসনা বাঁহত উঠা খেলখনৰ দৰে।

সদ্যসমাপ্ত ২০১৬ চনৰ বিধানসভাৰ বাবে কংগ্ৰেছ দলে মুঠ ১৬ গৰাকী মহিলা প্ৰাৰ্থী দিছিল। তাৰে অজন্তা নেওগ (গোলাঘাট), ৰোজলিনা তিৰ্কী (সৰুপথাৰ) আৰু নন্দিতা দাস (বকো) বিজয়ী হ'ল। বিজেপিয়ে প্ৰাৰ্থিত্ব দিয়া ছগৰাকীৰ আঙুৰলতা ডেকা (বটদ্ৰৱা) আৰু সুমন হৰিপ্ৰিয়া (হাজো) বিজয়ী হৈছে। বিপিএফৰ প্ৰমিলাৰাণী ব্ৰহ্ম (পূব কোকৰাঝাৰ) আৰু কমলি বসুমতাৰী (পানেৰী) জয়যুক্ত হ'ল। অসম গণ পৰিষদৰ দুগৰাকী প্ৰাৰ্থীৰ কেৱল ৰেণুপমা ৰাজখোৱাই (টীয়ক) বিজয় তিলক পিন্ধিলে। এ ইউ ডি এফ দলৰ পাঁচ গৰাকী মহিলাপ্ৰাৰ্থী নিৰ্বাচনত পৰাজিত হৈছে। উল্লেখযোগ্য যে এইবাৰ সকলো দলেই কম সংখ্যক মহিলা প্ৰাৰ্থী থিয় কৰাইছিল। ৰাষ্ট্ৰীয় দল কংগ্ৰেছেই ২০১১ চনৰ ১৯ গৰাকীৰ বিপৰীতে এইবাৰ ১৬ গৰাকীক টিকট দিছিল। সকলো মহিলা প্ৰাৰ্থীৰ মাজত বয়োজ্যেষ্ঠ আছিল কংগ্ৰেছৰ বীথিকা দেৱ (৮০) আৰু সৰ্বকনিষ্ঠ নিৰ্দলীয় আজেমিৰা আখটাৰ (২৫)। একেসময়তে চাৰিখন ৰাজ্যত হোৱা নিৰ্বাচনত মহিলাৰ হাৰ এনেধৰণৰ ঃ অসম (৮/১২৬) ৬.৩ শতাংশ, পশ্চিম বংগ (৪০/২৯৪) ১৩.৬ শতাংশ, কেৰালা (৮/১৪০) ৫.৭ শতাংশ আৰু পুডুচেৰীত (৪/৩০) ১৩.৩ শতাংশ।

পাকঘৰৰপৰা জনতাভৱনলৈ বহু দূৰ নেকি? অলপ শিক্ষা, অলপ অধ্যয়ন, অলপ সাধাৰণ জ্ঞান, সামাজিক সম্পৰ্ক আৰু সেৱা, স্বচ্ছতা আৰু উৰ্চ্ছাৰ মনোভাব, সাহস আৰু স্পষ্টবাদিতা থাকিলে, পাকঘৰৰপৰা জনতাভৱনলৈ যাত্ৰা সুখদায়ক হয়। সমাজৰ অন্যায়, অবিচাৰ, বিশেষকৈ নাৰীৰ ওপৰত চলা উৎপীড়ন আদিত নাৰী আজি একগোট হৈ ওলাই আহিছে। নাৰীবাদী অসমীয়া সাহিত্যৰ ৰচনা উৎসাহজনক হৈছে। নিৰ্ভয়া কাণ্ড, অৰুণা চানবাগৰ ব্যথাদায়ক মৰণ নাৰীৰ বাবে অত্যন্ত সংবেদনশীল বিষয় হ'ব পাৰে। সেয়া ৰাজনীতি নহয়, সচেতনতাহে। সচেতন আৰু সবৰ মহিলাৰ বাবে ৰাজনীতি সহজ বিষয়। ঐশ্বৰ্য আৰু পাৰিবাৰিক উত্তৰাধিকাৰে হয়তো ৰাজনীতিত সহায় কৰে। নিৰ্বাচকে হয়ভৰ দিলে নিৰ্বাচিত প্ৰতিনিধিজনলৈ কাণ টানিলে মূৰ অহাৰ দৰে যশ, সন্মান আৰু ক্ষমতা —এই সকলোবোৰ আহে। ইয়াত থাকে বেতন আৰু পেন্সন। পিছে পাহাৰ প্ৰমাণ ঐশ্বৰ্যৰ লালসা, ক্ষমতাৰ অপ-প্ৰয়োগ আৰু ৰাইজৰ হিত সাধিব নোৱাৰিলেও আসনখন খামুচি ধৰি থকাটো ৰাজনৈতিক শুভলক্ষণ নহয়। পুৰুষতকৈ মহিলা ৰাজনীতিকৰ-পৰা বাৎসল্য, কৰুণা আৰু সততা অধিক আশা কৰা যায়।

বনিলি খংমেনৰ কথা নিশ্চয় মনত আছে। ১৯১২ চনত কাৰ্বি পাহাৰত জন্ম হোৱা কাবন নেলি তিমুংপিয়ে বি এ পাছ কৰি কেইবাখনো হাইস্কুল প্ৰতিষ্ঠা কৰি শিক্ষকতা কৰি আছিল। তদানীন্তন নেতা সকলৰ চকুত পৰিল। অসম বিধানসভাৰ সদস্যা আৰু ১৯৪৬-৫১ সময়ছোৱাত উপাধ্যক্ষ হয়। ১৯৫২ চনত স্বায়ত্ত শাসিত জিলা সমষ্টিৰপৰা লোকসভালৈ সাংসদ নিৰ্বাচিত হয়। ১৯৫৩ চনত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ দশম বৈঠকৰ প্ৰতিনিধি আৰু মানৱ অধিকাৰ সমিতিৰ কামত নিয়োজিত হয়। ১৯৫৭ চনত অসম লোক সেৱা আয়োগৰ অধ্যক্ষ হয় ৬ বছৰৰ বাবে। ১৯৬৩-৭০ সময়ছোৱাত কেন্দ্ৰীয় লোক সেৱা আয়োগৰ সদস্য আৰু ১৯৭০-৭৪ কালছোৱাত নগালেণ্ড লোক সেৱা আয়োগৰ অধ্যক্ষ হয়। ১৯৭৫ চনত নগালেণ্ড দৰমহা আয়োগৰো অধ্যক্ষ আছিল। খাছি লোকৰ সৈতে বিবাহসূত্ৰে নাম হয়গৈ বনেলি খংমেন। ২০০৭ চনত চিলঙতে ইহলীলা সম্বৰণ কৰে। জনগণৰ সেৱা আৰু সুখ্যাতিৰ সমাহাৰেৰে তেওঁৰ এটা বৰ্ণাঢ্য জীৱন আছিল। পুত্ৰ কন্যাক পিছে তেওঁ দখলীকৃত পথাৰৰ উত্তৰাধিকাৰী নকৰিলে। অন্ততঃ সেইবাবেও তেওঁ স্মৰণযোগ্য। ❐

# সৃষ্টি আৰু শক্তিৰ প্ৰতীক— নাৰী

**নিবুল কুমাৰ গগৈ***

অপাৰ কৰুণা আৰু মমতাৰ প্ৰতীক এগৰাকী নাৰীৰ হাতৰ পৰশত হৃদয়ৰ উমত এখন ঘৰ জীপাল হৈ উঠে। ঈশ্বৰ প্ৰদত্ত নাৰীৰ এনে কিছুমান গুণ আছে যাৰ বাবে নাৰীসকলে এখন ঘৰেই কিয় এখন সমাজ, তথা এখন দেশৰো পৰিৱৰ্তন সাধিব পাৰে। সেই বাবেই হয়তো কোৱা হয়—নাই কন্যা, নাই মাতৃ, নাই ভৱিষ্যৎ। কিন্তু নাৰী দুৰ্বল, নাৰী অবলা, নাৰী শাৰীৰিক আৰু মানসিকভাৱে পুৰুষতকৈ দুৰ্বল এনে ধৰণৰ বৈষম্যমূলক আচৰণ আৰু বদ্ধমূল ধাৰণা আজিও সমাজত বিৰাজমান। কিন্তু একোগৰাকী নাৰীৰ যে বীৰ পুৰুষৰ দৰে অপৰিসীম শক্তি, পৰাক্ৰম আছে, সেই কথা বুৰঞ্জীৰ পাত লুটিয়াই চালে গম পোৱা যায়। গাঁৱৰ এগৰাকী মহিলাই ভালেমান দিন নেখাই নবৈ নৰিয়া পাটিত পৰি থকা প্ৰসঙ্গত এজন বৃদ্ধলোকে এষাৰ কথা কৈছিল, “মহিলাসকলক ভগৱানে এনেকুৱা শক্তি প্ৰদান কৰিছে— যাৰ বাবে এগৰাকী মহিলাই কেৱল পানী খাই ওঠৰ দিনলৈ জীয়াই থাকিব পাৰে।”

এই লেখাৰ প্ৰাৰম্ভণিতে অপৰিসীম শাৰীৰিক আৰু মানসিক শক্তিৰ অধিকাৰী, দুৰ্দান্ত সাহসী, নিৰ্ভীক তিব্বতৰ নাৰী এনি পেচান ড'লমাৰ কথা ক'ব খোজা হৈছে। যৌৱনে টগবগাই থকা দিনতে বৌদ্ধ ভিক্ষুনী হোৱা এই সাধাৰণ নাৰী গৰাকীয়েই ১৯৫৮ চনৰ পৰা ১৯৬০ চনলৈ ছশ সহযোগী অশ্বাৰোহী যোদ্ধাৰ নেতৃত্ব দি চীনৰ সৈন্যৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। যাৰ বাবে তেওঁক তিব্বতৰ জোৱান অফ আৰ্ক নামেৰে অভিহিত কৰা হৈছিল।

১৯৬০ চনত এনি পেচান ড'লমাক গ্ৰেপ্তাৰ কৰাৰ পিছত জে'ললৈ নিক্ষেপ কৰা হ'ল। হাজাৰ হাজাৰ তিব্বতী মানুহক আইন উলঙ্ঘা কৰাৰ অপৰাধত মৃত্যু দণ্ডেৰে দণ্ডিত কৰা হ'ল। সুদীৰ্ঘ একৈশ বছৰীয়া বন্দিত্বৰ কালত পেচানৰ ওপৰত চলিল এটাৰ পিছত এটাকৈ অকথ্য নিৰ্যাতন, পেচানৰ নাৰী শক্তিৰ পৰীক্ষা কৰা হ'ল। বহু দিনলৈ কঁকালত ৰছীৰে বান্ধি ওলমাই থোৱা হ'ল। মাহৰ পিছত মাহ ধৰি নিৰ্বাসিত কৰি অকলশৰীয়াকৈ ৰাখি পেচানৰ মানসিক শক্তিৰ পৰীক্ষা কৰা হ'ল। বছৰৰ পিছত বছৰ ভৰিত শিকলিৰে বান্ধি থোৱা হ'ল। পেচানৰ ওপৰত চলোৱা অকথ্য শাৰীৰিক আৰু মানসিক নিৰ্যাতনে পেচানক অকণো টলাব নোৱাৰিলে। অৱশেষত ১৯৮১ চনত পেচানক মুক্তি দিয়া হ'ল। জেলৰ পৰা ওলাই পেচানে লিখি উলিয়ালে এখন গ্ৰন্থ 'Sorrow Mountain' — য'ত তেওঁৰ জীৱনৰ লগতে তিব্বতৰ মানুহৰ দুখ দুৰ্দশাবোৰ সন্নিৱিষ্ট কৰা হৈছে। ১৯৮৮ চনতে স্বদেশৰ পৰা মৃত্যু পৰ্যন্ত বিতাৰিত এই গৰাকী নাৰী শক্তিৰ প্ৰতীক পেচানে ২০০২ চনত শেষ নিশ্বাস ত্যাগ কৰে।

প্ৰখৰ বুদ্ধিমত্তা, অত্যন্ত সাহসী, বীৰাঙ্গনা ৰাণী আব্বাক্কা দেৱী আছিল এগৰাকী বলিষ্ঠ প্ৰশাসক। যিয়ে চাৰি দশক ধৰি প্ৰবল পৰাক্ৰমেৰে ঔপনিৱেশিক শক্তিক পৰাভূত কৰি নিজ ৰাজ্য ৰক্ষা কৰিছিল। যোল্ল শতিকাত ভাৰতবৰ্ষৰ কৰ্ণাটকৰ উপকূলীয় অঞ্চলৰ (তেতিয়াৰ নাম তুলুনাড়ু) উল্লাল নামৰ এখন ৰাজ্য আছিল। তাৰেই ৰাণী আছিল ৰাণী আব্বাক্কা দেৱী। পৰ্তুগীজসকলে ইতিমধ্যে গোৱা দখল কৰি নিজৰ নিয়ন্ত্ৰণলৈ আনিছিল। তেওঁলোকৰ ব্যৱসায় বৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ ৰাজ্য বুলি বিবেচিত হোৱা উল্লাল ৰাজ্য নিজৰ অধীনলৈ আনিবলৈ বহুবাৰ উল্লাল আক্ৰমণ কৰিও সফল হ'ব পৰা নাছিল কেৱল ৰাণী আব্বাক্কা দেৱীৰ বাবে। পৰ্তুগীজ সকলৰ উপৰি বৃট্ৰিছ আৰু ডাচ্চসকলৰ বাৰম্বাৰ আক্ৰমণ ৰাণী আব্বাক্কা দেৱীয়ে বিফল কৰিছিল। যাৰ বাবে ৰাণী আব্বাক্কা দেৱীক নাম দিয়া হৈছিল 'অভয়া দেৱী'।

আব্বাক্কা জৈন ধৰ্মাৱলম্বী আছিল যদিও তেওঁৰ প্ৰশাসন যন্ত্ৰটো হিন্দু আৰু মুছলমান লোকেৰে গঠিত আছিল। সেইদৰে তেওঁৰ সৈন্য বাহিনী জাতি ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকেৰে গঠন কৰিছিল আৰু ঔপনিৱেশিক শক্তিক প্ৰতিহত কৰিবলৈ আব্বাক্কা দেৱীয়ে অন্য সৰু সৰু ৰাজ্যৰ লগ লাগি সন্মিলিত বাহিনী গঠন কৰিছিল। যাৰ

*ডাঃ নিবুল কুমাৰ গগৈ এজন বিশিষ্ট চিকিৎসক, মনোবিজ্ঞানী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিভাগৰ প্ৰাক্তন অংশকালিন অধ্যাপক।

বাবে ৰাণী আব্বাক্কা দেৱী চাৰিটা দশক ধৰি পৰ্তুগীজসকলৰ বাবে ভয় আৰু সন্ত্ৰাসৰ কাৰণ হৈ পৰিছিল। পৰ্তুগীজ সকলে ৰাণীৰ বিচ্ছেদিত স্বামীৰ সহায় লৈ উল্লালৰ ওপৰত আক্ৰমণ বৃদ্ধি কৰি যাব ধৰিলে। ১৫৭০ চনৰ যুদ্ধত নিজ স্বামীৰ বিশ্বাসঘাতকতাৰ বাবে ৰাণী আব্বাক্কা দেৱী পৰাজিত হ'ল। তেওঁক জেললৈ নিক্ষেপ কৰা হ'ল। জেলৰ ভিতৰতো পৰাধীনতাৰ শিকলি পিন্ধি ৰাণী বহি থাকিব নোৱাৰিলে। জেলৰ ভিতৰত তেওঁ সংগঠিত ৰূপত বিদ্ৰোহ আৰম্ভ কৰিলে আৰু যুদ্ধ কৰি মৃত্যু বৰণ কৰিলে। ঔপনিৱেশিক শক্তিৰ বিৰুদ্ধে এনেদৰে যোল্ল শতিকাতে যুদ্ধ কৰি মৃত্যু বৰণ কৰা ৰাণী আব্বাকা দেৱীক বহুতে সেয়েহে ভাৰতৰ প্ৰথম মহিলা স্বাধীনতা যোদ্ধা আখ্যা দিছে।

নাৰীৰ অফুৰন্ত সাহস আৰু বিক্ৰমৰ কাহিনী তাহানি যুগৰ পৰা আছে। সেই বাবেই হয়তো যজুৰ্বেদত কৈছে— দেশত মহিলা সৈন্য বাহিনী থাকিব লাগে আৰু মহিলা সকলক যুদ্ধত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব লাগে। (যজুৰ্বেদ ১৬.৪৪)। যজুৰ্বেদত আকৌ কৈছে এখন দেশৰ শাসন ভাৰ চলাবলৈ মহিলা আৰু পুৰুষৰ সম অধিকাৰ আছে। (যজুৰ্বেদ ২০.৯)। ৰাণীসকলক ৰাজনীতিৰ জ্ঞান দিব লাগে। যাতে ৰজাই প্ৰজাগণক যথোপযুক্ত ন্যায় দিব পাৰে আৰু ৰাজনীতিৰ জ্ঞান সমৃদ্ধ ৰাণীয়ে প্ৰজাগণক ন্যায় প্ৰদান কৰাৰ উপৰি ৰাণীয়ে প্ৰজাগণৰ প্ৰতি ৰাণী হিচাপে নিজৰ ভূমিকা সঠিকভাৱে পালন কৰিব পাৰে। (যজুৰ্বেদ ১০.২৬)

বৈদিক যুগত সমাজত নাৰীক উচ্চ আসন, সন্মান দিয়াৰ উপৰি নাৰীক দেৱীৰ লগত তুলনা কৰা হৈছে। য'ত নাৰীক সন্মান কৰা হয়, তাতেই ভগৱানে বাস কৰে। য'ত নাৰী সুখী হৈ থাকে তাতেই শ্ৰীবৃদ্ধি হয় বুলি কোৱা হৈছে। অৰ্থাৎ নাৰীৰ গাত দেৱ গুণ থকা বুলি কোৱা হৈছে। মনুস্মৃতিত কৈছে—পিতৃ, ভাতৃ, পতি সকলোৱে নাৰীক সন্মান, শ্ৰদ্ধা, আদৰ, প্ৰশংসা কৰিব লাগে, তেতিয়াহে তেওঁলোকৰ কল্যাণ বা মঙ্গল হ'ব। য'ত নাৰীক সন্মান কৰা হয়, তাতেই ভগৱানে বাস কৰে। কিন্তু য'ত নাৰীক সন্মান আৰু আদৰ কৰা নহয়, সেই ঘৰত কোনো ধৰ্মীয় আৰু শুভ কাৰ্য সিদ্ধি নহয়। নাৰীগৰাকী শোক সন্তাপত থাকিলে, অসুখী আৰু নিৰানন্দ হৈ থাকিলে সেইখন ঘৰৰ শ্ৰীবৃদ্ধি আৰু উন্নতি নহয়। সেই কাৰণে নিজৰ হিত বিচৰা সকলোৱে নাৰীক সন্মান জনোৱা উচিত। (মনুস্মৃতি III ৫৫-৫৯)

পিতামহ ভীষ্মই যুধিষ্ঠিৰক উদ্দেশি কৈছিল, "হে শাসনকৰ্তা যি জাতিৰ কন্যা-বোৱাৰীসকল দুৰ্ব্যৱহাৰৰ বাবে দুখ আৰু শোকত থাকে, সেই জাতি ধ্বংস হয়। তেওঁলোকৰ সন্তাপত ঘৰবোৰ অভিশপ্ত হয় আৰু ঘৰবোৰে সৌন্দৰ্য হেৰুৱায় শ্ৰীবৃদ্ধি হেৰুৱায় আৰু ঘৰত সুখ-শান্তি নোহোৱা হয়" (মহাভাৰত অনুশাসন পৰ্ব ১২.১৪)। পিতামহ ভীষ্মই আৰু এষাৰ কথা কৈছিল "প্ৰকৃত জ্ঞান দিয়া এজন শিক্ষক দহজন প্ৰশিক্ষকতকৈ বেছি গুৰুত্বপূৰ্ণ। এজন পিতৃ তেনেকুৱা দহজন শিক্ষকতকৈ শ্ৰেষ্ঠ। কিন্তু এগৰাকী মাতৃ তেনেকুৱা দহজন পিতৃতকৈ শ্ৰেষ্ঠ। এগৰাকী মাতৃতকৈ কোনো ডাঙৰ গুৰু বা শিক্ষক নাই" (মহাভাৰত শান্তিপৰ্ব ৩০.৯)।

বিবাহ সূত্ৰে এগৰাকী নাৰী যেতিয়া এখন ঘৰত প্ৰৱেশ কৰে, তেতিয়া এখন নদী সাগৰত পৰাৰ দৰে হয়। পতিৰ লগত লগলাগি নাৰী গৰাকীয়ে সংসাৰখন আগবঢ়াই নিয়ে (অথৰ্ব বেদ, ১৪.১.৪৩-৪৪)। এনেকুৱা ধৰণৰ নাৰী-পুৰুষৰ সমতা, নাৰীৰ উচ্চ আসন অন্য ধৰ্মীয় পুথিত খুউব কমেইহে পোৱা যায়। এই বৈদিক যুগতেই নাৰী সকলে শিক্ষা, বিজ্ঞান, গ্ৰন্থ ৰচনা, আধ্যাত্মিকতা আদি সকলো দিশতে উচ্চ শিখৰলৈ আৰোহণ কৰিছিল। ধৰ্ম, আধ্যাত্মিকতা, আত্মিক জ্ঞানৰ ভেটি গঢ়ি নাৰীসকলে বেদৰ বাণী জনসাধাৰণৰ মাজলৈ লৈ গৈছিল। লোপামুদ্ৰা, শাশ্বতী, বিশ্ব বাবৰা, মৈত্ৰেয়ী, অপলা, অদিতি আদি মহান নাৰীয়ে আধ্যাত্মিক আৰু এটা মহান আদৰ্শৰ জীৱন অতিবাহিত কৰিছিল। সেই বাবেই তেওঁলোকক সংস্কৃত ব্ৰহ্মবাদিনী বুলি কোৱা হৈছিল।

সময় বাগৰাৰ লগে লগে ভাৰতবৰ্ষত বিদেশী শাসকৰ লগতে বিদেশী সংস্কৃতিৰো অনুপ্ৰৱেশ ঘটিল। নতুন শাসকৰ ৰাজত্বত বৈদিক যুগৰ দেৱীৰ লগত তুলনা কৰা নাৰী ভোগৰ সামগ্ৰী আৰু যৌনতাৰ প্ৰতীক হিচাপেহে চিহ্নিত হ'ল। তেওঁলোক শোষণ নিষ্পেষণ, দমনৰ বলি হোৱাৰ লগতে অত্যাচাৰ বলি হ'ব ধৰিলে। বৈদিক যুগৰ শিক্ষা প্ৰণালীৰ পৰিৱৰ্তন হোৱাৰ লগতে আধ্যাত্মিক আচাৰ- আচৰণ লুপ্তপ্ৰায় হ'ল। নাৰীৰ সন্মান সমাজত অৱনমিত হ'ল। প্ৰতিযোগিতা, স্বাৰ্থপৰতাৰ বাবে সততা, ধৰ্মীয় বিশ্বাস লুপ্তপ্ৰায় হ'ল। নাৰী দমন কৰি নিয়ন্ত্ৰিত কৰি ৰাখিব পৰা এটা পৰিতৃপ্তি দিয়া সম্পত্তিলৈ ৰূপান্তৰিত হ'ল। যদিও কেৱল ধন-টকা-পইচা, বৈষয়িক আনন্দই মানুহক শান্তি আনন্দ দিব নোৱাৰে তথাপিতো সমাজত ভোগবাদ আৰু বস্তুবাদ বৃদ্ধি পাব ধৰিলে আৰু এইবোৰ আহৰণেই মানুহৰ জীৱনৰ লক্ষ্য হৈ পৰিল জীৱনটো পৰিপূৰ্ণ কৰাৰ

স্বাৰ্থত। মানুহে নজনাকৈ সম্পত্তি আহৰণৰ আশা আকাঙ্ক্ষাবোৰ আৰু বেছিহে বৃদ্ধি পাব ধৰিলে। সমাজত অস্তিৰতা বৃদ্ধি পাব ধৰিলে। এটা শূন্যতাৰ দিশে যেন সমাজখন আগবাঢ়ি যাব ধৰিলে।

পৰিৱৰ্তিত পৰিস্থিতিত বৰ্তমান যুগত গোটেই পৃথিৱীতে নাৰীসকলে শিক্ষা-দীক্ষা, বিজ্ঞান, কলা, দুঃসাহসিক কাৰ্য— সকলো দিশতে পুৰুষৰ সমানে আগবাঢ়ি গ'ল আৰু পুৰুষৰ সমানে নাৰীয়ে সকলো কাৰ্য কৰিব পৰা হ'ল। কিন্তু সমাজত নাৰীৰ প্ৰতি বৈষম্যমূলক আচৰণ দূৰ নহ'ল। সম-মজুৰি, সম-অধিকাৰ, ভোটৰ অধিকাৰ, নাৰীৰ ওপৰত হোৱা শোষণ নিষ্পেষণ আৰু অত্যাচাৰৰ প্ৰতিবাদ কৰি নাৰী সকল ৰাজ পথলৈ ওলাই আহিব লগা হ'ল। জাতিৰ পিতা মহাত্মা গান্ধীয়ে লিখিছিল— 'আমি নাৰীসকলক যেনেদৰে ব্যৱহাৰ কৰোঁ সিয়ে আমাৰ বৰ্বৰতাৰহে পৰিচয় দিয়ে।'

১৮৬৫ চনত মানছেষ্টাৰত ইংলেণ্ডৰ মহিলাৰ ভোটৰ অধিকাৰৰ বাবে প্ৰথম ভোট অধিকাৰ কমিটী গঠন কৰা হৈছিল। জন ষ্টুৱাৰ্ট মিল আৰু তেওঁৰ পত্নী হেৰিয়েটে আগভাগ লোৱা এই আন্দোলনত ১,৫৫০ টা স্বাক্ষৰ সহিতে এখন আবেদন পত্ৰ মহিলাৰ ভোটৰ অধিকাৰ বিচাৰি ইংলেণ্ডৰ সংসদলৈ প্ৰেৰণ কৰা হৈছিল। সেই আবেদন পত্ৰখন ১৮৬৭ চনত ইংলেণ্ডৰ সংসদত উপস্থাপন কৰা হৈছিল যদিও গৃহীত নহ'ল। ইংলেণ্ডৰ মহিলাসকলৰ ভোটৰ অধিকাৰৰ এই দীঘলীয়া যুঁজখনত ইমিলিন পান খুৰছ আৰু তেওঁৰ জীয়ৰী খ্ৰীষ্টাবেলৰ নেতৃত্বত হিংসাত্মক ৰূপ ধাৰণ কৰে আৰু লাহে লাহে বহু মহিলা প্ৰতিবাদকাৰী হিংসাত্মক কাৰ্যত লিপ্ত হয়। তেওঁলোকক কাৰাগাৰলৈ নিক্ষেপ কৰাৰ পাছত জেলৰ ভিতৰতো তেওঁলোকে অনশন কৰি তেওঁলোকৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ধৰে। লাহে লাহে ইংলেণ্ডত মহিলাৰ ভোটৰ অধিকাৰৰ আন্দোলনকাৰী সকলে জনসাধাৰণৰ সমৰ্থন আদায় কৰিবলৈ সমৰ্থ হয় আৰু তেওঁলোকৰ সমৰ্থনত প্ৰদৰ্শনী, সমদল বাহিৰ হয়। প্ৰথম বিশ্ব যুদ্ধ আৰম্ভ হ'ল আৰু আন্দোলনকাৰীসকলে যুদ্ধত ক্ষতিগ্ৰস্ত সকলৰ সহায়ৰ বাবে আগবাঢ়ি আহিল। এনেদৰে এটা দীঘলীয়া আন্দোলনৰ অন্তত ১৯১৭ চনৰ জুন মাহত হাউছ অফ কমনছ্, ১৯১৮ চনত হাউছ্ অফ লৰ্ডছ্-এ ইংলেণ্ডত মহিলাৰ ভোটৰ অধিকাৰ আইনখন গৃহীত কৰে। একেদৰে আমেৰিকাতো মহিলাসকলে ভোটৰ অধিকাৰৰ বাবে সুদীৰ্ঘ এশ বছৰ যুঁজ দিব লগা হৈছিল। হোৱাইট হাউছৰ সমুখত পিকেটিং কৰাৰ বাবে মহিলা ভোটৰ অধিকাৰ আন্দোলনৰ নেত্ৰী লুছী বাৰ্ণকক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। আমেৰিকাৰ মহিলাসকলে অসীম ধৈৰ্য, সাহস আৰু শক্তিৰ বাবে ১৯২০ চনত ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সমৰ্থ হৈছিল। ১৯২০ চনৰ ২৬ আগষ্টত আমেৰিকাৰ ঊনৈশ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে মহিলা সকলে ভোট দানৰ অধিকাৰ লাভ কৰে।

আজি বিশ্বায়নৰ যুগত ভোগবাদ আৰু বস্তুবাদৰ লগতে বহুজাতিক কোম্পানীৰ সুবাদত নাৰীৰ স্থান বহু অৱনমিত হৈছে। নাৰীসকল নিতৌ নতুন সমস্যাৰ সমুখীন হৈছে। মানৱীয় মূল্যবোধৰ অৱক্ষয়, এচাম বিকৃত মস্তিষ্কৰ মানুহৰ বাবে নাৰীসকল ক'তো সুৰক্ষিত নোহোৱাৰ দৰে পৰিৱেশৰ সৃষ্টি হৈছে। আনকি মাতৃ গৰ্ভতো কন্যা সন্তান সুৰক্ষিত নোহোৱা হৈছে।

তথাপিতো নাৰীৰ প্ৰতিটো প্ৰত্যাহ্বান, নাৰীয়ে নিজৰ অন্তৰ্নিহিত অপাৰ শক্তিৰে নিজেই সমাধান কৰিব লাগিব। পিতামহ ভীষ্মই কোৱাৰ দৰে দেশৰ ভৱিষ্যৎ প্ৰজন্মৰ প্ৰথম শিক্ষক মাতৃ গৰাকীয়ে সন্তানক সুশিক্ষা আৰু মানৱীয় প্ৰমূল্যৰ জ্ঞান দিয়াৰ উপৰিও তেওঁৰ বুকুৰ উমৰে সন্তানক হৃদয়ত মানৱীয় গুণ, আৱেগ-অনুভূতি জগাই তুলি একোজন প্ৰকৃত মানুহ গঢ় দিব লাগিব। তেতিয়াহে প্ৰকৃতাৰ্থত মানুহ নামৰ প্ৰাণীবিধ পৃথিৱীত বৰ্তি থাকিব। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# আপুনি জানেনে ?

**অৰুণা আছফ আলি**

১৯০৯ চনত তেওঁ এটা বাঙালি পৰিয়ালত জন্মগ্ৰহণ কৰে। ১৯৩০ চনত লোণ সত্যাগ্ৰহৰ জৰিয়তে তেওঁ স্বাধীনতা আন্দোলনত প্ৰথম খোজ দিয়ে। গান্ধী-আৰউইন চুক্তিৰ কেইমাহমানৰ পাছতে তেওঁ মুখ্য আয়ুক্তৰদ্বাৰা গ্ৰেপ্তাৰ হয়। পুনৰ ১৯৪১ চনত তেওঁ ব্যক্তিগত সত্যাগ্ৰহৰ বাবে গ্ৰেপ্তাৰ হয়। ৮ আগষ্ট তাৰিখে প্ৰধান নেতাসকল গ্ৰেপ্তাৰ হোৱাৰ পাছত ১৯৪২ চনৰ ৯ আগষ্টত গোৱালিয়া টেংক ময়দানত ত্ৰিৰঙ্গা পতাকা উত্তোলন কৰা তেওঁ আছিল প্ৰথমগৰাকী ব্যক্তি। ১৯৪২ চনৰ ২৬ ছেপ্তেম্বৰত তেওঁৰ সকলো সম্পত্তি আৰু বয়-বস্তু বাজেয়াপ্ত কৰা হয় আৰু সেইবোৰ ঘূৰাই পাবৰ বাবে তেওঁক আত্মসমৰ্পণ কৰিবলৈ কোৱা হয়। তেওঁ এইটো অস্বীকাৰ কৰাৰ বাবে তেওঁৰ সকলো সম্পত্তি কম মূল্যত বিক্ৰী কৰি দিয়া হয়। তেওঁ ৰাম মনোহৰ লোহিয়াৰ সৈতে ‘‘ইনক্লাব পত্ৰ’ প্ৰকাশ কৰে আৰু জনগণৰ মাজত সজাগতাৰ সৃষ্টি কৰে। ইয়াৰ পাছতেই বহু চৰকাৰী কৰ্মচাৰী আৰু হাজাৰ হাজাৰ কলেজীয়া ছাত্ৰই তেওঁলোকৰ মহাবিদ্যালয় ত্যাগ কৰি স্বাধীনতা আন্দোলনত জঁপিয়াই পৰে। তেওঁক ‘১৯৪২ৰ ৰাণী ঝান্সী’ বুলি কোৱা হয়। তেওঁ দিল্লী পৌৰ নিগমৰ প্ৰথম মহিলা মেয়ৰ আছিল। তেওঁ ‘লিংক আৰু পেট্ৰিয়ট’ নামৰ পত্ৰিকা প্ৰকাশ কৰিছিল আৰু ইয়াৰ জৰিয়তে তেওঁ কামৰ ডাঙৰ স্বীকৃতি লাভ কৰিছিল। তেওঁ ভালেমান ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল।

## সুচেতা কৃপালিনী

১৯০৮ চনত আম্বালাত তেওঁৰ জন্ম হয়। লাহোৰত তেওঁৰ প্ৰাথমিক শিক্ষা গ্ৰহণ আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ (এম.এ) ডিগ্ৰী লয়। শৈশৱৰ পৰাই তেওঁ স্বাধীন ভাৰতত বাস কৰাৰ সপোন দেখিছিল। ১৯৩২ চনত তেওঁ লোকসেৱাত প্ৰৱেশ কৰে আৰু ১৯৩৯ চনত ৰাজনীতিত যোগদান কৰে। দেশসেৱা কৰাৰ আদৰ্শৰে উদ্বুদ্ধ সুচেতা কৃপালিনীক ১৯৪০ চনত গান্ধীজীয়ে ব্যক্তিগত সত্যাগ্ৰহৰ বাবে নিৰ্বাচন কৰে ইয়াৰ বাবে তেওঁ পাছত গ্ৰেপ্তাৰো বৰণ কৰিবলগীয়া হৈছিল। ১৯৪২-৪৩ চনত তেওঁ আত্মগোপনকাৰী দলত কাম কৰে আৰু নিজৰ দেশৰ বাবে যুঁজিবলৈ মহিলাসকললৈ উৎসাহজনক বাৰ্তা কঢ়িওৱা মঞ্চ নিখিল ভাৰত মহিলা কংগ্ৰেছৰ প্ৰতিষ্ঠাতা হিচাপে পৰিগণিত হয়। এই গুৰুত্বপূৰ্ণ কামৰ বাবে তেওঁ ১৯৪২ চনত ‘‘আণ্ডাৰ গ্ৰাউণ্ড ভলণ্টিয়াৰ ফৰ্ছ্’’ও গঠন কৰে আৰু ইয়াৰ জৰিয়তে মহিলাসকলক শাৰীৰিক অনুশীলন, অস্ত্ৰ চালনা, প্ৰাথমিক চিকিৎসা আৰু আত্মসুৰক্ষাৰ কৌশলৰ প্ৰশিক্ষণ দিয়া হয়। দুবছৰৰ পাছত ১৯৪৪ চনত তেওঁ গ্ৰেপ্তাৰ হয়। ১৯৪৫ চনত কাৰাগাৰৰ পৰা ওলাই অহাৰ পাছত তেওঁ সমাজ সেৱাত অধিক সময় খৰচ কৰে। ১৯৪৬ চনত পূব-বংগত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষ আৰু ১৯৪৭ চনত হোৱা পঞ্জাৱ সংঘৰ্ষত অপহৃত হোৱা মহিলাসকলক তেওঁ আশ্ৰয় প্ৰদান কৰিছিল। তেওঁ ১৯৬৩ চনৰ মাজভাগৰ পৰা ১৯৬৭ চনলৈকে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী আছিল আৰু স্বাধীন ভাৰতৰ প্ৰথম মহিলা মুখ্যমন্ত্ৰী।

## কল্পনা দত্ত

কল্পনা দত্ত বংগৰ উচ্চতৰ শিক্ষাৰ ছাত্ৰী আছিল। তেওঁ ইংৰাজৰ শাসন আৰু ভাষাক ঘৃণা কৰিছিল। তেওঁ আনকি তেওঁৰ বিদ্যালয়ত প্ৰচলিত ‘‘ভগৱান আৰু ৰজাৰ প্ৰতি আনুগত্য’’ৰ প্ৰতিজ্ঞা ‘‘ভগৱান আৰু দেশৰ প্ৰতি আনুগত্য’লৈ পৰিৱৰ্তন কৰিবলৈ বিচাৰিছিল। শিক্ষা সম্পূৰ্ণ হোৱাৰ পাছত তেওঁ কলকাতা বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিছিল আৰু তাত তেওঁ দণ্ড আৰু তৰোৱাল চালনা কৰিবলৈ শিকিছিল। ১৯২৯ চনত তেওঁ বিদ্ৰোহীসকলৰ সংস্পৰ্শলৈ আহে কিন্তু ১৯৩২ চনৰ পাছতহে তেওঁ দলটোৰ অংশ হোৱাৰ বাবে সিদ্ধান্ত লয় আৰু স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা লয়। তেওঁ সদায়েই পুৰুষৰ সাজ পৰিধান কৰিছিল আৰু তেওঁ গোপনে চৰকাৰী ভৱনসমূহত আচম্বিৎ আক্ৰমণ কৰিছিল। আৰক্ষীয়ে সেই দলৰ সদস্য বুলি সন্দেহ কৰি তেওঁৰ চাল-চলনত দৃষ্টি ৰাখিছিল যদিও তেওঁৰ বিৰুদ্ধে প্ৰমাণ সংগ্ৰহ কৰিবলৈ ব্যৰ্থ হয়। পাহাৰতলী ক্লাৱ আক্ৰমণ হোৱাৰ সময়ত তেওঁ সেই দলৰ সদস্য বুলি আৰক্ষী পতিয়ন যায়। তেওঁৰ ওপৰত ১০৯ ধাৰাৰ অধীনত গোচৰ পঞ্জীভুক্ত কৰে কিন্তু প্ৰমাণৰ অভাৱত জামিন দিবলগীয়া হয় আৰু ইয়াৰ পাছতেই তেওঁ পলাতক হৈ থাকে। সি যি কি নহওক, তিনি মাহৰ পাছত তেওঁ ধৰা পৰে আৰু ছট্টগ্ৰাম অস্ত্ৰাগাৰ আক্ৰমণৰ গোচৰৰ অধীনত গোচৰ পঞ্জীভুক্ত কৰা হয় আৰু যাৱজ্জীৱন কাৰাদণ্ডৰে তেওঁক দণ্ডিত কৰা হয়। ১৯৪২ চনত কাৰাবাসৰ পৰা মুক্ত হোৱাৰ পাছত তেওঁ কমিউনিষ্ট পাৰ্টিত যোগদান কৰে আৰু ১৯৪৬ চনত সেই দলৰ নেতা পি চি যোশীৰ লগত বিবাহ সম্পন্ন হয়।

## প্ৰীতিলতা ৱাদেকাৰ

১৯১১ চনৰ মে’ মাহত ছট্টগ্ৰামত তেওঁৰ জন্ম হয়। তেওঁ এগৰাকী মেধাবী ছাত্ৰী আছিল। বিদ্যালয়ৰ শিক্ষা সম্পূৰ্ণ কৰাৰ পাছত কলকাতা বিশ্ববিদ্যালয়ৰ পৰা ডিষ্টিংশ্বনসহ স্নাতক হয়। ইয়াৰ পাছত লীলা নাগৰ দিপালী সংঘ আৰু কল্যাণ দাসৰ ষ্টুডেণ্ট য়ুনিয়নত প্ৰশিক্ষণ গ্ৰহণ কৰাৰ পাছত সূৰ্য সেনৰ ৰিভ’লুৱেশ্বনেৰি পাৰ্টিত যোগদান কৰে। আৰক্ষীৰ সৈতে হোৱা সংঘাতৰ পাছত তেওঁ সহযোগী-সকলৰ সৈতে আত্মগোপন কৰে। তেওঁলোকৰ দলৰ সদস্যক গুলীয়াই হত্যা কৰাৰ প্ৰতিশোধ ল’বৰ কাৰণে নেতা সূৰ্য সেনৰ সৈতে বৃটিছ আৰু য়ুৰোপীয়সকলে সঘনে অহা এটা নৈশ ক্লাব আক্ৰমণ কৰাৰ আঁচনি লয়। ১৯৩২ চনৰ ২৪ ছেপ্টেম্বৰৰ দিনা প্ৰীতিলতা ৱাডেকাৰে তেওঁলোকৰ সদস্যসকলৰ সৈতে পিস্তল আৰু বোমাৰে উপৰ্যুপৰি ক্লাবটো আক্ৰমণ

কৰে। বৃটিছে এই আক্ৰমণৰ প্ৰত্যুত্তৰত চলোৱা আক্ৰমণত তেওঁ বেয়াকৈ আঘাতপ্ৰাপ্ত হয়, তেওঁ এই আঘাতত মৃত্যু আসন্ন বুলি জানিছিল, সেয়েহে তেওঁলোকৰ পূৰ্বৰ আঁচনি অনুযায়ী নিজৰ লগত ৰখা পটেছিয়াম ছাইএনআইড্ সেৱন কৰি আত্মহত্যা কৰাটোত অগ্ৰাধিকাৰ দিছিল।

### ৰাণী গাইডিন্‌লিও

ৰাণী গাইডিনলিও নাগালেণ্ডৰ লক্ষ্মীবাঈ হিচাপে জনাজাত। মাত্ৰ ১৩ বছৰ বয়সতে তেওঁ বৃটিছৰ বিৰুদ্ধে যুঁজাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ নিজৰ নিকট সম্পৰ্কীয় এগৰাকীক বৃটিছে ফাঁচী দিয়াৰ পাছতে স্বাধীনতা আন্দোলনত যোগদান কৰে। সেই সময়ত তেওঁ মাত্ৰ ১৬ বছৰ বয়সীয়া আছিল আৰু মাত্ৰ চাৰিজন সশস্ত্ৰ নগা যোদ্ধাৰ সহায়ত বৃটিছৰ বিৰুদ্ধে যুঁজ দিছিল। তেওঁৰ গেৰিলা যুদ্ধ আৰু সশস্ত্ৰ অভিযান সম্পৰ্কে ভাল জ্ঞান আছিল, তেওঁ বৃটিছৰ বিৰুদ্ধে এগৰাকী আক্ৰমণাত্মক নাগা নেত্ৰী আছিল আৰু ১৯৩২ চনত তেওঁ ধৰা পৰিছিল। ইয়াৰ পাছত তেওঁ যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হয়। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত কাৰাগাৰৰ পৰা মুক্ত হোৱাৰ সময়ত তেওঁৰ বয়স হৈছিল ৩০ বছৰ। তেওঁৰ সাহসৰ বাবে পণ্ডিত নেহৰুৱে তেওঁক 'ৰাণী' বুলি মাতিছিল। স্বাধীনতা সংগ্ৰামত তেওঁ গ্ৰহণ কৰা ভূমিকাৰ বাবে পদ্মভূষণ বঁটাৰে সন্মানিত কৰা হয়।

পয়োভৰাৰ জ্যেষ্ঠ সম্পাদকৰ সংযোজন—

## অসমৰ মহিলা স্বাধীনতা যুঁজাৰু

### কনকলতা বৰুৱা

১৯২৪ চনৰ ২২ ডিছেম্বৰ তাৰিখে দৰং জিলা (বৰ্তমান শোণিতপুৰ জিলা)ৰ গহপুৰৰ বৰঙাবাৰীত তেওঁ জন্মগ্ৰহণ কৰে। **১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত এটা শোভাযাত্ৰাত ৰাষ্ট্ৰীয় পতাকা কঢ়িয়াই নিয়াত নেতৃত্ব প্ৰদান কৰা কনকলতাক গুলীয়াই হত্যা কৰা হয়।** তেওঁৰ ককাক আছিল দৰঙৰ বিখ্যাত চিকাৰী ঘনকান্ত বৰুৱা। তেওঁৰ পূৰ্বপুৰুষ আছিল তেতিয়াৰ আহোম সাম্ৰাজ্যৰ দোলাকাষৰীয়া বৰুৱা আৰু পাছত বৰুৱা উপাধিটো ৰাখে। তেওঁৰ মাত্ৰ ৫ বছৰ বয়সতে মাতৃৰ বিয়োগ হয়। দেউতাকে পুনৰ বিবাহ কৰে। কনকলতাৰ ১৩ বছৰ বয়স হওঁতেই তেৰোঁ ইহসংসাৰ ত্যাগ কৰে। তেওঁ বিদ্যালয়লৈ গৈছিল যদিও তৃতীয় শ্ৰেণীলৈকে পঢ়াৰ পাছত ভায়েক-ভনীয়েকহঁতক চোৱা-চিতা কৰিব লগা হোৱাৰ বাবে স্কুল এৰিবলগীয়া হয়।

~~ভাৰত ত্যাগ আন্দোলনৰ সময়ত কনকলতাই যুৱক যুৱতীৰদ্বাৰা গঠিত এটা মৃত্যুবাহিনীত যোগদান কৰে। ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰৰ দিনা এই বাহিনীয়ে~~ স্থানীয় আৰক্ষী থানাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ সিদ্ধান্ত লয়। অহিংস নীতিৰে আগবঢ়া গাঁৱৰ লোকৰ শোভাযাত্ৰাটোত কনকলতাই নেতৃত্ব দিছিল। আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ অধীনত আৰক্ষীয়ে তেওঁলোকক তেওঁলোকৰ পৰিকল্পনা মতে আগনাবাঢ়িবলৈ সাৱধানবাণী শুনাইছিল। আৰক্ষীৰ কথা আওকাণ কৰি সমদলটো নিজৰ আঁচনি মতে আগবাঢ়োতেই সমদলটোৰ ওপৰত আৰক্ষীয়ে গুলীবৰ্ষণ কৰে। কনকলতা ঢলি পৰিল, কিন্তু মুকুন্দ কাকতীয়ে পতাকাখন মাটিত পৰিবলৈ নিদি নিজে হাতত ল'লে। আৰক্ষীয়ে তেওঁকো গুলীয়াই হত্যা কৰিলে। তেওঁলোক দুয়োজন শ্বহীদ হ'ল। শ্বহীদ হ'বৰ সময়ত কনকলতাৰ বয়স আছিল মাত্ৰ ১৭ বছৰ।

১৯৯৭ চনত কনকলতাৰ নামত ইণ্ডিয়ান ক'ষ্ট গাৰ্ড-এ ফাষ্ট পেট্ৰল ভেছেল আই চি জি এছ-কনকলতা বৰুৱা নামাকৰণ কৰে। ২০১১ চনত গৌৰীপুৰত তেওঁৰ এটা লাইফ-ছাইয আৱক্ষ মূৰ্তি উদ্বোধন কৰা হয়।

### ভোগেশ্বৰী ফুকননী

ভোগেশ্বৰী ফুকননী স্বাধীনতা আন্দোলনৰ এগৰাকী আগৰণুৱা স্বেচ্ছাসেৱিকা আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সৈতে তেওঁ সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল। এই সময়ছোৱাত তেওঁ ফাটেকলৈকো যাবলগা হৈছিল। ভোগেশ্বৰী ফুকননী তেওঁৰে সহকৰ্মী ৰত্নমালাৰ সৈতে ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰৰ দিনা বৰহমপুৰত এটা সমদলৰ নেতৃত্ব দিছিল। সেইদিনা তেওঁ বৃটিছৰ হাতত গুলিবিদ্ধ হৈছিল আৰু শয্যাশায়ী হৈ তিনি দিন পাছত মৃত্যু হৈছিল।

একেদিনাই অৰ্থাৎ ২০ ছেপ্তেম্বৰৰ দিনা ঢেকীয়াজুলি থানাত পতাকা উত্তোলনৰ বাবে অহা সমদলকাৰীৰ ওপৰত আৰক্ষীয়ে জধে-মধে কৰা গুলীচালনাত মৃত্যু হোৱা তেৰগৰাকী বীৰ-বীৰাংগনাৰ মাজত আছিল কুমলী দেৱী, খহুলী দেৱী আৰু ১২ বছৰীয়া তিলেশ্বৰী বৰুৱা।

### পুষ্পলতা দাস

১৯১৫ চনৰ ২৭ মাৰ্চত উত্তৰ লখিমপুৰত পুষ্পলতা দাসৰ জন্ম হয়। মাত্ৰ ৬ বছৰ বয়সতে জনসাধাৰণৰ মাজত খাদী জনপ্ৰিয় কৰি তুলিবলৈ তেওঁ 'বানৰ সেনা'ত যোগ দিছিল আৰু চক্ৰ সংঘ গঠন কৰিছিল। মাতৃৰদ্বাৰা অনুপ্ৰাণিত হৈ তেওঁ স্বাধীনতাৰ বাবে শপত লৈছিল আৰু তেওঁ কেতিয়াও পাছলৈ উভতি চাবলগীয়া হোৱা নাছিল। ১৪ বছৰ বয়সত তেওঁ মুক্তি সংঘত যোগদান কৰিছিল সতীৰ্থসকলৰ সৈতে আৰু স্বাধীনতা যুঁজাৰু ভগৎ সিংক ফাঁচী দিয়া কাৰ্যৰ প্ৰতিবাদ কৰিছিল। তেওঁ ১৯৩৮ চনত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৪০ চনত 'ব্যক্তিগত সত্যাগ্ৰহ' কাৰ্যসূচীত অংশগ্ৰহণ কৰি কাৰাবাস খাটিব লগা হয়।

১৯৪০-৪২ চনৰ কালছোৱাত তেওঁ ৰাষ্ট্ৰীয় পৰিকল্পনা সমিতিৰ মহিলা উপ-সভাপতিৰ সদস্য আছিল। সেই সময়ছোৱাত তেওঁ মৃদুলা ছাৰাভাই আৰু

বিজয়লক্ষ্মী পণ্ডিতৰ লগত উন্নয়ন আৰু গঠনমূলক কাম কৰিছিল। তেওঁ তেজপুৰত সহযোগীসকলৰ সৈতে শান্তিবাহিনী আৰু মৃত্যুবাহিনী গঠন কৰে আৰু গহপুৰ আৰক্ষী থানাৰ চৌহদত জাতীয় ত্ৰিৰঙ্গা পতাকা উত্তোলন কৰাৰ বাবে উলিওৱা সমদলটোত নেতৃত্ব বহন কৰাৰ কথা আছিল। কিন্তু ভাগ্যই যেন হস্তক্ষেপ কৰিলে আৰু কনকলতা বৰুৱাই পুষ্পলতা দাসৰ পৰা এই দায়িত্ব গ্ৰহণ কৰে। অসমক গ্ৰুপিঙেৰে পূব পাকিস্তানৰ লগত অন্তৰ্ভুক্ত কৰাৰ প্ৰশ্নত তেওঁ জৱাহৰলাল নেহৰুৰ বিৰোধিতা কৰিছিল। পাছত মহাত্মা গান্ধীৰ বিবৃতিয়ে এইক্ষেত্ৰত অসমক সহায় কৰিছিল। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য আৰু অসম কংগ্ৰেছ কমিটীৰ মহিলা শাখাৰ আহ্বায়ক হিচাপে তেওঁ ভালেমান উল্লেখযোগ্য ভাষণ দিছিল। ১৯৫১ চনত তেওঁ ৰাজ্যসভালৈ নিৰ্বাচিত হয় আৰু ১৯৬১ চনলৈকে তেওঁ কাৰ্যনিৰ্বাহ কৰে। তেওঁ অসম বিধানসভাৰো সদস্য আছিল। তেওঁ 'জয়ন্তী' নামৰ আলোচনীখনৰ সম্পাদিকা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ভাৰত চৰকাৰে স্বাধীনতা আন্দোলনত তেওঁ আগবঢ়োৱা ভূমিকাৰ স্বীকৃতি স্বৰূপে তেওঁলৈ তাম্ৰপত্ৰ আগবঢ়াইছিল। কিন্তু তেওঁ তাম্ৰপত্ৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহলৈ পত্ৰ প্ৰেৰণ কৰিছিল। ২০০৩ চনৰ ৯ নৱেম্বৰ তাৰিখে ৮৮ বছৰ বয়সত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে।

## চন্দ্ৰপ্ৰভা শইকীয়ানী

স্বাধীনতা যুঁজাৰু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ১৯০১ চনৰ ১৬ মাৰ্চ তাৰিখে কামৰূপ জিলাৰ দৈশিঙাৰি গাঁৱত জন্ম হয়।

নগাঁৱৰ এখন প্ৰাথমিক বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱন আৰম্ভ কৰা চন্দ্ৰপ্ৰভা শইকীয়ানী পাছত তেজপুৰৰ বালিকা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পদত অধিষ্ঠিত হয়। তেজপুৰত থকাৰ সময়ছোৱাতে তেওঁ চন্দ্ৰনাথ শৰ্মা, অমিয় কুমাৰ দাস, জ্যোতিপ্ৰসাদ আগৰৱালা, লক্ষীধৰ শৰ্মা আদি বৰেণ্য ব্যক্তিসকলৰ সান্নিধ্যলৈ আহে আৰু ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত চলা অহিংস আন্দোলনত যোগদান কৰে। ১৯৩০ চনত আইন অমান্য আৰু ১৯৪৩ চনত অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰি তেওঁ কাৰাবাস খাটিব লগাত পৰে। সাহিত্যিক হিচাপেও তেওঁ অনবদ্য বৰঙণি আগবঢ়াই থৈ গৈছে। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত তেওঁ সমাজবাদী পাৰ্টীত যোগদান কৰে আৰু পাছত ভাৰতীয় জাতীয় কংগ্ৰেছলৈ উভতি আহে। ১৯৫৭ চনত তেওঁ অসম বিধানসভাৰ নিৰ্বাচনত অৱতীৰ্ণ হয়। তেৱেঁই বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়োৱা প্ৰথম অসমীয়া মহিলা। ১৯৭২ চনৰ ১৬ মাৰ্চত তেওঁৰ দেহাৱসান হয়। মৃত্যুৰ পূৰ্বে ভাৰত চৰকাৰে তেওঁক ১৯৭২ চনত পদ্মশ্ৰী প্ৰদান কৰে। ২০০২ চনত ডাক বিভাগে প্ৰকাশ কৰা সমাজ সংস্কাৰক লানিৰ ডাক-টিকটত তেওঁক স্থান দি পুনৰ সন্মানিত কৰে। তেজপুৰ বিশ্ববিদ্যালয়তো ২০০৯ চনত চন্দ্ৰপ্ৰভা শইকীয়ানী ছেণ্টাৰ ফ'ৰ অ'মেনছ ষ্টাডিজ নামৰএটা মহিলাৰ কেন্দ্ৰ স্থাপন কৰি তেওঁৰ প্ৰতি সন্মান যঁচা হয়। ❐

উন্নয়ন মানচিত্ৰ

# মাতৃদুগ্ধ পানৰ প্ৰচাৰৰ কাৰণে 'মা' (এম এ এ) কাৰ্যসূচী

মা (মডাৰ্ছ্ এব্ছলিউ'ট্ এফে'ক্শ্বন্) হ'ল মাতৃসকল আৰু জনসাধাৰণৰ মাজত মাতৃদুগ্ধ পান সম্পৰ্কে ব্যাপক সজাগতা সৃষ্টি কৰাটো নিশ্চিত কৰিবৰ বাবে অলপতে গ্ৰহণ কৰা এখন ধ্বজাবাহী আঁচনি।

এম এ এ— মডাৰ্ছ্ এব্ছলিউ'ট এফে'ক্শ্বন্ হৈছে স্বাস্থ্য ব্যৱস্থাৰ জৰিয়তে দুগ্ধপান সমৰ্থনৰ কাৰণে পৰামৰ্শদানৰ ব্যৱস্থাৰ প্ৰচাৰ সন্দৰ্ভত আলোকপাত কৰাৰ কাৰণে প্ৰৱৰ্তন কৰা এটা ৰাষ্ট্ৰযোৰা কাৰ্যসূচী। এই কাৰ্যসূচীৰ নাম 'মা' ৰখাৰ কাৰণ হ'ল— দুগ্ধদান কৰা এগৰাকী মহিলাই পৰিয়ালৰ সদস্যসকল আৰু স্বাস্থ্য যতন সুবিধাৰ পৰা পাবলগীয়া প্ৰয়োজনীয়তাখিনিৰ সমৰ্থনত গুৰুত্ব প্ৰদান কৰা। 'মা' কাৰ্যসূচীৰ প্ৰধান উপাদানসমূহ হ'ল সমূহীয়া সচেতনতা সৃষ্টি, **আশা**ৰ জৰিয়তে জনস্বাস্থ্য সুবিধা বিতৰণ, চোৰা-চিতা কৰা আৰু স্বীকৃতি আদি দিশত ব্যক্তিৰ মাজত ভাবৰ আদান-প্ৰদান শক্তিশালী কৰা, মাতৃদুগ্ধ দান কাৰ্যত কৌশলী সমৰ্থন আগবঢ়োৱা।

**৪২ কোটি টকা প্ৰদান আৰু ২০১৩-১৬ চনৰ কালছোৱাত উজ্বালা আঁচনিৰ অধীনত ১৮,২১৫ উপকৃত**

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ উজ্বালা আঁচনিৰ বিশেষ উপাদানসমূহ হ'ল মানৱ সৰবৰাহ ৰোধকৰণ আৰু উদ্ধাৰ, পুনৰ সংস্থাপন, বাণিজ্যিক যৌন শোষণৰ কাৰণে মানৱ সৰবৰাহৰ বলি হোৱা সকলৰ পুনৰ সংহতকৰণ, প্ৰত্যাৱৰ্তন আদি। এই আঁচনিৰ অধীনত মন্ত্ৰালয়ে ২০১৩-১৬ চনৰ কালছোৱাত ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে মুঠ ৪২ কোটি টকা মুকলি কৰি দিছে আৰু এই কালছোৱাত ১৮,২১৫ লোক উপকৃত হৈছে। ২০১৬-১৭ চনৰ কালছেৱাত (৩০.০৬.২০১৬ লৈকে) ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে মুঠ ১ কোটি ৪৩ লাখ ৭ হাজাৰ টকা মুকলি কৰি দিয়া হৈছে।

উজ্বালা আঁচনিৰ অধীনত মহিলা আৰু শিশু সৰবৰাহ সম্পৰ্কে সচেতনতা সৃষ্টি কৰিবলৈ সমূহীয়া সতৰ্কতা গোট, উদ্দেশ্য সাধনৰ বাবে সামাজিক সমবেতকৰণ আৰু স্থানীয় সম্প্ৰদায়ক জড়িতকৰণ, কৰ্মশালা/আলোচনা চক্ৰৰ জৰিয়তে ৰাজহুৱা বক্তৃতা প্ৰদান, গণ মাধ্যমৰ জৰিয়তে জন সচেতনতা আৰু পুস্তিকা, পষ্টাৰ আদিৰ জৰিয়তে জন সচেতনতা বৃদ্ধি আদি আঁচনি চৰকাৰে গ্ৰহণ কৰিছে।

**৮০০তকৈয়ো অধিক টকা মুকলি আৰু আই জি এম এছ ৱাই আঁচনিৰ অধীনত ১৪.৩ লাখ লোক উপকৃত**

মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে আই জি এম এছ ৱাই, কেন্দ্ৰৰ পৃষ্ঠপোষকতা আঁচনি চৰ্ত সাপেক্ষ প্ৰসূতি লাভ (কন্‌ডিশ্বনেল মেটাৰনিটি বেনিফিট— চি এম বি) আদি আঁচনি ৰূপায়ণ কৰি আছে। চৰ্ত সাপেক্ষে প্ৰসূতি লাভ (চি এম বি) আঁচনিখনৰ অধীনত ১৯ বছৰ বা ততোধিক বয়সৰ গৰ্ভৱতী আৰু শিশুক দুগ্ধ দান কৰা মাতৃৰ বাবে দুটা কিস্তিত তিনি হাজাৰকৈ দুটা কিস্তিত মুঠ ৬০০০ টকা হিতাধিকাৰীক প্ৰদান কৰা হয়। আই জি এম এছ ৱাই আঁচনিৰ লক্ষ্য হ'ল— গৰ্ভৱতী আৰু দুগ্ধ দান কৰা মাতৃক তেওঁলোকৰ দ্বিতীয় বাৰৰ গৰ্ভাৱস্থাৰ পৰা শিশু জন্ম হোৱাৰ পাছৰ ৬ মাহলৈকে তেওঁলোকৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ তেওঁলোকৰ বেংক/ডাকঘৰৰ একাউণ্টত নগদ ধন প্ৰদান কৰা।

২০১৩-১৬ চনৰ কালছোৱাত মন্ত্ৰালয়ে এই আঁচনিৰ অধীনত ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ মুঠ ৮০৮ কোটি টকা মুকলি কৰি দিছে আৰু এই কালছোৱাত ১৪,৩২,৪১১ হিতাধিকাৰী উপকৃত হৈছে। এই আঁচনি দেশৰ ৫৩ খন নিৰ্বাচিত জিলাত ৰূপায়ণ কৰা হৈছে।

মন্ত্ৰালয়ে আই জি এম এছ ৱাই আঁচনিৰ অধীনত হিতাধিকাৰীলৈ প্ৰদান কৰা ধনৰাশিৰ পৰিমাণ সংশোধন কৰি পূৰ্বৰ ৪ হাজাৰ টকাৰ পৰা ৬ হাজাৰ টকালৈ বৃদ্ধি কৰিছে আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (এম এফ এছ এ), ২০১৩ অনুসৰি ২০১৩ চনৰ ৫ জুলাই তাৰিখৰ পৰা ইয়াক বলৱৎ কৰা হৈছে। চলিত ২০১৬-১৭ বিত্তীয় বছৰৰ বাজেটত এই শিতানৰ বাবে ৪০০ কোটি টকা ধাৰ্য কৰা হৈছে।

**মহিলাৰ কাৰণে চৰকাৰৰ সম-সুবিধা আঁচনি আৰু কামৰ ভাল পৰিৱেশ**

চৰকাৰে সম বেতন আইন ১৯৭৬ প্ৰণয়ন কৰিছে। এইখন আইনৰদ্বাৰা নিযুক্তিৰ বিষয়ত একে ধৰণৰ কামৰ বাবে পুৰুষ আৰু মহিলাৰ বাবে সমান মজুৰি আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে আৰু নিযুক্তি আৰু কামৰ যি কোনো ক্ষেত্ৰতে বৈষম্য নিষিদ্ধ কৰিছে। আইনখনৰ ব্যৱস্থাসমূহ বাধ্যতামূলক কৰিবলৈ নিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে নিজৰ সংশ্লিষ্ট পৰিধিৰ ভিতৰত আইনখন বলৱৎ কৰিছে। চৰকাৰৰ উপযুক্ত বিষয়াই অধিসূচনা মৰ্মে পৰিদৰ্শকে পৰিদৰ্শন কৰিব আৰু আইনখনৰ ব্যৱস্থা উলংঘন হোৱা দেখিলে উলংঘকাৰীৰ বিৰুদ্ধে আইনসংগত ব্যৱস্থা গ্ৰহণ কৰিব। এই আইনখন সমগ্ৰ ভাৰততে সম্প্ৰসাৰণ কৰা হৈছে।

**কৰ্মক্ষেত্ৰত মহিলাৰ যৌন নিৰ্যাতন** (প্ৰতিৰোধ, নিষিদ্ধকৰণ আৰু প্ৰতিবিধান) আইন ২০১৩ কৰ্মক্ষেত্ৰত মহিলাৰ বাবে সুৰক্ষিত কৰ্ম পৰিৱেশ প্ৰদান কৰাৰ বাবে প্ৰণয়ন কৰা হৈছে। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে কৰ্মৰত মহিলাসকলক সুৰক্ষিত থকা-মেলাৰ বাবে কৰ্মৰত মহিলা আৱাসৰ ব্যৱস্থা কৰিছে আৰু কৰ্মৰত মহিলা শিশু সন্তানৰ যত্ন লোৱাৰ বাবে দিনৰ যত্ন সুবিধা প্ৰদানৰ উদ্দেশ্যে ৰাজীৱ গান্ধী ক্ৰেছ আঁচনি গ্ৰহণ কৰিছে।

এইবোৰৰ উপৰি, মহিলা কৰ্মচাৰীৰ বাবে নিযুক্তি নীতি অধিক সংবেদনশীল কৰি তোলাৰ উদ্দেশ্যে চৰকাৰে প্ৰসূতি লাভ আইন ১৯৬১-ৰ অধীনত প্ৰসূতিকালীন ছুটী, শিশু যত্নৰ ছুটী আৰু পিতৃৰ ছুটী আদিৰ ব্যৱস্থা কৰিছে।

(৭ পৃষ্ঠাৰ পৰা)

**আমাৰ বাবে প্ৰয়োজনীয় শিক্ষা**

পিতৃতান্ত্ৰিক বিচাৰ ধাৰা, মূল্যবোধ, আচৰণ-বিধিক প্ৰত্যাহ্বান জনাব পৰাকৈ তথ্য আৰু জ্ঞান আহৰণ কৰিব পৰা শৈক্ষিক বাতাৱৰণ সৃষ্টিৰ বাবে বৰ্তমানে চলি থকা নাৰী শিক্ষাৰ আঁচনিসমূহক অধিক উন্নত আৰু বিস্তৃত কৰি প্ৰৱৰ্তনত গুৰুত্ব প্ৰদান কৰিব লাগিব। মহিলা-সকলক কেৱল শব্দ-বৰ্ণ-বানান লিখিব আৰু পঢ়িব পৰা শিক্ষা দান কৰিলেই নহ'ব। বৰং পৃথিৱীখনক পঢ়িব পৰা, বুজিব পৰা আৰু বুজি নিয়ন্ত্ৰণ কৰিব পৰা সামৰ্থ্য প্ৰদান কৰা শিক্ষাৰহে তেওঁলোকৰ প্ৰয়োজন আছে। তেওঁলোক লিখা-পঢ়াত সিদ্ধহস্ত হ'লেই নহ'ব, বৰং তেওঁলোকৰ জীৱন আৰু ভাগ্য ন-কৈ গঢ় দিয়াতো সিদ্ধহস্ত হ'ব পাৰিব লাগিব। আমাক এনে শিক্ষা লাগিব, যিয়ে মহিলাসকলক দ্ৰুতগতিত সলনি হৈ থকা পৃথিৱীখন বুজিব পৰা বিশ্লেষণ দক্ষতাৰে মেধাৱী কৰি তুলিব পাৰিব। মহিলা সবলীকৰণৰ বাবে শিক্ষা হ'ব লাগিব ঐক্যবদ্ধ কাৰ্য আৰু প্ৰতিফলনৰ এটা অবিৰত প্ৰক্ৰিয়া। এনে শিক্ষাৰ পদ্ধতি হ'ব অংশগ্ৰহণকাৰী আৰু ধৰ্মাধিকাৰ বিহীন। বঞ্চিত শ্ৰেণীৰ মাজত ন্যায়, সমতা, সততা, সত্যনিষ্ঠতা আৰু ভাতৃত্ববোধৰ দৰে মূল্যবোধ সৃষ্টিত সহায়ক হোৱা শিক্ষাহে আমাৰ প্ৰয়োজন। মহিলাৰ মাজত প্ৰতিযোগিতা আৰু আকাংক্ষাৰ মানসিকতা সৃষ্টিকাৰী অথচ পৰস্পৰৰ মাজত বিশ্বাস তথা ভাতৃত্ববোধ বৃদ্ধিকাৰী শিক্ষাহে ইয়াৰ বাবে জৰুৰী। মহিলা সবলীকৰণৰে মানৱতাবোধৰ সবলীকৰণক একাত্ম কৰিব পাৰিলেহে আমাৰ প্ৰয়াস ফলপ্ৰসূ হ'ব। তেতিয়াহে আমাৰ পৃথিৱীখনত ন্যায়, সাম্য আৰু শান্তিয়ে বিৰাজ কৰিব।

মহিলা সবলীকৰণৰ প্ৰয়াসে যে পুৰুষ সকলৰো কল্যাণ সাধন কৰিব সেই কথা উপলব্ধি কৰিব পাৰিলেহে মহিলা সবলীকৰণ অভিযানে দ্ৰুত লাভ কৰিব। নক'লেও হ'ব যে পৰিয়াল সমূহৰ লগতে সামগ্ৰিকভাৱে ৰাষ্ট্ৰ কল্যাণো সাধন কৰিব। এটা কথা মনত ৰখা উচিত যে গুণৱানজনে কেতিয়াও সমতাক ভয় নকৰে। ❒